Bhawani

ভৱানী

চতুর্বিংশতিতম প্রকাশ

৫১ সংখ্যক বর্ষ
১৯৪৮ শক
২০২৬ খ্রীষ্টাব্দ

গীতানগৰ সার্বজনীন দুর্গাপূজা সমিতি

স্থান ঃ গীতানগৰ স্কুল খেলপথাৰ, গুৱাহাটী-২১



The name of printing in the North East

Aurora Fine Arts

One stop solution for all printing and allied services

We undertake

- Annual Reports
- Magazines
- Newsletters
- Calendars
- Books
- Diaries
- Product Catalogues
- Brochures
- Leaflets
- Handbills
- Business Directories
- Lottery Tickets
- Posters
- Labels
- Danglers
- Newspaper
- Wedding Cards
- Packaging Items

Our Products



Aurora Fine Arts

38 Industrial Estate, 5th Bye Lane, Bamunimaidam, Guwahati-781021


Contact Details:
9854003205, 9854072352, 9435110464, 9435110465
e-mail: aurorafinearts14@gmail.com
Visit: www.aurorafinearts.com

aurora_fine_arts Aurora Fine Arts



ভৰানী

চতুর্বিংশতিতম প্রকাশ



তাৰিখ ঃ ২৮, ২৯, ৩০ আহিন, ০১, ০২, ০৩ আৰু
০৭ কাতি, ১৯৪৮ শকাব্দ
ইংৰাজী ঃ ১৬, ১৭, ১৮, ১৯, ২০, ২১ আৰু
২৫ অক্টোবৰ, ২০২৬ খ্রীষ্টাব্দ

মুখ্য সম্পাদক
দিলীপ কুমাৰ শর্মা

সাহিত্য সম্পাদক
বিৰাজ মোহন তালুকদাৰ

কাৰিকৰী সম্পাদক
মুনীন মিশ্র

সহযোগী সম্পাদক
ৰাজীৰ কলিতা

পূজাৰ স্থান ঃ গীতানগৰ হাইস্কুল খেলপথাৰ, গুৱাহাটী - ৭৮১০২১

24th Issue

'BHAWANI'

A souvenir of 51st Geetanagar Sarbajanin
Durga Puja Samity
Geetanagar, Guwahati- 781021

Edited by :
Chief Editor : Dilip Kumar Sarma
Literary Editor : Biraj Mohan Talukdar
Technical Editor : Mumin Mishra
Associate Editor : Rajib Kalita
Published by : Ritu Moni Kalita, General Secretary
51st Geetanagar Sarbajanin Durga Puja Samity



প্রচ্ছদপটৰ শিল্পী ঃ

প্রদীপ নাথ

অঙ্গসজ্জা আৰু অলংকৰণ ঃ

ৰূপম লহকৰ, অংকুৰ চহৰীয়া

অৰিহণা ঃ

১০০.০০ টকা

মুদ্রণ ঃ

অৰোৰা ফাইন আর্ট্চ, বামুণী মৈদাম, গুৱাহাটী- ২১

সম্পাদনা সমিতি

উপদেষ্টা ঃ

ড° পূর্ণ ভট্টাচার্য্য,
অৰিন্দম তালুকদাৰ,
যাদৱানন্দ চহৰীয়া

কলা উপদেষ্টা ঃ

হৰকুমাৰ ডেকা

সভাপতি ঃ

প্রদীপ কুমাৰ গোস্বামী

মুখ্য সম্পাদক ঃ

দিলীপ কুমাৰ শর্মা

সাহিত্য সম্পাদক ঃ

বিৰাজ মোহন তালুকদাৰ

কাৰিকৰী সম্পাদক ঃ

মুনীন মিশ্র

সহযোগী সম্পাদক ঃ

ৰাজীৱ কলিতা

সদস্য ঃ

দিলীপ চন্দ্র কলিতা (পদেন),
ৰিতুমনি কলিতা (পদেন),
ভূপেন শর্মা

অশ্রু সজল

শ্রদ্ধাঞ্জলি



ভাৰতৰত্ন সুধাকণ্ঠ

ড° ভূপেন হাজৰিকা



প্ৰতি অসমীয়াৰ হিয়াৰ আমঠু

জুবিন গার্গ



অসমৰ সুকণ্ঠী গায়িকা

গায়ত্রী হাজৰিকা

শ্রদ্ধাৰ আঁজলি



প্রয়াত অৰনী ডেকা
জন্ম ঃ ০৫ ডিচেম্বৰ, ১৯৪১
মৃত্যু ঃ ১০ ডিচেম্বৰ, ২০২৫



প্রয়াত ৰমেন পাঠক
জন্ম ঃ ০১ অক্টোবৰ, ১৯৪৫
মৃত্যু ঃ ১৮ নৱেম্বৰ, ২০২৫



প্রয়াত গোবিন্দ চন্দ্র ডেকা
জন্ম ঃ ২২ জুন, ১৯৪০
মৃত্যু ঃ ১৪ মে', ২০২৬



প্রয়াত নিৰদা কলিতা
জন্ম ঃ ০১ আগষ্ট, ১৯৪৫
মৃত্যু ঃ ০৬ মার্চ, ২০২৬



প্রয়াত ছায়া ডেকা
জন্ম ঃ ০১ জানুৱাৰী, ১৯৬২
মৃত্যু ঃ ০৮ জুলাই, ২০২৬



প্রয়াত অনিতা দাস কলিতা
জন্ম ঃ ১৫ আগষ্ট, ১৯৭৪
মৃত্যু ঃ ২৫ অক্টোবৰ, ২০২৫



প্রয়াত দিনেশ কলিতা
জন্ম ঃ ০১ মার্চ, ১৯৬৪
মৃত্যু ঃ ০৩ এপ্রিল, ২০২৬





প্রয়াত প্রবীৰ সিংহ ৰয়
জন্ম ঃ ২৮ আগষ্ট, ১৯৬৭
মৃত্যু ঃ ২৩ অক্টোবৰ, ২০২৫

ড° হিমন্ত বিশ্ব শর্মা
Dr. Himanta Biswa Sarma

সত্যমেব জয়তে

মুখ্যমন্ত্রী, অসম
Chief Minister, Assam



দিছপুৰ
চি এম এছ ৭/২০২৩/৮১৫৭
১২ আহিন, ১৪৩৩ ভাস্কৰাব্দ
৩০ ছেপ্টেম্বৰ, ২০২৬ ইং

শুভেচ্ছাবাণী

গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতিয়ে ৫১ সংখ্যক বর্ষৰ শাৰদীয় দুর্গোৎসৱ আয়োজনৰ প্রস্তুতি চলোৱা বুলি জানিবলৈ পাই মই আনন্দিত হৈছোঁ। ইয়াৰ লগত সংগতি ৰাখি 'ভৱানী' নামৰ এখন মুখপত্র প্রকাশৰ দিহা কৰাটো নিতান্তই প্রশংসনীয়।

শক্তি মাহাত্ম্য প্রকাশক প্রসিদ্ধ গ্রন্থ শ্রীশ্রীচণ্ডীত পৰমতত্ত্বৰূপে দেৱীৰ স্বতন্ত্র-ৰূপৰ বর্ণনা আছে। প্রাচীন এই গ্রন্থখনত উল্লেখ কৰা হৈছে যে বিশ্ব-জগতত যি বর্তমানে আছে, যি অতীতত আছিল আৰু যি ভৱিষ্যতে হ'ব, সেই সকলোবোৰেই দেৱী। অর্থাৎ দেৱী সেই সকলোৰে শক্তিৰূপা। তেওঁ মুক্তিৰ কাৰণস্বৰূপা ব্রহ্মবিদ্যা, আদি-অন্তবিহীনা আৰু ব্রহ্মা-বিষ্ণু-মহেশ্বৰ আদিৰো ঈশ্বৰী। তেওঁৰ পৰাই চৰাচৰ জগতৰো উৎপত্তি। দেৱীক বিদ্যা-অবিদ্যা উভয়ৰূপিণী— অবিদ্যাৰূপে মহামায়া বন্ধনৰ কাৰণ আৰু বিদ্যাৰূপে মুক্তিৰ হেতু বুলি উল্লেখ কৰি সেয়ে কোৱা হৈছে এনেদৰে—

সা বিদ্যা পৰমা মুক্তের্হেতুভূতা সনাতনী।
সংসাৰবন্ধহেতুশ্চ সৈৱ সর্বেশ্বৰেশ্বৰী।।

শৰৎকালৰ স্নিগ্ধ পৰিৱেশত আয়োজিত দুর্গোৎসৱ আমাৰ বাবে ভক্তি আৰু আধ্যাত্মিকতাৰ এক অনন্য উৎসৱ। তদুপৰি এই উৎসৱ সমাজ, সংস্কৃতি আৰু সম্প্রীতিৰো মিলনক্ষেত্র। পূজাৰ মণ্ডপত প্রজ্বলিত প্রদীপ আৰু ধূপ-ধূণাই সৃষ্টি কৰা আধ্যাত্মিক পৰিৱেশ, উৰুলি আৰু ঢাকৰ মংগলধ্বনি তথা মা দুর্গাৰ শ্রীচৰণত সমৱেত হোৱা অগণন ভক্তৰ সমাৱেশে আমাৰ সামূহিক জীৱনৰ এখন অসাধাৰণ ছবি উদ্ভাসিত কৰে। অনাবিল আনন্দৰ এই উৎসৱে আমাক সোঁৱৰাই দিয়ে যে বৈচিত্র্যই আমাৰ শক্তি আৰু ঐক্যই আমাৰ পৰম সম্পদ।

গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতিৰ দুর্গোৎসৱ আয়োজনৰ এই দীঘলীয়া যাত্রা কেৱল সময়ৰ পৰিক্রমা নহয়; ই হৈছে ভক্তি, নিষ্ঠা, পৰম্পৰা, সামূহিক প্রচেষ্টা আৰু প্রজন্মৰ পৰা প্রজন্মলৈ সাংস্কৃতিক মূল্যবোধ সঞ্চাৰৰ এক জীৱন্ত ইতিহাস। ৫১ সংখ্যক বর্ষৰ শাৰদীয় দুর্গোৎসৱ আয়োজনৰ এই বিশেষ ক্ষণত সমিতিৰ সৈতে জড়িত সংশ্লিষ্ট সকলোলৈকে মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।

মই দুর্গোৎসৱৰ সকলো কার্যসূচীৰ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে মুখপত্রখনৰ সফল প্রকাশ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শর্মা)

দিপ্লু ৰঞ্জন শর্মা
Diplu Ranjan Sarmah
MLA, 35 No. New Guwahati LAC
(O) New MLA Hostel "Block G-10"
Email: dipluranjan@gmail.com

Residence:
Flate No- 4E, De Core View Apartment,
VIP Road, Guwahati- 781022
P.O.- Khanapara, Dist.- Kamrup (M)



শুভেচ্ছা বার্তা

আমাৰ সামূহিক জীৱনৰ আত্মিক চেতনা, সাং স্কৃতিক ঐতিহ্য আৰু সম্প্রীতিৰ পৱিত্র উৎসৱ শাৰদীয় দুর্গোৎসৱ। এই পৱিত্র উপলক্ষত গুৱাহাটীৰ ঐতিহ্যমণ্ডিত 'গীতানগৰ সার্বজনীন দুর্গাপূজা সমিতি'য়ে ৫১ সং খ্যক বর্ষত পদার্পণ কৰাৰ লগতে তেওঁলোকৰ বার্ষিক মুখপত্র 'ভৱানী' প্রকাশ কৱিবলৈ লোৱা প্রজ্ঞাদীপ্ত পদক্ষেপৰ শলাগ লৈছোঁ।

'ভৱানী'- বিশ্বধাত্রী মহাশক্তি মহামায়া; অসত্য আৰু অন্ধকাৰৰ বিনাশ সাধন কৰি সত্য, ন্যায় আৰু পোহৰৰ দিশে মানৱ সমাজক পৱিচালিত কৰা শাশ্বত সত্তাৰ প্রতীকৰূপ। পাঁচটা দশকৰো অধিক সুদীর্ঘ ঐতিহ্য কঢ়িয়াই অনা এখন পূজা সমিতিয়ে কেৱল অনুষ্ঠানৰ আনুষ্ঠানিকতাতে সীমিত নাথাকি, সাহিত্য-চর্চা আৰু চিন্তাশীল প্রকাশক এনেদৰে অগ্রাধিকাৰ দিয়াটো তেওঁলোকৰ প্রতিশ্রুতিবদ্ধ সামাজিক আৰু বৌদ্ধিক দায়িত্ববোধৰে পৱিচায়ক। আমাৰ দৃঢ় বিশ্বাস, এই মুখপত্রখনি কেৱল উৎসৱমুখী এখন স্মৰণিকা নহৈ আমাৰ স্থানীয় সাহিত্য-সং স্কৃতি, নৱ-ভাৱনা আৰু কালজয়ী মূল্যবোধক সং ৰক্ষিত কৰাৰ এক অমূল্য দস্তাবেজ হৈ পৱিব।

পৱিত্র দুর্গোৎসৱৰ এই শুভ ক্ষণত মাতৃ দেৱী দুর্গাৰ শ্রীচৰণত সমগ্র ৰাইজৰ সুখ, শান্তি, সমৃদ্ধি আৰু সর্বাং গীণ কুশলতা কামনা কৱিলোঁ। লগতে 'গীতানগৰ সার্বজনীন দুর্গাপূজা সমিতি'ৰ ৫১ সং খ্যক বর্ষৰ এই পূজা মহোৎসৱৰ সকলো কার্যসূচীৰ পূর্ণ সাফল্য আৰু বার্ষিক মুখপত্র "ভৱানী"ৰ শুভ প্রকাশ আন্তৰিকতাৰে কামনা কৱিছোঁ। ইতি।

দিপ্লু ৰঞ্জন শর্মা

ড° বসন্ত কুমাৰ গোস্বামী
সভাপতি

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
বাংছিনা ভৱন, ডিব্ৰু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লখীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লখীমপুৰ-৭৮৭০০১
কমলাদেবী তোলী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেদি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙ্গলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি-সংসদ বিহাৰ মাৰ্গ, ব্লক এ, কুটুৰ ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭

প্ৰসংগ নং ঃ ..... তাৰিখ ঃ ২৯-০৯-২০২৬



শুভেচ্ছা বাৰ্তা

গুৱাহাটীৰ গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজা সমিতিৰ দ্বাৰা আয়োজিত দুৰ্গাপূজাভাগে ৫১ বছৰত পদাৰ্পণ কৰা বতৰাত আহ্লাদিত হৈছোঁ। পূৰ্বৰদৰে উলহমালহেৰে শাৰদীয় দুৰ্গোৎসৱৰ আয়োজন কৰা আৰু ইয়াৰ লগত সংগতি ৰাখি মুখপত্ৰ **ভৱানী**-ৰ এইবাৰৰ সংখ্যাটি প্ৰকাশৰ দিহা কৰাটো সুখৰ খবৰ।

শাৰদীয় দুৰ্গাপূজা অশুভ শক্তিৰ বিনাশ কামনাৰে শুভশক্তিৰ আবাহনৰ উৎসৱ। সম্মিলিত ক্ৰোধত মহাশক্তিৰ জন্ম হয়। সেই মহাশক্তিয়ে সমাজৰ মহিষাসুৰবোৰক বধ কৰি শান্তি, ঐক্য-সংহতিৰ মন্দিৰলৈ সোমাবলৈ সকলোকে শক্তি দিয়ক। দুৰ্গাপূজা কেৱল আধ্যাত্মিক পূজাই নহয়, এয়া সমাজৰ প্ৰতিও ইতিবাচক নৈবেদ্যৰূপে সকলোৱে গ্ৰহণ কৰিলেই আয়োজকসকলৰ উদ্দেশ্য সফল হ'ব। ইয়াকে আই ভগৱতীৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

(ড° বসন্তকুমাৰ গোস্বামী)
সভাপতি, অসম সাহিত্য সভা

ঘৰৰ ঠিকনা ঃ পোহৰ, সুবাগপুখুৰি, ঢোলাধৰা, তকশৰাম ফুকন পথ, যোৰহাট, অসম, ভাৰতবৰ্ষ ঃ ৮৪৭৩৯০৭১৯৪, ৯৪৩৫২৬৪৫০৯
ই-মেইল ঃ drbkgoswami3@gmail.co



সম্পাদকীয় চিন্তাপুঞ্জ

(ক)



গছৰ পাতত, ফুলৰ পাপৰিত নিবিড় স্নিগ্ধতাৰে অৱগুণ্ঠিত অপ্রতিম শৰতৰ শেলেঙী নিয়ৰ। শেলেঙী নিয়ৰৰ টোপালে টোপালে আকৌ চিকুণ শাৰদী ৰ'দৰ ঝিলিক।

আই আহিছে। শাৰদা আই আহিছে। বন-বননিত বুকুল, শোৱালীৰ সৌৰভেৰে সুৰভিত লচ্‌পচ্‌ উৰণীয়া বতাহ, বতাহৰ নাচৰ লাচৰ ছন্দত উচল-পাচলকৈ দুলি থকা ৰাংঢালী কঁহুৱা বননিখনৰ লাৱণ্যময় শৰণিয়েদি পৰম জ্যোতির্ময়ী শাৰদা আই আহিছে। শাৰদা আই আহিছে—ধৰা ধামলৈ।

কপাহ-শুকুলা মেঘেৰে বুটাবছা গধূলিৰ নীলিময় আকাশত আহিনমহীয়া শৰদিন্দু। আই মাতৃ দেৱী দুর্গাৰ আগমনৰ বতৰা পাই জ্যোতিৰূপা শৰদিন্দুৰ সুবিমল জোনাকত দূৰৰিবনবোৰৰ শিশিৰ-বিন্দুবোৰ একো একোগছি মঙ্গল-প্রদীপ হৈ জ্বলিছে। সেই মঙ্গল-প্রদীপ-বিচ্ছুৰিত মঙ্গল-দীপ্তিৰ মাঙ্গলিক প্রভাৰ সুচিতাৰে যেন পৰিশুদ্ধ হৈ পৰিছে সমুদায় ধর্মশীল ৰাইজৰ মন, প্রাণ, বিবেক।....

আমি পৰম জ্ঞানময়ী, অনন্ত চেতনা ৰূপিনী, চিন্ময়ী, পৰম কৰুণাময়ী, পৰম মঙ্গলময়ী, পৰম স্নেহশীলা জগজ্জননী আই মাতৃ দেৱী দুর্গাৰ শ্রীচৰণ চিন্তি ভকতি-উপাচাৰৰ মহার্ঘ যাচিছোঁ, অচলা ভকতিৰে প্রণিপাত জনাইছোঁ—হে আই, তুমি আমাৰ সমাজ জীৱনত থিতাপি লোৱা পাপ, ভ্রান্তি আৰু অসুন্দৰতাৰে আচ্ছন্ন অসুৰ সদৃশ লোকসকলৰ মনে মনে, অন্তৰে অন্তৰে, হৃদয়ে হৃদয়ে পূণ্য, সত্য আৰু সুন্দৰৰ অনন্যোপম বোধ সিঁচি দিয়া, সমাজ জীৱন কলুষিত কৰা সেই দুৰাত্মাসকলক আই তুমি দয়া, প্রেম-প্রীতি আৰু কৰুণাৰ অমৃতোপম অনুভৱ দিয়া, সমন্বয়াত্মক বোধৰ প্রগাঢ় প্রত্যয় দিয়া, উদাৰনৈতিক দৃষ্টিভঙ্গী দিয়া।....

প্রাণপ্রতিম সদৌটি ধর্মপ্রাণ ৰাইজৰ সুভাশিষ শিৰত লৈ প্রজ্ঞাবান লেখক-লেখিকাৰ মননশীল লেখাৰ সমৃদ্ধিৰে, অংগসজ্জা আৰু অলংকৰণৰ সুচাৰু বিন্যাসেৰে গীতানগৰ সার্বজনীন দুর্গাপূজাৰ স্মৃতিগ্রন্থ 'ভৱানী'খন সজাই তুলিব বিচাৰিছোঁ যদিও সর্বদিশ-সফলতাৰ অমল ক্রান্তিৰে ইয়াক উজলাই তুলিব পাৰিছোঁ বুলি কোৱাৰ ধৃষ্টতা আমি কৰা নাই। তথাপিতো সহৃদয় ধর্মনিষ্ঠ ৰাইজে স্মৃতিগ্রন্থখন নিজৰ প্রাণৰ সম্পদ জ্ঞান কৰি আতোলতোল আদৰেৰে আদৰি ল'লে আমি পৰম সুখানুভূতি লাভ কৰিম।.....

দিলীপ কুমাৰ শর্মা
মুখ্য সম্পাদক, 'ভৱানী'

(খ)



শাৰদীয় বতৰ আহিলে মনটো যেন এক অদৃশ্য আনন্দৰে ভৰি পৰে। নীল আকাশৰ বুকুত শুভ্ৰ মেঘৰ লুকাভাকু, বতাহত শেৱালিৰ মিঠা সুবাস, কহুঁৰাৰ কোমল দোলা আৰু দূৰৈৰ পৰা ভাঁহি অহা ঢাকৰ শব্দ-- এই সকলোবোৰে মিলি শৰতে আমাৰ বাবে কৰি তোলে এক বিশেষ অনুভৱৰ ঋতু। এই ঋতুৰ আগমনৰ লগে লগে মনত জাগি উঠে মা দুর্গাৰ আগমনৰ প্ৰতীক্ষা।

মোৰ বাবে দুর্গাপূজা কেৱল এটা ধর্মীয় উৎসৱ নহয়। ই হৈছে মানুহৰ মাজত মানুহক বিচাৰি পোৱাৰ এক উৎসৱ। ব্যস্ত জীৱনৰ মাজত আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আৰু সমাজৰ মানুহৰ সৈতে মিলিত হোৱাৰ, সুখ-দুখৰ কথা ভাগ-বতৰা কৰাৰ এক সুন্দৰ সময়। পূজাৰ মণ্ডপত জ্বলি উঠা পোহৰৰ দৰে আমাৰ মনবোৰতো যেন আশাৰ পোহৰ জ্বলি উঠে।

সাহিত্যৰ সৈতে জড়িত এজন ব্যক্তি হিচাপে শাৰদীয় উৎসৱক মই অলপ বেলেগ দৃষ্টিৰে চাবলৈ চেষ্টা কৰোঁ। মোৰ বাবে শাৰদীয় দিনবোৰ হৈছে অনুভূতিক শব্দত ৰূপ দিয়াৰ সময়। প্ৰকৃতিৰ সৌন্দর্য, মানুহৰ মুখৰ হাঁহি, পূজাৰ ব্যস্ততা, ঢাকৰ শব্দ, ধূপৰ সুগন্ধ-- এই সকলোবোৰেই যেন একো একোটা কবিতা। কেৱল কাগজত লিখা শব্দতেই সাহিত্য সীমাবদ্ধ নহয়; মানুহৰ জীৱন, অনুভৱ আৰু চৌপাশৰ পৃথিৱীখনো সাহিত্যৰ এক বিশাল উৎস।

'ভৱানী'ৰ জৰিয়তে আমি বিভিন্নজনৰ সৃষ্টিশীল চিন্তা আৰু প্ৰতিভাক পাঠকৰ ওচৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছোঁ। নতুন লেখক-লেখিকাসকলক উৎসাহিত কৰা আৰু সাহিত্যচর্চাৰ প্ৰতি নতুন প্ৰজন্মৰ আগ্ৰহ বৃদ্ধি কৰাটো আমাৰ অন্যতম উদ্দেশ্য। এখন আলোচনীৰ প্ৰকৃত সৌন্দর্য ইয়াৰ পৃষ্ঠাত থকা লেখাৰ লগতে সেই লেখাসমূহৰ আঁৰত থকা অনুভৱ আৰু সৃষ্টিশীলতাত নিহিত হৈ থাকে।

এই শাৰদীয় ক্ষণত আমাৰ আন্তৰিক কামনা মা-দুর্গাৰ আশীর্বাদে সকলোৰে জীৱনলৈ শান্তি, সুখ আৰু সমৃদ্ধি কঢ়িয়াই আনক। আমাৰ সমাজৰ পৰা সকলো বিভেদ আঁতৰি গৈ মৰম, সহমর্মিতা আৰু মানৱীয়তাৰ পোহৰ অধিক উজ্বল হওক।

'ভৱানী'ৰ সৈতে জড়িত সকলো লেখক-লেখিকালৈ আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু শুভেচ্ছা। আপোনালোকৰ কলমৰ প্ৰতিটো শব্দই এই আলোচনীখনক অধিক সমৃদ্ধ কৰক-- এয়াই আমাৰ আন্তৰিক আশা।

শাৰদৰ শুভ্ৰতাই সকলোৰে জীৱনলৈ শান্তি কঢ়িয়াই আনক। শেৱালিৰ সুবাসে মনবোৰ পৱিত্ৰ কৰি তোলক আৰু মা দুর্গাৰ আশীর্বাদে সকলোৰে জীৱন সুখ, শক্তি আৰু সমৃদ্ধিৰে ভৰাই তোলক।

বিৰাজ মোহন তালুকদাৰ
সাহিত্য সম্পাদক, 'ভৱানী'

(গ)



পৌৰাণিক বিশ্বাস অনুসৰি দেৱী দুর্গা হৈছে মহাশক্তিৰ এটা ৰূপ। সত্যৰ জয় আৰু অসত্যৰ পৰাজয়ৰ বার্তা লৈ ধৰালৈ আগমন ঘটে দেৱী দশভুজাৰ। সমাজত নাৰী শক্তিৰ মর্যাদা ৰক্ষাৰ লগতে হিংসা, দ্বেষ তথা অন্যায়ৰ বিৰুদ্ধে থিয় হোৱাৰ বাবে এই পূজাই মানুহক প্ৰেৰণা যোগায়। আহিন মাহৰ শুক্লাপক্ষত অনুষ্ঠিত হোৱা এই উৎসৱ এতিয়া কেৱল ধর্মীয় উপাসনাতে সীমাবদ্ধ নাথাকি সার্বজনীন মিলন মেলালৈ ৰূপান্তৰিত হৈছে।

বর্তমান সময়ত দুর্গা পূজাৰ ধাৰণা আৰু ইয়াৰ প্ৰাসংগিকতাই এক গভীৰ সামাজিক তাৎপর্য বহন কৰিছে। আমি মন্দিৰ বা মণ্ডপত দেৱীৰূপী নাৰীক পূজা কৰোঁ যদিও সমাজৰ বাস্তৱ ছবিখন কিছু বেলেগ। দেশৰ বিভিন্ন স্থানত নাৰীৰ ওপৰত হোৱা নির্যাতন, হত্যা, ধর্ষণ তথা সুৰক্ষাৰ অভাৱে আমাক ভাবিবলৈ বাধ্য কৰে— কেৱল প্ৰতিমা সাজি মাতৃৰূপী দুর্গাক আৰাধনা কৰিলেই সমাজখন উন্নত হ'বনে, নে প্ৰতিগৰাকী ব্যক্তিয়ে তেজ-মঙহৰ নাৰীকো যথোচিত সন্মান আৰু সুৰক্ষা দিয়াৰ প্ৰয়োজন আছে? আচলতে দেৱী বন্দনাৰ প্ৰকৃত সার্থকতা লুকাই আছে সমাজত নাৰীক সুৰক্ষা নিশ্চিত কৰাতহে।

আমাৰ দৃষ্টিত দুর্গা পূজা কেৱল আলোকসজ্জা বা বাহ্যিক আড়ম্বৰ নহয়; ই অন্তৰৰ আসুৰিক প্ৰবৃত্তি, হিংসা আৰু অহংকাৰ বিনাশ কৰাৰ এক সংকল্প। বৰ্তমান ভা�ৰতীয় সমাজখনক সকলো প্ৰকাৰৰ অন্যায় আৰু অন্ধবিশ্বাসৰ পৰা মুক্ত কৰি এখন সুস্থ-সবল, সুৰক্ষিত আৰু শান্তিপূৰ্ণ সমাজ গঢ়ি তুলিব পৰাটোৱেই শাৰদীয় দুর্গোৎসৱৰ আটাইতকৈ ডাঙৰ সার্থকতা হ'ব।

মুনীন মিশ্ৰ
কাৰিকৰী সম্পাদক, ভৱানী

(ঘ)



ধর্মীয় বিশ্বাস, সামাজিক ঐক্য, সংস্কৃতি আৰু পৰম্পৰাৰ এক অপূর্ব সমন্বয় হ'ল শাৰদীয় দুর্গোৎসৱ। শৰৎৰ শুকুলা আকাশ, স্নিগ্ধ জোনাক, শেৱালিৰ মিঠা সুৱাস, শংখ, ঘণ্টা আৰু বৰঢোলৰ মধুৰ শব্দৰ মাজেৰে আগমন হয় মা দুর্গাৰ। সমাজত এক নতুন আনন্দ, উৎসাহ আৰু আশাৰ সঞ্চাৰ হয়। ই আমাক অসত্যৰ ওপৰত সত্যৰ, অন্যায়ৰ ওপৰত ন্যায়ৰ আৰু অশুভৰ ওপৰত শুভ শক্তিৰ বিজয়ৰ বার্তা দিয়ে।

এই পৱিত্ৰ উৎসৱৰ লগত সংগতি ৰাখি আমাৰ স্ম�ৰণিকা 'ভৱানী' প্ৰকাশনৰ দিহা কৰা হৈছে। 'ভৱানী' আমাৰ অতীতৰ স্মৃতি, বৰ্তমানৰ কর্মযাত্ৰা আৰু ভৱিষ্যতৰ আশা-আকাংক্ষাৰ এক দলিল।

এখন সফল দুর্গা পূজাৰ আঁৰত থাকে অসংখ্য ব্যক্তিৰ নীৰৱ শ্ৰম, সহযোগিতা আৰু ত্যাগ। পূজা সমিতিৰ সদস্য-সদস্যা, বিষয়ৱবীয়া, দাতা, পৃষ্ঠপোষক, শিল্পী, কাৰিকৰ, শুভাকাংক্ষী আৰু সর্বসাধাৰণ ৰাইজৰ সামূহিক সহযোগিতাই গীতানগৰ সার্বজনীন দুর্গা পূজাক পূর্ণতা প্ৰদান কৰি আহিছে। এই সুযোগতে আটাইলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই স্মৰণিকা প্ৰকাশৰ সৈতে জড়িত লেখক-লেখিকা, শিল্পী, আলোকচিত্ৰ শিল্পী, ডি.টি.পি, মুদ্ৰক, বিজ্ঞাপন দাতা আৰু সকলো শুভাকাংক্ষীলৈ আমাৰ অন্তৰভৰা কৃতজ্ঞতা জনালোঁ।

শেষত, মা দুর্গাৰ শ্ৰীচৰণত একান্ত প্ৰার্থনা জনাওঁ— তেওঁ যেন সকলোৰে জীৱনলৈ সুখ-শান্তি, সমৃদ্ধি, সুস্বাস্থ্য আৰু নিৰাপত্তা কঢ়িয়াই আনে।


ৰাজীৱ কলিতা
সহযোগী সম্পাদক, ভৱানী

কৃতজ্ঞতাৰ অর্ঘ

মা দেৱী দুর্গাৰ ধর্মমূর্তি, পবিত্ৰপ্ৰাণ পূজাৰীগণ, 'ভৱানী'ৰ প্ৰাজ্ঞ লেখক তথা প্ৰাজ্ঞা লেখিকাসকল, উদাৰমনা বিজ্ঞাপন দাতাসকল, আদৰণীয় ধর্মপ্ৰৱণ সুজন তথা ভদ্ৰাকাংক্ষীসকল, অৰোৰা ফাইন আর্টচ্ পৰিয়ালৰ আত্মীয়প্ৰতিম সদস্যসকল- আমি সদৌটিলৈকে অবিমিশ্ৰ বিনম্ৰতাৰে কৃতজ্ঞতাৰ মহার্ঘ যাচিছোঁ।

— 'ভৱানী' সম্পাদনা সমিতি —

‘ভৱানী’ সম্পাদনা সমিতিৰ সভাপতিৰ শাৰদীয় অনুভৱ



অভূতপূর্ব বিধ্বংসী বানে উজনি অসমৰ চাৰিখন জিলাত চলোৱা সংহাৰৰ অন্তত বিগত বছৰৰ দৰে এইবাৰো নিয়ৰসিক্ত তলসৰা শেৱালী আৰু শুকুলা কঁহুৱাৰ উপাচাৰ লৈ ঋতু ৰাণী শৰৎ আকৌ ধৰালৈ আহিছে।

সমাজৰ মানুহৰূপী এচাম দানৱৰ দ্বাৰা প্রকৃতিৰ বক্ষ বিদাৰি শিল, বালি, কয়লা আদি লুণ্ঠনৰ ফলস্বৰূপেই মানৱসৃষ্ট প্রলয়ংকৰী বানে উজনিৰ ইতিহাস প্রসিদ্ধ স্বাভিমানী চাৰিখন জিলাৰ লক্ষাধিক লোকক সম্পূর্ণ বিধস্ত কৰি পেলালে। ৰজাঘৰৰ আশিষধন্য দানৱসকলে প্রকৃতিৰ ওপৰত নির্মম অত্যাচাৰ চলাই সম্পত্তিৰ সৌধ গঢ়ি ধন্য হ’ল। তথাকথিত উন্নয়নৰ দোহাই দি প্রকৃতিৰ ধ্বংসলীলা কোনো কাৰণতে কাৰোবাবেই কাম্য নহয়, হ’ব নোৱাৰে। সেয়েহে হয়তো ভাৰসাম্য হেৰুৱাই প্রকৃতিয়ে মহাপ্রলয়ৰ সৃষ্টি কৰাটো অৱশ্যাম্ভাৰী হৈ পৰিল- ই চিৰন্তন সত্য।

বাৰিষাৰ পাছত শৰৎ কালৰ আহিনৰ দুর্গা পূজাৰ পৰা ৰাস আৰু ভোগালী বিহু পর্যন্ত হেমন্ত আৰু শীত কালত ফৰকাল বতৰত উৎসৱৰ আনন্দময় পৰিৱেশ বিৰাজ কৰে। অভাৱক্লিষ্ট সকলো সমস্যা পাহৰি ৰাইজে উৎসৱৰ আনন্দত আত্মহাৰা হোৱাৰ প্রয়াস কৰে। ইয়ো প্রকৃতিৰেই অৱদান।

হিন্দু ধর্মৰ অন্যতম সর্বোচ্চ দেৱী শ্রীশ্রীদুর্গা দেৱীৰ পূজা বছৰত দুবাৰকৈ অনুষ্ঠিত হয়। বসন্ত কালত অনুষ্ঠিত বাসন্তী পূজাভাগেই প্রধানকৈ মহামায়াৰ আৰাধনা কল্পে কৰা শক্তিপূজা। শাৰদীয় বতৰতে দক্ষিণায়ন পর্ব (অকাল)ত ৰাম-ৰাৱণৰ যুদ্ধ হৈছিল বুলি বাল্মীকি প্রণীত মহাকাব্য ৰামায়ণত উল্লেখ আছে। সেই অনুসৰি ভগৱান শ্রীৰামচন্দ্রই ৰাৱন বধৰ মানসেৰে প্রৱল প্রতাপী স্বয়ং লংকেশ্বৰ ৰাৱনৰ পৌৰোহিত্যত ১০৮ পাহ নীলপদ্মৰে শৰৎ কালত আৰাধনা কৰা অকাল বোধন দুর্গা পূজা ভাগেই কালক্রমত শাৰদীয় দুর্গা পূজা হিচাপে সর্বজন স্বীকৃত হৈ অধিক গুৰুত্ব লাভ কৰি আহিছে। মহালয়াৰ পাছত দেৱীপক্ষৰ নৱৰাত্রিত মহিষাসুৰ (অপশক্তি)ৰ বিৰুদ্ধে দেৱ-দেৱী (মহাশক্তি)ৰ এই যুদ্ধত শ্রীশ্রী দুর্গামাতাক ৯ প্রকাৰ ৰূপত (নাৰীশক্তি হিচাপে) পূজা অর্চনা কৰা হয়।

কিন্তু বাস্তৱত দেৱী ৰূপে পূজিতা নাৰীক সাম্প্রতিক কালত অবলা জ্ঞান কৰি হিন্দু ধর্মৰ পীঠস্থান এইখন ভাৰতবর্ষতেই চৰম নির্যাতন আৰু হত্যাৰ ঘটনা দিনকদিনে ক্রমাৎ বৃদ্ধি পাই আহিছে। অতিশয় দুর্ভাগ্যজনক এনেবোৰ অপসংস্কৃতি বোধ কৰিব নোৱাৰিলে, কেৱল লোকক দেখুৱাবলৈ কৰা তথাকথিত মাতৃবন্দনা, দেৱী আৰাধনা মাথোন প্রতাৰণা আৰু ভণ্ডামিৰ নামান্তৰহে হ’ব।

যা দেৱী সর্বভূতেষু শক্তি ৰূপেন সংস্থিতাঃ।
যা দেবী সর্বভূতেষু মাতৃ ৰূপেন সংস্থিতা।।
নমঃস্তস্যৈ নমঃস্তস্যৈ নমঃস্তস্যৈ নমো নমঃ

যি দেৱী সকলো জীৱৰ মাজত শক্তি ৰূপত আছে সেই দেৱীলৈ বাৰে বাৰে প্রণাম। যি দেৱী সকলো জীৱৰ মাজত মাতৃ ৰূপত আছে সেই দেৱীলৈ বাৰে বাৰে প্রণাম।

সেয়েহে এইবাৰ শাৰদীয় দুর্গা পূজাভাগ সার্থক কৰি তুলিবলৈ এই পবিত্র ক্ষণত সকলো ভণ্ডামি পৰিহাৰ কৰি সঁচা অর্থত নাৰী-মাতৃ ৰূপত দেৱী মহামায়াৰ আৰাধনা কৰো আহক।

প্রদীপ কুমাৰ গোস্বামী

একাৱন্ন সংখ্যক গীতানগৰ সার্বজনীন দুর্গাপূজা সমিতিৰ সভাপতিৰ কাপনিসৃত এষাৰ



প্রাৰম্ভণিতে সদৌটি ধর্মপ্রাণ ৰাইজলৈ মই মোৰ অন্তৰভৰা শুভ-ইচ্ছাৰ অর্ঘ যাচিছোঁ।

শৰৎ আহিল। দুর্গোৎসৱৰ বতৰালৈ শৰৎ আকৌ আহিল। গছে-পাতে আহিনৰ নিয়ৰ-কণা জিলিকিল, অ'ত ত'ত শেৱালী ফুল ফুলিল, বকুল ফুল ফুলিল।

প্রতিটো বর্ষতে নিয়ৰ সৰা শৰতৰ স্নিগ্ধ বতৰত উলহ-মালহেৰে গীতানগৰ স্কুল খেলপথাৰত দুর্গাপূজা অনুষ্ঠিত কৰা হয়। এই বর্ষটো পূজা ভাগ অনুষ্ঠিতকৰণৰ বাবে যো-জা চলিছে—নিৰৱচ্ছিন্নভাৱে। গীতানগৰত এয়া একাৱন্ন বর্ষৰ দুর্গাপূজাৰ আয়োজন। মই আশা কৰিছোঁ—সহৃদয় ধর্মপ্রাণ ৰাইজে আমাৰ এই ঐতিহ্যমণ্ডিত পূজাখন সুন্দৰভাৱে অনুষ্ঠিতকৰণৰ প্রতি অকুণ্ঠচিন্তে সহাৰি জনাই সর্বদিশত সহায়ৰ হাত আগবঢ়াব, সহযোগ আগবঢ়াব, দিহা-পৰামর্শ দিব।

যোৱা বর্ষত গীতানগৰ দুর্গাপূজাৰ সোণসেৰীয়া সোণালী জয়ন্তীৰ আয়োদন চলি থকাৰ মাজতেই অসমৰ সাংস্কৃতিক জগতখনলৈ এক হৃদয় বিদাৰক যন্ত্রণাৰ ঘনঘোৰ কলীয়া ডাৱৰ নামিল—অসমৰ জনজীৱনৰ অত্যুজ্বল সাংস্কৃতিক সম্পদ জুবিন গার্গ চিৰদিনৰ বাবে হেৰাই গ'ল। মুহূর্তৰ ভিতৰতেই যেন অন্ধকাৰাচ্ছন্ন হৈ পৰিল দুর্গোৎসৱৰ সামগ্রিক দৃশ্যপট। গীতানগৰত স্বর্ণজয়ন্তীৰ স্বর্ণপ্রভাৰে উজলাই তুলিব খোজা বহু অনুষ্ঠান সামৰি থব লগা হ'ল—সুতীব্র মানসিক যন্ত্রণাত, হার্টথ্রৰ জুবিন গার্গ হেৰুৱাৰ সহ্যাতীত দুখত।

অৱশ্যে এইটো স্বীকার্য্য যে আমি অন্তৰত দুখৰ বোজা লৈয়েই সম্পূর্ণভাৱে ধর্মীয় ৰীতি-নীতি অনুয়ায়ী সুন্দৰভাৱেই পূজাভাগ সম্পন্ন কৰাত সফলকাম হৈছিলোঁ। আমি এইবেলিও সম্পূর্ণ ধর্মীয় ৰীতি-নীতিৰে শ্রীশ্রী মা দুর্গাৰ শ্রীচৰণত এপাহি ভক্তিৰ পুষ্প অর্পন কৰাৰ মানস কৰিছোঁ।

ভক্তপ্রাণ ৰাইজলৈ মোৰ বিনম্র অনুৰোধ যাতে সকলোৱে ধর্য্য সহকাৰে দুর্গোৎসৱৰ দিনকেইটাত সুস্থ সামাজিক তথা পাৰিপার্শ্বিক বাতাৱৰণ ৰক্ষা কৰি আগবাঢ়ে।

শেষত মা দেৱী দুর্গালৈ কৰযোৰে প্রার্থনা জনাইছোঁ যাতে সমাজত দিনে দিনে বাঢ়ি অহা অসূয়া-অপ্রীতি, অন্যায়-অধর্ম দূৰ কৰি সমাজখন সুস্থ কৰি তোলে, সুন্দৰ কৰি তোলে।

দিলীপ চন্দ্র কলিতা

৫১ সংখ্যক গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজা সমিতিৰ সাধাৰণ সম্পাদকৰ দু-আষাৰ



শৰৎ আহে এক অনন্য সৌন্দৰ্য আৰু স্নিগ্ধতা লৈ। ই যেন প্ৰকৃতিৰ নীৰৱ কবিতা, আকাশৰ বুকুত লিখা এক স্বচ্ছ সপোন, মানুহৰ অন্তৰত সঞ্চিত আশাবোৰক নতুনকৈ জগাই তোলা এক অনুভৱ। বৰ্ষাৰ ধূসৰতা আঁতৰাই নীলা আকাশে যেতিয়া নিৰ্মল ৰূপ ধাৰণ কৰে, নিয়ৰৰ টোপালত পুৱাৰ ৰ'দে যেতিয়া মুকুতাৰ দৰে জিলিকে, কঁহুৱাৰ শুভ্ৰ টোৰে পথাৰ শুৱনি কৰে আৰু শেৱালিৰ মৃদু সুৱাসে চৌদিশৰ পৰিৱেশক এক অপূৰ্ব মাধুৰ্যৰে আৱৰি তোলে, তেতিয়াই যেন প্ৰকৃতিৰ বুকুত বাজি উঠে আগমনী সুৰ। এই পৰিৱেশতেই ঢাকৰ গম্ভীৰ নিনাদ, শংখৰ পৱিত্ৰ ধ্বনি আৰু উলুধ্বনিৰে ধৰালৈ আগমন ঘটে মহিষমৰ্দিনী মা দুৰ্গাৰ। শাৰদীয় দুৰ্গোৎসৱ কেৱল এক ধৰ্মীয় উৎসৱ নহয়; ই আমাৰ ঐতিহ্য, সংস্কৃতি, সামাজিক সম্প্ৰীতি আৰু সামূহিক অনুভৱৰ এক জীৱন্ত প্ৰতিচ্ছবি। সময়ৰ সোঁততে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সঞ্চাৰিত হৈ অহা এই উৎসৱে মানুহৰ সৈতে মানুহৰ সম্পৰ্ককো অধিক সুদৃঢ় কৰি আহিছে। এই পৱিত্ৰ ক্ষণত গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাই ৫১তম বৰ্ষত পদাৰ্পণ কৰিছে। ধূপ-দীপ, শংখ-ঘণ্টা আৰু ঢাকৰ মধুৰ ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি তোলা এই শুভক্ষণত গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজা সমিতিৰ তৰফৰ পৰা আপোনালোক সকলোকে জনাইছোঁ আন্তৰিক শ্ৰদ্ধা, শুভেচ্ছা আৰু শাৰদীয় ওলগ।

এইবাৰৰ পূজাৰ বিশেষ তাৎপৰ্য নিহিত হৈ আছে আমাৰ থিমৰ মূল ভাবনাত। উৎসৱৰ নান্দনিকতাৰ আঁৰত আছে এক গভীৰ সামাজিক বাৰ্তা। থিমৰ কেন্দ্ৰত অশ্ৰুসিক্ত মা দুৰ্গাৰ প্ৰতিচ্ছবিখনে যেন প্ৰকৃতিৰ সেই নীৰৱ বেদনাৰেই প্ৰতীকী ৰূপ দাঙি ধৰিছে। পাহাৰ-পৰ্বত, বনাঞ্চল আৰু জলসম্পদৰ ওপৰত ক্ৰমবৰ্ধমান মানৱীয় হস্তক্ষেপে সৃষ্টি কৰা চাপ আৰু পৰিৱেশৰ ভাৰসাম্যহীনতাক তুলি ধৰাৰ এক বিনম্ৰ প্ৰয়াস। মানুহৰ ক্ৰমবৰ্ধমান প্ৰয়োজনীয়তা আৰু উন্নয়নৰ প্ৰক্ৰিয়াত পাহাৰ-বনাঞ্চলৰ ক্ষয়, জলসম্পদৰ অৱক্ষয় আৰু পৰিৱেশৰ স্বাভাৱিক ভাৰসাম্যৰ পৰিৱৰ্তন আজি আমাৰ বাবে গভীৰ চিন্তাৰ কাৰণ হৈ পৰিছে। উন্নয়ন সমাজৰ বাবে অপৰিহাৰ্য; কিন্তু সেই উন্নয়নৰ সৈতে যদি পৰিৱেশৰ প্ৰতি দায়বদ্ধতা নাথাকে, তেন্তে ই ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান হৈ উঠিব পাৰে। মা দুৰ্গা শক্তি, সুৰক্ষা আৰু সাম্যৰ প্ৰতীক। সেই চেতনাৰেই অনুপ্ৰেৰণাত আমাৰ এই প্ৰয়াস— উৎসৱৰ আনন্দৰ মাজেৰে প্ৰকৃতিৰ প্ৰতি আমাৰ দায়বদ্ধতা আৰু ভৱিষ্যৎ প্ৰজন্মৰ প্ৰতি আমাৰ কৰ্তব্যৰ কথা সোঁৱৰাই দিয়া। উন্নয়ন থমকি ৰোৱাৰ কথা নহয়; প্ৰয়োজন হৈছে এনে এক উন্নয়ন, যি মানুহৰ জীৱন সমৃদ্ধ কৰাৰ লগতে প্ৰকৃতিৰ অস্তিত্বকো সুৰক্ষিত ৰাখে। উন্নয়ন আৰু প্ৰকৃতিৰ মাজত এক সুস্থ সমন্বয় স্থাপন কৰাই হওক আমাৰ সামূহিক সংকল্প।

এই পূজাৰ সফলতাৰ আঁৰত থকা পূজা পৰিচালনা সমিতিৰ প্ৰতিগৰাকী কৰ্মকৰ্তা, উপ-সমিতিৰ সদস্য, স্বেচ্ছাসেৱক, শুভাকাংক্ষী, দাতা, শিল্পী, সহযোগী আৰু গীতানগৰবাসীৰ প্ৰতি জনাইছোঁ আন্তৰিক কৃতজ্ঞতা। আপোনালোকৰ সহযোগিতা আমাৰ শক্তি, আপোনালোকৰ বিশ্বাস আমাৰ প্ৰেৰণা আৰু আপোনালোকৰ মৰমেই আমাৰ এই যাত্ৰাৰ মূলধন। এই পূজাক সফল আৰু স্মৰণীয় কৰি তুলিবলৈ আপোনালোকৰ আন্তৰিক অংশগ্ৰহণ সদায়ে আমাৰ বাবে অমূল্য। আহক, আমি সকলোৱে মিলি আমাৰ এই ঐতিহ্যক আগুৱাই লৈ যাওঁ আৰু নতুন প্ৰজন্মৰ হাতত এক সুন্দৰ, সমৃদ্ধ আৰু গৌৰৱময় পৰম্পৰা অৰ্পণ কৰোঁ।

এগৰাকী সাধাৰণ সম্পাদক হিচাপে এই বৃহৎ আয়োজনৰ দায়িত্ব বহন কৰাটো মোৰ বাবে এক গভীৰ সন্মান; একে সময়তে এয়া এক বৃহৎ দায়িত্বও। এই দায়িত্ব পালন কৰোঁতে বহু অভিজ্ঞতা, আনন্দ আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছোঁ, এই যাত্ৰাত জ্ঞাতে-অজ্ঞাতে, অনিচ্ছাকৃতভাৱে কোনো সিদ্ধান্তই কাৰোবাৰ মনত অসন্তুষ্টিৰ সৃষ্টি কৰিছে— তাৰ বাবে মই অন্তৰৰ গভীৰতাৰ পৰা ক্ষমা বিচাৰিছোঁ। আপোনালোকৰ মৰম, পৰামৰ্শ আৰু সহযোগিতাই আমাক আগলৈ অধিক সুন্দৰভাৱে আগবাঢ়িবলৈ সদায় অনুপ্ৰেৰণা যোগাব। মা দুৰ্গাৰ শ্ৰীচৰণত এটাই প্ৰাৰ্থনা— সকলোৰে জীৱনলৈ শান্তি, সমৃদ্ধি আৰু মংগল কঢ়িয়াই আনক; আমাৰ সমাজত সম্প্ৰীতি অটুট থাকক আৰু প্ৰকৃতিৰ সৈতে আমাৰ সম্পৰ্ক অধিক সুস্থ, সুন্দৰ আৰু দায়িত্বশীল হওক।

সকলোলৈ আন্তৰিক শাৰদীয় শুভেচ্ছা আৰু শুভকামনা।

ৰিতু মণি কলিতা

অনুক্রমণিকা

প্রবন্ধ

মা ভগৱতী চণ্ডীৰ অন্য ৰূপত সুবচনী আই ঃ চন্দন শর্মা শাস্ত্রী// ৩
শক্তিৰ জাগৰণ ঃ সত্য আৰু শক্তিৰ চিৰন্তন ৰক্ষক মা দুর্গা ঃ ড° গুপ্তজিৎ পাঠক// ১১
বিন্ধ্যৰ পৰা নীলাচললৈ প্রতিধ্বনি ঃ দেৱী দুর্গাৰ বিস্তৃত উৎপত্তি আৰু গুহ্য তান্ত্রিক গাথা ঃ মণিকঙ্কণা দেৱী// ১৩
দুর্গা পূজাত অপৰাজিতা উদ্ভিদৰ গুৰুত্ব ঃ ড° অপর্ণা বুজৰবৰুৱা// ১৬
মা দেৱী দুর্গা ঃ শক্তি আৰু সামর্থ্যৰ চিৰন্তন মূর্তিপ্রকাশ ঃ ড° অদিতি ডেকা পাঠক// ১৮
দেৱী পূজাৰ প্রাচীনতা বেলবোধন আৰু শক্তিপীঠ ঃ সবিতা দেৱী// ২১
শ্রীশ্রীচণ্ডী ঃ এক চমু পর্যালোচনা ঃ তুলিকা দেৱী// ২৫
মহিষাসুৰৰ জন্ম আৰু দেৱী দুর্গাৰ আবির্ভাৱ ঃ যাদৱানন্দ চহৰীয়া// ২৮
মা দুর্গা ঃ আবির্ভাৱৰ পৰা বিসর্জনলৈ ঃ টুটুমণি তালুকদাৰ কলিতা// ৩১
অসমৰ শাক্ত পৰম্পৰাৰ সার্বজনীনতা ঃ ড° নৰকান্ত শর্মা// ৩৫
উৎসৱৰ আঁৰৰ অনুভৱ ঃ শৰতৰ শেৱালি আৰু দুর্গা পূজা ঃ তন্ময় জ্যোতি পাঠক// ৩৮
মহিষাসুৰ আৰু সমাজৰ মানুহৰূপী অসুৰ ঃ মুনীন মিশ্র// ৪০
নলবাৰী জিলাৰ এখন ঐতিহ্যবাহী স্থান শ্রীশ্রী বিল্বেশ্বৰ দেৱালয় ঃ ৰীতামনি গোস্বামী বর্মন// ৪২
শক্তিৰূপিণী দেৱী দুর্গাক আৱতিৰে উপাসনা ঃ মামণি ডেকা// ৪৫
মহিষমর্দিনী দেৱী দুর্গা ঃ বীৰেন্দ্র নাথ চক্রৱর্ত্তী// ৪৭

গল্প



কালপ্রৱাহ ঃ ৰুমী তালুকদাৰ// ৫১
মুকলি চিন্তা ঃ ৰীণা ভৰালী বৰা// ৫৭
চাকনৈয়া ঃ দণ্ডি ৰাম কাকতী// ৬০
যা দেৱী সর্বভূতেষু... ঃ অনামিকা মজুমদাৰ// ৬২
মায়া ঃ অপর্ণা চহৰীয়া ডেকা// ৬৫
অনুশোচনাৰ শেষ বেলি ঃ বিভা ডেকা তালুকদাৰ// ৬৮
বাৰিষাৰ বৰষুণত এহাল অতিথি ঃ বিনীতা নাথ// ৭০
যান্ত্রিকতা ঃ জ্যোতি কলিতা ডেকা// ৭৩
জীয়েকৰ সুখেইতো মাকৰো সুখ ঃ দিলীপ কুমাৰ শর্মা// ৭৫

কবিতা

মোৰ বুকুত এপাহি শৰৎ ঃ ড° পূর্ণ ভট্টাচার্য// ৮১
আহিনৰ লখিমী কোলাৰ ছাঁত ঃ ডাঃ মনোৰঞ্জন শর্মা পাঠক// ৮২
আহিনৰ অনুভৱ ঃ বিৰাজ মোহন তালুকদাৰ// ৮২
আহিনৰ সুৱাসে আনে দেৱীৰ বতৰা... ঃ বিনীতা গগৈ// ৮৩
দেশ আৰু দেশ ঃ যোগেশ্বৰ নাথ চক্রৱর্ত্তী// ৮৪

সাধুৰ দৰে মেঘবোৰ নৈখন ঃ বর্ণালী বৰা বৈশ্য// ৮৫
শৰৎ এক অলংকৃত অভিধা ঃ মদন চন্দ্র মেধি// ৮৫
মা দুর্গা তুমি- জোনাকৰ শেৱালী ঃ হেমন্ত কুমাৰ গোস্বামী// ৮৬
চিকুণ আহিন ঃ অচ্যুত তালুকদাৰ// ৮৮
ৰৈ ৰৈ বিনালে ঃ পৰেশ চন্দ্র কলিতা// ৮৯
ৰুদ্ধ কণ্ঠ ঃ জয়শংকৰ পাটৰ// ৯০
শৰতৰ সুবাস ঃ ধ্বনিতা তালুকদাৰ// ৯১
অদম্য যাত্রা ঃ আনন্দ ৰহাং// ৯১
তুমি নথকাৰ বেদনা... ঃ চন্দন বাচফোৰ// ৯২
শৰৎ এনেকৈয়ে আহে ঃ বুলু মিশ্র// ৯২
এটি অসমাপ্ত স্বপ্ন ঃ চন্দনা কাকতি// ৯২
অনুৰাগ তোমাৰ বাবে ঃ বন্দনা গোস্বামী// ৯৩
নতুন চোলা ঃ দীপালি তালুকদাৰ// ৯৩
শাৰদীয়াৰ ৰং ঃ ৰাখি ডেকা// ৯৪
আহিনৰ হেৰোৱা ক্ষণটি ঃ ৰেখা মহন্ত ডেকা// ৯৪
জয় মা গংগা ঃ প্রণতি বৰুৱা// ৯৫
প্রেম ঃ মিনু পাটগিৰী// ৯৫
প্রেম এক স্বর্গীয় অনুভৱ ঃ তনুজা খাটনিয়াৰ// ৯৬
মাটিৰ মাতৰ উচুপনি ঃ ৰাণুবালা দেৰী// ৯৭
নমস্তে মা ভৱানী ঃ হীৰেন কুমাৰ ভট্টাচার্য্য// ৯৮
আপুনি মই ক্রমশ... ঃ মৌচুমী ভৰালী// ৯৯
উজনিৰ বন্যা ঃ নগেন চন্দ্র শর্মা // ৯৯
স্বপ্ন ঃ জয়শ্রী দাস// ১০০
শাৰদী ৰাণী হেনো তোমাৰ নাম ঃ প্রসন্ন তালুকদাৰ// ১০১
শনিবাৰৰ সন্ধিয়াটো ঃ ধীৰাজ কুমাৰ ডেকা// ১০২



নঙলামুখ

গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতিৰ "সোণালী জয়ন্তী"
২০২৪-২০২৫ বর্ষৰ সাধাৰণ সম্পাদকৰ প্রতিবেদন //১০৫
গীতানগৰ সার্বজনীন দুর্গা পূজা অতীতৰ সেউজ স্মৃতি// ১১২
গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতিৰ ৰূপালী জয়ন্তী বর্ষৰ পূর্বৱর্তী প্রতিমা দাতাসকল // ১১৩
ৰূপালী জয়ন্তী বর্ষৰ পৰৱর্তী প্রতিমা দাতাসকল// ১১৩
আগন্তুক বর্ষৰ প্রস্তাৱিত প্রতিমা দাতাসকল// ১১৪
৫১ সংখ্যক গীতানগৰ সার্বজনীন দূর্গা পূজাৰ দাতাসকল// ১১৪
শ্রীশ্রীলক্ষ্মী পূজাৰ দাতাসকল// ১১৬
৫১ সংখ্যক গীতানগৰ সার্বজনীন দূর্গা পূজা সমিতিৰ পৃষ্ঠপোষকসকল// ১১৬
৫১ সংখ্যক গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতি, ২০২৬// ১১৮
৫১ সংখ্যক গীতানগৰ সার্বজনীন দুর্গা পূজাৰ উপসমিতি// ১১৯
স্মৃতিগ্রন্থ 'ভৱানী' প্রকাশন সমিতিৰ চমু ইতিহাস// ১২২
৫১ সংখ্যক গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতিৰ কার্যক্রমণিকা// ১২৩



शारदीय



মা ভগৱতী চণ্ডীৰ অন্য ৰূপত সুবচনী আই

চন্দন শর্মা শাস্ত্রী



পুৰণি কালত অৱন্তী নগৰত অগস্ত্য নামে এজন ঋষি আছিল। তেওঁ সদায় সাগৰৰ পাৰত বহি তপস্যা কৰিছিল। এদিন তেওঁ তপস্যা কৰি থাকোঁতে পিছফালৰ পৰা এজনী পাঁচ বছৰীয়া ছোৱালীয়ে পিতা পিতা বুলি মাতিলে। তেওঁ ধ্যান ভংগ হৈ ঘুৰি চাই ছোৱালীজনীক দেখি সুধিলে, "তুমি কোন?" তাই উত্তৰ দিলে, "পিতা মই তোমাৰেই ছোৱালী। মই তোমাৰ লগত যাম।" ঋষি নিঃসন্তান আছিল। গতিকে ঋষিয়ে মৰমতে ছোৱালীজনীক কোলাত লৈ ঘৰলৈ আহিল। ঘৰ পাই ঘৈণীয়েকক ক'লে— "ভগৱানে আমাক ছোৱালীজনী দিছে। গতিকে মৰম-যত্ন কৰি ডাঙৰ-দীঘল কৰিবা।" পিছদিনা ঋষিয়ে ঘৈণীয়েকক মাত লগাই ছোৱালীজনী চাবলৈ কৈ তপস্যা কৰিবলৈ গ'ল। তেওঁ গৈ তপস্যাত বহিল। অলপ পিছতে পাছফালৰ পৰা "পিতা পিতা" বুলি ছোৱালীজনীয়ে মাত দিলে। ধ্যান ভংগ হৈ ঋষিৰ খং উঠিল। কিন্তু ছোৱালীজনীক মৰমতে একো নক'লে। ছোৱালীজনীয়ে সাগৰেদি ভাহি অহা কলৰ পুলি এটা দেখি পিতাকক আনি দিবলৈ ক'লে। ঋষিয়ে হাতেৰে দূৰৰ কথা, হাঁকুটিৰেও লগ নাপালে। তেতিয়া ছোৱালীজনীয়ে ক'লে— "পিতা, মোক কোলাত লোৱা। কলপুলিটো লগ পাবা।" কি আচৰিত। ঋষিয়ে তাইক কোলাত

লোৱাৰ লগে লগে পুলিটো ওচৰ চাপি আহিল। তাৰ পিছত দুয়ো পুলিটো লৈ ঘৰলৈ গ'ল। বাটৰ পৰাই ঘৈণীয়েকক দা-কো�ৰ খুজিলে। ইফালে ছোৱালী বিচাৰি নাপাই ঘৈণীয়েকে ভয়তে তৎ নাইকিয়া হৈ আছিল। ঋষিৰ মাতত তাইৰ অষ্ঠ-কণ্ঠ শুকাই গ'ল। ওলাই আহি ছোৱালীজনীক দেখি সন্তোষ পালে আৰু দা-কোৰ উলিয়াই দিলে। ঋষিয়ে ঘৰৰ পিছফালে পুলিটো ৰুই থ'লে আৰু ক'লে— "পুলিটোৰ পাত নাকাটিবা।" পিছদিনা ঋষি তপস্যালৈ যাবলৈ ওলাল। ছোৱালীজনীয়ে ঋষিৰ লগত যাবলৈ নেৰানেপেৰাকৈ ধৰিলে। মাকে বহুত বুজাই-বঢ়াই কোলাত লৈ মৰম কৰি ৰাখিলে। ঋষি গ'ল। ইপিনে ছোৱালীজনীয়ে ভাত নোখোৱা অভিমান পাতিলে। মাকে বুজাই-বঢ়াই শান্ত কৰিব পৰা নাই। বেলি আহি মূৰৰ ওপৰ পালে আৰু লাহে লাহে লহিয়াবলৈ ধৰিলে। ভোকতে ছোৱালীৰ মুখ চাব নোৱাৰা হ'ল। শেষত তাই জেদ ধৰিলে যে কলপুলিটোৰ পাততহে ভাত খাব। মাকে উপায় নাপাই পাত কাটিবলৈ গ'ল। কিন্তু হাতেৰেতো লগ নাপালেই হাকুটিৰেও পাত কাটিব নোৱাৰিলে। ছোৱালীটোৱে ক'লে— "মা মোক কোলাত লোৱা, পাত ওচৰ চাপি আহিব"। মাকে কোলাত লোৱাত কলপাত ওচৰ চাপি আহিল আৰু মাকে মাজৰ কলপাতখন হাঁকুটি নলগোৱাকৈয়ে হাতেৰে কাটি আনিলে। ছোৱালীজনীয়ে সেই পাতত ভাত খাই উঠি মাকৰ মূৰত ওকণি চাব ধৰিলে। এনেতে ঋষি তপস্যা কৰি উভতি আহি দূৰৰ পৰাই গালি শপনি পাৰিব ধৰিলে— "পৰৰ ঘৰৰ কোনোবা বোৱাৰীক ভঙাই ভুলাই আনি কিয় ওকনি চাব দিছ?" ঘৈণীয়েকে হাঁহি মাৰি ক'লে- "আপোনাৰেই ছোৱালী।" ঋষি চক্ খাই উঠিল। তাইৰ গাত মাতৃত্বৰ লক্ষণ। তৎক্ষণাৎ বাৰীৰ কলপুলিটো চালে। তাৰ পিছত তপোবলেৰে সকলো বুজি পালে। অত্যন্ত মনৰ দুখ চিন্তাত পৰি ঘৈণীয়েকক ক'লে— "আদিত্য দেৱতাই সেই পুলিটোৰ মাজৰ থোৰা পাতত বীর্য ত্যাগ কৰি সাগৰত উটুৱাই দিছিল আৰু তাকেই ভাতৰ লগত ভক্ষণ কৰি অকুমাৰী ছোৱালীজনী পাঁচ মাহৰ গর্ভৱতী হ'ল। মই জানি বুজিয়েই পাত কাটিবলৈ বাধা দিছিলোঁ। মই যি ভয় কৰিছিলো সেয়ে হ'ল। এতিয়া আৰু উপায় নাই। মানুহৰ অপবাদৰ হাত সাৰিবলৈ ছোৱালীটিৰ বনবাসৰ দিহা কৰা।" মাকৰো মনত বৰ দুখ লাগিল। এনেকেয়ে দুর্ভাগ্যবশতঃ ঋষি পৰিয়াললৈ ধুমুহা নমাৰ উপক্রম হ'ল।

দিন বাগৰিল। সময়ে গতি সলালে। ঋষিৰ ঘৈণীয়েকেও ঋষিৰ উপদেশত এবিধ এবিধকৈ বনবাসৰ সামগ্রী যোগাৰ কৰাত লাগিল। প্রথমে তেওঁ ঋষিৰ কানি-কাপোৰ ধোৱাত ব্যস্ত হ'ল। তাৰ পিছত ছোৱালীটিক লুকুৰাই লাৱু, পিঠা, সান্দহ আদি যোগাৰ কৰিব ধৰিলে। ইতিমধ্যে ছোৱালীটিয়ে মাকে এইবোৰ কাম কৰা দেখি সুধিলে— "মা এই লাৱু, পিঠাবোৰ কিয় বনাইছা।" মাকে ক'লে— "বাচা মোমায়েৰহঁতৰ ব্রহ্ম ভোজন। তালৈ পিতাৰে তিনি-চাৰি দিনৰ বাবে যাব। বৰ দূৰণিৰ বাট। বাটত ভোক-পিয়াহ লাগিব। গতিকে বাটত গছৰ তলত জিৰণি লৈ এইবোৰ খাই থাকিব লাগিব।" তাই ক'লে "ময়ো পিতাৰ লগত যাম"। মাকে মিছাকৈ গা-মূৰ পিহি দি মৰমেৰে ক'লে— "তই যাব নোৱাৰিবি আই। বহুত কষ্ট পাবি।" কিন্তু ছোৱালীৰ আঁকোৰগোজ মনোভাবত ঋষিয়ে নিবলৈ সিদ্ধান্ত লৈ এটি ভাল দিন বাৰ চাই সাজু হ'ল। ইপিনে মাকৰ অন্তৰে কান্দি থাকিল। শুভক্ষণত ছোৱালীজনীৰ অজানিতে সকলো সামগ্রী লৈ তাইক বনবাস দিবলৈ ঋষিয়ে অন্তৰৰ বেদনা লুকু�ৰাই যাত্রা আৰম্ভ কৰিলে। মাকে চাদৰৰ আঁচলেৰে চকুপানী মচি তাইক আৰু ঋষিক পদূলি মুখলৈ আগবঢ়াই দিলে। পিতা-পুত্রীৰ অনন্ত যাত্রা আৰম্ভ হ'ল। লগত সাৰথি কৰি ঋষিয়ে এটা কুকুৰ ল'লে। তেওঁলোক দুয়ো গৈ থাকিল। সম্পূর্ণ এটা দিন খোজ কঢ়াৰ অন্তত এখন সৰু হাবি পালে। তাত এডাল ডাঙৰ আঁহত গছৰ তলত দুয়ো জিৰাবলৈ বহিল। ইপিনে ছোৱালীয়ে খোজ কাঢ়ি ভাগৰত ক্লান্ত হৈ পৰিছে। ঋষিয়ে মোনাৰ পৰা লাৱু-পিঠা আদি তাইক খাবলৈ দি নিজেও অলপ খাই জিৰণি ল'লে। কিছু জিৰণি লৈ জীয়েকে সুধিলে— "পিতা, মামাহঁতৰ ঘৰলৈ আৰু কিমান দূৰ আছে।" পিতাকে ক'লে, "বাচা সৌ যে ডাব নাৰিকলৰ শাৰীবোৰ দেখিছা সেয়ে ঘৰ।" মাকে বনাই দিয়া জলপান খাই দুয়ো যাবলৈ উঠিল। পিতাকে মোনাৰ পৰা সূতাৰ মহুৰা এটা উলিয়াই গছজোপাত এটা মূৰ বান্ধি দিলে। তাকে দেখি জীয়েকে সুধিলে— "সূতা কিয় বান্ধিলা, পিতা?" ঋষিয়ে ক'লে, "আহোঁতে বাট ভুল হ'ব পাৰে। গতিকে এই সূতা চাই আহি থাকিব লাগিব।" সূতাডালৰ আনটো মূৰ হাতত লৈ গৈ থাকিল। বহুদূৰ গৈ গৈ আন এখন হাবি পালে। ইতিমধ্যে বেলি ভাটি দিছে। তাতে আকৌ অকুমাৰী গর্ভৱতী ছোৱালী। খোজ কাঢ়ি কাঢ়ি ভাগৰত অস্থিৰ হৈ পৰিছে। গতিকে ঋষিয়ে এডাল ডাঙৰ বট গছৰ তলত বহি ছোৱালীটিক কোলাত ল'লে। সূতাডালৰ মূৰটো কাষৰ সৰু গছ পুলি এটাত গাঁঠি মাৰি থ'লে। কিছু জিৰণি লোৱাৰ পিছত মাকে দি পঠোৱা বস্তু খাই পিতাকৰ কোলাতে তাইৰ গভীৰ টোপনি আহিল। ভাগৰত লাল-কাল দিয়া মুখখনি চাই ঋষিয়ে গভীৰ নিশ্বাস এ�ৰিলে। তাৰ পিছত মন সংযত কৰি লাহে লাহে কোলাৰ পৰা তাইক গছৰ তলত শুৱাই দিলে। গাত লৈ থকা ঋষিৰ চাদৰখন

সমানে দুভাগ কৰি এভাগ মূৰত গাৰু কৰি দিলে। আনটো ফাল গাৰ ওপৰত ঢাকি দি ঋষি থিয় হ'ল। মূৰত লৈ যোৱা জাপিটো তাইৰ কাষত থ'লে। লাঠিডাল তাই চকু মেলি দেখা পোৱা দুৰত্বত থৈ দিলে। লগত সংগী কৰিলৈ যোৱা কুকুৰটো অলপ দূৰত বলি দিলে। তাত তেজৰ দোঙা বান্ধি থাকিল। তাৰ পিছত ডাঠ হাবিৰ ফালে বলি দিয়া কুকুৰটোৰ দুখণ্ড দলিয়াই দিলে। এইবোৰ অমংগলৰ চিন কৰি থৈ চকুপানী টুকি টুকি তাইৰ গালে মুখে মৰমৰ হাত বুলাই বন দেৱতাক সাক্ষী কৰি এখুজি-দুখুজিকৈ ঘৰলৈ উভতিবলৈ আৰম্ভ কৰিলে। এফালে ঋষিয়ে ওভতনি যাত্রা কৰিলে, আনপিনে ঋষিৰ আদৰৰ দুহিতাই গভীৰ টোপনিত লাল-কাল হৈ পৰি থাকিল। সূর্য দেৱতাও মেলানি মাগিবৰ সময় হ'ল। ইতিমধ্যে ছোৱালীজনীৰ গর্ভত যুটা যমজ সন্তান আছিল। সিহঁতে আলোচনা কৰিলে— "এতিয়া কি উপায়ে আমি পৃথিৱীৰ পোহৰলৈ যাওঁ। মাতৃ হৈছে অ-কুমাৰী। আচল জন্ম হোৱা পথ বন্ধ। কাণেৰে জন্মিলে কণামাকৰি হ'ম। নাকেৰে জন্মিলে শেঙুন হ'ম। মুখেৰে জন্মিলে খেকাৰ হ'ম। গতিকে কি কৰা যায়।" সিহঁত আছিল আদিত্য সন্তান। গতিকে সিহঁত অলৌকিক শক্তিসম্পন্ন। নানা কথা ভাবি-চিন্তি দুয়ো মাতৃ দেৱীৰ নাভি মণ্ডল কেঞা আঙুলিৰে ফালি দি বাহিৰলৈ ওলাই আহিল। আৰু সিহঁতৰ অমৃত হাত মচি দি আগৰ দৰে কৰি থৈ অলৌকিক শক্তিসম্পন্ন যমজ সন্তান দুটিয়ে গছৰ ওপৰত উঠি থাকিল। ইপিনে গছৰ তলত মাক আৰু ওপৰত ল'ৰা দুটা। সিহঁতৰ অমৃত হাতৰ পৰশ পাই আৰু গা ঘাটি হৈ মাকৰ দুর্ঘোৰ টোপনি। বেলিও ডুবিল। পৃথিৱী অন্ধকাৰ হোৱাৰ পথত। গছৰ ওপৰত থকা ল'ৰা দুটা উপায়ান্তৰ হ'ল। ইফালে মাকে সাৰ নাপায়হে নাপায়। উপায়হীন হৈ আদিত্য সন্তান দুটাই গাৰ পৰা অলপ মলি ঘঁহি উলিয়াই পৃথিৱীলৈ নিক্ষেপ কৰি ভোমোৰা হৈ গুজৰিবলৈ ক'লে। লগে লগে সেই মলিৰ পৰা ভোমোৰাৰ জন্ম হৈ মাকৰ কাষত গুঞ্জৰিবলৈ ধৰিলে। মাকে তৎক্ষণাত চকা-মকাকৈ সাৰ পাই উঠি বহিল আৰু চাৰিওফালে দৃষ্টি নিক্ষেপ কৰিলে। টোপনিৰ আৱেশতে তাই চাৰিওফালে অমংগলৰ চিন দেখা পালে। লগে লগে ভাবিলে যে তাইৰ পিতাকৰ নিশ্চয় কিবা অমংগল হৈছে। কাষত জাপিটো আৰু লাঠিডাল দেখিলে, আনকি পিতাকৰ গাৰ চাদৰখনো দুভাগ হৈ পৰি থকা দেখিলে। তাৰ পিছত অলপমান দূৰৈত তেজৰ ডোঙা দেখি গা-মূৰ শিয়ৰি উঠিল। তাই ভাবিলে নিশ্চয় পিতাকক বনৰ হিংস্র জন্তুৱে খাই পেলাইছে। গতিকে মই যদি নিস্তাৰণী হওঁ তেনেহ'লে সেই তেজ খাই গম পাম পিতাৰ তেজ হয় নে নহয়। ইয়াকে ভাবি তাই উঠি তেজখিনিৰ ওচৰলৈ গ'ল। আৰু অলপ হাতেৰে আনি মুখৰ ওচৰলৈ নিবলৈ ধৰোতেই পিছফালৰ পৰা যমজ সন্তান দুটিয়ে মাত দিলে— "মা, মা তুমি ভুল নকৰিবা। সেইয়া তোমাৰ পিতাৰ তেজ নহয়। সেই তেজ কুকুৰৰ। তোমাৰ দয়ালু পিতৃয়ে তোমাক বনবাস দি ঘৰলৈ উভতি গৈছে।" তৎক্ষণাত গভীৰ অৰণ্যৰ মাজত মানুহৰ মাত শুনি উভতি চাই তাই ল'ৰা দুটি দেখি সুধিলে— "তোমালোক কোন? এই অটব্য হাবিলৈ কেনেকৈ আহিলা?" তেতিয়া দুয়ো উচ্চস্বৰে ক'লে— "মা আমি দুয়ো তোমাৰেই সন্তান। এতিয়া ঘোৰ অন্ধকাৰ নামি আহিছে। এই অটব্য হাবিত আমাক হিংস্র জন্তুৱে খাই পেলাব। গতিকে আমাৰ আশ্রয়ৰ দিহা কৰা।" এই বুলি কৈ ল'ৰা দুটাই মাকক সাবটি ধৰিলে। মাকেও মৰমতে কোলাত বহুৱাই আলফুলে চুমা খাই গা-মূৰ পিহি দিলে।

ইতিমধ্যে পৃথিৱী ঘোৰ অন্ধকাৰত বুৰ গ'ল। তাই ল'ৰা দুটাক কোলাৰ পৰা নমাই লাহে লাহে চতিয়ান গছ এজোপাৰ ওচৰলৈ লৈ গ'ল। আৰু খুউব কাতৰ স্বৰে ক'লে— "চতিয়ান গছ ফাট্ দিয়া, মাতৃ-পুত্রক ঠাই দিয়া।" মাই নিস্তাৰণীৰ কথা শুনি বৃহৎ চতিয়ান গছ জোপা মাজেৰে ফাট মেলি সিহঁতক আশ্রয় দিলে। আৰু নিস্তাৰণীৰ বৰত আগৰ ৰূপ লৈ থাকিল। ৰাতি প্রথম প্রহৰত গছজোপাৰ গুৰিলৈ প্রথমে এটি ম'হ আহিল। আহিয়ে গছ জোপাক সম্বোধি ক'লে- "মনুষ্য মনুষ্য গোন্ধ পাওঁ, ভক্ষ চাৰি দিয়া খাওঁ"। গছজোপাই ক'লে— "নৰ মনুষ্য ক'ত পাম? বৰকে দিওঁ লৈ যোৱা।" ম'হে উত্তৰ দিবলৈ নৌপাওঁতেই গছে এটি এটিকৈ চাৰিটা বৰ দিলে— প্রথমে, তোৰ শিংজুৰিৰে গৰখীয়া ল'ৰাহঁতে শিঙা বনাব। তাৰ ফলত এটা মুক্তি পাবি। দ্বিতীয়তে, তোৰ ছালখনেৰে ঢোল বনাই মাংগলিক কার্যত বজাব, তাতো এটা মুক্তি পাবি। তৃতীয়তে, তোক নানা দেৱ-দেৱীৰ পূজাত বলি দি মানুহৰ মংগল সাধন কৰিব, তাৰ ফলত তই মুক্তি পাবি। চতুর্থতে, তোৰ মাংসবিলাক অজাতিয়ে ভক্ষণ কৰিব, তাতো মুক্তি পাবি।" ম'হটোৱে আনন্দতে চিঞৰি উঠিল, "বাপৰে চাৰিটাকৈ বৰ পালো, মোৰ জনম সার্থক হ'ল, মই যাওঁ"- এইবুলি কৈ সি গোঁ-গোঁৰাই জংঘলৰ মাজলৈ গুচি গ'ল।

প্রথম প্রহৰ শেষ হ'ল। দ্বিতীয় প্রহৰত আহিল এটা বৰা (গাহৰি)। আহিয়ে ক'লে— "মনুষ্য, মনুষ্য গোন্ধ পাওঁ, ভক্ষ চাৰি দিয়া খাওঁ।" ভক্ষ ক'ত পাম, বৰ দিওঁ লৈ যোৱা বুলি গছে ক'লে। গছৰ কথা নামানি বৰাই গছৰ গুৰিটো খান্দিবলৈ ধৰিলে। গছজোপা উভালি পৰাৰ উপক্রম হ'ল। গছে ভয় পাই বৰাক আকৌ বুজাই-বঢ়াই বৰ দিলে। "তোৰ দাঁতেৰে উচ্চ সমাজে পুংসবনৰ শাৰী

লিখিব। তাৰ ফলত তই মুক্তি পাবি। তোৰ গাৰ ৰসেৰে তেল তৈয়াৰ কৰি চিকিৎসকে নানা ধৰণৰ বিষ বেমাৰৰ মালিচ বনাব। তাতো তই মুক্তি পাবি। তোৰ মাংস অজাতিয়ে ভক্ষণ কৰিব, তাতো এটা মুক্তি পাবি।" বাপৰে, বুলি চিঞৰি উঠি বৰাই সন্তুষ্ট হৈ ক'লে— "তিনিটাকৈ বৰ পালোঁ, সার্থক জনম লভিলোঁ। গতিকে মই যাওঁ।" এই বুলি কৈ সি বননিৰ মাজলৈ গুচি গ'ল।

তৃতীয় প্রহৰ ৰাত্রি আহিল অবৰী ভালুক। আহিয়ে সি গুঁজৰিবলৈ আৰম্ভ কৰিলে। গছজোপাৰ একো অনুনয় বিনয় নুশুনি ভক্ষ চাৰি দিবলৈ ক'লে। উপায়বিহীন হৈ চতিয়ান গছে মনে মনে সুবচনী মাইক প্রার্থনা কৰিলে। তুষ্ট হৈ সুবচনী মায়ে কাণৰ পৰা অলপ কণামাকৰি উলিয়াই পৃথিৱীলৈ দলিয়াই দি, কুকুৰা হৈ ডাক দিবলৈ ক'লে। কি আচৰিত কথা, লগে লগে কুকুৰা চৰায়ে ডাক দিলে। ইপিনে অবৰী ভালুকে ৰাতি পুৱাল বুলি ভাবি পথালি চকুৰা (মানুহ)ৰ ভয়ত হাবিলৈ গুচি গ'ল।

নানা বিপদ-বিঘিনিৰ মাজেৰে অন্ধকাৰে বিদায় মাগিলে। পূবে ধল ফাট্ দিলে। ৰিণি ৰিণি পোহৰ পৃথিৱীলৈ নামি আহিল। গছডালে আগৰ দৰে ফাট্ মেলিলে। অলৌকিক শক্তিসম্পন্না মাই সুবচনী গছৰ মাজৰ পৰা বাহিৰলৈ দুই পুত্রক হাতত ধৰি ওলাই আহিল। পৃথিৱীত ভৰি দিয়ে সিহঁতৰ আশ্রয়দাতা গছজোপাক আগৰ ৰূপ দিলে। আৰু ৰাতিটো নির্বিঘ্নে কটোৱা বাবে সন্তুষ্ট গৈ গছজোপাক আশীর্বাদ দিলে— "তই চাৰিযুগে অমৰ হবি। মানুহে তোক কাটিলেও চাৰিওফালে চাৰিটা গজালি ওলাব।" এইদৰে বৰ দি মাতৃ-পুত্রই ঘৰলৈ যোৱাৰ আলোচনা কৰিলে। দুই পুত্রই মাকক সুধিলে— "তুমি ইয়াৰ পৰা মামাহঁতৰ ঘৰলৈ যাব পাৰিবানে"? মাকে ক'লে— "মোৰ ৰাস্তা ঘাট একো মনত নাই। তথাপি পিতাই আহোঁতে এঁৰা সূতা টানি টানি আহি আছিল। এতিয়া সেই সূতাৰ চিন চাই চাই ঘৰ উলিয়াব পাৰিম।" এই বুলি কৈ সিহঁতে অলপ জিৰাই লৈ সেই এৰা সূতাৰ চিন চাই চাই ঘৰলৈ ওভতনি যাত্রা আৰম্ভ কৰিলে। এইদৰে গৈ গৈ মাতৃ-পুত্রই সেই অগস্ত্য ঋষিৰ গাঁৱৰ মুখ পালে। তাত এটা ডাঙৰ পুখুৰী আছিল। তাৰ পাৰত চাৰিওফালে বকুল গছৰ শাৰী আছিল। তাৰে এডাল বকুল গছত দুয়ো ভাই-ককাই উঠিলগৈ আৰু মাকক ক'লে— "মা তুমি এতিয়া পিতৃগৃহলৈ অকলে যোৱা। আমাক শয়নে-ভোজনে আতাই স্মৰণ কৰিলে আমি গৈ উপস্থিত হ'ম।" তেতিয়া মাকে সিহঁতক তাতে এৰি অকলে পিতৃ গৃহলৈ গমন কৰিলে। গৈ গৈ পিতাকৰ পদুলিমুখ পালে। মাকে দূৰতে দেখি দৌৰি গৈ আথে-বেথে কোলাত তুলি লৈ ঘৰৰ ভিতৰ সোমাল। ইতিমধ্যে বেলি আহি মূৰৰ ওপৰ পালে। অগস্ত্য ঋষিয়ে সাগৰৰ পাৰত স্নান-জপ-তপ কৰি আহি জীয়েকক দেখি মৰমতে পমি গৈ কোলাত তুলি লৈ মৰম-আদৰ কৰিব ধৰিলে। ইফালে সুবচনী মায়ে পিতৃ-মাতৃ স্নেহত বুৰ গৈ দুই পুত্রক যে বকুল গছৰ ওপৰত এৰি আহিছিল পাহৰি গ'ল। মাকেও আথে-বেথে তিনিওৰে ভাত বাঢ়ি আনি মজিয়াত দিলে। মাক, পিতাক আৰু জীয়েকে ভাতৰ পাতত বহিল। হঠাৎ চাত্কৈ সুবচনী মাইৰ দুই পুত্রলৈ মনত পৰিল। তাই লগে লগে পিতাকক বনবাসৰ সকলো ঘটনা আৰু যমজ সন্তান দুটিৰ কথা জনালে। এনেও ঋষি সর্বজ্ঞ। তথাপি নজনাৰ ভাও জুৰি তেওঁ সমস্ত ঘটনা জীয়েকৰ পৰা শুনিলে। তাৰ পিছত দুই নাতিয়েকক ভাতৰ পাততে স্মৰণ কৰিলে। আচৰিত, দুই ভাই-ককাই ঐশ্বৰিক শক্তিৰে আহি ঋষিৰ দুই আঁঠুত বহিল। ঋষিয়ে সিহঁতৰ ডাঙৰজনৰ নাম ৰাখিলে আক্লে আৰু সৰুজনৰ শুক্লে নাম থ'লে। আটায়ে আনন্দ মনেৰে আহাৰ গ্রহণ কৰিলে। ভাত খাই দুয়ো ভাই জিৰণি ল'লে। তাৰ পাছত ককাকে সিহঁতক ওচৰলৈ মাতি মৰম কৰি দুয়োৰে হাতত হাথা-বান্তা (আগৰ দিনৰ খেলা সামগ্রী) দি ক'লে— "তোমালোকে এতিয়া গাঁৱৰ সমনীয়া ল'ৰাবোৰৰ লগত পথাৰত খেলা-ধূলা কৰি থাকিবা।" চাহ-পানী খাই সিহঁত পথাৰলৈ গ'ল। গাঁৱৰ ল'ৰাবোৰে অচিনাকি ল'ৰা দুটা দেখি অলপ সংকোচ কৰিলে যদিও সিহঁতৰ লগত মিলি-জুলি খেলাত মগ্ন হ'ল। যমজ ল'ৰা দুটা আদিত্যৰ সন্তান। গতিকে সিহঁতৰ স্পর্শত কা�ৰোবাৰ হাত ভাঙে, কাৰোবাৰ ভৰি ভাঙে, কাৰোবাৰ চকু নষ্ট হয় ইত্যাদি নানা আলৈ-আহুকাল হ'বলৈ ধৰিলে। প্রতিদিনে একোটা হুলস্থুল পৰিৱেশ আৰম্ভ হয়। গাঁৱৰ ল'ৰাহঁতে উপায় নাপাই ঋষিক গোচৰ দি যাবলৈ ধৰিলে। তাৰ মাজতে "বৰ গৰখীয়া" পদত থকা এজন গৰখীয়া বৰ বুধিয়ক আছিল। সি কিবাকৈ ল'ৰা দুটা যে পিতৃ পৰিচয়হীন জানি লৈ সমনীয়াবোৰক শিকাই দিলে যে আক্লে-শুক্লে তহঁতক অত্যাচাৰ বা মাৰধৰ কৰিলে "জাৰজ" বুলি চিঞৰি চিঞৰি হাত-তালি দিবি। এনেকৈ খেলা-ধূলা কৰি থাকোতে এদিন আক্লে-শুক্লেৰ মাৰ-ধৰ সহ্য কৰিব নোৱাৰি গৰখীয়া ল'ৰাহঁতে মিলি-জুলি হঠাতে উচ্চস্বৰে "জাৰজ, জাৰজ" বুলি কৈ হাত চাপৰি বজাই দিলে। ইতিমধ্যে আক্লে খেলাতে মগ্ন। শুক্লেৰ কাণত তৎক্ষণাৎ কথাষাৰ পৰিল। সি দদায়েকক ক'লে— 'ইহঁতে আমাক 'জাৰজ' বুলি জোকাইছে। সঁচাকৈ আমিতো আমাৰ পিতাক কোনোদিনে দেখা নাই। গতিকে ঘৰলৈ গৈ আমি মাক আমাৰ পিতৃ পৰিচয় সুধিম।" এই বুলি মনতে ভাবি সিমানতে খেলা সামৰি ঘৰলৈ আহি মনে মনে ককাকৰ বিছনাত উঠি আঁঠুৰা তৰি শুই থাকিল।

আনদিনাৰ দৰে ঋষিয়ে সাগৰত স্নান-জপ-তপ আদি ক্রিয়াবোৰ সমাপন কৰি ঘৰলৈ উভতিল। তাৰ পিছত ভাতৰ পাতত বহি নাতিয়েক দুজনক স্মৰণ কৰিলে। আনদিনা আচৰিতভাৱে সিহঁত আহি ককাকৰ কাষত বহি ভাত খায়। সিদিনা এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰকৈ স্মৰণ কৰিও আনিব নোৱাৰাত ঋষি চিন্তাত পৰিল। ইপিনে আইতাক আৰু মাকে চাৰিওফালে বিচাৰি চলাথ কৰিলে। ল'ৰাৰ কোনো শুংসূত্রই নাই। আটায়ে অস্থিৰ হৈ পৰিল। ইতিমধ্যে বেলি ভাটি দি আহিব ধৰিলে। ঋষিয়ে ৰৈ ৰৈ ভোকত বৰ কষ্ট পালে। ইফালে বিচনাৰ পৰা সিহঁতে সকলো ঘটনা জানি আছিল। সৰু ল'ৰা শুক্লে বৰ চিন্তাশীল আছিল। সি ডাঙৰজনক ক'লে— "দাদা, আমি দেখা নিদিলে আমাক কোনেও বিচাৰি নাপাব।" গতিকে বিছনাতে সিহঁতে হাত-ভৰি মাৰি শব্দ কৰিব ধৰিলে। মাকে বাহিৰৰ পৰা কিহবাৰ শব্দ শুনি উধাতু খাই আহি ঘৰৰ বিছনাত সিহঁতক দেখি মৰমেৰে ক'লে— "বাচাহঁত, তোমালোকে কিয় এই কাণ্ডখন কৰিলা। বুঢ়া ককায়েৰাই বৰ কষ্ট পালে নহয়, উঠা, সোনকালে ভাত খাই খেলিবলৈ যোৱাহি"। তেতিয়া সিহঁতে ক'লে— "মা, আমি আজি ভাত-পানী একো নাখাওঁ। তুমি যদি আমাক পিতৃ পৰিচয় দিব পাৰা, তেতিয়াহ'লে তুমিও আমাৰ, আমিও তোমাৰ। আৰু যদি নোৱাৰা, আমি তোমাৰ নহয়, তুমিও আমাৰ নহয়"। ইয়াকে কৈ সিহঁতে কান্দিবলৈ ধৰিলে। আৰু কান্দি কান্দি গৰখীয়াহঁতে যে 'জাৰজ' বুলি জোকাইছে তাকো মাকক ক'লে। তেতিয়া মাকে মৰমেৰে ক'লে— "বাচা, তোমালোক আদিত্যৰ সন্তান। আজি বেলি ভাটি দিছে। অহাকালি দুপৰীয়া তোমালোকক মই পিতৃৰ লগত পৰিচয় কৰাই দিম"। তেতিয়া সৰু ল'ৰা শুক্লেই ক'লে— "তেওঁ যদি আমাৰ পিতৃ হয়, আমাৰ বিপদত যিকোনো সময়তে, আমাক দেখা দিব।" এই বুলি আঁকোৱগোজ কৈ মাকক ধৰিলে। মাকে উপায়বিহীন হৈ আদিত্য পূজাৰ সম্ভাৰ যোগাৰ কৰাত ব্যস্ত হ'ল। তেওঁ প্রথমে চোতালৰ সোঁমাজত অলপ ঠাই মচি ল'লে। তাৰ পাছত জলপূর্ণ ঘট এটা বহুৰাই আমৰ পাত তিনিটা দিলে। ঘিউৰ চাকি জ্বলাই দিলে। ধূপ-ধূনাও দিলে। কাষত এখন আসন পাৰি থ'লে। তাৰ পাছত নটা ৰক্ত জবা ফুল আনি এঁৰা গাখীৰৰ সৈতে নবাৰ জলপূর্ণ ঘটটোত ভক্তিভাৱে অর্ঘ্য দি মনতে আদিত্য দেৱতাক স্মৰণ কৰিলে। তাৰ পিছত সূর্যক প্রণাম কৰিলে। কি আচৰিত, সূর্য দেৱতাই সোণৰ জখলাৰে, সোনৰ নগুন পিন্ধি নামি আহি পাৰি থোৱা আসনখনত বহিল। তাৰ পিছত নিজ পুত্রদ্বয়ক কাষলৈ মাতি আনি দুই আঁঠুত বহুৰাই ল'লে। গা-মূৰ পিহি মৰম কৰি নানা উপদেশ দিলে। আৰু ক'লে— "বাচাহঁত, তহঁত দেৱতাৰ সন্তান। সাধাৰণ নৰ-মনিষৰ লগত তহঁতৰ বহুত পার্থক্য। তহঁতৰ ঐশ্বৰিক শক্তি আছে। তহঁতে মুখেৰে ভাল-বেয়া যি বাক্য কৰ সেয়ে ফল ধৰিব। গতিকে তহঁতে-সৰ (অভিশাপ) দিয়াত সৰ বিধি। বৰ (আশীর্বাদ) দিয়াক বৰ দিবি। সৰে-বৰে মিহলাই দিবি"। এইদৰে উপদেশ দি হাতত দুটা সোণৰ বৰশী দিলে। আৰু মাজ সাগৰত পদুম ফুলৰ পাতত থিয় হৈ বৰশী বাই থাকিবলৈ কৈ, সকলোকে নিজ মাহাত্ম্য দেখুৱাই সোনৰ জখলাৰে স্বর্গলৈ গমন কৰিলে। তাৰ পিছত ল'ৰা দুটায়ো পিতাকৰ হিতোপদেশ শিৰোধার্য্য কৰি লৈ হাতত সোনৰ বৰশী লৈ সাগৰলৈ গৈ পদুম ফুলৰ পাতত থিয় হৈ বৰশী বাই থাকিল।

এনেদৰে কিছুদিন যোৱাৰ পিছত এজনী বুঢ়ীক সিহঁতে প্রতি দেওবাৰে সেইপিনে অহা-যোৱা কৰা দেখা পালে। সিহঁতে মনতে ভাবিলে— এই বুঢ়ীজনীনো বাৰু ক'লৈ যায় সোধা যাওক। এই বুলি ভাবি এদিন দুয়ো বুঢ়ীক চিঞৰি মাতিলে— "আইতা ক'লৈ যোৱা"। বুঢ়ীয়ে মনৰ সংকোচ ভাবেৰে ওচৰলৈ আহিল। আৰু ক'লে— "বোপাহঁত, মই প্রতি দেওবাৰে বজাৰলৈ যাওঁ। বজাৰত কিবা অলপ বেচা-কিনা কৰি কোনোমতে পেট প্রৱর্তাই আছোঁ।" ল'ৰা দুটাই সুধিলে— "বাৰু আজিনো কি বেচিবলৈ আনিছা বুঢ়ী আইতা।" বুঢ়ীয়ে লাজ লাজ ভাবেৰে ক'লে— "আমি দুখীয়া মানুহ। ঘৰত মানুহ বুলিবলৈ বুঢ়াটো আৰু মই। বস্তু বেচিবলৈ একোৱেই নাই। তথাপি অলপ কোট্‌পোকে খোৱা গোটামুগ আছিল। তাকেই বেচিবলৈ লৈ আহিছো"। ল'ৰা দুটাই ক'লে— "চাওঁ, মনুষ্যৰ মুগ কেনেকুৱা"। বুঢ়ীয়ে টোপোলা খুলি দেখুওৱাত সিহঁতে লাৰি-চাৰি চালে। আৰু আচৰিতভাৱে লগে লগে এগুণৰ ঠাইত চাৰিগুণ ধুনীয়া জল্‌জলীয়া মুগ হৈ পৰিল। তেতিয়া দুয়ো ভাই-ককায়ে ক'লে— "যা বুঢ়ী আইতা, আজি মুগ খৰাহীত কড়ি (আগৰ দিনত টকাৰ সলনি ব্যৱহৃত) খৰাহী পাবি।" বুঢ়ীয়ে মনতে ভাবিলে— এই দুজন কোনোবা দেৱতাই মায়া কৰি আছে। নহ'লেনো মাজ সাগৰত পদুমৰ পাতত থিয় হৈ থাকিব পাৰেনে? এইদৰে মনতে ভাবি কেতিয়ানো গৈ বজাৰ পালে গমকে নাপালে। বজাৰ পাই বুঢ়ীয়ে লগত নিয়া কাপোৰখন পাৰি বহি ল'লে। খৰাহীটো থৈছেহে মাত্র, গ্রাহকে আহি ভিৰ কৰিব ধৰিলে। তৎক্ষণাৎ মুগ খৰাহী বিক্রী গৈ কড়ি খৰাহী পালে। মনৰ আনন্দত লগে লগে অলপ চাউল-পাত কিনি লৈ ঘৰলৈ উভতিল। আহোঁতে ল'ৰা দুটাক মাত দিবলৈ নাপাহৰিলে। ঘৰলৈ আহি বুঢ়াৰ আগত সকলো ঘটনা বিৱৰি ক'লে। বুঢ়াই কিন্তু বিশ্বাস নকৰি ভেকাহি মাৰি দিলে। বুঢ়ীৰ হ'লে ল'ৰা দুটাৰ কথা মনত পৰি থাকিল।

পিছৰ দেওবাৰেও বুঢ়ীয়ে ঘৰৰ ভিতৰত বিচাৰি খোঁচাৰি এটি সৰু কলহত কেইটিমান ধান পাই তাৰে আখৈ ভাজিলে। আৰু অতি উৎসাহেৰে তাকেই টোপোলা বান্ধি লৈ বজাৰলৈ ওলাই আহিল। সেইখিনি ঠাই পোৱাত আগৰবাৰৰ দৰে দুয়ো ভাই-ককায়ে মাত লগালে। "বুঢ়ী আইতা, আজিনো কি বেচিবলৈ আনিছা।" বুঢ়ীয়ে কওঁ-নকওঁকৈ আখৈ অনা বুলি ক'লে। সিহঁতে মনুষ্যৰ আখৈ চাব খোজাত বুঢ়ীয়ে টোপোলা খুলি আখৈখিনি দেখুৱালে। আকৌ-শুক্লেই লাৰি-চাৰি চাই ক'লে— "যা বুঢ়ী আইতা, আখৈ টোপোলা বেচি কড়ি টোপোলা পাবি।" বুঢ়ীয়েও সিহঁতক মনতে সেৱা জনাই ৰংমনে বজাৰলৈ গুচি গ'ল। বজাৰ পাই বুঢ়ীয়ে বজাৰৰ নিজৰ ঠাইখিনিত কাপোৰ এখন পাৰি টোপোলাটো খুলিলে। কি আচৰিত, আখৈখিনি জল্‌মলীয়া হৈ এগুণৰ ঠাইত দুগুণ হৈ আছে। কিছু পিছতে এজন গ্ৰাহকে পূজাৰ বাবে আখৈৰ ভাগৰ সমান কড়ি এভাগ দি কিনি লৈ গুচি গ'ল। বুঢ়ীয়েও ঘৰৰ লাগতিয়াল দুই-এপদ বস্তু কিনি সোনকালে ঘৰলৈ উভতিল। আহোঁতে ল'ৰা দুটাৰ ওচৰ পাই— "পিতিহঁত, আহিলোঁদেই" বুলি মাত লগাই আহিল। সিহঁতেও বুঢ়ীৰ আচাৰ-ব্যৱহাৰত সন্তুষ্ট হ'ল।

দিন বাগৰি গৈ গৈ আকৌ এসপ্তাহৰ মূৰত দেওবাৰ পৰিল। বুঢ়ীৰ উৎসাহৰ সীমা নাই। ৰাতিপুৱাতে উঠি 'বাহি বন' কৰি গা-পা ধুই, গোসাঁইঘৰ সাৰি-মচি, থাপনাখন ধুৱাই, চাকি-ধূপ জ্বলাই দিলে। তাৰ পিছত বুঢ়াক অলপ জলপান বনাই চাহ দি নিজেও খালে। যাবলৈ ওলাই বুঢ়াক সুধিলে— "আজিনো কি বেচিবলৈ নিওঁ?" বুঢ়াই ভেঙুচালি কৰি ক'লে— "বাপেৰহঁতে পৰামৰ্শ দিব যোৱা।" বুঢ়াটো স্বভাৱতে কিট্ কিটীয়া, খঙাল আৰু বেমাৰী আছিল। সেয়েহে বুঢ়ীয়েই ঘৰখনৰ যাৱতীয় সকলো কাম-কাজ, বজাৰ-সমাৰ কৰা কামবোৰ নিজেই কৰিবলগীয়া হৈছিল। তাই বুঢ়াৰ কথাত কাণ নিদি বস্তু বিচৰাত লাগিল। ক'তো একো বস্তু নাপাই তাই মনতে মানৱৰূপী ঈশ্বৰৰ ল'ৰা দুটাক ভক্তিভাৱে স্মৰণ কৰিলে। কিনো অলৌকিক শক্তি, তৎক্ষণাৎ তাইৰ মনত পৰিল যে ডেকা অৱস্থাত তাঁতশালৰ কাপোৰ বৈ কিছুমান দিহকতা (কাপোৰ বৈ, কাটি শেষত বৈ যোৱা সূতা) টোপোলা বান্ধি থৈ দিছিল। তাকে উলিয়াই চাই দেখে য়ে সূতাবোৰ ধূলি-বালিৰে পিট্‌খাই আছে। লগে লগে বুঢ়ীয়ে চাবোনেৰে ভালকৈ ধুই-পখালি ৰ'দত শুকুৱাব দিলে। তাৰ পিছত কাপোৰ-কানি পিন্ধি সূতাবোৰ টোপোলা বান্ধি লৈ বুঢ়াক মাত লগাই বজাৰলৈ বুলি ৰাওনা হ'ল। গৈ গৈ বুঢ়ীয়ে ল'ৰা দুটাৰ কাষ পালে। আৰু ভক্তিভাৱে ল'ৰা দুটাক মাত দিলে। সিদিনাও সিহঁতে সুধিলে— "বুঢ়ী আইতা, আজিনো কি আনিছা"? বুঢ়ীৰ চকুপানী ওলাল। চাদৰৰ আঁচলেৰে মচি মচি ক'লে— "বোপাহঁত, বেচিবলৈ একো নোহোৱা হৈছে। তথাপি তোমালোকৰ দৰ্শনৰ আশাত শুদাহাতেঁ বজাৰলৈ অহাতকৈ অলপ দহিকতাকে আনিছো। এই লেতেৰা সূতাবোৰ আজি নিশ্চয় বিক্ৰী নহয়। আৰু কোনোদিনে বজাৰলৈ নাহো। খুজি মাগিয়ে খাব লাগিব।" এই বুলি কৈ বুঢ়ীয়ে কান্দিবলৈ ধৰিলে। বুঢ়ীৰ কৰুণ বিননিত ল'ৰা দুটাৰ অন্তৰ কুমলিল। আৰু ক'লে— "চাওঁ চাওঁ, মনুষ্যৰ দহিকতা (সূতা)"। বুঢ়ীয়ে টোপোলা খুলি দেখুওৱাত ক'লে— "যা বুঢ়ী আইতা, আজি নগৰত ৰজাৰ তাঁত শালৰ তাঁতীয়ে সূতা নাপাই বহি আছে। তোৰ এই সূতাবোৰ থাপতে বিক্ৰী হৈ যাব। তই কড়িৰ দামত পোত গৈ থাকিবি।" এই বুলি কৈ সূতাখিনি স্পৰ্শ কৰি দিয়াত জিলমিলীয়া পাট সূতা হৈ পৰিল। বুঢ়ীয়েও সিহঁতক প্ৰণাম জনাই বজাৰলৈ বুলি খোজ ল'লে। বজাৰ পোৱাত দেখে যে মানুহ তেনেই সেৰেঙা। বতৰো কিছু ডাৱৰীয়া। বুঢ়ীয়ে ল'ৰা দুটাৰ কথাকে ভাবি চিন্তি কাপোৰখন পাৰি ল'লে। আৰু তাত সূতাবোৰ উলিয়াই দি বহি থাকিল। বজাৰত ৰজাৰ মানুহে সূতা বিচাৰি পিয়া - পি (বিচৰণ কৰি ফুৰা) দি আছিল। বুঢ়ীৰ পাহাৰসম জিল্‌মিলীয়া সূতাৰ দ'মটো দেখি, সেই সমান ওখকৈ কড়িৰ দ'ম এটা দি, ৰজাৰ মানুহে অতি আগ্ৰহেৰে সূতাবোৰ লৈ গুচি গ'ল। বুঢ়ীৰ চিন্তা লাগিল। কড়িবোৰ ঘৰলৈ আনিবলৈ বুঢ়ীৰ ডাঙৰ মোনা বা পাঁচি (বাঁহৰ ডাঙৰ পাত্ৰ) নাছিল। বুঢ়ী বিমোৰত পৰিল। আক্ৰোশৰ ধন, এৰিবও নোৱাৰে, বেৰিবও নোৱাৰে, চাই থাকিবৰ মন। এনেদৰে কি কৰোঁ, কি নকৰোঁ বুলি ভাবি-চিন্তি থাকোঁতে বেলি ভাটি দিয়াৰ উপক্ৰম হ'ল। ইফালে ভাতো ৰন্ধা-বঢ়া কৰি থৈ অহা নাই। বুঢ়াটোও হৈছে বেমাৰী। ভোকত কাতৰ হৈ খঙে চুলিৰ আগ পাব। নানা চিন্তাত পৰি ইফালে-সিফালে চাই থাকোঁতে হঠাতে সিহঁতৰ গাঁৱৰ, ঘৰৰ কাষৰে আদহীয়া মানুহ এজনক দেখা পালে। তেওঁ এটা পাঁচিত তামোল লৈ বিক্ৰীৰ বাবে বহি আছে। তামোলবোৰ পকা পকা, ডাঙৰ ডাঙৰ, দেখোতে চকুত লগা। কিন্তু কি আচৰিত, এটিও বিক্ৰী হোৱা নাই। মানুহজন বুঢ়ীৰ গাঁৱৰ সম্বন্ধীয় দেওৰেক হয়। গতিকে সম্বোধন কৰি ক'লে— "বাপা, তুমি ঘৰলৈ গৈ আমাৰ বুঢ়াক পঠাই দিবা। লগত ভাৰ-পাঁচিযোৰ লৈ আহিব ক'বা। এই কড়িবোৰ আগত লৈ মোৰ বৰ বিপদ হৈছে"। মানুহজনৰ তিঙিচ্‌কৈ খং উঠিল আৰু ক'লে— "মোৰ তামোল বিক্ৰীয়ে হোৱা নাই। মই কেতিয়াকৈ যাব পাৰিম ঠিক নাই।" বুঢ়ীৰ চাত্‌কৈ মনত পৰিল, কিজানিবা এওঁ ল'ৰা দুটাক লগ পাইছিলেই। তৎক্ষণাৎ বুঢ়ীয়ে

মানুহজনক সুধিলে— "বাপা তুমি সাগৰৰ মাজত পদুমৰ পাতত থিয় হৈ বৰশী বাই থকা ল'ৰা দুটাক লগ পাইছিলানে?" মানুহজনে ক'লে— "মই বজাৰলৈ আহি থাকোঁতে তেওঁলোকক লগ পোৱাত মোক সুধিলে- "আতা, তুমি ভাৰ পাঁচিত কি আনিছা?" মই খঙেৰে উত্তৰ দিলো— "গৰখীয়াহঁত, তহঁতৰ দুধ দাঁত সৰা নাই, ঘোঁৰা চুলি গজা নাই, বেপাৰৰ কি মূল্য বুজিবি? কষ্ট কৰি বেপাৰ কৰিম, লাভৰ অংশেৰে বজাৰ কৰি ল'ৰা-তিৰোতাৰ লগত সুখেৰে খাম।" এই বুলি কৈ গোঁ-গোঁৰাই গুচি আহিলো। ল'ৰা দুটায়ো পিতাকৰ উপদেশ মনত কৰি সৰ (অভিশাপ) দিলে— "যা আজি তোৰ ভাৰত মাখিও নপৰে"। ইয়াকে শুনি বুঢ়ীয়ে ক'লে— "তোমাৰ ঘৰে বাহিৰে মদ্ গৰ্ব্ব। এই অহংকাৰৰ কাৰণে তোমাৰ আজি এনেকুৱা অৱস্থা। যোৱা, এতিয়াও ল'ৰা দুটাৰ ওচৰলৈ যোৱা। তোমাৰ এইখিনিও জ্ঞান নহ'লনে যে পানীত ওপঙি থকা পদুম ফুলৰ পাতত মানুহ থিয় হৈ থাকিব পাৰেনে? সেই দুটা নৰৰূপী ঈশ্বৰ। সিহঁতৰ ভৰিত দীঘল হৈ পৰি ক্ষমা খোজাগৈ।" বুঢ়ীৰ ভৰ্ৎসনাত মানুহজনৰ জ্ঞান চকু মুকলি হ'ল। তেওঁ তাৰাতাৰি সিহঁতৰ ওচৰলৈ উভতি গ'ল। ইতিমধ্যে অন্তর্যামী আদিত্য পুত্রদ্বয়ে মানুহজনক উভতি যোৱা দেখি পদুমৰ পাতৰ তলত অদৃশ্য হৈ থাকিল। কিছু বেলি ইফাল-সিফালকৈ থাকি মানুহজন অস্থিৰ হৈ পৰিল। তেওঁ ভক্তিভাৱে মনতে সিহঁতক স্মৰণ কৰিলে। ইপিনে ডাঙৰ ল'ৰা আকৌলৰ দেখা দিয়াৰ মন নাই। কিন্তু সৰু ল'ৰা শুক্লেই ক'লে- "দাদা, আমাক যে পিতাই উপদেশ দিছিল, সৰ দিয়াক সৰ দিব লাগে, বৰ দিয়াক বৰ দিব লাগে আৰু সৰে বৰে মিহলাই দিব কৈছিল। গতিকে আমি দেখা দি সৰে বৰে মিহলাই দিওঁগৈ ব'লা।" ইয়াকে আলোচনা কৰি দুয়ো মানুহজনক দেখা দিলে। মানুহজনে হঠাতে ল'ৰা দুটাক দেখি নিজৰ চকুকে যেন বিশ্বাস কৰিব নোৱাৰিলে। লগে লগে তেওঁ ভক্তিভাৱে গলত গামোচাখন লৈ কাতৰ স্বৰে ক'লে— "বোপাহঁত, নাজানি-নুশুনি কৰা ভুলৰ বাবে মোক ক্ষমা কৰা। যি শিশুৱে শৌচ কৰে তাক পুনৰ ধুৱাই-পখলাই কোলাত নলয় জানো? কাতি হৈ পৰিলে বঙালেও নাকাটে?" এইদৰে অনুনয়-বিনয় কৰাত ল'ৰা দুটাই ক'লে— "আতা, আমাৰ দুধ দাঁত সৰা নাই, ঘোঁৰা চুলি গজা নাই, গতিকে আমি বেপাৰৰ কি মোল বুজিম— তথাপি যোৱা, ভাৰ-পাঁচিযোৰ খেৰ-বালিৰে ঘঁহি সাগৰৰ পানীত সাতবাৰ ধোৱা-পখলা কৰি তামোলবোৰ ভৰাই লোৱা। কোনোমতে মূলটো পাবা যোৱা"। সিহঁতৰ কথামতে কাম কৰি পুনৰ মানুহজনে তামোলবোৰ লৈ বজাৰলৈ গৈ সেই বুঢ়ীৰ কাষতে বহিল। ল'ৰা দুটাৰ বৰত কিনা দামতে তামোলবোৰ বেচা গ'ল। এক কড়িও লাভ নাপালে। তামোল বিক্রী কৰি মানুহজন ঘৰলৈ যাবলৈ ওলাল। বুঢ়ীয়ে যেনে তেনে ভাৰ-পাঁচি এযোৰ লৈ বুঢ়াক পঠাই দিবলৈ মানুহজনক অনুৰোধ কৰিলে। তাই কড়িৰ দ'মটোৰ কাষতে অস্থিৰ হৈ বহি থাকিল। সিফালে মানুহজনে গৈ বাহিৰে বাহিৰে বুঢ়াৰ ঘৰত সোমাল আৰু ক'লে— "অ' দদাই, তোমাক বৌৱে এযোৰ ভাৰ-পাঁচি লৈ তৎক্ষণাৎ বজাৰলৈ মাতিছে। আজি সূতা বিক্রী কৰি পাহাৰৰ সমান এক দ'ম কড়ি পাইছে। তুমি যেনে আছা তেনেকৈয়ে যোৱা"। বুঢ়াৰ তিঙিচ্‌কৈ খং উঠিল। এনেয়ে বেমাৰী মানুহ। ইফালে বেলি লহিয়াইছে। ভোকত অস্থিৰ হৈ পৰিছে। খঙতে বুঢ়াই ভাৰ-পাঁচি লোৱা বিৰিয়াপাত জোকাৰি জোকাৰি নিজকে কৈ কৈ গ'ল যে— "যদি আজি কড়ি পাওঁ কড়িকে আনিম, আৰু কড়ি নাপালে বিৰিয়াৰে কোবাই তাইৰ কঁকাল লৰ্‌ফৰীয়া কৰিম।" এই বুলি গুজৰি-গুমৰি বজাৰলৈ গৈ থাকিল। কিছু বেলিৰ পিছত বজাৰ পাই বুঢ়ীৰ আগত কড়িৰ পাহাৰসম দ'মটো দেখি খঙে শাম কাটিলে আৰু আচৰিত হ'ল। দুয়ো মিলিজুলি কড়িবোৰ ভাৰ-পাঁচিত ভৰাব ধৰিলে। যিখিনি বাকী ৰ'ল বুঢ়ীয়ে টোপোলা বান্ধি ল'লে। বুঢ়াই কড়িৰ ভাৰ লৈ সোঁ-সোঁৰাই ঘৰলৈ বুলি খোজ ল'লে। বুঢ়ীয়ে ভোকে পিয়াহে অস্থিৰ হৈ লাহে লাহে খোজৰ মূৰত খোজ পেলাই বুঢ়াৰ পিছে পিছে গৈ থাকিল। বাটতে ল'ৰা দুটাক দেখি বুঢ়ীয়ে সভক্তিৰে ক'লে— "বোপাহঁত, অহাকালি দুয়োজনে মোৰ ভঙাই-ছিঙাই ঘৰটো চাই আহিবি। মই বৰ আশা কৰি থাকিম।" তেতিয়া ল'ৰা দুটাই ক'লে— "আইতা, আমি বাৰু যাম, কিন্তু তইহে আমাক দেখা পাবি। বুঢ়াই দেখা নাপাব।" বুঢ়ীয়ে ল'ৰা দুটাৰ ফালে হাঁহি মাৰি চাই ঘৰলৈ খোজ দিলে। ঘৰ পাই বুঢ়া-বুঢ়ীয়ে ঘৰৰ এচুকত কড়িবোৰ দ'ম কৰি থ'লে। তাতেই কড়িবোৰ বাঢ়ি ঘৰৰ মূধা সমান হৈ থাকিল। তাৰ পিছত দুয়ো ভাত-পানী খাই জিৰণি ল'লে।

লাহে লাহে সাঁজ লাগি আহিল। সূর্য দেৱতাই পৃথিৱীৰ পৰা মেলানি মাগিলে।

বুঢ়ীও জিৰাই-সতাই উঠি চাহ-পানী খাই ৰাতিৰ সাজ যোগাৰ কৰাত ব্যস্ত হ'ল। ৰাতি ন মান বজাতেই দুয়ো ভাত-পানী খাই নিদ্রাদেৱীৰ কোলাত আশ্রয় ল'লে। বুঢ়া দুর্ঘোৰ টোপনিত পৰিল। কিন্তু বুঢ়ীৰ হ'লে টোপনি নাহিল। বিছনাতে ইকাটি সিকাটি কৰি শুই থাকিল। বুঢ়ীৰ ৰাতি নুপুৱাই যেনহে লাগিল। ৰাতি পোহৰ হ'বলৈ এপৰমান থাকোঁতেই শোৱাপাটী ত্যাগ কৰিলে। হাত-মুখ ধুই উঠি চাহ অলপ খাই বুঢ়াকো জগাই দিলে। বুঢ়াক ক'লে— "আজি বাপাহঁত অহা কথা। গতিকে আমাৰ ঘৰ পদুলিবোৰ চাফা

কৰি দুয়ো বজাৰলৈ যাওঁ ব'লা"। এইবুলি কৈ বুঢ়াক চাহ পানী দি কোৱেৰে চোতালৰ দূবৰি বনবোৰ চাফা কৰিবলৈ দিলে। বুঢ়াই চাফা কৰি গ'ল আৰু বুঢ়ীয়ে মচি গ'ল। এইদৰে পদূলি মুখলৈকে সাৰি মচি সেন্দূৰ পেলাই সেন্দূৰ তুলিব পৰা কৰি থ'লে। ইতিমধ্যে এইখিনি কৰি শেষ কৰালৈকে পূবে ধলফাট্ দিলে। লাহে লাহে পোহৰ হ'বলৈ ধৰিলে। ভালদৰে পোহৰ হোৱাত বুঢ়ীয়ে গা-পা ধুই গোসাঁইঘৰৰ কামখিনি সমাপ্ত কৰি বুঢ়াকো বজাৰলৈ ওলাবলৈ কৈ নিজেও নতুন কাপোৰ-কানি পিন্ধাত ব্যস্ত হ'ল। ইতিমধ্যে কড়িৰ দ'মটো ঘৰলৈ অনাৰ পৰা, ল'ৰা দুটা যে কোনোবা ঈশ্বৰ বুঢ়াৰ কিছু কিছু বিশ্বাস জন্মিছিল। সেয়েহে বুঢ়ীৰ কথাত কোনো তৰ্কৰ অৱতাৰণা নকৰি নিজেও কাপোৰ কানি পিন্ধি বুঢ়ীৰ লগত বজাৰক যাবলৈ সাজু হ'ল। দুয়ো ওলাই খোজ কাঢ়ি গৈ গৈ বজাৰ পালে। বজাৰত বুঢ়ীয়ে ল'ৰা দুটাৰ বাবে অলপ মিঠাই আৰু দুডাল ফুলৰ মালা কিনি দুয়ো তাৰাতাৰি ঘৰমুৱা হ'ল। মনতে ভাবিলে জানোচা ল'ৰা দুটা আগতে গৈ ৰখি থাকে। সেয়ে দুয়ো বেগা-বেগিকৈ গৈ গাঁৱৰ ভিতৰ সোমাল। নিজৰ চুবুৰিটো পাই দুৰৈৰ পৰা লক্ষ্য কৰে যে সিহঁতৰ ঘৰটো নাই। অলপ আগুৱাই গৈ সঁচাকৈয়ে দেখিলে যে আগতে যিখিনি ঠাইত সিহঁতৰ ভঙা-ছিঙা ঘৰ দুটা আছিল তাৰ ঠাইত নতুন ৰাজ অট্টালিকা সদৃশ ঘৰ হৈছে। পদূলি মুখত যোৰ পুখুৰী। শাৰী শাৰী ডাব-নাৰিকলৰ গছে পদূলিৰ শোভা বৰ্দ্ধন কৰিছে। হাতীশালত হাতীয়ে চিঞৰিছে। ঘোঁৰাশালত ঘোঁৰাই চিঞৰিছে। কিছু সময়ৰ ভিতৰতে বুঢ়া-বুঢ়ীৰ ঘৰটো থকা ঠাইখিনিত আচৰিত ধৰণে আমূল পৰিৱৰ্তন ঘটিছে। এই সকলোবোৰ দেখি বুঢ়ীৰ সপোন সপোন যেন লাগিল। অস্থিৰ হৈ ইফালে-সিফালে ঘূৰি ফুৰিব ধৰিলে। ইফালে বুঢ়াই বুঢ়ীক তর্জন-গর্জন কৰি গালি-শপনি পাৰিবলৈ ধৰিলে— "তোৰ বাপেৰহঁতে দিয়া কড়িৰ দ'মটো দেখি কোনোবা ৰজা-মহাৰজাই ঘৰ বান্ধিলেহি। আগতে ভঙাই-ছিঙাই, ঢকুৰাৰ বেৰ দিয়া ঘৰ দুটাৰ তলত মূৰ সোমাই আছিলোঁ। আজিৰে পৰা কলৰ তলে, বাঁহৰ তলে থাকিব লাগিব।" এইদৰে কৈ কান্দি কাটি, মূৰে কপালে হাত দি বুঢ়া ৰাস্তাৰ কাষত থকা গছ এজোপাৰ গুৰিতে বহি পৰিল। বুঢ়ীৰ হ'লে বুঢ়াৰ কথা বিশ্বাস হোৱা নাই। তাই ল'ৰা দুটাক মনতে স্মৰণ কৰিলে আৰু ঘৰটোলৈ চাই চাই ইফালে এবাৰ, সিফালে এবাৰ ঘূৰি ফুৰিব ধৰিলে। এনেদৰে ঘূৰি ফুৰোঁতে নতুন ঘৰটোৰ পৰা ল'ৰা দুটাই হাত বাউলি দিয়া দেখিবলৈ পালে। তাই নিমিষতে গছডালৰ গুৰিত বহি থকা বুঢ়াৰ ওচৰলৈ গৈ হাতত ধৰি ক'লে— "সৌৱা বাপাইঁতে মোক মাতিছে। আহা ঘৰলৈ যাওঁ"। বুঢ়াই যাবলৈ আপত্তি কৰাত, বুঢ়াক তাতে এৰি বুঢ়ীয়ে অকলে দৌৰি দৌৰি ঘৰলৈ গ'ল। ঘৰ গৈ পোৱাত ল'ৰা দুটাই বুঢ়ীৰ হাতত বস্তুবোৰ দেখি ক'লে— "তহঁতৰ ঘৰতে নানা বস্তু, আকৌ কি প্রয়োজনত বজাৰলৈ গৈছিলি?" বুঢ়ীয়ে সভক্তিৰে ক'লে— "তোমালোকৰ বাবে এই মালা আৰু মিঠাই আনিবলৈ গৈছিলো।" সিহঁতে ক'লে— "যা, বুঢ়াক মাতি আনি এই মিঠাইখিনি খাবলৈ দে। তাৰ বৰ খং। আৰু মালা দুডাল বাৰীত থকা বিৰিণাৰ জোপোহাত থৈ আহিবি। তহঁত বুঢ়া-বুঢ়ীৰ পৰা সলনি হৈ ডেকা-ডেকেৰী হ'বি। আমি দিয়া এই সা-সম্পত্তি তহঁতে গোটেই জীৱন ভোগ কৰি থাকিবি। আৰু এই লগুৱা-লিগিৰিবোৰে তহঁতৰ আলপৈচান ধৰিব। তহঁত ৰাজ সুখত থাকিবি। আগৰ জন্মত তহঁত নিঃসন্তান আছিলি। এই জন্মতো তহঁতৰ ভাগ্যত সন্তান নাই। গতিকে তহঁতে বহু দিনলৈকে ৰাজ সুখ ভোগ কৰি স্বর্গলৈ গতি কৰিব পাৰিবি।" এই বুলি বুঢ়ীক আশীর্বাদ দি আদিত্য সন্তান দুটা থিতাতে অদৃশ্য হ'ল। ইফালে লিগিৰিবোৰে গৈ বুঢ়াক চোঁৱৰেৰে আদৰি আনিলে। বুঢ়াই বুঢ়ীক ডেকা অৱস্থাত দেখা পাই আৰু নিজেও ডেকা অৱস্থা পোৱা বাবে তবধ মানিলে। দুয়ো মনতে আদিত্য সন্তান দুটাক প্রণিপাত জনাই সুখেৰে ঘৰ-সংসাৰ কৰি থাকিল। ❍

(এই সাধুটো নলবাৰী অঞ্চলত মুখে মুখে প্রচলিত হৈ আছে।)

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক

শক্তিৰ জাগৰণ ঃ
সত্য আৰু শক্তিৰ চিৰন্তন ৰক্ষক মা দুৰ্গা

ড° গুপ্তজিৎ পাঠক

মানৰ সভ্যতাৰ ক্রমবিৱর্তনশীল পৰিৱেশত, য'ত সাম্রাজ্যবোৰৰ উত্থান-পতন ঘটে, মতাদর্শবোৰ বালিৰ দৰে সলনি হয় আৰু সময়ৰ লগে লগে নীতি-নৈতিকতাৰ পৰীক্ষা হয়, তাত অতীন্দ্রিয় সত্তাসকলৰ ভিতৰত অতি কমসংখ্যকহে মা দুর্গাৰ দৰে নিজৰ আধ্যাত্মিক গুণ আৰু প্রতীকাত্মক শক্তিৰে স্থিৰ হৈ আছে। তেওঁ কেৱল এগৰাকী দেৱীয়েই নহয়, বিশ্বব্রহ্মাণ্ড সৃষ্টি, পালন আৰু পৰিৱর্তন কৰা পৰিত্র নাৰী শক্তি শক্তিৰ চিৰন্তন, মহাজাগতিক অৱতাৰ হিচাপে পূজিত। ভক্তিৰ প্রতিটো স্পন্দনত, মা দুর্গাক তেওঁক 'মা' বুলি মতা লাখ লাখ মানুহৰ হৃদয়ত নিহিত হৈ থকা এক মৌন, শান্তিদায়ক সাহসিকতা হিচাপে, বিপদে-আপদে অটল ধৈর্য হিচাপে আৰু বিশৃংখলাৰ সময়ত পথপ্রদর্শক প্রজ্ঞা হিচাপে অনুভৱ কৰা হয়।



তেওঁৰ গুণৰাজিক প্রশংসা কৰা অসংখ্য শাস্ত্রৰ ভিতৰত, 'মার্কণ্ডেয় পু�ৰাণ'ৰ 'দেৱী মাহাত্ম্যম' (যাক দুর্গা সপ্তশতী বুলিও কোৱা হয়) —তেওঁৰ অলৌকিক উৎপত্তিৰ আটাইতকৈ প্রসিদ্ধ পৌৰাণিক কাহিনীটোক প্রতিফলিত কৰে। যেতিয়া কোনো পুৰুষ বা দেৱতাই পৰাজিত কৰিব নোৱাৰাৰ বৰ লাভ কৰা অসুৰ ৰজা মহিষাসুৰে স্বর্গ আৰু মর্ত্যত সন্ত্রাসৰ সৃষ্টি কৰিছিল, তেতিয়া ব্রহ্মাণ্ডখন ধ্বংসৰ গৰাহত পৰিছিল। দেৱতাসকলে নিজৰ নিৰুপায় অৱস্থাত সংঘাতৰ সলনি সহযোগিতাৰ পথ বাছি লৈছিল। তেওঁলোকে নিজৰ ঐশ্বৰিক শক্তিসমূহ একত্রিত কৰি অতুলনীয় শক্তি আৰু সৌন্দর্যৰ এগৰাকী দেৱী, প্রকৃতিৰ এক পৰম শক্তি সৃষ্টি কৰিলে। আৰু এনেদৰেই হাজাৰটা সূর্যৰ দৰে উজ্জ্বল, সিংহৰ পিঠিত উঠি অহা, দহখন হাত থকা আৰু যুদ্ধৰ বাবে সাজু, প্রতিখন হাতত দেৱতাসকলে প্রদান কৰা অস্ত্র লৈ 'দুর্গা'ৰ জন্ম হৈছিল।

ন দিন আৰু ন ৰাতি দেৱী দুর্গাই মহা শক্তিশালী মহিষাসুৰৰ সৈতে কেৱল অস্ত্রৰে নহয়, বিপৰীতমুখী ব্যৱস্থাৰ এক মহাজাগতিক সংগ্রামত অৱতীর্ণ হৈছিল— পোহৰ আৰু অন্ধকাৰৰ সংগ্রাম, সত্য আৰু অহংকাৰৰ সংগ্রাম, ধর্ম আৰু কর্মৰ সংগ্রাম। দশম দিনা, অসুৰক বধ কৰাৰ লগে লগে ত্রিভুৱনত পুনৰ শান্তি-সম্প্রীতি প্রতিষ্ঠা হৈছিল। এই ঐশ্বৰিক বিজয়ক 'বিজয়া দশমী' বা 'দশেৰা' হিচাপে উদ্‌যাপন কৰা হয়— যিটো দিন ধর্মীয় ৰীতি-নীতিৰ ঊর্দ্ধলৈ গৈ মায়াৰ ওপৰত সত্যৰ, বিশৃংখলাৰ ওপৰত অন্তর্নিহিত সহনশীলতাৰ আৰু ধ্বংসাত্মক অহংকাৰৰ ওপৰত ঐশ্বৰিক প্রজ্ঞাৰ চূড়ান্ত বিজয়ক প্রতিফলিত কৰে।

এই কাহিনীটো কেৱল এক প্রাচীন পৌৰাণিক কাহিনীতকৈ বহু বেছি; ই মানুহৰ অৱস্থাৰ এক জীৱন্ত ৰূপ। মহিষাসুৰ কেৱল অতীতৰ এজন অসুৰেই নহয়; তেওঁ আমাৰ ভিতৰত বাস কৰা

অহংকাৰ, অজ্ঞতা আৰু অনিয়ন্ত্রিত কামনাসমূহৰ প্রতীক। দুর্গাৰ যুদ্ধই আমাৰ নিজৰ অন্তর্দ্বন্দ্ব— আমাৰ উচ্চ উদ্দেশ্য আৰু নিম্ন প্রবৃত্তিৰ মাজৰ দৈনন্দিন সংগ্রামখনক প্রতিফলিত কৰে। তেওঁৰ অস্ত্রবোৰে কেৱল ঐশ্বৰিক সঁজুলিক প্রতিনিধিত্ব নকৰে— সেইবোৰ স্পষ্টতা, অনুশাসন, অনুকম্পা আৰু আত্ম-সচেতনতাৰ প্রতীক। আনকি তেওঁৰ সিংহটোও কোনো সাধাৰণ পশু নহয়, বৰঞ্চ ই মনৰ এক ৰূপক শক্তিশালী আৰু অনিয়ন্ত্রিত, তথাপি কোনো উদ্দেশ্যৰে পৰিচালিত হ'লে পৰিৱর্তন হ'বলৈ সক্ষম। সেয়েহে, দুর্গাৰ বিজয় দূৰৈৰ বাবে নহয় বা কাল্পনিক নহয়; ই আমাৰ অন্তৰৰ যুঁজাৰুজনক জগাই তোলাৰ এক আহ্বান।

অহংকাৰ বা প্রতিশোধ দুর্গাৰ ক্রোধৰ উৎস নহয়। ই পৱিত্র ক্রোধ, এনে এক শক্তি যি কেৱল তেতিয়াহে প্রকাশ পায় যেতিয়া অন্যায় নির্মূল কৰিব লাগে আৰু ধর্ম ৰক্ষা কৰিব লাগে। তেওঁৰ দয়া আৰু শক্তি দুয়োটাই আছে। তেওঁ এগৰাকী মাতৃৰ হিংস্রতা আৰু কোমলতাৰ আদর্শ ভাৰসাম্যৰ অধিকাৰী, যি চর্তহীনভাৱে মৰম কৰে কিন্তু ঐশ্বৰিক ক্রোধেৰে নিজৰ সন্তানৰ পক্ষত থিয় হ'বলৈ ভয় নকৰে। তেওঁৰ ভক্তসকলে তেওঁক দূৰৈৰ কোনো দেৱী হিচাপে নহয়, বৰঞ্চ 'মা'— সকলো জনা, সকলো প্রদান কৰা মাতৃ হিচাপে চায়।

নাৰী আৰু দেৱত্বৰ সমৃদ্ধি আৰু পৰিপূর্ণতা তেওঁৰ বহু অৱতাৰত প্রতিফলিত হয়। পার্বতীৰ ৰূপত তেওঁ সমর্পণ আৰু প্রেমৰ মূর্তিমান প্রতীক। কালীৰ ৰূপত তেওঁ স্বয়ং সময়লৈ ৰূপান্তৰিত হয়— ভয়ংকৰ আৰু আপোচহীন। 'অন্নপূর্ণা' হিচাপে তেওঁ খাদ্য প্রদান কৰে। 'সতী' হিচাপে তেওঁ সত্য আৰু প্রেমৰ বাবে ত্যাগ কৰে। তেওঁ এনে এগৰাকী দেৱী যিয়ে বহুতো ভিন্ন ৰূপ ধাৰণ কৰে, যাৰ প্রত্যেকটোৱে একেটা মহাজাগতিক নাৰী শক্তিৰ উৎসৰ পৰা নির্গত হৈ এক নির্দিষ্ট সময়ৰ প্রয়োজনীয়তা পূৰণ কৰে।

জগতৰ মাতৃ বা 'জগত জননী' হোৱাৰ বাবে তেওঁ সময়, স্থান আৰু সম্প্রদায়গত পৰিচয়ৰ ঊর্দ্ধত। তেওঁ কোনো এটা পৌৰাণিক কাহিনী, অঞ্চল বা জনগোষ্ঠীৰ মাজতে আৱদ্ধ হৈ থকা নাই। ভাৰত আৰু তাৰ বাহিৰতো তেওঁৰ আৰাধনা বিভিন্ন ধৰণে প্রকাশ পায়। প্রতি বছৰে দুর্গা পূজাত যি পাঁচদিনীয়া উৎসৱে কেৱল চহৰ আৰু গাঁৱেই নহয়, মানুহৰ আত্মাকো পৰিৱর্তন। উত্তৰ ভাৰতত নৱৰাত্রিৰ সময়ত তেওঁক ধর্মীয় শ্রদ্ধা জনোৱা হয়, য'ত নটা পৱিত্র ৰাতিৰ ভিতৰত তেওঁৰ নটা ৰূপক সন্মান জনোৱা হয়। দক্ষিণ ভাৰতত লক্ষ্মী আৰু সৰস্বতীৰ সৈতে তেওঁক আৰাধনা কৰা হয়, যিয়ে শক্তিৰ পৰা সমৃদ্ধি আৰু তাৰ পৰা জ্ঞানলৈ কৰা যাত্রাক প্রতিনিধিত্ব কৰে। অসম আৰু উত্তৰ-পূর্বাঞ্চলত জনজাতীয় নীতি-নিয়মসমূহ মূল সুঁতিৰ পৰম্পৰাৰ সৈতে একত্রিত হয়, য'ত সমসাময়িক ভক্তি আৰু বহু পুৰণি নীতি-নিয়ম দুয়োৰে জৰিয়তে তেওঁৰ শক্তিশালী ৰক্ষাকর্তা ৰূপটোক সন্মান জনোৱা হয়।

মা দুর্গা কেৱল উৎসৱ আৰু নিয়ম-নীতিতেই সীমাৱদ্ধ নহয়। অদ্বৈত বেদান্তৰ মতে, তেওঁ হ'ল ঐশ্বৰিক সগুণ ব্রহ্ম, যি গুণৰ অধিকাৰী, যাৰ দ্বাৰা অসীম আৰু নিৰাকাৰক মানুহৰ হৃদয়ে বুজিব পাৰে। তেওঁৰ দহখন হাত, সিংহ আৰু অস্ত্রবোৰ হ'ল দৃশ্যমান সহায়ক, যিবোৰে আমাক অবুজক বুজাত সহায় কৰে। তেওঁৰ কাহিনীটো হৈছে অহংকাৰ আৰু ভ্রমৰ মাজেৰে আত্মাৰ প্রকৃত ঐশ্বৰিক সত্তাক আৱিষ্কাৰ কৰাৰ যাত্রা। ভয় আৰু অনিশ্চয়তাৰ মাজেৰে আমাৰ চিন্তাবোৰক পৰিচালিত কৰি তেওঁ আমাক মায়াৰ বন্ধনৰ পৰা হাত সাৰিবলৈ সহায় কৰে।

বর্তমান সময়ত দুর্গাৰ প্রাসংগিকতা বিশেষভাৱে গুৰুত্বপূর্ণ। বিশ্বই অন্যায়, হিংসা আৰু আধ্যাত্মিক শূন্যতাৰ সৈতে যুঁজি থকাৰ সময়ত দুর্গাৰ প্রতিচ্ছবিয়ে আশাৰ ৰেঙণি প্রদান কৰে। তেওঁৰ আর্হি— ভয়হীন, মৰমিয়াল আৰু স্থিতিস্থাপক শক্তি যিয়ে ভাৰসাম্যৰ দাবী কৰে, তাক সঘনাই বৈষম্যহীনতা, পাৰিৱেশিক সংগতি আৰু সামাজিক সংস্কাৰৰ আন্দোলনসমূহৰ অনুপ্রেৰণা হিচাপে ব্যৱহাৰ কৰা হয়। নাৰী শক্তিৰ প্রতি গোলকীয় জাগৰণ হৈছে কেৱল দুর্গা শক্তিৰেই এক প্রতিধ্বনি, যি হেৰাই যোৱা ঠাইত পুনৰ ভাৰসাম্য প্রতিষ্ঠা কৰিবলৈ উদয় হৈছে।

মা দুর্গাক সম্পূর্ণৰূপে বুজি পাবলৈ এজন ব্যক্তিয়ে অন্তর্মুখী যাত্রা আৰম্ভ কৰিব লাগিব। তেওঁ প্রতিটো সাহসিক কামত, প্রতিটো সত্যভিত্তিক সিদ্ধান্তত আৰু ধৈর্যৰ সঁজুলিলৈ ৰূপান্তৰিত হোৱা প্রতিটো চকুলোৰ মাজত বিদ্যমান; তেওঁ কেৱল মন্দিৰ বা শাস্ত্রতে সীমিত নহয়। তেওঁ হৈছে সেই হাত যিয়ে আমাক এন্ধাৰত ধৰি ৰাখে, সেই জুই যিয়ে পৱিত্র কৰে, আৰু সেই গুণগুণনি যিয়ে আমাক সাৰ পাবলৈ আহ্বান জনায়। যেতিয়া আমি তেওঁৰ মূর্তিৰ সন্মুখত প্রণাম কৰোঁ বা তেওঁৰ পৱিত্র নামবোৰ জপ কৰোঁ, তেতিয়া আমি কেৱল এগৰাকী দেৱীক আহ্বান জনোৱাই নহয়, বৰঞ্চ আমি অন্তৰৰ দুর্গাক জাগ্রত কৰি তুলোঁ। আমি বিশ্বব্রহ্মাণ্ডৰ চিৰন্তন ছন্দৰ সৈতে এক হৈ পৰোঁ, শুদ্ধৰ বাবে যুঁজ দিওঁ, পৱিত্রতাক লালন-পালন কৰোঁ আৰু অটল বিশ্বাসেৰে জীৱন যাপন কৰোঁ। ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, সহকাৰী অধ্যাপক, ইতিহাস বিভাগ, গীতানগৰ কলেজ

বিন্ধ্যৰ পৰা নীলাচললৈ প্ৰতিধ্বনি ঃ দেৱী দুৰ্গাৰ বিস্তৃত উৎপত্তি আৰু গুহ্য তান্ত্ৰিক গাথা

মণিকঙ্কণা দেৱী

অসমৰ শৰতৰ আকাশখন ঢোল আৰু ঢাকৰ মাদকতাপূৰ্ণ ছন্দেৰে মুখৰিত হোৱাৰ বহু আগতেই, আৰু বতাহজাক কৰ্পূৰ, ধূনা আৰু নিশা ফুলা শেৱালিৰ সুৱাসেৰে গধুৰ হৈ পৰাৰ বহু পূৰ্বেই, দেৱীৰ বাসস্থান কোনো বিশাল মণ্ডপ বা সজাই তোলা চোতালত নাছিল; বৰঞ্চ আছিল প্ৰাচীন অৰণ্যৰ ছাঁৰে আৱৰা, দুৰ্গম গভীৰতাত। আধুনিক কালৰ দুৰ্গা পূজাৰ উদ্‌যাপন, ইয়াৰ চমকপ্ৰদ পোহৰ, নিটোল মৃন্ময় মূৰ্তি আৰু সামূহিক উল্লাস —এই সকলোবোৰ এক তুলনামূলকভাৱে সাম্প্ৰতিক সংযোজন, যি এক আদিম, প্ৰায় বিস্তৃত ভেটিৰ ওপৰত গঢ় লৈ উঠিছে। দেৱী দুৰ্গা আৰু তেওঁক আৱাহন কৰা ৰীতি-নীতিবোৰ প্ৰকৃত অৰ্থত বুজিবলৈ হ'লে, হাজাৰ হাজাৰ বছৰৰ ধৰ্মীয় আৱৰণ ফালি ভাৰতীয় উপমহাদেশৰ সেই কুঁৱলীসনা প্ৰাচীন ইতিহাসলৈ উভতি চাব লাগিব, য'ত আদিম জনজাতীয় অধিবাসীসকলৰ ভয়, জীৱন-সংগ্ৰাম আৰু প্ৰকৃতিৰ প্ৰতি থকা শ্ৰদ্ধাৰ পৰাই মাতৃগৰাকীৰ প্ৰথম জন্ম হৈছিল।

মাৰ্কণ্ডেয় পুৰাণ আৰু দেৱী মাহাত্ম্যৰ সুমধুৰ শ্লোকবোৰৰো আগৰ দেৱীৰ উৎপত্তিৰ সন্ধান কৰিলে আমি তেওঁক হিন্দু দেৱমণ্ডলৰ এগৰাকী স্বৰ্ণবৰ্ণ, হাস্যমুখী মাতৃৰ ৰূপত নাপাওঁ; বৰঞ্চ পাওঁ প্ৰাচীন পৰ্বতমালাই আগুৰা দুৰ্গম অঞ্চলত বসবাস কৰা শৱৰ আৰু পুলিন্দ জনজাতিৰ এগৰাকী ভয়ংকৰ, কৃষ্ণকায়া দেৱীৰ ৰূপত। প্ৰাচীন গ্ৰন্থসমূহত কেতিয়াবা এই ৰহস্য প্ৰকাশ পায়, য'ত তেওঁক 'বিন্ধ্যবাসিনী' অৰ্থাৎ বন্য ভূমিত বাস কৰা গৰাকী বুলি উল্লেখ কৰা হৈছে। প্ৰাথমিক অৱস্থাত তেওঁক চিকাৰী আৰু অৰণ্যবাসীসকলে মাংস, তেজ আৰু থলুৱা সুৰাৰে পূজা কৰিছিল। তেওঁ আছিল বন্য প্ৰকৃতিৰ এক জীৱন্ত ৰূপ— এক ভয়ংকৰ শক্তিস্বৰূপা, যাক সান্ত্বনা দিয়াৰ সলনি সন্তুষ্ট কৰাটোহে বেছি প্ৰয়োজন আছিল। তেজপিয়া এই জনজাতীয় অৰণ্য দেৱীগৰাকী লাহে লাহে কিদৰে দহখন হাত থকা, মহিষাসুৰমৰ্দিনীলৈ ৰূপান্তৰিত হ'ল, সেয়া মানৱ ইতিহাসৰ ধৰ্মীয় সমন্বয়ৰ এক আটাইতকৈ চমকপ্ৰদ আৰু ৰহস্যময় অধ্যায়। পৰৱৰ্তী সময়ত জনজাতীয় দেৱীগৰাকীক বিলুপ্ত কৰা নহ'ল; বৰঞ্চ তেওঁক সুন্দৰ ৰূপত পোছাক পিন্ধাই বৈদিক দেৱতাসকলৰ অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত কৰি গ্ৰহণ কৰা হ'ল, তথাপি তেওঁৰ সেই বন্য, অদম্য সত্তাটো আধুনিক পূজাৰ গুহ্য ৰীতি-নীতিৰ মাজত আজিও সুপ্ত হৈ আছে।

দেৱীৰ এই প্ৰাচীন, মাটিৰ সৈতে সম্পৰ্কিত বাস্তৱতা নৱপত্ৰিকা পূজাৰ ৰীতিৰ মাজত আটাইতকৈ শক্তিশালীভাৱে সংৰক্ষিত হৈ আছে, যি মাটিৰ মূৰ্তি নিৰ্মাণৰো বহু আগৰ পৰম্পৰা। নৈৰ পা�ৰৰ মাটিৰে তেওঁৰ সুন্দৰ ৰূপটো গঢ়ি তোলাৰ শিল্প আয়ত্ত কৰাৰ আগতে, দেৱীক পৃথিৱীৰ উদ্ভিদৰ মাজতেই আৱাহন কৰা হৈছিল। নৱপত্ৰিকা হৈছে নবিধ নিৰ্দিষ্ট উদ্ভিদৰ এক সমষ্টি, যাক বগা অপৰাজিতাৰ লতা আৰু হালধীয়া সূতাৰে বান্ধি, ৰঙা পাৰিৰ বগা মেখেলা বা শাড়ী পিন্ধোৱা হয়। আধুনিক কালৰ ভক্তসকলে প্ৰায়ে এই উদ্ভিদৰ সমষ্টিক কোনো সাধাৰণ দেৱী বা গণেশৰ পত্নী বুলি ভুল কৰে, কিন্তু প্ৰকৃততে ই হৈছে দুৰ্গাৰ আটাইতকৈ প্ৰাচীন ভৌতিক প্ৰকাশ। এই নবিধ উদ্ভিদ— কল, কচু, হালধি, জয়ন্তী, বেল, ডালিম, অশোক, মানকচু আৰু ধান-দেৱীৰ নটা ৰূপৰ প্ৰতীক। ইয়াৰ পৰাই দুৰ্গা পূজাৰ আটাইতকৈ গভীৰ, আটাইতকৈ গোপন সত্যটো উন্মোচিত হয়; ইয়াৰ মূলতঃ এক প্ৰাচীন কৃষিকেন্দ্ৰিক শস্য উৎসৱ। ই হৈছে উদ্ভিদ, উৰ্বৰতা আৰু জীৱনদায়িনী মাটিৰ আনুষ্ঠানিক পূজা, যি এই কথা স্বীকাৰ কৰে যে মাতৃৰ প্ৰকৃত শৰীৰটো হৈছে এই পৃথিৱীখন, যিয়ে তেওঁৰ সন্তানসকলক জীয়াই ৰাখে।

দেৱী আৰু মাটিৰ মাজৰ এই গভীৰ সম্পৰ্ক তেওঁৰ আধুনিক মাটিৰ মূৰ্তি নিৰ্মাণৰ বাবে প্ৰয়োজনীয় এটা আটাইতকৈ বিৰোধাভাসপূৰ্ণ আৰু সুন্দৰ নিয়মৰ জৰিয়তে অধিক স্পষ্ট হৈ পৰে। পৱিত্ৰ গ্ৰন্থ অনুসৰি, দুৰ্গা মূৰ্তিৰ ভেটি নিৰ্মাণ কৰিবলৈ ব্যৱহাৰ

কৰা 'পুণ্য মাটি' হৈছে পৱিত্ৰ নদীৰ পা�ৰৰ মাটি, গোবৰ, গো-মূত্ৰ আৰু এখন 'নিষিদ্ধ পল্লী' অৰ্থাৎ বেশ্যালয়ৰ পদূলিৰ পৰা অনা এমুঠি মাটিৰ মিশ্ৰণ। এই ৰীতি-নীতিবোৰ প্ৰৱৰ্তন কৰা পৰম্পৰাগত পিতৃতান্ত্ৰিক সমাজখনত যৌনকৰ্মীসকলক সমাজচ্যুৎ কৰি নৈতিকতা আৰু সামাজিক সন্মানৰ পৰিসীমাৰ বাহিৰত ৰখা হৈছিল। তথাপি ধৰ্মীয় দৰ্শনৰ এক আশ্চৰ্যজনক কাৰ্যত, তেওঁলোকৰ অৱদানৰ অবিহনে সৰ্বোচ্চ দেৱীৰ মূৰ্তিয়ে পূৰ্ণ ৰূপ পাব নোৱাৰে। ইয়াৰ আঁৰৰ গুহ্য দৰ্শনটো হ'ল যে যেতিয়া এজন পুৰুষে বেশ্যালয়ৰ দুৱাৰডলি পাৰ হয়, তেতিয়া তেওঁ নিজৰ পুণ্য আৰু পৱিত্ৰতা দুৱাৰমুখতে এৰি থৈ যায়। সময়ৰ লগে লগে, সেই নিৰ্বাসিত নাৰীগৰাকীৰ দুৱাৰডলিৰ মাটিতে লাখ লাখ পুৰুষৰ পৰিত্যক্ত পৱিত্ৰতা জমা হয়, যাৰ ফলত সেয়া পৃথিৱীৰ আটাইতকৈ পৱিত্ৰ মাটিত পৰিণত হয়। তদুপৰি, এই ৰীতিটোৱে এক গভীৰ মহাজাগতিক সত্যক স্বীকাৰ কৰে— সমগ্ৰ সৃষ্টি মাতৃৰেই অংশ। সমাজৰ দ্বাৰা প্ৰান্তীয়, প্ৰত্যাখ্যান কৰা আৰু সমাজচ্যুতসকলক বাদ দি তেওঁ কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। সমাজৰ দ্বাৰা অৱহেলিত এগৰাকী যৌনকৰ্মীক এনেদৰে মাটিৰ পুৰোহিত হিচাপে এক অনন্য উচ্চতা প্ৰদান কৰা হয়, যিয়ে দেৱীৰ ৰূপ পোৱা মাটিখিনিক আশীৰ্বাদ কৰে।

এই মহান উৎসৱৰ সময়ছোৱাৰায়ো এক গোপন ইতিহাস বহন কৰে, যি মূল বৈদিক নিৰ্দেশনাতকৈ মহাকাব্যিক সাহিত্য আৰু আঞ্চলিক আৱেগৰ সংমিশ্ৰণত অধিক নিহিত। আজি আমি উদ্‌যাপন কৰা শৰতৰ এই উৎসৱ পৰম্পৰাগতভাৱে 'অকালবোধন' বা অসময়ৰ জাগৰণ বুলি জনা যায়। শাস্ত্ৰ অনুসৰি, সূৰ্যৰ দক্ষিণায়নৰ সময়ত দেৱী নিদ্ৰামগ্ন থাকে আৰু তেওঁৰ পূজাৰ সাধাৰণ সময় হৈছে বসন্ত কাল (বাসন্তী পূজা)। আখ্যান অনুসৰি, ৰাৱণৰ সৈতে চূড়ান্ত যুদ্ধৰ আগতে আশীৰ্বাদ বিচাৰি ভগৱান ৰামে শৰৎ কালত অসময়তে তেওঁক আৱাহন কৰিছিল। অৱশ্যে ৰামে দুৰ্গাক পূজা কৰা এই গুৰুত্বপূৰ্ণ ঘটনাটো বাল্মীকিৰ মূল সংস্কৃত ৰামায়ণত সম্পূৰ্ণৰূপে অনুপস্থিত। ই আছিল পূব ভাৰতৰ আঞ্চলিক পুনৰকথনত বোৱা এক সুন্দৰ, সাংস্কৃতিকভাৱে অনুনাদিত কাহিনী। এই সংযোগক আঁকোৱালি লৈ, নীলাচল পাহাৰৰ চাৰিওফালে শতিকা ধৰি তান্ত্ৰিক শক্তিৰে স্পন্দিত হোৱা অসমৰ গভীৰ শাক্ত পৰম্পৰাই প্ৰচলিত দেৱী পূজাক ৰামৰ ভক্তিৰ সৈতে একত্ৰিত কৰিলে আৰু দুৰ্গাৰ প্ৰধান পূজাক বসন্তৰ পৰা শৰতলৈ চিৰদিনৰ বাবে স্থানান্তৰিত কৰিলে, যি এক সাহিত্যিক আৱিষ্কাৰক ধৰ্মীয় বাস্তৱতাৰ নিৰপেক্ষ ভেটিত স্থাপন কৰিলে।

শৰতৰ পূজাৰ ৰাজহুৱা আড়ম্বৰৰ আঁৰত, চিকমিকনি পোহৰ আৰু উল্লাসিত জনতাৰ পৰা দূৰত, এক গভীৰ, অত্যন্ত গোপনীয় তান্ত্ৰিক হৃদয় স্পন্দিত হৈ থাকে। পূজাৰ পৰম্পৰাগত, ৰাজহুৱা ৰীতি-নীতিবোৰ প্ৰধানকৈ বৈদিক, যি পোহৰ, ফুল আৰু নিৰামিষ নৈৱেদ্যৰে ভৰা। কিন্তু গভীৰ নিশা, পূজাৰ আধ্যাত্মিক প্ৰক্ৰিয়াবোৰ 'গুপ্ত পূজা' বা গোপন আৰাধনাৰ জৰিয়তে নিজৰ গুহ্য, আদিম উৎসৰ ফালে ঘূৰি যায়। এই বন্ধ দুৱাৰৰ আঁৰৰ অনুষ্ঠানবোৰত, উপকাৰী মাতৃৰ ধাৰণাটো সাময়িকভাৱে স্থগিত ৰখা হয় আৰু তেওঁক মহাজাগতিক প্ৰলয়ৰ সৰ্বোচ্চ, ভয়ংকৰ শক্তি হিচাপে কঠোৰ তান্ত্ৰিক ৰীতিৰে উপাসনা কৰা হয়। অসমৰ কামাখ্যা-কেন্দ্ৰিক গুহ্য চৰ্চাৰ সৈতে গভীৰভাৱে মিলি থকা এই মুহূৰ্তবোৰতেই তেওঁৰ প্ৰাচীন, জনজাতীয় শিপাৰ সৈতে থকা সম্পৰ্ক ক্ষণিকৰ বাবে পুনৰ প্ৰতিষ্ঠিত হয়।

এই গোপন, তীব্ৰ শক্তিৰ চূড়ান্ত পৰ্যায়টো দেখা পোৱা যায় সন্ধি পূজাৰ সময়ত, যিটো সমগ্ৰ উৎসৱৰ আটাইতকৈ ৰহস্যময় আৰু শক্তিশালী ক্ষণ বুলি ধৰা হয়। এই ৰীতিটো ঠিক আঠচল্লিছ মিনিট ধৰি চলি থাকে— অষ্টমী তিথিৰ অন্তিম চৌবিশ মিনিট আৰু নৱমী তিথিৰ প্ৰথম চৌবিশ মিনিট। বিশ্বাস কৰা হয় যে এই নিৰ্দিষ্ট মুহূৰ্তটোতেই দুৰ্গাই চণ্ড আৰু মুণ্ড নামৰ অসুৰ সেনাপতি দুজনক বধ কৰিবলৈ তেওঁৰ আটাইতকৈ ভয়ংকৰ অৱতাৰ দেৱী চামুণ্ডাৰ ৰূপ ধাৰণ কৰিছিল। সন্ধি পূজাৰ সময়ৰ পৰিৱেশটো আক্ষৰিক অৰ্থতেই শিহৰণকাৰী; ১০৮ গছি মাটিৰ চাকি জ্বলোৱা হয়, যিয়ে দেৱীক জুই আৰু ছাঁৰ এক সাগৰত আৱৰি ধৰে, আনহাতে ঢাক-ঢোলৰ উন্মত্ত শব্দই এক মহাজাগতিক যুদ্ধক্ষেত্ৰৰ বিশৃংখলাৰ সৃষ্টি কৰে। ইয়াতেই তেজৰ বলিদানৰ প্ৰাচীন স্মৃতি আটাইতকৈ জোৰেৰে প্ৰতিধ্বনিত হয়। প্ৰাচীন কালত, এয়াই আছিল মানৱ বলিদানৰ মুহূৰ্ত, আন্ধাৰৰ বিনাশকাৰীগৰাকীক সন্তুষ্ট কৰিবলৈ আগবঢ়োৱা সৰ্বোচ্চ জীৱন শক্তিৰ নৈৱেদ্য। বৰ্তমান তেজৰ সলনি প্ৰতীকী বলি হিচাপে বগা কোমোৱা, কুঁহিয়াৰ বা কল ব্যৱহাৰ কৰা হয়। এই ফলবোৰত সেন্দূৰ সানি একে ঘাপতে দুটুকুৰা কৰা হয়। তথাপি, অঞ্চলটোৰ কিছুমান প্ৰাচীন সম্ভ্ৰান্ত পৰিয়াল আৰু নিভৃত মন্দিৰত আজিও গভীৰ নিশা জীৱ-জন্তুৰ বলিদান চলি আহিছে, যি এই কথাৰ এক জীৱন্ত সোঁৱৰণি যে বিশ্বব্ৰহ্মাণ্ডৰ মাতৃগৰাকী যিদৰে সৃষ্টিৰ গৰ্ভ, ঠিক তেনেকৈয়ে তেওঁ মৃত্যুৰ ভয়ংকৰ গ্ৰাসো।

সন্ধি পূজাৰ ধোঁৱা আঁতৰাৰ লগে লগে, আন এক গভীৰ আৰু খুব কমেইহে চৰ্চিত হোৱা কাহিনী পোহৰলৈ আহে, যিয়ে মূলসুঁতিৰ উৎসৱৰ বিজয়-উল্লাসৰ বিপৰীতে এক প্ৰত্যাহ্বানৰ সৃষ্টি কৰে। দুৰ্গাক সম্পূৰ্ণৰূপে বুজিবলৈ হ'লে, আমি তেওঁৰ চিৰন্তন শত্ৰু মহিষাসুৰৰ ফালেও চাব লাগিব। পৰম্পৰাগত আখ্যানত তেওঁ অহংকাৰ, বিশৃংখলা আৰু অশুভ শক্তিৰ প্ৰতীক, যাক ঐশ্বৰিক নাৰীশক্তিৰ দ্বাৰা ন্যায়সংগতভাৱে বিনাশ কৰা হৈছে। অৱশ্যে মধ্য আৰু পূব ভাৰতৰ গভীৰ জনজাতীয় অঞ্চলবোৰত, যেনে অসুৰ,

চাওঁতাল আৰু মুণ্ডা সম্প্ৰদায়ৰ মাজত, যাৰ উপস্থিতি ছোটনাগপুৰ মালভূমিৰ পৰা অসমৰ চাহ বাগিচাবোৰলৈকে বিস্তৃত কাহিনীটো সম্পূৰ্ণ বিপৰীতভাৱে প্ৰচলিত। অসুৰ জনজাতিৰ বাবে, যিসকলে মহিষাসুৰক তেওঁলোকৰ পোনপটীয়া পূৰ্বপুৰুষ বুলি দাবী কৰে, মহিষাসুৰ বা 'হুদুদ দুৰ্গা' আছিল এগৰাকী উপকাৰী, সমদৰ্শী আৰু শক্তিশালী থলুৱা ৰজা। তেওঁলোকৰ মৌখিক পৰম্পৰাত কোৱা হয় যে বিৰোধী শক্তিসমূহে তেওঁক সন্মুখ সমৰত পৰাস্ত কৰিব নোৱাৰি ছলনাৰ আশ্ৰয় লৈছিল। তেওঁলোকে এগৰাকী সুন্দৰী, সমৰকলাত পাৰ্গত নাৰীক তেওঁলোকৰ প্ৰিয় ৰজাজনক মোহগ্ৰস্ত, প্ৰতাৰিত আৰু শেষত হত্যা কৰিবলৈ পঠিয়াইছিল।

এই খিলঞ্জীয়া সম্প্ৰদায়সমূহৰ বাবে নৱৰাত্ৰি আৰু দুৰ্গাপূজাৰ দিনবোৰ কোনো উদ্‌যাপনৰ সময় নহয়, বৰঞ্চ তীব্ৰ শোকৰ সময়। তেওঁলোকে নিজকে ঘৰৰ ভিতৰত আবদ্ধ কৰি ৰাখে, পোহৰ আৰু উৎসৱৰ কোলাহলৰ পৰা আঁতৰি থাকিবলৈ খিৰিকীবোৰ বন্ধ কৰি ৰাখে আৰু তেওঁলোকৰ নিধন হোৱা পূৰ্বপুৰুষৰ বাবে কঠোৰভাৱে শোক পালন কৰে। এই বিপৰীত কাহিনীটোৱে ভাৰতীয় সাংস্কৃতিক প্ৰেক্ষাপটত এক আশ্চৰ্যজনক দ্বৈততাৰ সৃষ্টি কৰে। যিটো মুহূৰ্তত লাখ লাখ মানুহে দেৱীৰ বিজয়-উল্লাসত মগ্ন হৈ থাকে, ঠিক সেই একেই মুহূৰ্তত আন হেজাৰ হেজাৰ মানুহে নিহত অসুৰৰ বাবে চকুপানী টুকে। তথাপি হিন্দু মূৰ্তিতত্ত্বৰ গভীৰতাই তেওঁলোকক পৃথকে ৰাখিবলৈ অস্বীকাৰ কৰে। মহিষাসুৰ চিৰকালৰ বাবে তেওঁৰ ভৰিৰ তলতে স্থান লাভ কৰিছে। পু�ৰাণৰ বৰদান অনুসৰি, তেওঁ দেৱীৰ স্পৰ্শৰ যোগেদি মুক্তি লাভ কৰিছিল আৰু প্ৰতিশ্ৰুতি দিয়া হৈছিল যে তেওঁ চিৰদিনৰ বাবে দেৱীৰ সৈতেই পূজিত হ'ব। দেৱীক কেতিয়াও অকলে পূজা কৰা নহয়; অসুৰজনো দেৱী মূৰ্তিৰ এক অপৰিহাৰ্য, অবিচ্ছেদ্য অংশ। তেওঁ সেই অহংকাৰ, আন্ধাৰ আৰু থলুৱা ইতিহাসৰ প্ৰতিনিধিত্ব কৰে যাক মাতৃয়ে অনবৰতে সন্মুখীন হয়, জয় কৰে আৰু শেষত মুক্তিৰ যোগেদি আঁকোৱালি লয়।

এই দেৱী মূৰ্তি নিৰ্মাণ প্ৰক্ৰিয়াৰ সৈতেও এক গোপন ৰহস্য জড়িত হৈ আছে, যি পৰম্পৰাগত ভাস্কৰ্য শিল্পী, 'কুমাৰ' বা 'মৃৎশিল্পী'সকলৰ হাতত সুৰক্ষিত। মূৰ্তি নিৰ্মাণ কেৱল এক কলা নহয়; ই হৈছে এক দীঘলীয়া, কঠোৰ আধ্যাত্মিক গৰ্ভধাৰণৰ কাৰ্য। পৱিত্ৰ মাটি, বেশ্যালয়ৰ মাটি আৰু খেৰ মিহলোৱা বোকাখিনি কেৱল এক ভৌতিক পদাৰ্থ হৈয়েই থাকে, যেতিয়ালৈকে 'চক্ষুদান' —অৰ্থাৎ চকু আঁকি দিয়াৰ অন্তিম, উশাহ বন্ধ হৈ যোৱা মুহূৰ্তটো নাহে। সাধাৰণতে মহালয়াৰ দিনা পালন কৰা এই ৰীতিটো চৰম মানসিক আৰু আধ্যাত্মিক গভীৰতাৰ এক কাৰ্য। মূল খনিকৰজনে উপবাস ৰাখি নিজকে পৱিত্ৰ কৰিব লাগে, প্ৰায়েই সম্পূৰ্ণ নিস্তব্ধতা বা অন্ধকাৰৰ মাজত, কেৱল অন্তৰ্দৃষ্টি আৰু দশক দশক ধৰি অৰ্জন কৰা হাতৰ দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰি কাম কৰে। ক'লা ৰঙত ডুবোৱা তুলিকাৰ এটা নিৰৱচ্ছিন্ন টানেৰে তেওঁ দেৱীৰ চকুৰ মণি আঁকে। এইটোৱেই সেই নিৰ্দিষ্ট মুহূৰ্ত য'ত মাটিয়ে নিজৰ ভৌতিক সীমা অতিক্ৰম কৰি এগৰাকী জীৱন্ত, স্পন্দিত দেৱীলৈ ৰূপান্তৰিত হয়। সেই ক্ষণিকৰ মুহূৰ্তটোৰ বাবে, শিল্পীজন স্ৰষ্টাৰো স্ৰষ্টা হৈ পৰে, বোকাৰ মাজত ব্ৰহ্মাণ্ডৰ প্ৰাণ প্ৰতিষ্ঠা কৰে। কোৱা হয় যে চকু আঁকাৰ সময়ত শিল্পীজনে দেৱীৰ চকুলৈ পোনপটীয়াকৈ চাব নোৱাৰে, কাৰণ ঐশ্বৰিক শক্তিৰ হঠাতে হোৱা প্ৰৱাহ এজন সাধাৰণ মানুহৰ আত্মাৰ বাবে সহ্য কৰিব নোৱাৰাকৈ অত্যাধিক তীব্ৰ হয়।

শেষত, আমি উৎসৱটোৰ এক মহান বিৰোধাভাসৰ মুখামুখি হওঁ— 'বিসৰ্জন'। দিনৰ পিছত দিন ধৰি কৰা গভীৰ ভক্তি, শৈল্পিক শ্ৰদ্ধা আৰু প্ৰচুৰ ধন-সম্পত্তি ব্যয় কৰাৰ পিছত, সেই সুন্দৰ মূৰ্তিটো নৈৰ পাৰলৈ নি ইচ্ছাকৃতভাৱে উটু�ৰাই দিয়া হয়। বাহিৰৰ পৰা চালে, ই এক ধুনীয়া সৃষ্টিৰ শোকাৱহ, আকস্মিক সমাপ্তি যেন লাগে। ইমান সুন্দৰকৈ কিবা এটা নিৰ্মাণ কৰি তাক কিয় ধ্বংস কৰিব লাগে? বিসৰ্জন হয়তো সমগ্ৰ পূজাৰ আটাইতকৈ গভীৰ দাৰ্শনিক বাৰ্তা। ই হৈছে নিৰাসক্তি আৰু ভৌতিক জগতৰ অস্থায়িত্বৰ চূড়ান্ত শিক্ষা। ৰীতি-নীতি অনুসৰি, মূৰ্তিটো পানীত উটুৰাই দিয়াৰ আগতে দেৱীক আনুষ্ঠানিকভাৱে বিদায় দিয়া হয়; তেওঁৰ ঐশ্বৰিক শক্তিক মাটিৰ মূৰ্তিৰ পৰা ঘূৰাই আনি ভক্তৰ হৃদয়ত বা এটা পৱিত্ৰ পানীৰ ঘটত সযতনে স্থাপন কৰা হয়।

নৈত যিটো বিসৰ্জন দিয়া হয় সেয়া কেৱল এক খালী পাত্ৰ— খেৰ, বাঁহ আৰু মাটি। বিসৰ্জন হৈছে প্ৰকৃতিৰ পৰা লোৱা উপাদান প্ৰকৃতিলৈকে ঘূৰাই দিয়াৰ এক প্ৰক্ৰিয়া, এক মহাজাগতিক পুনৰাৱৰ্তন য'ত নদীয়ে দিয়া মাটি পুনৰ নদীলৈকে ঘূৰাই দিয়া হয়। ই ভক্তক শিকায় যে মাতৃক কেতিয়াও কোনো মূৰ্তিৰ মাজত আবদ্ধ কৰি ৰাখিব নোৱাৰি, সেয়া যিমানেই ধুনীয়া নহওক কিয়। তেওঁ মণ্ডপত নাথাকে; তেওঁ থাকে উশাহত, ঋতুৰ পৰিৱৰ্তনত, উৰ্বৰ মাটিত, আৰু বিশ্বব্ৰহ্মাণ্ডৰ বিশাল, ৰহস্যময় শূন্যতাত। ব্ৰহ্মপুত্ৰৰ অন্ধকাৰ, টোৰাই থকা সোঁতত যেতিয়া মাটিখিনি মিলি যায়, তেতিয়া দেৱীৰ মৃত্যু নহয়; তেওঁ কেৱল অসীমত বিলীন হৈ পৰে, মাটিত, প্ৰান্তীয় অলি-গলিত আৰু প্ৰাচীন অৰণ্যত অপেক্ষা কৰে, যেতিয়ালৈকে শৰতৰ বতাহে পুনৰ বলি মানৱজাতিক অস্তিত্বৰ বন্য, ভয়ংকৰ আৰু সুন্দৰ হৃদয়খনৰ কথা সোঁৱৰাই দিবলৈ তেওঁক আৱাহন নকৰে। ❍

লেখক পৰিচিতি ঃ অসম চৰকাৰৰ যুৱ লেখক বঁটা প্ৰাপক বিশিষ্ট লেখিকা

দুর্গা পূজাত অপৰাজিতা উদ্ভিদৰ গুৰুত্ব

ড° অপর্ণা বুজৰবৰুৱা

অপৰাজিতা অসম আৰু সমগ্ৰ উত্তৰ ভাৰততে সহজে উৎপন্ন হোৱা এবিধ লতাজাতীয় ধুনীয়া ফুলৰ উদ্ভিদ। শাৰদীয় দুর্গা পূজাত অপৰাজিতা উদ্ভিদৰ যথেষ্ট গুৰুত্ব দেখা যায়। এই উদ্ভিদ অবিহনে দুর্গা পূজা সম্পূর্ণ নহয়। 'শ্ৰীশ্ৰী চণ্ডী'ৰ মতে দশমী তিথিত দুর্গাদেৱীয়ে মহিষাসুৰক বধ কৰে। বিজয়ী দেৱীক অপৰাজিতা নামেৰে বিভূষিত কৰি পূজা-অর্চনা কৰা হয়। হয়তো সেই সময়ত সমগ্ৰ উত্তৰ ভাৰততে অপৰাজিতা ফুল যথেষ্ট পৰিমাণে চাৰিওফালে বিস্তাৰিত হৈ আছিল আৰু সেই উদ্ভিদৰ লতা, পাত আৰু ফুলেৰে দেৱীক পূজা কৰাৰ বাবে সেই উদ্ভিদৰ অপৰাজিতা নাম দিয়া হৈছিল। ভাৰতবর্ষৰ প্ৰাচীন ভাষা হৈছে সংস্কৃত। অপৰাজিতা নামটো সংস্কৃত শব্দ।

বৈজ্ঞানিক ভাষাত এজোপা উদ্ভিদৰ নামকৰণৰ সময়ত একোটা 'জাতি' (Genus) আৰু একোটা 'প্ৰজাতি' (Species) নামৰ লগতে উদ্ভাৱকজনৰ নাম সংলগ্ন থাকে। সেইদৰে অপৰাজিতাৰ বৈজ্ঞানিক নাম Clitoria ternatea, Linn. ইয়াত 'ক্লাইটৰিয়া' শব্দটো জাতি নাম আৰু 'টাৰনেছিয়া' প্ৰজাতি নাম। শেষৰ Linn. শব্দটো এই গছৰ উদ্ভাৱক Carolus Linnaeusৰ সংক্ষিপ্ত নাম। এই নামেৰে অপৰাজিতা উদ্ভিদ পৃথিৱীৰ সকলো ঠাইতে পৰিচিত। তিৰোতাৰ যৌনাংগ 'ক্লাইটৰিছ'ৰ (Clitoris) লগত অপৰাজিতা ফুলপাহৰ মিল থকা বাবে জাতি নাম 'ক্লাইটৰিয়া' দিয়া হৈছে বুলি জনা যায়। ভাৰতবর্ষৰ বিভিন্নভাষী লোকসকলে বর্তমান এই উদ্ভিদক বিভিন্ন নামেৰে অলংকৃত কৰিছে— সংস্কৃতৰ দৰে বাংলা আৰু অসমীয়া ভাষাতো অপৰাজিতা; হিন্দীত অপৰাজিত, মাৰাঠী ভাষাত গকুর্ণ, তেলেগু আৰু তামিলত ক্ৰমে শংকুপুষ্পম আৰু কাক্কানম নামেৰে পৰিচিত। এই উদ্ভিদ উৰহী গোত্ৰৰ (Family-Fabaceae) অন্তর্গত। অপৰাজিতাৰ ইংৰাজী নাম— Butterfly pea.

দুর্গা পূজাৰ লগত অপৰাজিতা উদ্ভিদৰ ওতপ্ৰোত সম্বন্ধ আছে। এই পূজাৰ সময়ত কলপুলিৰ সৈতে বেল, হালধি, অশোক, ডালিম, জয়ন্তী, মানকচু, শ্যামকচু আৰু ধানগছৰ পাত একত্ৰিত কৰি বোধন কৰা নৱপত্ৰিকা অর্থাৎ দুর্গাদেৱীৰ কাল্পনিক মূর্তিক সপ্তমী পূজাৰ দিনা অপৰাজিতাৰ কাণ্ডৰে (লতা) বেষ্টন কৰি সজাই-পৰাই দীঘল ওৰণিৰে শ্ৰীশ্ৰী গণেশ দেৱতাৰ ওচৰত স্থাপন কৰা হয়। দশমী পূজাৰ দিনা দুর্গাদেৱীক অপৰাজিতাৰ লতা, পাত, ফুলেৰে পূজা কৰা হয়। এই পূজা দেৱীক বিসর্জন দিয়াৰ পাছত কৰা হয়। অপৰাজিতাৰ কাণ্ডত দূবৰি আৰু বগা সৰিয়হ হালধীয়া বা ৰঙা কাপোৰেৰে বান্ধি 'বলয়' তৈয়াৰ কৰা হয়। এই বলয়ডাল পূজাত উছর্গা কৰি দেৱীৰ হৃদয় আৰু চৰণত স্পর্শ কৰাই ঘাই পুৰোহিতে ধাৰণ কৰাৰ পাছত তেনেধৰণৰ বলয় ভক্তিপ্ৰাণ ৰাইজৰ মাজত বিতৰণ কৰা হয়।

মোৰ জন্মস্থান তেজপুৰৰ ককা প্ৰয়াত কালিচৰণ ভট্টাচার্যৰ ঘৰত প্ৰায় চাৰি-পাঁচ বছৰ বয়সৰ পৰা বর্তমানলৈকে দুর্গা পূজা পালন কৰা দেখি আহিছোঁ। দশমী পূজাৰ দিনা আমি সকলোৱে 'বলয়' হাতত পিন্ধো। তেতিয়া সেই পূজাত সকলোৰে হাতত খাপ খোৱাকৈ অপৰাজিতাৰ লতাডালত হালধীয়া কাপোৰ মেৰিয়াই খাৰুৰ দৰে কৰি বিভিন্ন আকাৰত বলয় তৈয়াৰ কৰা হৈছিল। মা-দেউতাৰ নির্দেশ আছিল তিনিদিন অন্ততঃ বলয়ডাল হাতত ৰাখিবই লাগিব। তাতকৈ অৱশ্যে বেছিদিন ৰাখিলেও কোনো ক্ষতি নাই।

বর্তমান জনসংখ্যা বৃদ্ধিৰ ফলত পূজাস্থলীবোৰত যথেষ্ট ভক্তৰ সমাগম হোৱাৰ বাবে খাৰুৰ দৰে বলয় প্ৰদান নকৰি দুই ছেণ্টিমিটাৰমান দীঘল অপৰাজিতাৰ টুকুৰা এটা ৰঙা বা হালধীয়া কাপোৰত গাঁঠি মাৰি বান্ধি কাপোৰৰ ৰছীডালহে দিয়া হয়। কোনো কোনো পূজা মণ্ডপত অকল ৰঙা বা হালধীয়া কাপোৰৰ ৰছীডালেই হাতত মেৰিয়াই বান্ধি ল'বলৈ দিয়ে।

অপৰাজিতা উদ্ভিদৰ বৈজ্ঞানিক দিশ ঃ বহুবর্ষজীৱী, চিৰসেউজীয়া, লতাজাতীয় ঔষধি উদ্ভিদ। এই উদ্ভিদৰ পাত যৌগিক, বিযোৰপক্ষল আৰু পাতল। ফুলবোৰ অকলশৰীয়া,

দলমণ্ডল অসমাংগ, বিযুক্ত আৰু ধ্বজক বা পখিলাসদৃশ। ফুলৰ ৰং বগা, পাতল বেঙুনীয়া আৰু নীলা বৰণৰ হয়। পাতৰ ঠাৰি প্রায় ২.৫ ছেণ্টিমিটাৰ দীঘল, মাখিপাতবোৰ উপবৃত্তাকাৰ বা আয়তাকাৰ। ফলবোৰ চিৰাজাতীয়, মটৰমাহৰ দৰে। প্রতিটো ফলত ছয়ৰ পৰা দহটালৈকে চেপেটা, ঘূৰণীয়া বীজ থকা দেখা যায়। বর্ষা কালত অপৰাজিতা উদ্ভিদৰ ফুল ফুলে আৰু শীতকালত ফল পূৰঠ হয়।



অপৰাজিতা উদ্ভিদৰ ঔষধি গুণ ঃ অপৰাজিতা উদ্ভিদৰ শিপা, পাত, কাণ্ড (লতা) আৰু বীজ সকলো অংগ ঔষধ হিচাপে ব্যৱহৃত হয়।

১। এই উদ্ভিদৰ শিপা (৫-৬ গ্রাম মান) খুব মিহিকৈ বটি লৈ (অলপ গৰু ঘিউৰ লগত) অলপ মৌৰ লগত মিহলাই দিনে দুবাৰকৈ খালে গঁৰল ৰোগ (Goiter) ভাল হয় বুলি আয়ুর্বেদত আছে।

২। শৰীৰৰ কোনো ঠাই ফুলিলে সেই স্থানত বা অংগত অপৰাজিতাৰ শিপা আৰু লতা খুব মিহিকৈ বটি সামান্য গৰম কৰি প্রলেপ হিচাপে দিনত দুবাৰকৈ লগালে সেই ফুলা ঠাই ভাল হয়।

৩। দাঁত পোকে খোৱাৰ কাৰণে বিষালে নীলা ফুল থকা অপৰাজিতাৰ শিপাৰ সৰু টুকুৰা এটা চোবাই বিষোৱা স্থানত লগাই থাকিলে বিষ কমি যায়।

৪। অপৰাজিতাৰ শিপা আৰু লতাৰ ৰস উলিয়াই লৈ ভালদৰে চেকি ল'ব লাগে (পৃথক পৃথককৈ)। তাৰ পাছত সমপৰিমাণে মিলাই লৈ ২-৩ ফোটাকৈ দিনে দুবাৰকৈ নাকেৰে টানিলে মূৰৰ বিষ ভাল হয়।

৫। বুকু জ্বলাপোৱা কৰিলে অপৰাজিতাৰ শিপাৰ বাকলি (৩-৪ গ্রাম) ভালদৰে বটি লৈ অলপ ঘিউ, মৌ আৰু চেনিৰ লগত মিহলাই একেৰাহে এসপ্তাহ পুৱা-গধূলি নিয়মমতে খালে সেই ৰোগ ভাল হয় বুলি আয়ুর্বেদ শাস্ত্রত আছে।

৬। অপৰাজিতাৰ কেঁচা শিপা (৫ গ্রামমান) চাউলধোৱা পানীৰ লগত বটি, ভালদৰে চেকি লৈ, পুনৰ চাউলধোৱা পানীৰ লগত দিনে দুবাৰকৈ খালে মূত্রাশয় আৰু মূত্রনলী বা বৃক্কত হোৱা পাথৰ গুৰি হৈ প্রস্রাৱৰ লগত ওলাই আহে।

৭। অপৰাজিতাৰ বীজ অণ্ডকোষ বৃদ্ধি হোৱা ৰোগত ব্যৱহাৰ কৰা হয়। ইয়াৰ বাবে বীজ পানীৰ সৈতে ভালদৰে বটি লৈ অলপ গৰম কৰি বৃদ্ধি হোৱা অণ্ডৰ চাৰিওফালে লেপ দিলে ভাল হয়।

অপৰাজিতাৰ বিভিন্ন ঔষধি গুণৰ ভিতৰত ওপৰত কেইটামানহে উল্লেখ কৰা হ'ল। এই বিশেষ দ্রব্যগুণৰ বাবেই দেৱী পূজাৰ পাছত এই উদ্ভিদৰ কাণ্ডৰে বলয় তৈয়াৰ কৰি বাহু বা হাতত খাৰুৱ দৰে পিন্ধা হয়। বৈজ্ঞানিক দৃষ্টিকোণেৰে চালে কাণ্ড আৰু পাতত থকা ঔষধি দ্রব্য শৰীৰৰ ভিতৰলৈ প্রৰেশ কৰিবলৈ হয়তো কমেও তিনিদিন লাগে কাৰণেই বলয়ডাল হাতত তিনিদিন ৰখাটো প্রয়োজন। ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা, ভূতপূর্ব মুৰব্বী অধ্যাপিকা, উদ্ভিদ বিজ্ঞান বিভাগ, কটন মহাবিদ্যালয়

মা দেৱী দুর্গা ঃ
শক্তি আৰু সামর্থ্যৰ চিৰন্তন মূর্তিপ্রকাশ

ড° অদিতি ডেকা পাঠক

মা দুর্গা, শক্তিৰ পৰম প্রকাশ, পৱিত্র নাৰী শক্তি যিয়ে ব্রহ্মাণ্ডক ৰক্ষা কৰে, প্রতিপালন কৰে আৰু শক্তি প্রদান কৰে; তেওঁ ভাৰতৰ বিশাল আধ্যাত্মিক পটভূমিৰ অন্যতম অতি পূজনীয় আৰু ৰূপান্তৰকাৰী সত্তা। নৱৰাত্রি বা দুর্গা পূজাত পূজা কৰিবলগীয়া এগৰাকী দেৱী হোৱাৰ উপৰিও, তেওঁ হৈছে এক চিৰন্তন আদর্শ আৰু আধ্যাত্মিক শক্তি, যিয়ে স্মৰণ কৰা লোকসকলৰ অন্তৰত সাহসিকতা, জ্ঞান আৰু ন্যায়ৰ প্রেৰণা যোগায়।


মা দুর্গা আৰু তেওঁৰ উৎসৱসমূহৰ দৃশ্যগত প্রভাৱ বিস্ময়কৰ- এক মহতী সমাৱেহ য'ত বিশ্বাস আৰু শিল্পকলাৰ মিলন ঘটে। দেশজুৰি সূক্ষ্মভাৱে সজ্জিত মণ্ডপসমূহৰ পৰা আৰম্ভ কৰি অসম, পশ্চিম বংগ, ওড়িশা আৰু উত্তৰ তথা দক্ষিণ ভাৰতৰ বিভিন্ন অংশৰ জীৱন্ত পথসমূহলৈকে, মা দুর্গাৰ প্রতিমা-ৰূপে শক্তি আৰু দেৱত্ব বিকীৰণ কৰে। দিব্য অস্ত্র-শস্ত্র ধাৰণ কৰা তেওঁৰ দহখন হাত, মুখমণ্ডলৰ শান্ত তথাপিও ভয়ংকৰ প্রকাশ আৰু ভৱিৰ তলৰ সিংহটোৱে পাপৰ ওপৰত পুণ্যৰ জয়ৰ এক শক্তিশালী দৃশ্যগত কাহিনী সৃষ্টি কৰে।

উৎসৱসমূহ নিজেই ইন্দ্রিয়সমূহৰ বাবে এক উৎসৱ চমকপ্রদ পোহৰ, ওখ প্রতিমা, উজ্জ্বল সাজ-সজ্জা আৰু ছন্দময় ধ্বনিয়ে সমগ্র চহৰখনক এক আৱেগময় উৎসৱমুখৰ পৰিৱেশত নিমজ্জিত কৰে। পৰম্পৰাগত আলপনা (ৰাংগোলী) নক্সা আৰু মৃৎশিল্পীৰ মাটিৰ ভাস্কর্যৰ পৰা আৰম্ভ কৰি পৌৰাণিক কাহিনীৰ সৈতে আধুনিক বার্তাক একত্রিত কৰা আধাৰভিত্তিক মণ্ডপলৈকে প্রতিটো অঞ্চলেই উৎসৱটিত নিজৰ দৃশ্যগত ভাষা যোগ কৰে। এই উজ্জ্বল প্রকাশসমূহৰ জৱিয়তে, দুর্গা পূজা কেৱল উপাসনাতে সীমাৱদ্ধ হৈ নাথাকে- ই এক সর্ব্বব্যাপী সাংস্কৃতিক পৰিঘটনালৈ ৰূপান্তৰিত হয়, যিয়ে শিল্প, সমাজ আৰু আধ্যাত্মিকতাক এক নিখুঁত দৃশ্যগত সামঞ্জস্যলৈ আনে।

দেৱী মাহাত্ম্য, যাক দুর্গা সপ্তশতী বুলিও কোৱা হয়, মার্কণ্ডেয় পুৰাণৰ এক পৱিত্র গ্রন্থ, য'ত মা দুর্গাৰ আটাইতকৈ গুৰুত্বপূর্ণ আৰু প্রসিদ্ধ উপাখ্যান সন্নিৱিষ্ট হৈ আছে। এই কাহিনীত, অসুৰ ৰাজ মহিষাসুৰে কোনো মানুহ বা দেৱতাৰ দ্বাৰা বিনাশ নোহোৱাৰ বৰ লাভ কৰাৰ পিছত সন্ত্রাসৰ সৃষ্টি কৰে। তেওঁক পৰাস্ত কৰাত অসমর্থ হৈ, দেৱতাসকলে এক হৈ দুর্গা নামৰ এগৰাকী স্বর্গীয় যোদ্ধা সৃষ্টি কৰিবলৈ নিজৰ শক্তি একত্রিত কৰে। তেওঁলোকৰ শক্তিৰ মিলনৰ পৰা উজ্জ্বল মহিমাৰে, দহখন হাত থকা, সিংহৰ পিঠিত উঠা আৰু হাজাৰটা সূর্যৰ দৰে দীপ্তিমান হৈ, আন দেৱতাই প্রদান কৰা স্বর্গীয় অস্ত্র প্রত্যেকখন হাতত লৈ দেৱীৰ আৱির্ভাৱ ঘটে।

মহিষাসুৰ আৰু মা দুর্গাৰ মাজৰ সংগ্রাম দহ দিন আৰু ন ৰাতি ধৰি চলে। বিজয়া দশমী, যাক দশেৰা বুলিও জনা যায়, অসত্যৰ ওপৰত সত্যৰ, আন্ধাৰৰ ওপৰত পোহৰৰ আৰু অজ্ঞাতাৰ ওপৰত জ্ঞানৰ চিৰন্তন বিজয়ৰ উৎসৱ। ই এই মহাজাগতিক সংগ্রামক স্মৰণ কৰে, যিটো দশম দিনা অসুৰ বধৰ জৱিয়তে সমাপ্ত হয়। অৱশ্যে, ৰণক্ষেত্র আৰু ইয়াৰ পৌৰাণিক মহিমাৰ সিপাৰে এটা গভীৰ, বিশ্বজনীন ৰূপক আছে যিয়ে সকলোৰে আত্মাক স্পর্শ কৰে। বাহিৰৰ অসুৰ হোৱাৰ উপৰিও, মহিষাসুৰে আমাৰ সকলোৰে ভিতৰত থকা অহংকাৰ, অনিয়ন্ত্রিত আকাংক্ষা, মায়া আৰু ধ্বংসাত্মক ইচ্ছাক প্রতিনিধিত্ব কৰে। গতিকে, মা দুর্গাৰ বিজয় হ'ল এক অন্তর্নিহিত জাগৰণ-দিব্য চেতনাৰ উন্মেষ যিয়ে ভ্রমৰ স্তৰসমূহ ফালি আমাক বাস্তৱত প্রতিষ্ঠিত কৰে।

মা দুর্গাৰ ৰূপ কেৱল দেৱত্বই নহয়- ই আধ্যাত্মিক সম্পূর্ণতাৰ এক গভীৰ প্রতীক। তেওঁৰ প্রতিমাৰ প্রতিটো উপাদানেই মানৱ



আত্মাক উচ্চতৰ উপলব্ধিৰ দিশে পৰিচালিত কৰিবলৈ বহুস্তৰীয় অর্থ বহন কৰে। তেওঁ আৱোহণ কৰা সিংহই মনৰ কেঁচা, অপৰিষ্কাৰ প্রবৃত্তি-শক্তিমান, প্রাথমিক প্রেৰণাক প্রতিনিধিত্ব কৰে, যিবোৰ কেৱল আত্ম-সচেতনতা আৰু অনুশাসনমূলক প্রজ্ঞাৰ দ্বাৰাহে নিয়ন্ত্রণ কৰিব পৰা যায়। সকলো দিশতে সম্প্রসাৰিত তেওঁৰ দহখন হাতে তেওঁৰ সর্বব্যাপী উপস্থিতি আৰু প্রতিটো কোণৰ পৰা মহাজাগতিক শৃংখলা ৰক্ষা তথা পুনৰুদ্ধাৰ কৰাৰ প্রস্তুতিত আঙুলিয়াই দিয়ে। তেওঁ ধাৰণ কৰা অস্ত্রসমূহ হিংসাৰ প্রতীক নহয়, বৰঞ্চ ৰূপান্তৰৰহে প্রতীক। ত্রিশূলে পাপ আৰু অজ্ঞাতা ফালি পেলায়; তৰৱালে জ্ঞানৰ প্রতীক হৈ মায়াক ছেদন কৰে; ধনু-কাঁড়ে একাগ্রতা আৰু অবিচলিত সংকল্পক বুজায়; শংখই সত্যৰ চিৰন্তন ধ্বনিৰে প্রতিধ্বনিত কৰে। প্রতিটো অস্ত্রই, মূলতঃ ভিতৰৰ বিশৃঙ্খলা অতিক্রম কৰিবলৈ প্রতিজন ব্যক্তিয়ে অর্জন কৰিবলগীয়া গুণৰ একোটা ৰূপক। একেলগে, সিহঁতে এক আধ্যাত্মিক সঁজুলি সৃষ্টি কৰে যিয়ে আমাক মনত পেলাই দিয়ে যে ভাৰসাম্য, শক্তি আৰু স্পষ্টতা অনায়াসে পোৱা নাযায়, বৰঞ্চ অন্তৰৰ কামৰ দ্বাৰা সচেতনভাৱে উপার্জন কৰা হয়।

মা দুর্গাই নিজৰ স্বার্থৰ বাবে ধ্বংস নিবিচাৰে বা নিজক হিংসাৰ দেৱী বুলি গণ্য নকৰে। তেওঁৰ সংগ্রামসমূহ কোনেও কেতিয়াও ক্রোধ বা অহংকাৰৰ দ্বাৰা প্রেৰিত নহয়। বৰঞ্চ, তেওঁৰ পৰিত্র ক্রোধ যুক্তিযুক্ত আৰু তেতিয়াহে প্রকাশ পায় যেতিয়া মহাজাগতিক শৃংখলা বা ধর্ম বিপন্ন হয়। তেওঁ দুর্বলক উত্থান কৰে, ৰক্ষণহীনক ৰক্ষা কৰে আৰু কেৱল শান্তি বিঘ্নিত কৰা বস্তুকহে ধ্বংস কৰে। তেওঁৰ কৰুণা আৰু শক্তি ইটো সিটোৰ সৈতে জৰিত; মাতৃ আৰু যোদ্ধা হিচাপে তেওঁ ৰক্ষণাবেক্ষণত শক্তিশালী।

ইতিহাসজুৰি, মা দুর্গাৰ উপস্থিতি ব্যক্তিগত ভক্তি আৰু সামূহিক শক্তি উভয়ৰে বাবে এক উদ্দীপক হৈ আহিছে। প্রাচীন ভাৰতত, তেওঁৰ দিব্য আত্মাই শাসকসকলক ন্যায় প্রতিষ্ঠা কৰিবলৈ শক্তি প্রদান কৰিছিল আৰু সাধাৰণ লোকসকলক অত্যাচাৰ আৰু নৈতিক অৱক্ষয়ৰ বিৰুদ্ধে প্রতিৰোধ কৰিবলৈ প্রেৰণা যোগাইছিল। তেওঁৰ প্রভাৱ আনুষ্ঠানিক আচাৰ-অনুষ্ঠানৰ সিপাৰলৈ সম্প্রসাৰিত

হৈছিল— তেওঁৰ নামত উৎসৰ্গিত মন্দিৰসমূহক সামাজিক সংহতি, নৈতিক প্ৰতিবোধ আৰু সাংস্কৃতিক শিক্ষাৰ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিছিল। এই পৱিত্ৰ স্থানসমূহ কেৱল উপাসনাৰ স্থানতকৈও অধিক হৈ পৰিছিল; উমৈহতীয়া মূল্যবোধক প্ৰতিপালন কৰিছিল, একতা বৃদ্ধি কৰিছিল আৰু সংকটৰ সময়ত সম্প্ৰদায়সমূহক শক্তিশালী কৰিছিল। তেওঁৰ উপাসনাই সমগ্ৰ চহৰ আৰু গাঁওসমূহক এক উমৈহতীয়া আধ্যাত্মিক উদ্দেশ্যত একত্ৰিত কৰিছিল, যিয়ে স্থিতিস্থাপকতা, ধাৰ্মিকতা আৰু অবিচলিত বিশ্বাসৰ এনে এক পৰম্পৰা সৃষ্টি কৰিছিল যিয়ে আজিও ভাৰতীয় সমাজক গঢ় দি আছে।

মা দুৰ্গা সামাজিক পৰিৱৰ্তন আৰু শক্তিশালী নাৰীৰ এক প্ৰতীক হৈ পৰিছে। মানৱ অধিকাৰ, আধ্যাত্মিক আৰু লিংগ সমতা সমৰ্থন কৰা আন্দোলনসমূহে তেওঁৰ ৰূপক উজ্জ্বল, সাহসী আৰু নিৰ্ভীক হিচাপে গ্ৰহণ কৰিছে। তেওঁ আক্ৰমণাত্মকতা বা আধিপত্যৰ পৰিৱৰ্তে আত্ম-উপলব্ধি, জ্ঞান আৰু ভাৰসাম্যৰ ওপৰত আধাৰিত শক্তিৰ এক দৃষ্টিভংগীক প্ৰতিনিধিত্ব কৰে।

মা দুৰ্গাৰ প্ৰকৃত প্ৰকাশ মন্দিৰ, প্ৰতিমা আৰু উৎসৱৰ অনুষ্ঠানৰ সিপাৰলৈ সম্প্ৰসাৰিত। তেওঁ কোনো দূৰৱৰ্তী দিব্য সত্তা হোৱাৰ পৰিৱৰ্তে আমাৰ ভিতৰত বাস কৰা এক পথপ্ৰদৰ্শক অন্তৰ্নিহিত শক্তি। প্ৰতিটো সাহসী কামত, নিৰাশাৰ ওচৰত হাৰ নামানি কাৰ্য কৰাত আৰু সত্যৰ দিশে লোৱা প্ৰতিটো নীৰৱ খোজত তেওঁ নিজকে প্ৰকাশ কৰে। নিমাত হৈ থকাটো সহজ হোৱাৰ সময়তো সত্য কোৱা মাতটো তেওঁৰেই, আমি ভাঙি পৰা যেন অনুভৱ কৰোঁতে সাৰ পাই উঠা শক্তিটো তেওঁৰেই, আৰু পৰিস্থিতি বিপৰীত হ'লেও ন্যায়ৰ পক্ষে থিয় দিয়া দৃঢ় ইচ্ছা শক্তিয়েই তেওঁ।

যেতিয়া আমি তেওঁৰ নামসমূহ জপ কৰোঁ: দুৰ্গা, কালী, অম্বা, ভৱানী আৰু পাৰ্বতী; তেতিয়া আমি আমাৰ ভিতৰৰ শক্তিক প্ৰকাশ কৰোঁ আৰু আমাৰ সুপ্ত দেৱত্বক পুনৰ জাগ্ৰত কৰোঁ। তেওঁক পূজা কৰাটো কেৱল ফুল আৰু প্ৰাৰ্থনা অৰ্পণ কৰাই নহয়, তেওঁৰ মূল্যবোধ অনুসৰি জীয়াই থকাৰ এক সংকল্প। তেওঁ আমাক উপলব্ধি কৰাত সহায় কৰে যে আমি অকলশৰীয়া বা শক্তিহীন নহয়। প্ৰকৃততে, আমি একেই সত্যৰ প্ৰতিফলন আৰু একেই শক্তিৰ ধাৰক।

মা দুৰ্গা হ'ল আমাৰ নিজৰ শক্তিৰ স্মৰণ। তেওঁ আমাক সোঁৱৰাই দিয়ে যে আমি ইয়াত ভয় খাবলৈ অহা নাই, বৰঞ্চ অন্যায়ৰ মুখামুখি হ'বলৈহে আহিছোঁ। আমি সন্দেহক আমাক গ্ৰাস কৰিবলৈ দিবলৈ অহা নাই, স্পষ্টতা আৰু কৰ্মৰ জুই জ্বলাবলৈহে আহিছোঁ। আমি দেৱত্বৰ প্ৰকাশ, ইয়াৰ পৰা বেলেগ একো নহয়। তদুপৰি, যেতিয়াই আমি সাহসিকতা, কৰুণা আৰু সত্যৰে জীৱন যাপন কৰোঁ, তেতিয়াই আমি এই পৃথিৱীত মা দুৰ্গাৰ জীৱন্ত উপস্থিতি হৈ পৰোঁ।

দুৰ্গা পূজা, ইয়াৰ ধাৰ্মিক গুৰুত্বৰ সিপাৰে, সমসাময়িক সমাজত সামাজিক পৰিৱৰ্তন আৰু সচেতনতাৰ এক শক্তিশালী উদ্দীপক হিচাপে কাম কৰে। শক্তি, ন্যায় আৰু কৰুণাৰ মূৰ্ত প্ৰতীক মা দুৰ্গাই লাখ লাখ লোকক অন্যায় আৰু বৈষম্যৰ মুখামুখি হ'বলৈ প্ৰেৰণা যোগায়। এই উৎসৱে বিভিন্ন পটভূমিৰ লোকসকলক একত্ৰিত কৰে, একতা আৰু সামূহিক দায়িত্ববোধ গঢ়ি তোলে। বিষয়বস্তুভিত্তিক মণ্ডপ আৰু সাংস্কৃতিক কাৰ্যসূচীৰ জৰিয়তে, দুৰ্গা পূজা পৰিৱেশ সংৰক্ষণ আৰু লিংগ সমতাৰ পৰা আৰম্ভ কৰি শিক্ষা আৰু মানৱ অধিকাৰলৈকে জৰুৰী সামাজিক বিষয়সমূহ তুলি ধৰাৰ এক মঞ্চ হৈ পৰিছে। পৰম্পৰাৰ সৈতে আধুনিক সচেতনতাৰ এই সংমিশ্ৰণে কেৱল সাংস্কৃতিক ঐতিহ্যকেই ৰক্ষা নকৰে, বৰঞ্চ গুৰুত্বপূৰ্ণ প্ৰতিফলন আৰু কাৰ্যপন্থাকো উৎসাহিত কৰে। আজিৰ দ্ৰুত পৰিৱৰ্তনশীল পৃথিৱীত, দুৰ্গা পূজা অতি প্ৰয়োজনীয় হৈ আছে-আমাক সোঁৱৰাই দিয়ে যে প্ৰকৃত ভক্তি আচাৰ-অনুষ্ঠানৰ সিপাৰলৈ সম্প্ৰসাৰিত হৈ এক ন্যায়পূৰ্ণ, অন্তৰ্ভুক্তিমূলক আৰু কৰুণাময় সমাজ গঢ়ি তোলাত সক্ৰিয় অংশগ্ৰহণক অন্তৰ্ভুক্ত কৰে। ❍

লেখক পৰিচিতি ঃ সহকাৰী অধ্যাপক, দৃশ্যকলা বিভাগ, ড° অনিতা বৰুৱা শৰ্মা শিক্ষা মহাবিদ্যালয়।

দেৱী পূজাৰ প্ৰাচীনতা বেলবোধন আৰু শক্তিপীঠ

সবিতা দেৱী



যা দেৱী সর্বভূতেষু শক্তিৰূপেন সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।।

শৰতৰ হাতে হাত ধৰি আহিন আহে। ভাদ মাহৰ শেষৰফালে শৰৎ ঋতুৱে ভুমুকি মাৰেহি। প্ৰকৃতিয়ে বিকশিত ৰূপত সৌন্দৰ্যৰ পোহাৰ মেলা বতৰ শৰৎ। কবি নৱকান্ত বৰুৱাদেৱৰ ভাষাত— 'আহিনক কোনে আনে? শেৱালিয়ে ক'লে— নিয়ৰে আনে। দূবৰিয়ে ক'লে— কোমল হাঁহিৰে-দুয়োজনে, দুয়োজনে।' প্ৰকৃতিৰ এই বিনন্দীয়া ৰূপৰ সমাহাৰেৰে মনুষ্যসকলে শাৰদী ৰাণী দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰি আহিছে। সেয়ে ভাৰতবৰ্ষ শক্তি পূজাৰ থলী বুলিও অভিহিত। ভাৰতীয় সভ্যতা-সংস্কৃতি মূলতে ধৰ্ম। সমস্ত সৃষ্টিৰ মূলৰূপে, পৰমা প্ৰকৃতিৰূপে দেৱী দুৰ্গাক পূজা কৰি অহা হৈছে। দেৱী দুৰ্গাৰ নামটোৰ ভাবাৰ্থ এনেদৰে প্ৰকাশ কৰা দেখা যায়। দ- দৈত্যনাশক, উ- বিঘিনীনাশক, ৰ- ৰোগনাশক, গ- পাপনাশক অৰ্থাৎ বিপদ নাশিনী, অশুভ শক্তি বিনাশ কৰি মা দুৰ্গাই সমাজত শান্তি স্থাপন কৰে।

অসমতো অতি প্ৰাচীনকালৰে পৰা অৰ্থাৎ ১৫ শতিকাৰ আগৰে পৰাই শত্ৰু ক্ষয়, দুৰ্গতিনাশ আদিৰ বাবে আদ্যশক্তি দুৰ্গাক পূজা কৰি অহাৰ প্ৰমাণ পোৱা যায়। অসমত পোনপ্ৰথমে দুৰ্গা পূজাৰ প্ৰচলন হয় আহোম ৰাজত্বকালত স্বৰ্গদেউ প্ৰতাপসিংহ (চুচেংফা)ৰ দিনত। অসমৰ কোচ ৰজাসকলেও দুৰ্গা দেৱীৰ ৰণচণ্ডী ৰূপক পূজা-অৰ্চনা কৰিছিল। বিদেহ ৰজা জনকৰ পালিত পুত্ৰ নৰক প্ৰাগজ্যোতিষপুৰলৈ আহোঁতে দেৱী দুৰ্গা পূজা কৰাৰ প্ৰমাণ পোৱা যায় আৰু তেওঁকেই কামৰূপৰ শাক্ত ধৰ্মৰ প্ৰথম প্ৰৱৰ্তক বুলি ডঃ বাণীকান্ত কাকতিদেৱে উল্লেখ কৰিছে। এইদৰে কালিকা পুৰাণ

আৰু যোগিনীতন্ত্ৰত কামাখ্যাগিৰিৰ গুহাত ভৌমপুত্ৰ ভগদত্তৰ দ্বাৰা দেৱী পূজিত হৈছিল বুলি তেওঁ উল্লেখ কৰিছে।

সর্বকামার্থ সিদ্ধার্থং খড়্গ খেটক ধাৰিণী
কামাখ্যা জামদনে কিস্কিন্ধেৎ পর্বতেনুতা
দেৱী মহেশ্বৰী শক্ৰ পূজ্যতে কাশিকাশ্রমে
সর্বকাম সুগিন্ধ্যার্থং মজতে বেদ পর্বতে
মজেদ ভৌমাত্মজো দেৱী কামাখ্যা গিৰিকন্দৰে
(দেৱী পুৰাণ ৩৯/৫৬)

কেৱল ভাৰতবর্ষ তথা অসমতে নহয়, পৰম প্ৰকৃতি বা বিশ্ব সৃষ্টিৰ আদি কাৰণৰূপে দুর্গা দেৱীক পৃথিৱীৰ বিভিন্ন দেশত পূজা কৰা হৈছে। প্ৰাক্‌দ্ৰাৱিড়সকলেই পোনতে দুর্গা পূজাৰ পাতনি মেলে। ছিৰিয়া, এছিয়া, মাইনৰ, পেলেষ্টাইন, ছাইপ্ৰাছ আদি ঠাইত শক্তি পূজাৰ প্ৰচলনৰ কথা সেই ঠাইবোৰত অৱস্থিত মূর্তিসমূহৰ পৰা জানিব পাৰি। সিন্ধু সভ্যতাৰ যুগতো নীল নদীৰ উপত্যকাত দেৱী পূজা প্ৰচলনৰ প্ৰমাণ পোৱা গৈছে।

সৃষ্টিৰ আদিতে শ্ৰীকৃষ্ণই গকুলত, বৃন্দাবনত দেৱী দুর্গাৰ পূজা কৰাৰ কথা উল্লেখ পোৱা যায়। সত্য যুগত সুৰথ আৰু সমাধি বৈশ্যই তিনি বছৰ বসন্তকালত গৌণ চান্দ্ৰ চ'ত মাহৰ শুক্ল পক্ষৰ সপ্তমী, অষ্টমী, নৱমী তিথিত মৃণ্ময় মূর্তি সাজি প্ৰথম দুর্গাক পূজা কৰিছিল। ত্ৰেতা যুগত ৰাৱণে দেৱী দুর্গাক চ'ত মাহৰ বসন্তকালত পূজা কৰিছিল। সেইবাবেই এই সময়ত অনুষ্ঠিত দেৱীৰ পূজাক বাসন্তী পূজা বোলা হয়। আকৌ ৰামচন্দ্ৰই ৰাৱণক বধিবৰ নিমিত্তে যি পূজা কৰিছিল সি আছিল অকাল বোধন দুর্গা পূজা। সেয়ে শৰৎ কালত আমাৰ ইয়াত যি পূজা কৰা হয় তাত বোধন কার্যৰ আৱশ্যক হয়। এই সময়ত দেৱী নিদ্ৰাত থাকে। কিয়নো মানুহৰ এবছৰ কাল দেৱ-দেৱীৰ বাবে হয় দিব্যৰাত্ৰি কাল মাত্ৰ। মাঘ মাহৰ পৰা আহাৰ মাহলৈ ছমাহ দেৱতাৰ দিন ভাগ আৰু শাওণ মাহৰ পৰা পুহ মাহলৈ ৰাত্ৰিকাল অর্থাৎ নিশা ভাগ। সেইবাবেই শাৰদীকালত কৰা দুর্গা পূজাৰ আগদিনা অর্থাৎ ষষ্ঠত বেলবোধনেৰে দেৱীক জাগ্ৰত কৰাৰ নিয়ম চলি আহিছে। এই বেলবোধন দেৱীৰ বোধন বা আমন্ত্ৰণ অধিবাস অনুষ্ঠান। এই পূজাভাগ বেলগছৰ গুৰিত কৰা হয়। শুক্লা ষষ্ঠীত বেলগছত পুৰোহিতে দেৱীৰ পূজা কৰি যুৱীয়া বেলক ধূপ-দীপ নৈৱেদ্য চোঁৱৰেৰে আদৰি আনি পূজা মণ্ডপত স্থাপন কৰা হয়। ভক্তিপ্ৰাণ ৰাইজে ঢোল-খোলেৰে বেল আদৰা দৃশ্য অতি পৱিত্ৰ, গাম্ভীর্যপূর্ণ আৰু মাংগলিক অনুষ্ঠান। বেলগছ, বেল ফল, পাত শিৱৰ অতি প্ৰিয় কাৰণে বেল গছৰ জন্ম দেৱীৰ স্তনৰ পৰা। শিৱে সতীৰ ইচ্ছাত তেওঁৰ স্তন স্বর্গত নি পুতি থৈছিল আৰু তাৰ পৰাই বেল গছৰ জন্ম। আৰু বেল ফল সেইবাবেই স্ত্ৰীৰ স্তন যুগলৰ দৰে। বেলৰ তিনি পাতৰ মাজৰ খিলাই শিৱক, সোঁকাষৰ খিলাই বিষ্ণুক আৰু বাওঁফালৰ খিলাই ব্ৰহ্মাক বুজায়। সেয়ে তিনিপতীয়া বেলপাতক ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ বুলি ধৰা হয়। বেলক শ্ৰীফল বুলিও কোৱা হয়। কাৰণ লক্ষ্মীৰ আন এটা নাম 'শ্ৰী'। এইদৰে যুৱীয়া বেল অতি শ্ৰদ্ধাভক্তিৰে ঘৰি আনি নৱপত্ৰিকাত স্থাপন কৰা হয়। এই নৱপত্ৰিকা বা নৱবধুৰ পূজাই প্ৰকৃত দুর্গা পূজা বুলি ভক্তসকলে বিশ্বাস কৰে। নৱপত্ৰিকাত যিখন ৰঙাপাৰীৰ বগা শাৰীৰে মেৰিওৱা হয় সেইখন দান কৰিবলৈ প্ৰতিখন পূজা মণ্ডপতে মানুহৰ হেতা-ওপৰা লাগে। একাধিকজনে এই শাৰীখন দেৱীক দিব বিচাৰে আৰু ই অতি পুণ্যৰ কাম বুলি বিশ্বাস কৰে। নৱপত্ৰিকাত নবিধ পত্ৰিকাৰ দ্বাৰা দেৱীমূর্তি সাজি হালধীয়া সূতা আৰু অপৰাজিতাৰ লতাৰে দেৱীৰ প্ৰাকৃতিক প্ৰতীকী মূর্তি তৈয়াৰ কৰি তাক ৰঙাপাৰীৰ বগা শাৰীৰে মেৰুৱাই নৱবধুৰ ৰূপ দি সেন্দূৰ, আ-অলংকাৰ পিন্ধাই দেৱীৰ মৃণ্ময় প্ৰতিমাৰ সোঁকাষে থিয় কৰাই 'নৱ দুর্গা দেৱ্যৈ নমঃ' মন্ত্ৰৰে পূজা কৰা হয়। এই নৱপত্ৰিকাত নগৰাকী দেৱী এটা ৰূপত অধিষ্ঠিত হয়।

১। ৰম্ভা বা কলগছৰ অধিষ্ঠাত্ৰী দেৱী ব্ৰাহ্মণী।
২। কচ্চী বা কচু (ক'লা কচু)ৰ অধিষ্ঠাত্ৰী দেৱী কালিকা।
৩। হৰিদ্ৰা বা হালধীৰ অধিষ্ঠাত্ৰী দেৱী দুর্গা।
৪। জয়ন্তীৰ অধিষ্ঠাত্ৰী দেবী কার্তিকী।
৫। বিল্ব বা বেলৰ অধিষ্ঠাত্ৰী দেৱী শিৱা।
৬। দাড়িম বা ডালিমৰ অধিষ্ঠাত্ৰী দেৱী ৰক্তদন্তিকা।
৭। অশোকৰ অধিষ্ঠাত্ৰী দেৱী শোকৰহিতা।
৮। মানকং বা মানকচুৰ অধিষ্ঠাত্ৰী দেৱী চামুণ্ডা।
৯। ধন্যেকা বা ধানৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী।

প্ৰকৃতি জগতৰ লগত দুর্গাদেৱীৰ সম্পর্ক অভিন্ন। এই অভিন্নতাৰ বাবে দেৱীৰ আন এটা নাম শাকম্ভৰী আৰু এই ৰূপত তেওঁক পূজা কৰাৰ উল্লেখ পোৱা যায়—

শাকম্ভৰীস্তি বিখ্যাতিম তদা যাস্যাম্যহং ভুবি।
তত্ৰৈৱ চ ৱধিষ্যামি দুর্গামাখ্যং মহাসুৱম।।
(মার্কেণ্ডেয় পুৰাণ ৯২৪৫)

পৃথিৱী বা মাতৃ পূজাৰ পৰাই শস্য পূজা আৰু শস্য পূজাৰ লগত জড়িত আদ্যাশক্তি মহামায়া। শৰৎ ঋতুৰ পৰা বসন্ত ঋতুলৈ সকলো স্তৰৰ কৃষিৰ লগত সামঞ্জস্য ৰাখি শক্তিৰ বিভিন্ন ৰূপ,

যেনে— দুর্গা, লক্ষ্মী, কালী, বাসন্তী, জগদ্ধাত্রী, অন্নপূর্ণা আদি ৰূপত দেৱীক পূজা কৰা হয়।

ভাৰতবর্ষত দেৱী দুর্গাৰ ৫১টা পীঠ আছে। এই ৫১টা পীঠৰ ওচৰতে ভগৱান শিৱৰো মূর্তি বিৰাজমান। ইয়াৰ ভিতৰত কামৰূপৰ কামাখ্যা জগত বিখ্যাত। গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত এই কামাখ্যা মহাপীঠ। এই পৱিত্র কামাখ্যাধামত ভৈৰৱী, ছিন্নমস্তা, কালিকা, বগলা, মাতংগী, কমলা, ভুৱনেশ্বৰী, ধুমাৱতী আৰু ত্রিপুৰা —এই ৯টি পীঠ আছে। প্রতিদিনে এই মন্দিৰবোৰত অতি ভক্তি আৰু পৱিত্রতাৰে পূজা-অর্চনা হয়। বগলা মন্দিৰৰ পূজাৰ হোমত ঘিউৰ পৱিবর্তে ৰঙা ৰঙা শুকান জলকীয়াৰে আহুতি কৰা হয়। সেই জলকীয়া পো�ৰা গোন্ধ মানুহৰ চকুত নধৰে। অথচ আমি এটা শুকান জলকীয়া জুইত দিব নোৱাৰো। এয়ে বগলা মন্দিৰৰ দেৱী মাহাত্ম্য বুলি ভক্তই বিশ্বাস কৰে।

ভাৰতৰ এই ৫১ খন দেৱী পীঠৰ জন্মৰ আঁৰত আছে সতী পার্বতীৰ দেহ ত্যাগৰ নিকৰুণ কাহিনী। পার্বতীৰ পিতৃ দক্ষ ৰজাই এবাৰ মহাযজ্ঞ পাতি জোঁৱাই শিৱক যজ্ঞলৈ নিমন্ত্রণ নকৰাত তেওঁৰ পত্নী দুর্গাই বিনা নিমন্ত্রণে পিতৃৰ যজ্ঞত উপস্থিত হয়। তেতিয়া দক্ষই পার্বতীক বিনা নিমন্ত্রণে যজ্ঞলৈ অহাৰ বাবে নানা প্রকাৰে তিৰস্কাৰ কৰিলে। লগতে তেওঁৰ স্বামীকো নানা প্রকাৰে নিন্দা কৰিলে। স্বামী নিন্দা সহিব নোৱাৰি পার্বতীয়ে নিজৰ প্রকৃত ৰূপ পিতৃৰ সন্মুখত ধাৰণ কৰিলে। এইদৰে সতীয়ে দুর্গাৰূপিণী মহাকালী, কালৰাত্রি, মহাগৌৰী, মংগলা আদি ৰূপ ধৰি অৱশেষত দক্ষৰ যজ্ঞকুণ্ডত জাঁপ দি প্রাণ ত্যাগ কৰিলে। শিৱই ধ্যানযোগে সকলো কথা জানি আছিল। সতীৰ প্রাণ বিসর্জনৰ পিচত তেওঁ ৰুদ্র ৰূপ ধাৰণ কৰিলে। তেওঁৰ সৰি পৰা জঁটাৰ পৰা বীৰভদ্র নামৰ অসু�ৰৰ জন্ম হয় আৰু তেওঁ দক্ষযজ্ঞ ধ্বংস কৰে। এইবাৰ শিৱই সতীৰ মৃতদেহ কান্ধত লৈ ত্রিভুৱন ঘূৰি ফুৰিবলৈ ধৰিলে। কথা বিষম দেখি ব্রহ্মাই বিষ্ণুৰ সহায়ত সুদর্শন চক্র সতীৰ দেহত নিক্ষেপ কৰি সতীৰ দেহ খণ্ড-বিখণ্ড কৰিলে।

এইদৰে সতীৰ দেহ য'ত য'ত পৰিল তাতেই একোখন শক্তিপীঠৰ জন্ম হ'ল। দেৱীৰ দেহৰ ৫১ খণ্ডই যি একাৱন্নখন শক্তিপীঠৰ জন্ম দিলে। তাৰ পৰা এটা কথাই অনুমান কৰিব পাৰি যে এসময়ত ভাৰতবর্ষৰ আয়তন কিমান বিশাল আছিল। ভাৰতবর্ষৰ লগতে কামৰূপ বা প্রাগজ্যোতিষপু�ৰৰ আয়তনো বিশাল আছিল। ভাৰতবর্ষৰ লগতে দেশৰ বাহিৰৰ পীঠবোৰতো কামনাৰ দেৱীৰূপে খ্যাত দুর্গাৰ লগতে শিৱ সদায় বিৰাজমান। সেয়ে দুটা পূজা মণ্ডপত দেৱীৰ মূর্তিৰ ওপৰত শিৱৰ মূর্তি স্থাপন কৰা দেখা যায়। শিৱই দেৱীৰ সকলো চাল-চলন নিৰীক্ষণ কৰি থাকে। দেৱীৰ ক্ষত-বিক্ষত দেহৰ পৰা উদ্ভৱ হোৱা ৫১ খন তীর্থস্থানৰ নাম আৰু স্থান তলত অতি সংক্ষেপে উল্লেখ কৰা হ'ল—

(১) কীৰিট- পশ্চিমবংগৰ বটনগৰত। ইয়াত সতীৰ কীৰিটি পৰিছিল। (২) ভূতেশ্বৰ- মথুৰাৰ বৃন্দাবনৰ ওচৰত। ইয়াত সতীৰ মূৰৰ চুলি পৰিছিল। (৩) হিংগুলা- বর্তমান পাকিস্তানৰ কৰাচীত, সতীৰ দেহৰ প্রথম অংশ ব্রহ্মৰন্ধ্র ইয়াত পৰিছিল। চৌদিশে পর্বতেৰে বিস্তৃত এই তীর্থ সমুদ্রপৃষ্ঠৰ পৰা প্রায় চাৰি হেজাৰফুট উচ্চতাত অৱস্থিত। হিংগুল শব্দৰ অর্থ সেন্দূৰ। এই তীর্থস্থানত কোনো দেৱ-দেৱীৰ মূর্তি দেখা নাযায়। (৪) কোটিলেশ্বৰ- অন্ধৰ গোদাবৰীৰ পাৰত। সতীৰ বাওঁ কপাল ইয়াত পৰিছিল, এই মন্দিৰলৈ মনস্কামপূর্ণৰ আশাত বিভিন্ন স্থানৰ ভক্ত সমৱেত হোৱা দেখা যায়। (৫) মুক্তিনাথ- নেপাল ৰাজ্যৰ গণ্ডকী নদীৰ উৎসৱ অৱস্থিত। সতীৰ সোঁফাল ইয়াত পৰিছিল। (৬) কৰবীৰপুৰ বা আম্বাজী মন্দিৰ- ইয়াত সতীৰ ত্রিনয়ন পৰিছিল। মহাৰাষ্ট্রৰ কোহিলাপুৰত। (৭) সুগন্ধা- ইয়াত সতীৰ নাক পতিত হৈছিল। বাংলাদেশৰ বৰিশাল জিলাত। (৮) কালভৈৰৱ উজ্জয়িনীৰ ওচৰত। সতীৰ ওপৰৰ ওঁঠ ইয়াত পৰিছিল। (৯) অট্টহাস- পশ্চিমবংগৰ বর্ধমান জিলাত। ইয়াত সতীৰ তল ওঁঠ পৰিছিল। (১০) শুচিদ্রম- ত্রিবান্দমৰ ওচৰত। ইয়াত সতীৰ ওপৰৰ দাঁত পতিত হৈছিল। (১১) বঞ্চসাগৰ- কন্যা কুমাৰীৰ কাষত। ইয়াত সতীৰ তলৰ দাঁত পতিত হৈছিল। (১২) জ্বালামুখী- পশ্চিমবংগত অৱস্থিত। ইয়াত সতীৰ জিভাখন পৰিছিল। (১৩) কনাট- ইয়াত সতীৰ কাণ দুখন পৰিছিল। (১৪) মমিকর্ণিকা- বাৰানসীত অৱস্থিত। ইয়াত সতীৰ কর্ণ কুণ্ডল পৰিছিল। (১৫) জন্মস্থান- এই তীর্থ মহাৰাষ্ট্রত। ইয়াত দেৱীৰ থুঁতৰি খহি পৰিছেল। (১৬) অমৰনাথ- এই বিখ্যাত তীর্থস্থানত সতীৰ কণ্ঠনলী পতিত হৈছিল। (১৭) লন্দীপুৰ —ইয়াত দেৱীৰ শ্বাসতন্ত্রী (কণ্ঠস্বৰ) পতিত হৈছিল। (১৭) শ্রীহট্টা বা কুর্নল- ইয়াত সতীৰ গ্রীবা পতিত হৈছিল। শ্রীহট্টজিলাত অৱস্থিত। (১৯) ললিতা- প্রয়াগৰ ওচৰত। ইয়াত সতীৰ দহ আঙুলি খহি পৰিছিল। (২০) মণিবন্ধ- এই তীর্থ পুস্কৰ তীর্থ নামে জনাজাত। ইয়াত সতীৰ মণিবন্ধ পৰিছিল। (২১) হৰসিদ্ধি- উজ্জয়িনীৰ ওচৰত। ইয়াত সতীৰ বাওঁ হাতৰ আধা আঙুলি পৰিছিল। (২২) মানস সৰোবৰ- ইয়াত সতীৰ সোঁহাত পৰিছিল। (২৩) বহুলা- পশ্চিমবংগৰ বিখ্যাত তীর্থস্থান। ইয়াত সতীৰ বাওঁ বাহু পৰিছিল। (২৪) ভৰানী- ভৰানী বাংলাদেশত। ইয়াৰ চন্দ্রশেখৰ পর্বতত সোঁবাহু পৰিছিল।

(২৫) মিথিলা- জনকপুৰৰ বিখ্যাত তীৰ্থস্থান। সতীৰ বাওঁ কান্ধ পৰিছিল। (২৬) কৰতোৱা- বাংলাদেশৰ কৰতোৱা নদীৰ ওচৰত। সতীৰ বাওঁ পিঠিৰ মাংস ইয়াত পৰিছিল। (২৭) শ্ৰীপৰ্বত- কাশ্মীৰ পৰ্বতত। ইয়াত সতীৰ সোঁপিঠিৰ মাংস পৰিছিল। (২৮) ৰত্নাৱলী- তামিলনাড়ুত অৱস্থিত। ইয়াত সতীৰ সোঁ কান্ধ পৰিছিল। (২৯) কনকাশ্ৰম- কন্যাকুমাৰীৰ মন্দিৰৰ লগতে। ইয়াত পৃষ্ঠ দেহা পৰিছিল। (৩০) বৈদ্যনাথ- বিহাৰৰ দেওঘৰত। এই বিখ্যাত মন্দিৰত সতীৰ হৃদয় পৰিছিল। (৩১) বক্ৰেশ্বৰ- পশ্চিমবংগত। ইয়াত সতীৰ মন বা ভ্ৰূ পতিত হৈছিল। (৩২) জলন্ধৰ পঞ্জাবৰ জলন্ধৰত অৱস্থিত। ইয়াত সতীৰ বাওঁ স্তন পতিত হৈছিল। (৩৩) ৰামগিৰি বা চিত্ৰকূট- ৰামগিৰিৰ চিত্ৰকূট পৰ্বতৰ এই মন্দিৰৰ সতীৰ সোঁ স্তন পৰিছিল। (৩৪) বিৰজা বা বিমলা মন্দিৰ- জগন্নাথ ধামত। ইয়াত সতীৰ নাভি পৰিছিল। (৩৫) প্ৰভাস তীৰ্থ- মথুৰাৰ কাষত অৱস্থিত। ইয়াত সতীৰ উদৰ বা পেট পতিত হৈছিল। (৩৬) কাঞ্চীপুৰ- এই বিখ্যাত তীৰ্থস্থানক দক্ষিণ ভাৰতৰ কাশীপুৰী বুলি কোৱা হয়। ইয়াত সতীৰ কঁকাল পতিত হৈছিল। (৩৭) নলহাটী- এই তীৰ্থ পশ্চিমবংগত অৱস্থিত। ইয়াত সতীৰ উদৰ নলী পৰিছিল। (৩৮) কালমাধব ইয়াত সতীৰ বাওঁ নিতম্ব পৰিছিল। (৩৯) সোণাখ্যা- সোণ নদীৰ উৎপত্তিস্থলত অৱস্থিত। ইয়াত সতীৰ সোঁ নিতম্ব পৰিছিল। (৪০) কামাখ্যা- অসমৰ গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত। ইয়াত সতীৰ যোনিদেহ পতিত হৈছিল। সেইবাবে এই তীৰ্থক মহাশক্তিপীঠ বা কামপীঠ বোলে। (৪১) গুহ্যেশ্বৰী- ইয়াত সতীৰ দুই আঁঠু পৰিছিল। নেপালৰ পশুপতি ধামত এই তীৰ্থ অৱস্থিত। (৪২) জয়ন্তী- এই তীৰ্থস্থান মেঘালয়ৰ জয়ন্তীয়া পাহাৰত অৱস্থিত। সতীৰ বাওঁ উৰু এই স্থানত পৰিছিল। (৪৩) ঘাটোনেশ্বৰী- পাটনা জিলাত অৱস্থিত। সতীৰ সোঁ উৰু ইয়াত পতিত হৈছিল। (৪৪) ত্ৰিস্ত্ৰোতা- জলপাইগুৰিৰ তিস্তানদীৰ পাৰত অৱস্থিত। ইয়াত সোঁভৰি পৰিছিল। (৪৫) বিভাসক- ইয়াত সতীৰ বাওঁভৰিৰ বাওঁ গোৰোহা পৰিছিল। পশ্চিমবংগৰ তমলুক চহৰত অৱস্থিত। (৪৬) ত্ৰিপুৰা- ত্ৰিপুৰাৰ উদয়পুৰত অৱস্থিত। সতীৰ সোঁভৰি এই স্থানত পৰিছিল। (৪৭) কুৰুক্ষেত্ৰ- কুৰুক্ষেত্ৰ জিলাৰ ডাঙৰ তীৰ্থস্থান। সতীৰ সোঁভৰিৰ গোৰোহা এই স্থানত পতিত হৈছিল। (৪৮) শ্ৰীলংকা- ইয়াত সতীৰ ভৰিৰ নূপুৰ খহি পৰিছিল। সেইবাবে ইয়াৰ লোকসকলে নূপুৰক পৱিত্ৰ জ্ঞান কৰে। (৪৯) বিৰাট- বিৰাট ৰজাৰ ৰাজধানী বিৰাট চহৰ। ৰাজস্থানৰ এই মন্দিৰত সতীৰ বাওঁ ভৰিৰ ৪টা আঙুলি খহি পৰিছিল। (৫০) যুগাদ্যা- পশ্চিমবংগত অৱস্থিত। সতীৰ সোঁভৰিৰ বুঢ়া আঙুলি এই স্থানত পৰিছিল। (৫১) কালীঘাট- কলকাতাত। এই বিখ্যাত মন্দিৰত সতীৰ সোঁভৰিৰ চাৰিটা আঙুলি খহি পৰিছিল।

গীতাত ভগৱান কৃষ্ণই কৈছে— যেতিয়াই পৃথিৱীত ধৰ্মৰ গ্লানি হয়, অন্যায়-অবিচাৰ বাঢ়ে, তেতিয়াই তেওঁ দুষ্টক দমন কৰি, শান্তক পালন কৰিবলৈ পৃথিৱীলৈ নামি আহে। সেই একেধৰণে দুৰ্গতিনাশিনী আমাৰ আই দুৰ্গাদেৱীয়েও যেন আমাৰ মাজলৈ নামি আহি আমাৰ পংকিলতাৰ বোকাত ডুবি যাব ধৰা সমাজখনক উদ্ধাৰ কৰি শান্তিৰ পৰিৱেশ ৰচনা কৰে। দুৰ্গা পূজাৰ এই আনন্দ উৎসৱৰ দিনত সকলোৰে সুখ কামনা কৰিলো—

সৰ্বেভবন্তু সুখিনিঃ সবে সণ্ড নিৰাময়াঃ
সৰ্বে ভদ্ৰানি পশ্চন্তু মা কশ্চিৎ দুখঃ ভাগভবেত।
ওঁম শান্তি ওঁম শান্তি ওঁম শান্তি। ❍

বিঃদ্রঃ প্রবন্ধটো যুগুত কৰোঁতে বিভিন্ন বাতৰি কাকত, আলোচনী আৰু পুথিৰ সহায় লোৱা হৈছে।

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা

শ্রীশ্রীচণ্ডী ঃ এক চমু পর্যালোচনা

তুলিকা দেৱী

যা চণ্ডী মধুকৈটভাদি দৈত্যদলনী যা মহিষোন্মুলিনী
যা ধূম্রেক্ষণচণ্ডমুণ্ডমথনী যা ৰক্তবীজাশনী।
শক্তিঃ শুম্ভ-নিশুম্ভ দৈত্যদলনী যা সিদ্ধিদাত্রী পৰা
সা দেৱী নবকোটি মূর্তিসহিতা মাং পাতু বিশ্বেশ্বৰী।।

যি চণ্ডীকা মধুকেটভাদি দৈত্যনাশিনী, যি মহিষাসুৰ মর্দিনী যিয়ে ধূম্রলোচন, চণ্ড মুণ্ডাসুৰ সংহাৰিণী, যিয়ে ৰক্তবীজৰ বিনাশ কৰিছিল, যি মহাশক্তি শুম্ভ-নিশুম্ভাসুৰ বিনাশিনী আৰু সিদ্ধিদাত্রী, যি নবকোটি সহচৰী পৰিবৃতা, সেই জগদীশ্বৰী দেৱীয়ে আমাক ৰক্ষা কৰক।

বেদ-উপনিষদৰ পিচতে সংস্কৃত সাহিত্যৰ ভঁৰাল চহকী কৰিছে পু�ৰাণ সাহিত্যৰ সৃষ্টিয়ে। এই পুৰাণসমূহৰ লগত সম্পৃক্ত হৈ আছে প্ৰাচীন ভাৰতৰ সংস্কৃতি, ধর্ম-কর্ম ইত্যাদি বিভিন্ন কথা। সেই পুৰাণসমূহৰ ভিতৰত ওঠৰখনে মহাপুৰাণ হিচাপে প্রসিদ্ধি লাভ কৰিছে। শ্রীশ্রীচণ্ডী গ্রন্থখন সপ্তম মহাপুৰাণ মার্কণ্ডেয় পুৰাণৰ অন্তর্গত। বিভিন্ন বিষয়ৰ ওপৰত লিখিত এই পুৰাণৰ প্রথমভাগত বিন্ধ্য পর্বতবাসী চাৰিটি পক্ষীৰ কথা, দ্বিতীয় ভাগত মার্কণ্ডেয় মুনিৰ শিষ্য ক্রোষ্টুকীৰ সৈতে কথোপকথন, লগতে শ্রীশ্রীচণ্ডীৰ মাহাত্ম্য বর্ণন আৰু শেষৰ ভাগত সূর্যৰ বর্ণনাৰ লগতে বিভিন্ন ৰজা-মহাৰজাৰ আখ্যানেৰে সমৃদ্ধ হৈ আছে। একাশীতম অধ্যায়ৰ পৰা ৯৩তম অধ্যায়লৈ মুঠ তেৰটা অধ্যায়ৰ মাজেৰে বর্ণিত শ্রী শ্রীচণ্ডীৰ মাহাত্ম্য মূলতঃ তিনিখন যুদ্ধৰ বর্ণনাৰে সুন্দৰভাৱে উপস্থাপন কৰিছে।

মধুকৈটভ বধ, মহিষাসুৰ বধ, শুম্ভ-নিশুম্ভ বধ, ধূম্রলোচন, ৰক্তবীজ, চণ্ডমুণ্ড আদি অসুৰ বধৰ কাহিনীৰ লগতে দেৱতাৰ দ্বাৰা দেৱীৰ স্তৱ প্রার্থনা আদিৰে সমৃদ্ধ।

মার্কণ্ডেয় মুনিয়ে ক্রৌষ্টুকী মুনিক সূর্যপুত্র সাবর্ণিক মনুৰ জন্মৰ লগতে দেৱী মহামায়াৰ কৃপাৰে কিদৰে নৃপতি হৈছিল সেই কথা অৱগত কৰিছিল। পূর্বতে চৈত্র বংশত জন্মগ্রহণ কৰা সুৰথ নামৰ ৰজা এগৰাকীয়ে নিজৰ পৰাক্রমৰ দ্বাৰা অন্যান্য শত্রুসকলক



পৰাভূত কৰি সমগ্ৰ পৃথিৱী নিজৰ দখলত আনে। কালচক্ৰত ৰজাই ৰাজপাৰিষদৰ বিশ্বাসঘাতকতাত নিজ ৰাজ্য এৰি বনবাসী হ'ব লগাত পৰে। প্ৰথমে তেওঁ মেধস্ নামৰ মুনি এগৰাকীৰ আশ্ৰমত থাকিবলৈ লয়। সেই আশ্ৰমতে সমাধি বৈশ্য নামৰ সদাগৰ এগৰাকীৰ সৈতে তেওঁৰ পৰিচয় হয়, তেৱোঁ পৰিয়ালৰ লোকৰ দ্বাৰা পীড়িত। দুয়োজনে ঋষিৰ ওচৰত শৰণাপন্ন হৈ মায়া-মোহে আৱৰি থকা তেওঁলোকৰ অৱস্থাৰ পৰা পৰিত্ৰাণ সম্পৰ্কে কিছু জানিবলৈ বিচাৰে। ঋষিয়ে জানিবলৈ দিয়ে-সংসাৰৰ স্থিতিকাৰিণী মহামায়ৰ প্ৰভাৱতে জীৱগণে মোহৰূপ আবৰ্তত নিক্ষিপ্ত হয়। সেই মহামায়া নিত্যা যেতিয়া দেৱগণৰ প্ৰয়োজন হয়, দেৱী আবিৰ্ভূতা হৈ সকলো কাৰ্য সমাধা কৰে। প্ৰলয়কালত পৃথিৱী এক বিৰাট সমুদ্ৰত পৰিণত হোৱাৰ সময়ত বিষ্ণুৱে যোগনিদ্ৰাত নিমগ্ন হয়। নিদ্ৰিত অৱস্থাত বিষ্ণুৰ নাভিকমলৰ পৰা ব্ৰহ্মাৰ জন্ম হয়। সেই সময়তে বিষ্ণুৰ কাণৰ মলিৰ পৰা মধু আৰু কৈটভ নামে দুই অসুৰৰ জন্ম হয়। এই মহা পৰাক্ৰমী অসুৰদ্বয়ে ব্ৰহ্মাক মাৰিবলৈ উদ্যত হয়। ভয়াৰ্ত ব্ৰহ্মাই মহামায়া দেৱীৰ স্তুতি কৰিবলৈ ধৰিলে। ব্ৰহ্মাৰ স্তুতিত সন্তুষ্ট হৈ যোগনিদ্ৰাৰূপী মহামায়াই বিষ্ণুক নিদ্ৰিত অৱস্থাৰ পৰা জাগ্ৰত কৰিলে। বিষ্ণুৱে সাৰ পাই দুই অসুৰৰ ব্ৰহ্মাৰ প্ৰতি পৰাক্ৰমী আক্ৰমণ প্ৰতিহত কৰাৰ বাবে যুদ্ধত নামে। পাঁচ হাজাৰ বছৰ যুদ্ধৰ অন্তত ভগৱান বিষ্ণুৰ উৰুস্থলত দুই অসুৰক নিধন কৰে।

পূৰ্বতে যেতিয়া পুৰন্দৰ দেৱগণৰ অধীশ্বৰ আছিল সেই সময়ত মহিষাসুৰ অসুৰসকলৰ ৰজা আছিল। সম্পূৰ্ণ এশ বছৰ দেৱতা আৰু অসুৰৰ যুদ্ধৰ পিছত দেৱগণক পৰাভূত কৰি মহিষাসুৰে ৰাজপাট দখল কৰে। তেতিয়া ব্ৰহ্মাই দেৱগণৰ সৈতে বিষ্ণু আৰু শিৱৰ ওচৰলৈ গৈ মহিষাসুৰৰ কথা সবিস্তাৰে বৰ্ণনা কৰে। ব্ৰহ্মাপ্ৰমুখ দেৱগণৰ মুখে এই কথা শুনি ভগৱান বিষ্ণু আৰু মহাদেৱ ক্ৰোধিত হয় আৰু ভীষণ আকাৰ হৈ পৰা মুখমণ্ডলৰ পৰা মহাতেজ নিৰ্গত হ'বলৈ লাগিল। তেতিয়া ব্ৰহ্মাপ্ৰমুখ অন্য দেৱগণৰ পৰাও মহাতেজ নিঃসৰিত হৈ একত্ৰিত হৈ জ্বলন্ত পৰ্বতসদৃশ হৈ পৰিল। ইয়াৰ পিছত সেই তেজৰাশিৰ পৰাই এক অনুপম নাৰীমূৰ্তিৰ আবিৰ্ভাৱ হয়। সেই তেজোময় দেৱী দেৱতাসকলৰ দ্বাৰা প্ৰেৰিত অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত হৈ জগৎমাতা দুৰ্গাই অট্টহাস্য আৰু হুংকাৰ কৰিবলৈ ধৰিলে। তেওঁৰ গোৰ গৰ্জনে সমগ্ৰ আকাশ-বতাহ পৰিপূৰ্ণ কৰি ভীষণ প্ৰতিধ্বনি উঠিল। মহিষাসুৰে সেই শব্দাভিমুখে গৈ ত্ৰিভুৱন আলোকিত দুৰ্গাদেৱী দৰ্শন কৰি যুদ্ধত প্ৰবৃত্ত হ'ল। মহিষাসুৰৰ শত-সহস্ৰ সৈন্য ৰণত পৰিল। দেৱীয়ে ৰণক্ষেত্ৰত নিজৰ নিশ্বাসৰ পৰাই লক্ষ লক্ষ দেৱী সৈন্যত পৰিণত হ'ল। সৰ্বশেষত মহিষাসুৰ দেৱীৰ সৈতে যুদ্ধত নামে। চণ্ডিকা দেৱীয়ে মহিষাসুৰৰ ওপৰত প্ৰথমে পাশ নিক্ষেপ কৰি বান্ধি লয়। পাশবদ্ধ হৈ মহিষাসুৰে মহিষ ৰূপ সলনি কৰি সিংহ ৰূপ ধাৰণ কৰে। দেৱী অম্বিকাই অৱশেষত শূলৰ দ্বাৰাই মহিষাসুৰক বধ কৰে। মহিষাসুৰ বধৰ পাছত দেৱতাসকলে দেৱীৰ জয়ধ্বনি কৰাৰ লগতে দেৱীৰ স্তৱ আৰম্ভ কৰে।

এসময়ত শুম্ভ আৰু নিশুম্ভ নামৰ মহাপৰাক্ৰমী অসুৰ ভাতৃদ্বয়ৰ দ্বাৰা ত্ৰাসিত হৈ দেৱতাসকলে হিমালয়ত মিলিত হৈ বিষ্ণুমায়াৰ স্তুতি কৰিছিল। সেই সময়ত দেৱী পাৰ্বতী দেৱগণৰ সন্মুখেৰে জাহ্নবীৰ পানীত স্নান কৰিবলৈ গৈ আছিল। পাৰ্বতীয়ে দেৱতাসকলক প্ৰাৰ্থনাৰ কথা সুধিলত, পাৰ্বতীৰ দেহৰ কোষৰ পৰাই আদ্যাশক্তি শিৱা আবিৰ্ভূতা হৈ ক'লে যে দেৱতাসকলে শুম্ভ-নিশুম্ভৰ দ্বাৰা পৰাজিত আৰু বিতাৰিত হৈ তেওঁৰে স্তৱ পাঠ কৰি আছে। দেহৰ কোষৰ পৰা জন্ম বাবে দেৱীক কৌশিকী বুলিও ত্ৰিলোকে জ্ঞাত। অম্বিকাৰ সেই মনোহৰ ৰূপ শুম্ভ-নিশুম্ভৰ অনুচৰ চণ্ডমুণ্ডই দেখিবলৈ পাই অসুৰপতিক সেই সম্পৰ্কে বিষদভাৱে জনালে। চণ্ডমুণ্ডৰ কথা শুনি বিবাহৰ প্ৰস্তাৱ দি দূত প্ৰেৰণ কৰে অসুৰপতি শুম্ভই। দূতৰ কথা অগ্ৰাহ্য কৰা দেৱী মহামায়াৰ ওচৰলৈ ধূম্ৰলোচনক পঠায়। দৈত্যনায়ক ধূম্ৰলোচনৰ লগত দেৱীৰ যুদ্ধ হয় আৰু সেই যুদ্ধত ধূম্ৰলোচন নিহত হয়। শুম্ভৰ আদেশমৰ্মে চণ্ডমুণ্ডপ্ৰমুখ দৈত্যগণ দেৱীৰ উদ্দেশ্যে যায় যদিও যুদ্ধত পৰাজিত হৈ চণ্ড আৰু মুণ্ড দৈত্য দুয়োজন নিহত হয়। তেতিয়াৰ পৰা দেৱী চামুণ্ডাৰূপে বিখ্যাত হয়। তেনেদৰে মহাপ্ৰতাপী ৰক্তবীজ যুদ্ধত নিহত হয়। যুদ্ধত ৰক্তবীজ আৰু অন্যান্য দৈত্যগণ নিহত হোৱাৰ সংবাদে শুম্ভ-নিশুম্ভক অতিশয় ক্ৰোধান্বিত কৰি তুলিছিল আৰু ক্ৰোধত অধীৰ হৈ সসৈন্যে দেৱীৰ ওচৰলৈ দুয়ো ধাৰিত হয়। দুয়োজনে দেৱী চণ্ডীকাৰ সৈতে ঘোৰ যুদ্ধত লিপ্ত হয় যদিও পৰাজিত হৈ মৃত্যুবৰণ কৰে। এনেদৰে শুম্ভ-নিশুম্ভক বধ কৰি দেৱীয়ে দেৱতাসকলৰ হৃদয়ত আনন্দ দিলে।

এনেদৰে শ্ৰীশ্ৰীচণ্ডী গ্ৰন্থখনৰ মাজেৰে দেৱীৰ অপাৰ মহিমা প্ৰকাশ পাইছে। সাহিত্যৰ ফালৰ পৰাও গ্ৰন্থখনক উচ্চ পৰ্যায়ৰ বুলি ক'ব পৰা যায়। ইয়াৰ বিষয়বস্তুৰ মাজেৰে সকলোৰে মনত ধৰ্মীয় ভাব জগাই তুলিব পাৰিছে।

'যা দেৱী সর্বভূতেষু মাতৃৰূপেন সংস্থিতা

নমস্তস্যৈ(৭১)নমস্তস্যৈ(৭২)নমস্তস্যৈনমোনমঃ।।' (৭৩)

উক্ত শ্লোকত বর্ণনা কৰাৰ নিচিনাকৈ দেৱী দুর্গা সকলোৰে বাবে মাতৃস্বৰূপা দেৱী। তেৱেঁই জগতৰ পালিকা, পোষিকা, পৰমাজ্ঞানী, জাগতিক কর্মসাধিকা। ইয়াৰ ছন্দ আৰু অলংকাৰৰ সংযোজন মন কৰিবলগীয়া। সকলোৰে মনোগ্রাহী হোৱাকৈ সুমিষ্ট শব্দৰে বর্ণনা কৰা দেৱীৰ ৰূপ অতি প্রশংসনীয়। তদুপৰি যুদ্ধৰ বর্ণনাই ইয়াৰ ভয়াৱহতা দেখুৱাবলৈও সমর্থ হৈছে।

'উৎপত্য চ প্রগৃহ্যোচ্চৈদেবী; গগনমাস্থিতঃ।

তত্রাপি সা নিৰাধাৰা যুযুধে তেন চণ্ডিকা।।' ১০/২২

(শুম্ভই দেৱীক লৈ ওপৰলৈ জঁপিয়াই আকাশলৈ উঠিল, তেতিয়া চণ্ডিকায়ো আকাশতে শুম্ভৰ সৈতে যুদ্ধত নামিল।)

চণ্ডী গ্রন্থখনত সন্নিবিষ্ট হোৱা কাহিনী তিনিটাই ভিন্ন, দেৱীয়ে ভিন্ন ৰূপেৰে ভিন্ন নামেৰে অসুৰক দমন কৰি ত্রিলোকত শান্তি প্রতিষ্ঠা কৰিছে। ভক্তসকলৰ মনৰ অভীষ্ট সিদ্ধিৰ বাবে যেতিয়াই প্রয়োজন আবির্ভূতা হৈছে।

"দেবানাং কার্যসিদ্ধ্যর্থমাবির্ভবতি সা যদা।। ৬৫

উৎপন্নেতি তদালোকে সা নিজাপ্যভিধীয়তে।। ৬৬

(অর্থাৎ যেতিয়া তেওঁ দেৱগণৰ কার্যসিদ্ধিৰ কাৰণে আবির্ভূতা হয় স্বৰূপতে নিজা হ'লেও তেওঁ এই পৃথিৱীতে উৎপন্না এইবুলি অভিহিত হয়।)

এইখিনিতে শ্রীশ্রীচণ্ডী গ্রন্থখনৰ শ্রীমদ্ভাগৱত গীতা গ্রন্থখনৰ লগত সাদৃশ্য দেখিবলৈ পাওঁ। গীতাখনতো ভগৱান কৃষ্ণই অধর্মৰ পৰাজয় কৰি ধর্মৰ জয় দেখুৱাবলৈ যুগে যুগে জন্ম লভিব বুলি ব্যক্ত কৰিছে—

"যদা যদাহি ধর্মস্য গ্লানির্ভবতি ভাৰত।

অভ্যুত্থানম্ অধর্মস্য তদাত্মং সৃজম্যহম্।।

পৰিত্রাণায় সাধুনাং বিনাষয়চ দুস্কৃতিম।

ধর্মাসংস্থাপনার্থয় সম্ভৱামি যুগে যুগে।।"

বাস্তৱ দৃষ্টিভংগীৰ পৰা চাবলৈ গ'লে আমি দেখিবলৈ পাওঁ সেই দেৱীয়ে প্রকৃতি পৰমাশক্তি। যুগে যুগে এই শক্তিয়ে প্রত্যেকজনা নাৰীৰ মাজেৰে প্রকট হৈ সুস্থ সমাজ গঢ়াত অৱদান আগবঢ়াই আহিছে। যেতিয়া মহিষাসুৰে শুম্ভ-নিশুম্ভ ইত্যাদি অসুৰৰূপী অপশক্তিয়ে ত্রিভুৱন গ্রাস কৰিছিল, তেতিয়া ব্রহ্মা-বিষ্ণু-মহেশ্বৰ আদিকে ধৰি অন্যান্য দেৱতাসকলৰ মিলিত শক্তিৰ পৰা আবির্ভূতা দেৱীয়ে দেৱতাসকলৰ দ্বাৰা প্রেৰিত অস্ত্রৰে সুসজ্জিত হৈ যুদ্ধক্ষেত্রলৈ অগ্রসৰ হৈছে।

অন্যৈৰপি সুৰৈর্দেবী ভূষনৈৰায়ুধৈস্তথা। ২/৩১

সন্নানিতা ননাদোচ্চৈঃ সাট্টহাস্যং মুহুর্মুহুঃ।।

(অর্থাৎ অন্যান্য দেৱগণৰ দ্বাৰা অলংকৃত আৰু অস্ত্রাদিৰ দ্বাৰা সম্পূজিতা হৈ জগৎমাতা দুর্গাই অট্টহাস্য আৰু হুংকাৰ কৰিবলৈ ধৰিলে।)

এই গ্রন্থখনৰ পৰা আমি এইখিনি উপলব্ধি কৰিব পাৰো যে বর্তমান সময়তো অপশক্তিৰ বিৰুদ্ধে যুঁজিবলৈ হ'লে আমি সকলোৱে মিলিত শক্তিৰে অগ্রসৰ হ'বই লাগিব। "সংহতি কার্যসাধিকা"।।

"যা দেৱী সর্বভূতেষু শক্তিৰূপেন সংস্থিতা।

নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।।" ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা

মহিষাসুৰৰ জন্ম আৰু দেৱী দুৰ্গাৰ আবিৰ্ভাৱ

যাদৱানন্দ চহৰীয়া

প্রাচীন কালৰে পৰাই ভাৰতবৰ্ষত শক্তিৰ উপাসনাৰ প্রচলন হয়। মঠ-মন্দিৰ, শক্তিপীঠ, শিলালিপি, তাম্রলিপিসমূহে প্রকৃত নিদর্শন দাঙি ধৰে যে প্রাক্ঐতিহাসিক যুগৰে পৰা আমাৰ দেশত শক্তি পূজাই প্রাধান্য বিস্তাৰ কৰিছিল। 'জড়' আৰু 'জীৱ' সকলোতে এই শক্তি বিদ্যমান। পণ্ডিত আৰু গৱেষকসকলৰ মতে সৃষ্টি, স্থিতি আৰু প্রণয়ৰ মূল ধাৰণা হৈছে— আদ্যশক্তি। এই আদ্যশক্তিকেই মূলত প্রণয়ৰ মূল ধাৰণা বুলি কোৱা হয়। হিন্দু শাস্ত্রত এই দুৰ্গাৰ শক্তি অতি প্রৱল। এই দেৱীয়েই হ'ল ন্যায়ৰ প্রতীক, দুষ্টক দমন কৰে আৰু শান্ত সাধুক পালন কৰে। লোকবিশ্বাসত বশৱর্তী হৈ আজিও সমগ্র ভাৰতবৰ্ষতে এই দেৱীক পূজা কৰা হয়।

বেদ, উপনিষদ, পুৰাণৰ পাত লুটিয়াই দেখা যায় যে সৃষ্টি পাতনিৰে পৰা দেৱতা আৰু অসুৰৰ মাজত এক অহি-নকুল সম্পর্ক, যাৰ ফলতেই দুয়োপক্ষৰ মাজত সৃষ্টি হৈছে অলেখ সংঘাত, দ্বন্দ্ব বা কাজিয়া। আসুৰিক শক্তি, দৈৱশক্তিৰ ওচৰত কেতিয়াও হাৰ মানিব নোখোজে। সেয়েহে স্বর্গ, মর্ত্য, পাতাল তিনিও লোকতে বিৰাজমান দুয়ো শক্তিৰ মাজত থৈয়া-নথৈয়া ৰণ।

মহিষাসুৰৰ আবির্ভাৱ আৰু দেৱতাসকলৰ স্বর্গ ত্যাগ ঃ

'কালিকা পুৰাণ' পুথিত বর্ণিত আছে যে পুৰণি কালত ৰম্ভাসুৰ নামৰ এজন প্রবল প্রতাপী অত্যাচাৰী অসুৰৰ পৰাক্রমত স্বর্গৰ দেৱতাসকল শংকিত হৈ থাকিবলগীয়া হৈছিল। ৰম্ভাসুৰ শিৱভক্ত আছিল আৰু শিৱই সেই অসুৰৰ প্রতি সন্তুষ্ট হৈ এটি বৰ দিব খুজিছিল। শিৱক প্রণাম জনাই লগে লগে ৰম্ভাসুৰে বৰ মাগিলে— 'প্রভু, মই যেন তিনিওলোক বিজয়ী এটি পুত্র সন্তান লাভ কৰো।' মহাদেৱে 'তথাস্তু' অর্থাৎ সেয়ে হ'ব বুলি বৰ দি কৈলাসলৈ গুচি গ'ল। উক্ত বৰৰ ফলস্বৰূপে ৰম্ভাসুৰে এটি পুত্র সন্তান লাভ কৰিলে আৰু সেই সন্তানেই হ'ল মহিষাসুৰ। কালক্রমত মহিষাসুৰো পিতৃৰ দৰে পৰাক্রমী হ'বলৈ ধৰিলে। মহিষাসুৰ ব্রহ্মাভক্ত হ'ল আৰু ব্রহ্মাৰ বৰৰ ফলত অমৰত্ব লাভ কৰিলে। মহিষাসুৰেও পিতৃৰ আর্হিকে অনুকৰণ কৰিলে আৰু ক্রমে প্রবল প্রতাপী আৰু অত্যাচাৰী হ'বলৈ ধৰিলে। মহিষাসুৰৰ অত্যাচাৰ আৰু পৰাক্রমত তিনিওলোক থৰ-হৰি কম্পমান হ'ল। আনকি স্বর্গৰ দেৱতাসকলৰো থান-থিত নোহোৱা হ'ল।

আনহাতে ৰাহ পুৰাণত বর্ণিত আছে যে 'বিপ্রচিত্তি' নামে এজন অত্যাচাৰী দৈত্য আছিল। এই দৈত্যৰ জীয়ৰী আছিল 'মহিষ্মতী'। মহিষ্মতীয়ে এজনী মাইকী ম'হৰ ৰূপ লৈ 'সিন্ধুদ্বীপ' মুনিৰ তপস্যা ভংগ কৰিছিল। মুনিয়ে খঙত উগ্রমূর্তি ধৰি তাইক ম'হ হ'বলৈ অভিশাপ দিছিল। কালক্রমে মহিষ্মতীৰ গর্ভতে জন্ম হৈছিল মহিষাসুৰৰ।

চাওঁতে চাওঁতে ব্রহ্মাৰ ৰৰৰ বলত মহিষাসুৰ অত্যাচাৰী হ'বলৈ ধৰিলে। দীর্ঘদিন ধৰি দেৱতাসকলৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে আৰু শেষত যুদ্ধত দেৱতাসকলক পৰাভূত কৰি মহিষাসুৰে স্বর্গ দখল কৰিলে।

শক্তিৰ আধাৰ মহামায়া দুর্গা ঃ

দেৱলোক ত্যাগ কৰি অসুৰৰ ভয়ত দেৱতাসকলে মৰতলৈ নামি আহি অনাই-বনাই ঘূৰি ফুৰিব ধৰিলে। উপায়হীন হৈ দেৱতাসকলে ব্রহ্মাক লগত লৈ মহাদেৱ আৰু বিষ্ণুৰ ওচৰ চাপিল। দেৱতাসকলে সকলো বিৰৰি কৈ শিৱ আৰু বিষ্ণুক মিনতি কৰিব ধৰিলে। বিষ্ণু আৰু শিৱৰ মন কুমলীল আৰু লগে লগে ব্রহ্মা, বিষ্ণু, শিৱ এই ত্রিমূর্তিৰ মুখমণ্ডলৰ পৰা মহাতেজ নির্গত হ'ল। অন্যান্য ইন্দ্র, বৰুণ আদি দেৱতাসকলৰ পৰাও মহাতেজ নির্গত হৈ 'কাত্যায়ন' মুনিৰ আশ্রমত পঞ্জীভূত হ'ল। পঞ্জীভূত তেজৰাশিত বৰুণ, বায়ু, ইন্দ্র, যম আদি দেৱতাসকলে বিভিন্ন অংগ প্রদান কৰাত এক জ্যোতিষ্মান নাৰীমূর্তিৰ আবির্ভাৱ হ'ল। এই নাৰী মূর্তিয়েই হ'ল আই ভগৱতী শ্রীশ্রীদুর্গা।

কাত্যায়ন মুনিৰ অভিশাপ ঃ

দিব্য মোহময়ী দেৱী মূর্তিক দেৱতাসকলে নানা অস্ত্রেৰে বিভূষিতা কৰিলে। লগে লগে দেৱতাসকলে প্রদত্ত অস্ত্র আৰু অলংকাৰেৰে সু-সজ্জিতা দেৱীয়ে বাৰে বাৰে অট্টহাস্য কৰিবলৈ ধৰিলে। দেৱীৰ এই অট্টহাস্য স্বর্গ, মর্ত্য, পাতাল প্রভৃতি তিনিও লোকতে শুনিবলৈ পোৱা গ'ল। ইফালে কাত্যায়ন মুনি ঘোৰ তপস্যাত মগ্ন হৈ থকাত মহিষাসুৰৰ চিন্তা হ'ল যে মুনিয়ে হয়তো স্বর্গৰাজ্য প্রাপ্তিৰ বাবে ধ্যানত বহিছে। অত্যাচাৰী মহিষাসুৰ অতি মায়াৱীও আছিল আৰু এক দিব্য নাৰীৰ ৰূপ ধৰি মুনিৰ ধ্যান ভংগ কৰিব ওলাল। কিন্তু মুনিয়ে ধ্যান যোগে দিব্য ৰমণীৰ প্রকৃত পৰিচয় বুজিব পাৰি মহিষাসুৰক অভিশাপ দিলে— 'মহাপাপী, মহিষাসুৰ, যি মোহময়ী নাৰীৰ ৰূপ ধৰি মোৰ তপস্যা ভংগ কৰিবলৈ ওলাইছ, তেনে নাৰী মূর্তিৰ হাততে তোৰ মৃত্যু অনিবার্য।'

দেৱী-মহিষাসুৰৰ যুদ্ধ আৰু মহিষাসুৰ বধ ঃ

দেৱতাসকলৰ দ্বাৰা সৃষ্টি হোৱা দিব্য নাৰীমূর্তিৰ অট্টহাস্য মহিষাসুৰে শুনিবলৈ পালে আৰু তৎক্ষণাৎ সৈন্য-সামন্ত লৈ দেৱীক আক্রমণ কৰিব ওলাল। কিন্তু দেৱীৰ লগত যুদ্ধ কৰি কৰি লক্ষ লক্ষ অসুৰ সেনা নিহত হ'ল। উপায়হীন হৈ মহিষাসুৰে নিজে দেৱীৰ লগত যুদ্ধত নামিল। মহামায়া দুর্গা দেৱীয়ে মহিষাসুৰক নাগপাশেৰে বান্ধি পেলালে আৰু তেতিয়া মায়াবী অসুৰে এটি ম'হৰ আকৃতি ল'লে। ম'হৰ আকৃতিৰ পিছত মুহূর্ততে অসুৰে সিংহৰ আকৃতি ল'লে— দেৱীয়ে সিংহৰ মূৰ ছেদন কৰাত অসুৰে খড়গধাৰী পুৰুষক ছেদন কৰিলে, অসুৰে তেতিয়া এটি হাতীৰ ৰূপ ল'লে। মহামায়াই ততালিকে হাতীৰ মূৰ কাটি পেলালে, পুনৰ মহিষাসুৰে ম'হৰ ৰূপ ধৰি মহাক্রোধে দেৱীক খেদি আহিল। দেৱীয়ে অট্টহাস্য কৰি মহিষাসুৰৰ ডিঙিত ভৰিৰে হেঁচি ধৰিলে। দেৱীয়ে ত্রিশূলেৰে অসুৰৰ বুকুত আঘাত কৰাৰ লগে লগে তাৰ মুখৰ পৰা অন্য এক মহাসুৰ ওলাই দেৱীৰ লগত পুনৰ যুদ্ধত লিপ্ত হ'ল। দেৱীয়ে এইবাৰ খড়গৰ দ্বাৰা অসুৰক আক্রমণ কৰিলে আৰু লগে লগে অন্যান্য অসুৰ সেনাবিলাক ৰণথলীৰ পৰা পলাই-পত্রং দিলে। মহিষাসুৰে এইবাৰ একেবাৰে নিৰস্ত্র হ'ল আৰু দেৱীয়ে শূলেৰে হানি অসুৰক নিধন কৰিলে। দেৱতাসকলৰ মাজত আনন্দৰ ৰোল উঠিল। ঋষি, মুনিসকলে কৰযোৰে দেৱীক স্তুতি কৰিব ধৰিলে। গন্ধর্ব, কিন্নৰ আৰু উর্বশী প্রভৃতি অপেশ্বৰীসকলে দেৱী বিজয়ৰ নৃত্য আৰম্ভ কৰিব ধৰিলে। স্বর্গ, মর্ত্য, পাতাল তিনিওলোকে আনন্দত মুখৰিত হ'ল। ইয়াৰ লগে লগে মৰতত অর্থাৎ মানৰ সমাজৰ মাজত দেৱী পূজা বা দুর্গা পূজাৰো সূত্রপাত হয়।

মহাকাব্য ৰামায়ণত দেৱী ঃ

উল্লেখযোগ্য যে মহর্ষি বাল্মীকি ৰচিত ৰামায়ণত ৰামে শক্তি পূজা কৰাৰ উল্লেখ নাই। কিন্তু কৃত্তিবাসী ৰামায়ণত ৰামচন্দ্রই ৰাৱণক নিধন কৰিবলৈ দুর্গা দেৱীৰ পূজা কৰাৰ বিস্তীর্ণ বর্ণনা পোৱা যায়। এই ক্ষেত্রত কোৱা বাহুল্য যে মহাকবি কৃত্তিবাসে দেৱী পূৰাণ, দেৱী ভাগৱত আদি গ্রন্থৰ পৰা সংযোজন কৰি ৰামৰ শক্তি পূজাৰ বিশেষ বর্ণনা তেওঁৰ ৰামায়ণত দাঙি ধৰিছে। অসমীয়া মাধৱ কন্দলী ৰামায়ণতো ইয়াৰ ব্যতিক্রম হোৱা দেখা যায়। বাল্মীকি ৰামায়ণৰ দৰে কন্দলী ৰামায়ণতো ৰামৰ অকাল বোধন, হনুমানৰ চণ্ডী পূজা আদিৰ উল্লেখ নাই। কৃত্তিবাসী ৰামায়ণত বর্ণিত মতে ৰাৱণ ঘোৰ শাক্ত আছিল আৰু তেওঁৰ ৰাজ্য লংকাত শক্তি পূজাৰ প্রচলন আছিল। কিয়নো সীতাৰ বার্তা ল'বলৈ হনুমানে লংকাপুৰী দর্শন কৰিবলৈ যাওঁতে তাত থকা স্বর্ণ মন্দিৰৰ ভয়ংকৰ দেৱী মূর্তি দেখি হনুমান বিস্মিত হৈছিল।



‘চতুর্ভুজা শ্যামাবর্ণা দেৱী ত্রিনয়না।
অট্ট-অট্টহাস্য মুখে ৰুধিৰ বদনা।।
মুণ্ডমালা শোভে গলে আহা মৰি মৰি
মাণ্ডাৰ কুসুমমালা যায় বলিহাৰী।।
শঙ্খ ঘণ্টা আদি দেৱী কৰিছে বদন।
দিগম্বৰী নৃত্য কৰে প্রফুল্ল বদনে।।
শ্যামা মুখে নিৰন্তৰ ৰাৱণেৰ জয়।
দেখিয়া মাৰুতি তাহা হইলা বিস্ময়।।’ (কৃত্তিবাসী ৰামায়ণ)

আনহাতে বৃহন্নান্দিকেশ্বৰ পুথিত ৰজা ৰামচন্দ্রই দুর্গা পূজা কৰাৰ কথাৰ প্রমাণিক বিৱৰণ পোৱা যায়। উক্ত পুৰাণ বা পুথিখনিৰ মতে ৰামৰ জয় আৰু ৰাৱণৰ পৰাজয় কামনা কৰি ব্রহ্মাই শৰৎ কালত নিশাদেৱীৰ বোধন কৰিছিল। ব্রহ্মাৰ পূজাত সন্তুষ্টি হৈ আহিন মাহৰ শুক্ল পক্ষত টোপনিৰ পৰা সাৰ পাই দেৱীয়ে এসপ্তাহ কাল অতিবাহিত কৰি ৰাম ৰাৱণৰ যুদ্ধৰ গতি-বিধি অধ্যয়ন কৰে। প্রতিদিনে প্রচুৰ পৰিমাণে ৰাক্ষস আৰু বান্দৰ আদিৰ ৰক্ত মাংস ভক্ষণ কৰি দেৱীয়ে পৰম তৃপ্তি লাভ কৰে। ইয়াৰ এসপ্তাহৰ পিছত দেৱীয়ে ৰামৰ হতুৱাই ৰাৱণক নিধন কৰে। ত্রিলোকৰ বৈৰী ৰাৱণ নিধন হোৱাত নৱমী তিথিৰ দিনা ব্রহ্মাই দেৱতাসকলৰ সৈতে জগত মাতাৰ পূজা সমাপন কৰে আৰু দশমীৰ দিনা দেৱীক বিদায় দিয়ে। বৃহন্নাদিকেশ্বৰ পুৰাণত আকৌ এইবুলি উল্লেখ আছে যে ‘স্বাতী’ নক্ষত্রযুক্ত তৃতীয় তিথিত ৰাম-ৰাৱণৰ যুদ্ধই ভয়ংকৰ ৰূপ লয়। অনিশ্চয়তাৰ আশংকাত দেৱৰাজ ইন্দ্র বিষণ্ণ হৈ পৰে। দেৱীয়ে তেতিয়া ইন্দ্রক অভয় প্রদান কৰে। শ্রাবণ্য নক্ষত্রযুক্ত দশমী তিথিত দেৱী বিসর্জন শান্তি আদিৰ পিছতহে ৰাম-লক্ষ্মণক সাদৰ সম্ভাষণ জনাই দেৱৰাজ ইন্দ্রই বিদায় লয়।

ভাৰতবর্ষত অতীতৰ পৰাই শক্তি বা দুর্গাক বিভিন্ন ধৰণে কল্পনা কৰি অহা হৈছে। দুর্গা, পার্বতী, ভদ্রা, কালী, জগদ্ধাত্রী, শিৱদূত্রী, চণ্ডী, তাৰা, কাত্যায়নী, দশভুজা আদি ভিন ভিন নামেৰে দেৱী মহামায়া জগত বিদিতা। এই দেৱীয়েই হ’ল আই ভগৱতী শান্তিদায়িনী, মাতৃৰূপিণী, জগতজননী।

পুৰণি অসমত কেতিয়াৰ পৰা দুর্গা পূজাৰ প্রচলন হয়, তাক থিৰাংকৈ কোৱা টান। অসমত দেৱী পূজা সন্দর্ভত কালিকাপুৰাণ, যোগিনীতন্ত্রত কামৰূপৰ উৎপত্তি আৰু স্থিতিৰ বিষয়ে বর্ণনা দিয়াৰ উপৰি কামৰূপৰ তীর্থস্থানসমূহৰ কথাও পোৱা যায়।

“কামৰূপং দেৱী ক্ষেত্রং বিদ্যাতেহন্যান্ন তৎসম্ম।

অন্যত্র বিৰলা দেৱী কামৰূপে গৃহে গৃহে।”

কামৰূপৰ কামাখ্যা দেৱী শ্রীশ্রী দুর্গা মহামায়াৰ মাতৃৰূপিণী আৰু শান্তিদায়িনী ৰূপ।

প্রবল প্রতাপী আসুৰিক শক্তিৰ অধিকাৰী মহিষাসুৰক বধ কৰা বাবে দেৱী পৰিচিতা হ’ল ‘মহিষমর্দিনী’ ৰূপে। সমস্ত দুখ, শোক, মষিমূৰ কৰি দেৱতা আৰু মানৱৰ হিত সাধন কৰা বাবে দেৱী হ’ল ‘দুর্গতিনাশিনী’। দেৱী দুর্গা হ’ল সৃষ্টিৰ প্রতীক, সংহাৰ বা প্রলয়ৰো প্রতীক। কিন্তু দেৱী দুর্গাৰ সৃষ্টি হয় সংহাৰৰ বাবেই বা আসুৰিক শক্তি বিনাশৰ বাবে। সেয়েহে এক মহাশক্তিৰ আধাৰ স্ৱৰূপা মাতৃৰূপিণী, শান্তিদায়িনী মহামায়া দুর্গা ব্রহ্মশক্তিৰে নিজেই আদ্যশক্তিৰূপে বিৰাজ কৰি আছে। এনেহেন দেৱী মাতৃ, জগতজননী আই ভগৱতী, সিংহবাহিনী শ্রীশ্রী দুর্গাদেৱীক আমিও কোটি কোটিবাৰ সেৱা জনাওঁ—

‘যা দেৱী সর্ব্বভূতেষু শক্তিৰূপেন সংস্থিতা।
নমতস্যৈঃ নমতস্যৈঃ নমতস্যৈঃ নমো নমঃ।।’ ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক

মা দুর্গা ঃ আবির্ভাৱৰ পৰা বিসর্জনলৈ

টুটুমণি তালুকদাৰ কলিতা

পুৰাণ, শাক্ত সাধনা আৰু দুর্গা পূজাৰ পৰম্পৰা ঃ

সনাতন ধর্মৰ শাক্ত পৰম্পৰাত মা দুর্গা কেৱল এগৰাকী পূজিতা দেৱী নহয়; তেওঁ আদ্যাশক্তি, মহামায়া, জগজ্জননী আৰু অসুৰবিনাশিনী মহাশক্তিৰূপে আৰাধিতা। তেওঁ একাধাৰে মাতৃ, পালনকর্ত্রী, ৰক্ষাকর্ত্রী আৰু অধর্মবিনাশিনী। যুগে যুগে অধর্মৰ ওপৰত ধর্মৰ, অসত্যৰ ওপৰত সত্যৰ বিজয়ৰ যি আধ্যাত্মিক বাণী ভাৰতীয় সংস্কৃতিত প্রতিফলিত হৈ আহিছে, মা দুর্গাৰ উপাসনাৰ সৈতে সেই বাণী গভীৰভাৱে জড়িত। দুর্গা পূজাৰ সৈতে জড়িত পৌৰাণিক আখ্যান, শাক্ত সাধনা, মন্ত্র-তন্ত্র, পূজা-পদ্ধতি আৰু লোক-পৰম্পৰাই ভাৰতীয় সংস্কৃতিৰ এক বিশাল ঐতিহ্য বহন কৰি আহিছে। বিশেষকৈ মার্কণ্ডেয় পুৰাণৰ অন্তর্গত দেৱী-মাহাত্ম্য বা শ্রীশ্রীচণ্ডীত দেৱীৰ মহিমা, অসুৰবধ আৰু জগতৰ ৰক্ষাৰ বিস্তৃত বর্ণনা পোৱা যায়। সেই পৌৰাণিক আখ্যানৰ কেন্দ্রত আছে মহিষাসুৰৰ অত্যাচাৰ আৰু দেৱী দুর্গাৰ আবির্ভাৱ। উল্লেখযোগ্য যে আজিৰ দুর্গা পূজাৰ সকলো আচাৰ একেটা গ্রন্থৰ পৰা সম্পূর্ণৰূপে গঢ় লৈ উঠা নহয়। দেৱী-মাহাত্ম্যৰ পৌৰাণিক আখ্যান, বিভিন্ন পুৰাণ, ৰামায়ণীয় পৰম্পৰা, শাক্ত পূজা-পদ্ধতি আৰু আঞ্চলিক লোকাচাৰৰ সমন্বয়ত দুর্গা-উপাসনাৰ বহুমাত্রিক ৰূপ গঢ় লৈ উঠিছে।

মহিষাসুৰৰ অত্যাচাৰ আৰু দেৱীৰ আবির্ভাৱ ঃ

পৌৰাণিক আখ্যান অনুসৰি, ৰম্ভাসুৰৰ পুত্র মহিষাসুৰ আছিল এক পৰাক্রমী অসুৰ। কঠোৰ তপস্যাৰ দ্বাৰা তেওঁ ব্রহ্মাৰ পৰা এক বৰ লাভ কৰিছিল যে কোনো পুৰুষৰ হাতত তেওঁৰ মৃত্যু নহ'ব। এই বৰ লাভ কৰি মহিষাসুৰ অহংকাৰী হৈ উঠিল। নিজৰ অসীম শক্তিৰ বলত তেওঁ দেৱলোক আক্রমণ কৰি ইন্দ্রসহ দেৱতাসকলক স্বর্গৰ পৰা বিতাড়িত কৰিলে। দেৱতাসকলে তেতিয়া ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ ওচৰত আশ্রয় ল'লে। মহিষাসুৰৰ অত্যাচাৰত সমগ্র জগত অশান্ত হৈ পৰিছিল। দেৱতাসকলৰ তেজস্বী ক্রোধৰ পৰা নির্গত হোৱা ঐশ্বৰিক জ্যোতি একত্রিত হৈ আবির্ভাৱ ঘটিল এক অতুলনীয় মহাশক্তিৰ— দেৱী দুর্গাৰ। দেৱতাসকলে নিজৰ নিজৰ শক্তি আৰু অস্ত্র-শস্ত্র দেৱীক প্রদান কৰিলে। মহাদেৱে- ত্রিশূল, বিষ্ণুৱে- সুদর্শন চক্র, ইন্দ্রই- বজ্র আৰু ঘণ্টা, বায়ুৱে- ধনু-বাণ, বৰুণে- শংখ আৰু পাশ, অগ্নিয়ে- শক্তি, যমৰাজে- কালদণ্ড, বিশ্বকর্মাই- কুঠাৰ, পর্বতৰাজ হিমালয়ে- সিংহ বাহন প্রদান কৰিলে। দশভুজা ৰূপত বিভিন্ন অস্ত্র ধাৰণ কৰি সিংহৰ পিঠিত আৰোহণ কৰা দেৱী মহিষাসুৰৰ বিৰুদ্ধে যুদ্ধৰ বাবে সাজু হ'ল। দেৱী আৰু মহিষাসুৰৰ মাজত ভয়ংকৰ যুদ্ধ আৰম্ভ হ'ল। মহিষাসুৰ আছিল মায়াৱী আৰু যুদ্ধৰ সময়ত বিভিন্ন ৰূপ ধাৰণ কৰিছিল। মহিষাসুৰে যুদ্ধৰ মাজত মহিষ, সিংহ, হাতী আদি বিভিন্ন ৰূপ ধাৰণ কৰি দেৱীক আক্রমণ কৰিলে। দেৱী দুর্গাই মহিষাসুৰৰ প্রতিটো মায়াৱী ৰূপৰ আক্রমণ প্রতিহত কৰি অৱশেষত মহিষৰূপী অসুৰক ত্রিশূল আৰু অন্যান্য অস্ত্রৰে বধ কৰিলে। অধর্মী মহিষাসুৰৰ মৃত্যু হ'ল আৰু দেৱতাসকলে স্বর্গ ঘূৰাই পালে। এইদৰেই দেৱী দুর্গাই ত্রিলোকক অসুৰৰ হাতৰ পৰা ৰক্ষা কৰি 'মহিষাসুৰমর্দিনী' নামেৰে খ্যাত হ'ল। এই আখ্যানত দেৱীৰ বিজয় কেৱল এজন অসুৰৰ ওপৰত বিজয় নহয়; ই অধর্মৰ ওপৰত ধর্মৰ আৰু অশুভৰ ওপৰত শুভ শক্তিৰ বিজয়ৰ প্রতীক।

মা দুর্গাৰ নৱৰূপ- নৱদুর্গা ঃ

নৱৰাত্রিৰ পৰম্পৰাত আৰাধিত দেৱীৰ নটা ৰূপক নৱদুর্গা বুলি কোৱা হয়। এই নটা ৰূপ নটা দিনত আৰাধনা কৰাৰ পৰম্পৰা ভাৰতৰ বিভিন্ন অঞ্চলত প্রচলিত ঃ

- **শৈলপুত্রী ঃ** হিমালয়ৰ ঘৰত জন্মগ্রহণ কৰা বাবে তেওঁক শৈলপুত্রী বুলি জনা যায়। তেওঁ বৃষভৰ ওপৰত আৰোহণ কৰে আৰু হাতত ত্রিশূল ধাৰণ কৰে।
- **ব্রহ্মচাৰিণী ঃ** ভগৱান শিৱক পতিৰূপে পাবলৈ তেওঁ কঠোৰ তপস্যা (ব্রহ্মচর্য) কৰিছিল। তেওঁৰ এহাতে জপমালা আৰু আনহাতে কমণ্ডলু থাকে।
- **চন্দ্রঘণ্টা ঃ** তেওঁৰ কপালত অর্ধচন্দ্রৰ ঘণ্টাৰ দৰে চিহ্ন

থাকে। যুদ্ধৰ বাবে সদায় প্ৰস্তুত থকা এই ৰূপটোৱে ভক্তক সাহস প্ৰদান কৰে।

● **কুষ্মাণ্ডা ঃ** নিজৰ হাঁহিৰে ব্ৰহ্মাণ্ড সৃষ্টি কৰা বাবে তেওঁক কুষ্মাণ্ডা বোলা হয়। তেওঁ অষ্টভুজা আৰু সূর্য মণ্ডলৰ ভিতৰত বাস কৰে।

● **স্কন্দমাতা ঃ** কার্তিকৰ মাতৃ হোৱাৰ বাবে তেওঁ স্কন্দমাতা। তেওঁ কোলাত শিশু কার্তিকক লৈ সিংহৰ ওপৰত বহি থাকে।

● **কাত্যায়নী ঃ** মহর্ষি কাত্যায়নৰ আশ্ৰমত তেওঁৰ কন্যাৰূপে আৱির্ভাৱ হৈছিল। মহিষাসুৰক বধ কৰিবলৈ দেৱীয়ে এই উগ্ৰ ৰূপ ধাৰণ কৰিছিল।

● **কালৰাত্ৰি ঃ** এওঁ মা দুর্গাৰ আটাইতকৈ ভয়ংকৰ আৰু উগ্ৰ ৰূপ। কৃষ্ণ বর্ণৰ দেৱী কালৰাত্ৰিয়ে দুষ্টক দমন কৰে আৰু ভক্তক ভয়ৰ পৰা মুক্ত কৰে (যাৰ বাবে তেওঁক 'শুভংকৰী'ও বোলা হয়)।

● **মহাগৌৰী ঃ** কঠোৰ তপস্যাৰ ফলত তেওঁৰ শৰীৰ কৃষ্ণবর্ণৰ হৈ পৰিছিল বুলি পৰম্পৰাত কোৱা হয়। শিৱই গংগাৰ জলেৰে ধুই দিয়াত তেওঁ চন্দ্ৰৰ দৰে উজ্জ্বল আৰু গৌৰবর্ণৰ হৈ পৰে। তেওঁ শান্ত আৰু কল্যাণকাৰী।

● **সিদ্ধিদাত্ৰী ঃ** তেওঁ সকলো ধৰণৰ সিদ্ধি প্ৰদান কৰে। আনকি ভগৱান শিৱয়ো তেওঁৰ পৰাই সকলো সিদ্ধি লাভ কৰি অর্ধনাৰীশ্বৰ ৰূপ পাইছিল।



শৰৎ কালত মা দুর্গাৰ মৰতলৈ আগমন ঃ অকালবোধন ঃ

প্ৰাচীন শাস্ত্ৰীয় পৰম্পৰাত বসন্তকাল দেৱী আৰাধনাৰ এক বিশেষ সময়। এই বসন্তকালীন পূজাক বাসন্তী পূজা বুলি কোৱা হয়। কিন্তু শাৰদীয় দুর্গা পূজাৰ সৈতে জড়িত এক সুপ্ৰসিদ্ধ পৌৰাণিক পৰম্পৰা হৈছে "অকালবোধন"। ৰামায়ণীয় পৰম্পৰা অনুসৰি, লংকাৰ যুদ্ধৰ পূর্বে শ্ৰীৰামে ৰাৱণৰ বিৰুদ্ধে বিজয় লাভৰ উদ্দেশ্যে দেৱী দুর্গাৰ আৰাধনা কৰিছিল। শৰৎ কালত দেৱীৰ বোধন কৰি শ্ৰীৰামে দেৱীৰ কৃপা প্ৰার্থনা কৰিছিল। দেৱী আৰাধনাৰ প্ৰচলিত বসন্তকালৰ বাহিৰে শৰৎ কালত এই পূজা অনুষ্ঠিত হোৱাৰ বাবেই ইয়াক 'অকালবোধন' বুলি কোৱা হয়। কৃত্তিবাসী ৰামায়ণত এই অকালবোধনৰ কাহিনী বিশেষভাৱে জনপ্ৰিয়। পৌৰাণিক-লোকপৰম্পৰা অনুসৰি, শ্ৰীৰামচন্দ্ৰই দেৱী দুর্গাক সন্তুষ্ট কৰিবলৈ ১০৮টা নীলপদ্ম সংগ্ৰহ কৰি পূজা আৰম্ভ কৰিছিল। দেৱীয়ে ৰামৰ ভক্তি পৰীক্ষা কৰিবলৈ তাৰ মাজৰ পৰা এটা পদুম আঁতৰাই ৰাখিছিল। পূজাৰ অন্তিম মুহূর্তত ৰামে লক্ষ্য কৰিলে যে ১০৮টা পদুমৰ ভিতৰত এটা কম। ৰামক 'পদ্মলোচন' বুলিও কোৱা

হৈছিল— তেওঁৰ চকু পদুমৰ দৰে সুন্দৰ বুলি কল্পনা কৰা হৈছিল। সেয়েহে তেওঁ নিজৰ এটা চকু পদুমৰ বিকল্প হিচাপে দেৱীৰ চৰণত অর্পণ কৰাৰ সংকল্প ল'লে। ৰামে যেতিয়া নিজৰ চকু উলিয়াই অর্পণ কৰিবলৈ উদ্যত হ'ল, তেতিয়া দেৱী তেওঁৰ সন্মুখত আবির্ভাৱ হৈ তেওঁৰ হাত ধৰি পেলালে। তেওঁৰ ভক্তি আৰু ত্যাগত সন্তুষ্ট হৈ দেৱীয়ে তেওঁক আশীর্বাদ দিলে আৰু ৰাৱণৰ বিৰুদ্ধে যুদ্ধত বিজয়ী হোৱাৰ বৰ প্রদান কৰিলে বুলি এই পৰম্পৰাগত কাহিনীত কোৱা হয়। শৰতৰ শুভ্র আকাশ, কঁহুৱা, শেৱালি আৰু ঢাকৰ ধ্বনিৰ মাজত সেয়েহে ভক্তৰ হৃদয়ত এক অনুভৱ জাগে— "মা আহিছে।" কিন্তু শাস্ত্রীয় পূজা-পদ্ধতিত এই 'আগমন' কেৱল প্রতিমা মণ্ডপলৈ অনা নহয়। ইয়াৰ বাবে আছে নির্দিষ্ট বোধন, আমন্ত্রণ আৰু অধিবাসৰ আচাৰ।

ষষ্ঠী ঃ কল্পাৰম্ভ, বোধন, আমন্ত্রণ আৰু অধিবাস

কল্পাৰম্ভ ঃ কল্পাৰম্ভ হৈছে পূজাৰ আনুষ্ঠানিক সংকল্প আৰু আৰম্ভণি। পূজাৰ উদ্দেশ্য, সময়, স্থান আৰু যজমানৰ মংগল কামনাৰে পুৰোহিতে মন্ত্রোচ্চাৰণ কৰি পূজাৰ সংকল্প গ্রহণ কৰে।

বোধন ঃ বোধন মানে জাগৰণ। শাৰদীয় পূজাৰ পৰম্পৰাত সন্ধ্যাকালত বেলগছ বা বিল্বশাখাৰ সৈতে জড়িত বিধি অনুসৰি দেৱীৰ বোধন কৰা হয়। মন্ত্রোচ্চাৰণেৰে দেৱীৰ চৈতন্যশক্তিৰ আহ্বান জনোৱা হয়।

আমন্ত্রণ ঃ আমন্ত্রণ হৈছে দেৱীক পূজাস্থলীলৈ আনুষ্ঠানিকভাৱে নিমন্ত্রণ কৰা। পুৰোহিতে মন্ত্রোচ্চাৰণেৰে দেৱীক প্রার্থনা কৰে যে তেওঁ যেন ভক্তৰ পূজা গ্রহণ কৰি মণ্ডপত অধিষ্ঠান কৰে।

অধিবাস ঃ অধিবাস হৈছে পূজাৰ বাবে নির্বাচিত প্রতিমা, বিল্বশাখা, ঘট বা অন্যান্য পৰিত্র মাধ্যমত দেৱীৰ উপস্থিতিৰ আহ্বান আৰু সেই মাধ্যমক বিধিবদ্ধভাৱে পৰিত্র কৰাৰ আচাৰ। এই পর্বটো যেন দেৱীক কোৱা এক পৰিত্র আহ্বান— "হে জগজ্জননী, আমাৰ পূজা গ্রহণ কৰিবলৈ আহক; আমাৰ এই পূজাস্থলীত অধিষ্ঠান কৰক।"

সপ্তমী ঃ নৱপত্রিকা, মহাস্নান আৰু প্রাণ প্রতিষ্ঠা ঃ

ষষ্ঠীৰ বোধনৰ পিছত সপ্তমীৰ প্রভাতত পূজাৰ এক অনন্য পর্ব আৰম্ভ হয়— নৱপত্রিকাৰ স্নান। নৱপত্রিকা হৈছে নটা পৰিত্র উদ্ভিদৰ সমষ্টি। পৰম্পৰা অনুসৰি এই উদ্ভিদসমূহ একেলগে বান্ধি পৰিত্র জলত স্নান কৰোৱা হয় আৰু পূজাস্থলীলৈ লৈ অহা হয়। বহু পৰম্পৰাত ইয়াক 'কলাবউ' বুলিও কোৱা হয়। ইয়াৰ নটা উদ্ভিদ আৰু অধিষ্ঠাত্রী শক্তিৰ পৰম্পৰাগত পৰিচয় হ'ল—

● কলগছ - ব্রহ্মাণী। ● কচু - কালিকা। ● হালধি - দুর্গা। ● জয়ন্তী গছ - কার্তিকী। ● বেলগছ - শিৱ। ● ডালিম - ৰক্তদন্তিকা। ● অশোক গছ - শোকৰহিতা। ● মানকচু - চামুণ্ডা। ● ধানগছ - লক্ষ্মী।

নৱপত্রিকাৰ স্নানৰ পিছত দেৱীৰ পূজাস্থলীত ইয়াক যথাবিধি স্থাপন কৰা হয়। তথাপি নৱপত্রিকাৰ উদ্ভিদ আৰু অধিষ্ঠাত্রী শক্তিৰ বর্ণনা পৰম্পৰা আৰু অঞ্চলভেদে কিছু পৃথক হ'ব পাৰে।

মহাস্নান ঃ

মহাস্নান সপ্তমীৰ এক গুৰুত্বপূর্ণ শাস্ত্রীয় আচাৰ। এই আচাৰত দেৱীৰ প্রতিবিম্ব দর্পণত প্রতিফলিত কৰি সেই প্রতিবিম্বক বিভিন্ন বিধি অনুসৰি স্নান কৰোৱা হয়। মহাস্নানৰ পিছত প্রাণপ্রতিষ্ঠাৰ জৰিয়তে প্রতিমাক পূজাৰ বাবে বিধিবদ্ধভাৱে অধিষ্ঠিত কৰা হয়।

প্রাণপ্রতিষ্ঠা ঃ

প্রাণপ্রতিষ্ঠা হৈছে প্রতিমাত দেৱীৰ চৈতন্যৰ আহ্বান জনোৱাৰ এক গুৰুত্বপূর্ণ শাস্ত্রীয় আচাৰ। মন্ত্র, মুদ্রা আৰু বিধিবদ্ধ উপচাৰৰ মাধ্যমেৰে প্রতিমাক পূজাৰ উপযোগী দেৱীৰ প্রতীকী অধিষ্ঠানৰূপে প্রতিষ্ঠা কৰা হয়। প্রাণপ্রতিষ্ঠাৰ পিছত আৰম্ভ হয় মূল দেৱী-পূজা। ইয়াত ধ্যান, আৱাহন, আসন, পাদ্য, অর্ঘ্য, আচমন, স্নান, বস্ত্র, গন্ধ, পুষ্প, ধূপ, দীপ, নৈবেদ্য আৰু আৰতি আদি উপচাৰ আগবঢ়োৱা হয়। এই সকলো আচাৰৰ মূল উদ্দেশ্য হৈছে দেৱীৰ প্রতি ভক্তি, শ্রদ্ধা আৰু আত্মসমর্পণ প্রকাশ কৰা।

অষ্টমী ঃ মহাষ্টমী আৰু পুষ্পাঞ্জলি ঃ

মহাষ্টমী দুর্গা পূজাৰ পৰিত্র আৰু আধ্যাত্মিকভাৱে তাৎপর্যপূর্ণ দিন। এই দিনা দেৱীৰ বিশেষ পূজা, পুষ্পাঞ্জলি, নৈৱেদ্য আৰু আৰতি কৰা হয়। মহাষ্টমীৰ পুষ্পাঞ্জলিৰ সময়ত ভক্তসকলে হাতত ফুল আৰু বেলপাত লৈ মন্ত্রোচ্চাৰণৰ সৈতে দেৱীৰ চৰণত নিজৰ প্রার্থনা নিবেদন কৰে। এই অঞ্জলি কেৱল ফুল অর্পণ নহয়; ই নিজৰ অহংকাৰ, দুখ, দুশ্চিন্তা আৰু অশুভ প্রবৃত্তি দেৱীৰ চৰণত সমর্পণ কৰাৰ এক আধ্যাত্মিক প্রতীক।

সন্ধিপূজা ঃ অষ্টমী আৰু নৱমীৰ মহাসন্ধিক্ষণ ঃ

মহাষ্টমীৰ আটাইতকৈ তাৎপর্যপূর্ণ আচাৰসমূহৰ ভিতৰত সন্ধিপূজা অন্যতম। প্রচলিত পঞ্জিকা-পদ্ধতিত অষ্টমী তিথিৰ অন্তিম ২৪ মিনিট আৰু নৱমী তিথিৰ প্রথম ২৪ মিনিট- মুঠ ৪৮ মিনিটৰ সময়ছোৱাক সন্ধিক্ষণ বুলি কোৱা হয়। এই ৪৮ মিনিট তিথিৰ সন্ধিক্ষণ অনুসৰি নির্ধাৰিত হয়; সেয়ে প্রতিবছৰ ইয়াৰ ঘড়ীৰ সময় একে নহয়। দেৱী-মাহাত্ম্যৰ চণ্ড আৰু মুণ্ড নামৰ অসুৰৰ বিনাশৰ কাহিনীৰ সৈতে সন্ধিপূজাৰ বিশেষ সম্পর্ক আছে। এই সময়ত

দেৱীৰ চামুণ্ডা ৰূপৰ আৰাধনা কৰা হয়। পৰম্পৰাগত সন্ধিপূজাত ১০৮টা প্ৰদীপ প্ৰজ্বলন আৰু ১০৮টা পদুম অৰ্পণ কৰাৰ বিধি আছে। শংখ, ঘণ্টা, কাঁহ, ঢাক, মন্ত্ৰোচ্চাৰণ আৰু উলুধ্বনিৰে পূজাস্থলী মুখৰ হৈ উঠে। এই ৪৮ মিনিটৰ সন্ধিক্ষণক অশুভ শক্তিৰ বিৰুদ্ধে দেৱীৰ চূড়ান্ত বিজয়ৰ প্ৰতীকী মুহূৰ্ত হিচাপে স্মৰণ কৰা হয়। ইয়াৰ দাৰ্শনিক অৰ্থ হৈছে— জীৱনৰ অন্ধকাৰ আৰু পোহৰৰ মাজৰ সন্ধিক্ষণত আত্মশক্তি জাগ্ৰত কৰি অশুভৰ বিৰুদ্ধে থিয় হোৱা।

নৱমী ঃ মহানৱমী, কুমাৰী পূজা আৰু হোম

কুমাৰী পূজা ঃ

কুমাৰী পূজাৰ পৰম্পৰাত এগৰাকী বালিকাক দেৱীশক্তিৰ জীৱন্ত প্ৰতীক হিচাপে আৰাধনা কৰা হয়। শাক্ত বিশ্বাস অনুসৰি, নাৰীৰ মাজত মাতৃশক্তিৰ প্ৰকাশ বিদ্যমান। কুমাৰী পূজাই নাৰীশক্তি, সৃষ্টিশক্তি আৰু দেৱীত্বৰ জীৱন্ত প্ৰকাশৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। কিছুমান পৰম্পৰাত কুমাৰী পূজা মহাষ্টমীত, আন কিছুমানত নৱমীত পালন কৰা হয়।

নৱমীত দেৱীৰ পূজা অব্যাহত থাকে আৰু বহু পৰম্পৰাত হোম বা যজ্ঞ সম্পন্ন কৰা হয়। অগ্নিক সাক্ষী কৰি ঘৃত, তিল, সমিধা আৰু নিৰ্দিষ্ট আহুতি মন্ত্ৰোচ্চাৰণেৰে অগ্নিত অৰ্পণ কৰা হয়। পূজাৰ শেষত পূৰ্ণাহুতি দিয়া হয়। হোমৰ অগ্নিশিখাৰ সন্মুখত পুৰোহিতে দেৱীৰ কৃপা প্ৰাৰ্থনা কৰে—

"হে দুৰ্গতিনাশিনী মা, তোমাৰ শৰণ লৈছোঁ; সকলোৰে মংগল কৰা।"

এইদৰে নৱমীৰ পূজাই মহাশক্তিৰ আৰাধনাক এক পূৰ্ণ পৰ্যায়লৈ লৈ যায়।

দশমী ঃ অপৰাজিতা পূজা, বিজয়া আৰু বিসৰ্জন ঃ

দশমী তিথি হৈছে দেৱী দুৰ্গাৰ পূজাৰ আনুষ্ঠানিক সমাপ্তিৰ দিন। এই দিনা দেৱীক বিদায় জনোৱাৰ পূৰ্বে কেইবাটাও পৰম্পৰাগত আচাৰ সম্পন্ন কৰা হয়।

অপৰাজিতা পূজা ঃ

কিছুমান পৰম্পৰাত দশমীৰ দিনা অপৰাজিতা দেৱীৰ পূজা কৰা হয়। অপৰাজিতা হৈছে বিজয়, অজেয়তা আৰু মংগলৰ প্ৰতীক। এই পূজাৰ জৰিয়তে ভক্তসকলে জীৱনৰ সকলো বাধা অতিক্ৰম কৰি ধৰ্ম আৰু সত্যৰ পথত আগবাঢ়িবলৈ আশীৰ্বাদ বিচাৰে।

দৰ্পণ- বিসৰ্জন ঃ

দৰ্পণ-বিসৰ্জন হৈছে বিসৰ্জনৰ পূৰ্বে পালন কৰা এক বিশেষ আচাৰ। দৰ্পণত প্ৰতিফলিত প্ৰতিমাৰ প্ৰতিবিম্ব পৱিত্ৰ জলত দৰ্শন কৰি দেৱীৰ আনুষ্ঠানিক বিদায়ৰ বিধি সম্পন্ন কৰা হয়।

বিজয়া দশমী ঃ

দশমীৰ দিনা ভক্তসকলে দেৱীক বিদায় জনায়। বিবাহিতা মহিলাসকলৰ মাজত সেন্দূৰ-খেলা বা সেন্দূৰ উৎসৱৰ পৰম্পৰা বিশেষভাৱে প্ৰচলিত। পৰস্পৰক শুভেচ্ছা, আশীৰ্বাদ আৰু মংগল কামনা জনোৱা হয়। ইয়াৰ পিছত প্ৰতিমা শোভাযাত্ৰাৰে লৈ গৈ পৰম্পৰাগতভাৱে জলত বিসৰ্জন দিয়া হয়। মাটিৰ প্ৰতিমা পানীত বিলীন হয়। কিন্তু ভক্তৰ বিশ্বাসত দেৱী কেতিয়াও বিলীন নহয়। তেওঁ বিশ্বপ্ৰকৃতিৰ অন্তৰালত চিৰন্তন শক্তিৰূপে বিদ্যমান থাকে।

আবির্ভাৱৰ পৰা বিসৰ্জনলৈ- এক গভীৰ আধ্যাত্মিক যাত্ৰা ঃ

মা দুৰ্গাৰ আবির্ভাৱৰ পৰা বিসৰ্জনলৈ এই সমগ্ৰ যাত্ৰাই জীৱনৰ এক চিৰন্তন সত্যৰ সৈতে আমাক পৰিচয় কৰাই দিয়ে। মহিষাসুৰ বাহিৰৰ কোনো অসুৰৰ প্ৰতীক হোৱাৰ লগতে আমাৰ অন্তৰত থকা অহংকাৰ, লোভ, হিংসা, অজ্ঞানতা আৰু অশুভ প্ৰবৃত্তিৰো এক প্ৰতীকী ৰূপ হিচাপে ব্যাখ্যা কৰিব পাৰি। দেৱী দুৰ্গাৰ বিজয় সেয়েহে অন্তৰৰ অশুভক পৰাভূত কৰি সত্য, সাহস, কৰুণা, সংযম আৰু শুভবুদ্ধিক জাগ্ৰত কৰাৰ এক আধ্যাত্মিক আহ্বান। সেয়েহে দুৰ্গা পূজা কেৱল এক ধৰ্মীয় উৎসৱ নহয়; ই আত্মশুদ্ধি, আত্মজাগৰণ, ভক্তি আৰু মানৱীয় মূল্যবোধৰো এক গভীৰ সাধনা। বিসৰ্জনৰ বিদায়ক্ষণত ভক্তৰ হৃদয়ত প্ৰতিধ্বনিত হয়— "আহিবা বছৰে আকৌ, মা।"

"য়া দেৱী সৰ্বভূতেষু শক্তিৰূপেন সংস্থিতা।

নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ"

অৰ্থাৎ যি দেৱী সকলো জীৱৰ মাজত শক্তিৰূপে অধিষ্ঠিত, সেই দেৱীক বাৰে বাৰে নমস্কাৰ।

মা দুৰ্গাৰ কৃপাই সকলোৰে অন্তৰত শুভবুদ্ধি, শক্তি, সাহস, ভক্তি আৰু শান্তি জাগ্ৰত কৰক। ❍

"জয় মা দুৰ্গা"।

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা

অসমৰ শাক্ত পৰম্পৰাৰ সার্বজনীনতা

ড° নৰকান্ত শর্মা

০১. ভূমিকা ঃ

অনাদি কালৰ পৰাই এই অপৰূপ সৃষ্টিৰ আদ্যাশক্তিয়ে সমস্ত চৰাচৰ জগতক সঞ্চালনা কৰি আহিছে। সৃষ্টি, স্থিতি আৰু প্রলয়ৰ ৰহস্যও এই অদৃশ্য মহাশক্তিৰ মাজতে নিহিত হৈ আছে। সৃষ্টিৰ এই চিৰাচৰিত নিয়ম পূর্বনির্ধাৰিত আৰু দৈৱিক শক্তিৰ দ্বাৰা চালিত। ক্ষিতি, অপ, মৰুৎ, তেজ আৰু ব্যোম —এই পঞ্চভূতৰ দ্বাৰা মানৱ জীৱনৰ মোক্ষ লাভৰ বাট স্থিৰ হয়। শক্তিৰ এই বিৰাট স্বৰূপক মানৱ সমাজে পৰম ভক্তিৰে বন্দনা কৰি আহিছে। যুগে যুগে মানুহৰ এই উপাসনাৰ প্রবৃত্তিয়ে ধর্মীয় চেতনাক প্রগাঢ় কৰি তুলিছে। শৰৎ কালৰ মনোৰম প্রাকৃতিক সুষমাৰ মাজেৰে মহিষমর্দিনী, মা ভৱানীৰ পূজা অর্চনা সুপ্রাচীন কালৰ পৰাই আয়োজিত হৈ আহিছে। দেৱীৰ শ্রীচৰণত এপাহি পুষ্প অর্পণৰ গভীৰ মনোকামনাই জাতি, ভাষা নির্বিশেষে সকলোকে একতাৰ ডোলেৰে বান্ধি পেলায়। এই শাৰদীয় দুর্গোৎসৱ মানৱ জাতিৰ মংগল সাধনৰ এক আনন্দময় উৎসৱ।

০২. অসমত শাক্ত পৰম্পৰা ঃ

অপূর্ব নৈসর্গিক শোভা, নির্মল বাতাবৰণ, সেউজীয়া পাহাৰৰ লানি, স্বচ্ছ পানীৰ নৈ-নিজৰা, বৈচিত্র্যপূর্ণ জনগাঁথনি, নানান সৰু-বৰ ভাষা আৰু সংস্কৃতিৰ বাবে অসম প্রখ্যাত। এই অসম প্রাচীন কালত প্রাগজ্যোতিষপুৰ আৰু কামৰূপ নামেৰে জনাজাত আছিল। অমূল্য পুৰণি পুথিসমূহৰ পৃষ্ঠাত দুয়োটা নামৰে উল্লেখ পোৱা যায়। আনকি ৰামায়ণ মহাকাব্যৰ এক স্থানত প্রাগজ্যোতিষপুৰৰ বর্ণনা দিয়া হৈছে। সুগ্রীৱে সীতাৰ অন্বেষণ কৰোঁতে নৰকে শাসন কৰা প্রাগজ্যোতিষপুৰৰ বর্ণনা এইদৰে দাঙি ধৰিছে—

তত্র প্রাগজ্যোতিষঙ্ নাম জাতৰূপময়ঙ্ পুৰণি।
তস্মিন বসতি দুষ্টাত্মা নৰকো নাম দানবঃ।।

মহাকবি কালিদাসৰ প্রখ্যাত মহাকাব্য ৰঘুবংশম্‌ত কামৰূপ আৰু প্রাগজ্যোতিষপুৰ দুয়োটা নামৰে প্রয়োগ কৰা হৈছে আৰু ইয়াক এক ভূখণ্ড বুলিয়েই কোৱা হৈছে—

চকম্পে তীর্ণলোহিত্যে তস্মিন প্রাগজ্যোতিষেশ্বৱঃ।
তমীশঃ কামৰূপাণামত্যাখণ্ডলবিক্রমম্।।

পৰৱর্তী সময়ত তন্ত্র সাহিত্যসমূহত কামৰূপ নামৰ ব্যাপক ৰূপত উল্লেখ পোৱা যায়। বহুতো পণ্ডিতে শিৱৰ তৃতীয় নেত্রৰ কোপত ভস্মীভূত হোৱা কামদেৱে পুনর্জীৱন লাভ কৰা বাবেও এই স্থানৰ নাম কামৰূপ হোৱা বুলি মত প্রকাশ কৰে। 'কালিকাপুৰাণ', 'যোগিনী তন্ত্র', হৰগৌৰী-সংবাদ' আদি গ্রন্থত আনকি কামৰূপৰ চাৰিসীমাৰ বর্ণনাও আছে—

কৰতোয়াঙ্ সমাশ্রিত্য যাবদিক্কৰবাসিনী।
উত্তৰস্যাঙ্ কঞ্জগিৰিঃ কৰতোয়া তু পশ্চিমে।
তীর্থ শ্রেষ্ঠা দিক্ষুনদী পূর্বস্যাঙ্ গিৰিকন্যাকে।
দক্ষিণে ব্রহ্মপুত্রস্য লাক্ষায়াঃ সঙ্গমাবধি।।
কামৰূপ ইতি খ্যাতঃ সর্বশাস্ত্রেষু নিশ্চিত।। (যোগিনী তন্ত্র)

প্রাচীন সাহিত্যত কামৰূপক বেলেগ বেলেগ পীঠত বিভক্ত কৰা হৈছে। এনে কিছুমান পীঠ হ'ল— কামৰূপ, সৌমাৰ, নাথ বৃক্ষ, শ্রী পীঠ, কোলপীঠ, চৌহাৰ, ৰত্নপীঠ, মণিপীঠ আদি। কামৰূপ দেৱ-দেৱীৰ বিচৰণভূমি। কামৰূপ দেৱতাৰ প্রিয় স্থান। সেয়ে এইখন আধ্যাত্মিক দেশ অতুলনীয় আৰু বৈভৱশালী। আন ঠাইত দেৱীৰ আশিষ আৰু দর্শন দুর্লভ। কিন্তু কামৰূপত ঘৰে ঘৰে দেৱীৰূপ বিদ্যমান।

কামৰূপঙ্ দেৱী ক্ষেত্রঙ্ কুত্রাপি তৎ সমঙ্ ন চ।
অন্যত্র বিৰলা দেৱী কামৰূপে গৃহে গৃহে।।

মঠ, মন্দিৰ, দেৱালয়, উপাসনা গৃহ আদিৰ উপৰি অসমৰ লোকজীৱনতো দেৱীৰ আৰাধনা কৰা হয়। বিশেষকৈ সর্পৰ দেৱী মা মনসাক অসমৰ বিভিন্ন ঠাইত নিয়মীয়াকৈ পূজা কৰা হয়। দৰং, কামৰূপ, নলবাৰী, গোৱালপাৰা, ওদালগুৰি আদি জিলাৰ বিভিন্ন অঞ্চলত মা মনসাৰ পূজা-অর্চনা কৰা হয়। মধ্যযুগৰ পাচালী কাব্য সাহিত্যত এনে পূজনৰ উল্লেখ আছে। দুর্গাবৰ, মনকৰ আৰু সুকবি নাৰায়ণদেৱ বিৰচিত কাব্যৰ পাতে পাতে দেৱীৰ মাহাত্ম্যৰ

বর্ণনা পৰিলক্ষিত হয়। কবি মনকৰৰ 'মনসা কাব্য', দুর্গাবৰ বিৰচিত 'বেউলা আখ্যান' আৰু সুকবি নাৰায়ণদেৱৰ 'পদ্মাপুৰাণ' অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। অসমৰ অন্যতম পৰিবেশ্য কলা ওজাপালিয়ে পদ্মাপুৰাণৰ গীতসমূহ সুৰ, তাল, লয় নৃত্যৰে পৰিবেশন কৰে—

সুকবি নাৰায়ণদেৱ সৰস পাঞ্চালী।
বেউলা লখিন্দৰৰ কথা একয় লেছাৰী।।

ঠিক সেইদৰে গ্রামীণ সমাজত বসন্ত আদি ৰোগৰ আবির্ভাৱ হ'লে শীতলা দেৱীক পূজা কৰা হয়। নিয়ম-নীতি ভক্তিৰে আয়তীসকলে শীতলা দেৱীক আশু আৰোগ্য কামনাৰে প্রার্থনা জনায়। আয়তীসকলে বগা বস্ত্র পৰিধান কৰি বগা ফুল আগবঢ়াই শীতলা দেৱীক উদ্দেশ্য কৰি আয়নাম গায়...

আসিলা শীতলা মাও বসিবো আসনে
ফলে পুষ্পে সেৱা কৰো তোমাৰ চৰণে।।
বসিলা শীতলা দেৱী আসনত উঠি।
গন্ধে পুষ্পে ধূপে দীপে হোৱে মন তুষ্টি।।
তুষ্ট হোৱা আই আমাসাক কৰা দয়া।
জানু পৰি তোমাৰ চৰণে কৰো সেৱা।।



ঠিক তেনেকৈ দীপাৱলীৰ সময়ত অমাৱস্যাৰ নিশা অনুষ্ঠিত হয় কালী পূজা। অসমৰ লগতে পশ্চিম বংগৰ বিভিন্ন স্থানত ধুমধামেৰে কালী পূজা আয়োজন কৰা হয়। খোলা চুলি, ৰক্তবর্ণৰ চকু, জিভা মেলি দিয়া সংহাৰী ৰূপ, ডিঙিত মুণ্ডমালা আৰু হাতত খোলা তৰোৱালৰ বিধ্বংসী অবয়ৱেৰে মা কালীৰ আগমন ঘটে। মা কালী দেৱীৰ আটাইতকৈ কঠোৰ সংহাৰী ৰূপ। এই পূজা নিশাৰ ভাগত হয়। দুষ্ট দানৱক সংহাৰ কৰাই কালীপূজাৰ মূল উদ্দেশ্য।

কালি কালি মহাকালী
কালি পাপহৰিণী
দণ্ড হস্তে পাশ হস্তে
কালীদেৱী নমস্তুতে।

মহাবাহু ব্রহ্মপুত্রৰ পাৰত, নীলাচল পাহাৰত, উমানন্দৰ সমীপত অৱস্থিত চিৰজাগ্রত মহাশক্তিপীঠ কামাখ্যা দেৱীৰ বিষয়ে সকলোৱে অৱগত। অবিভক্ত ভাৰতৰ একাৱন্নখন শক্তিপীঠৰ ভিতৰত মা কামাখ্যাৰ শক্তিপীঠ অন্যতম। জনবিশ্বাস আৰু ধর্মীয় গ্রন্থৰ মতে দক্ষৰ যজ্ঞত তেওঁৰে কন্যা সতীয়ে স্বামীক কৰা অপমানৰ প্রতিশোধ ল'বলৈ নিজৰ দেহ ত্যাগ কৰে। এই ঘটনাত শিৱ প্রচণ্ড ক্রোধত কঁপি উঠে আৰু সতীৰ মৃতদেহ কান্ধত তুলি লৈ বিশ্ব ভ্রমি ফুৰিবলৈ ধৰিলে। ঘটনাৰ বিসংগতি আৰু বিশ্বৰ কল্যাণৰ বাবে বিষ্ণুৱে সুদর্শন চক্রৰে সতীৰ দেহ খণ্ডিত কৰিব ধৰিলে। তেতিয়া নীলাচলৰ পৱিত্র ভূমিত দেৱীৰ যোনি খণ্ড ভূপতিত হয়। সেই স্থানতেই কামাখ্যা মন্দিৰ নির্মাণ কৰা হয়। অম্বুবাচীৰ সময়ত দেৱী ৰজস্বলা হয়। লাখ লাখ দেশী-বিদেশী ভক্তৰ সমাগম ঘটে। সমগ্র নীলাচল লোকে লোকাৰণ্য হৈ পৰে। কামাখ্যাৰ পৰিচয় স্বয়ং ভগৱান শিৱই এইদৰে দিছে;

যা কালী পৰমা বিদ্যা ব্রহ্মৰূপা সনাতনী
কামাখ্যা সেৱ দেৱেশি সর্বসিদ্ধিবিনোদিনী।

ঠিক সেইদৰে অসমীয়া জনসমাজত লক্ষী পূজা আৰু সৰস্বতী পূজাৰো ব্যাপক প্ৰচলন আছে। ধন ঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মীৰ শ্ৰীচৰণত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। ঠিক তেনেদৰে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীকো ব্যাপক হাৰত শিক্ষানুষ্ঠানসমূহত পূজা কৰা হয়। জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে সকলো শিক্ষাৰ্থীয়ে এই পূজাত ভাগ লয়।

ওম সৰস্বতী মহাভাগে
বিদ্যে কমললোচনে
বিশ্ব ৰূপী বিশালাক্ষী
বিদ্যাং দেহী নমস্তুতেঃ।

০৩. অসমৰ সাৰ্বজনীন শাৰদীয় দুৰ্গোৎসৱ ঃ

উদ্ভিন্ন যৌৱনা প্ৰকৃতিৰ কোলাত উঠি, ফটিক যেন নিয়ৰৰ টোপাল, স্নিগ্ধ সমাহিত জোনাক আৰু শৰতৰ শেৱালিৰ সুৱাস লৈ ধৰাৰ বুকুলৈ নামি আহে মহিষমৰ্দিনী, শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গা। মা দুৰ্গাৰ শ্ৰীচৰণত ভক্তি অঞ্জলি যাঁচি সকলোৱে দেৱীৰ বন্দনা গায় ঃ

য়া দেৱী সৰ্বভূতেষু
শক্তিৰূপেন সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ
নমো নমঃ।

মন কৰিবলগীয়া কথাটো হ'ল দেৱী দুৰ্গাৰ মাজত নিহিত হৈ আছে সমস্ত দেৱতাগণৰ অৱিহণা। সকলোৰে অংশবোৰ গোট খাইহে দেৱীৰ সৃষ্টি পূৰ্ণ হৈছে। অৰ্থাৎ দেৱী সমগ্ৰ দেৱতা সমাজৰ প্ৰতিনিধি শক্তি। এই কথাৰ উল্লেখ 'শ্ৰী শ্ৰী চণ্ডী' নামৰ গ্ৰন্থখনত পোৱা যায়—

শঙ্কৰৰ তেজে এনে ভৈলেক বদন।
অগনিৰ তেজে ভৈলা তৃতীয় নয়ন।।
সন্ধ্যাদুতয়ৰ তেজে ধ্ৰুৱ ভৈলা জাত।
কুবেৰৰ তেজে ভৈলা নাসিকা সাক্ষাৎ।
প্ৰজাপতি দেৱতাৰ তেজে ভৈলা দন্ত।
পৃথিৱীৰ তেজে ত্ৰান নিতম্ব ভৈলন্ত।
বায়ু তেজে কৰ্ণ ভৈলা যমতেজে কেশ।
বাসবৰ তেজে ভৈলা তান মধ্য দেহ।

শাৰদীয় দুৰ্গোৎসৱৰ ষষ্ঠীৰ পৰা দশমী লৈ অসমৰ আকাশ-বতাহ উদুলি-মুদুলি হৈ পৰে। শাস্ত্ৰবিহিত নীতি-নিয়ম আৰু ধৰ্মীয় কাম কাজৰ উপৰি শাৰদীয় দুৰ্গোৎসৱৰ আছে এক সামাজিক প্ৰাসংগিকতাও। সৰু-বৰ, ধনী-দুখীয়া, উচ্চ -নীচ, শিক্ষিত-অশিক্ষিত আদি ভেদাভেদ পাহৰি সকলোৱে ভক্তিত গদগদ হৈ পৰে। সেয়ে শাৰদীয় দুৰ্গোৎসৱে সকলোকে সামৰি সাৰ্বজনীন ৰূপ ধাৰণ কৰিছে। এয়া আমাৰ সমাজ জীৱনৰ বাবেও ইতিবাচক আৰু তাৎপৰ্যপূৰ্ণ কথা। অসুৰৰ নাশ আৰু সাধুজনৰ শান্তিৰে সমাজ পৰিচালিত হৈ থাকিব। সুখ-শান্তি আৰু সমৃদ্ধিৰ এখন আনন্দময় সমাজ সদায় বৰ্তি থাকিব।

০৪. সামৰণি ঃ

শৰতৰ অপ্ৰতীম সুষমা, দেৱীৰ গভীৰ মন্ত্ৰোচ্চাৰণ আৰু সামাজিক সমন্বয়ৰ জৰিয়তে দুৰ্গা পূজাই আমাৰ বৈচিত্ৰ্যময় জনজীৱন উদ্বেলিত কৰক। সাৰ্বজনীন শাৰদীয় উৎসৱটিয়ে মানৱতা আৰু ভাতৃত্ববোধৰ বান্ধোন অধিক সুদৃঢ় কৰক। জ্ঞান, সত্য, উদাৰতা, পৰোপকাৰ, সহিষ্ণুতা আদি সাত্ত্বিক গুণ বিস্তাৰিত হওক। সকলোৰে জীৱনবোৰ পৰিশীলিত, সফল আৰু আনন্দময় হৈ থাকক। ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, সহকাৰী অধ্যাপক, হিন্দী বিভাগ, গীতানগৰ মহাবিদ্যালয়, গুৱাহাটী- ২১

উৎসৱৰ আঁৰৰ অনুভৱ ঃ শৰতৰ শেৱালি আৰু দুর্গা পূজা

তন্ময় জ্যোতি পাঠক

শৰতৰ আগমনৰ লগে লগে বতাহজাকত এক বেলেগ ধৰণৰ সজীৱতা বৈ আহে, যিটো বছৰটোৰ আন কোনো সময়ত অনুভৱ কৰা নাযায়। ৰাতিপুৱাৰ আকাশখন পৰিষ্কাৰ আৰু পাতল নীলা হৈ পৰে, নদীৰ পাৰত ফুলি উঠে বগা কঁহুৱা ফুল আৰু মৃদু বতাহজাকে চুপি চুপি কৈ যায় যে শৰৎ অৱশেষত আহি পালেহি।

প্রকৃত উৎসৱ আৰম্ভ হোৱাৰ কেইবাসপ্তাহো আগৰ পৰাই মনত উছাহ-উদ্দীপনা আৰম্ভ হয়। প্রাক্-মেট্রিক পৰীক্ষা, ইউনিট টেষ্ট আৰু স্কুলৰ অগণন কামৰ মানসিক চাপৰ মাজতো ওচৰৰ পূজা মণ্ডপৰ কাষত পৰীক্ষামূলকভাৱে বজোৱা দূৰণিবটীয়া শব্দই যেন স্বাধীনতালৈ এক মায়াৰী আহ্বান পঠিয়ায়। নতুনকৈ বোৱা কেঁচা মাটি, তিতা বাঁহৰ খুঁটি আৰু শেৱালি ফুলৰ সুৱাসে চৌপাশ সুৱাসিত কৰি তোলে। প্রতিদিন গধূলি টিউচন শ্রেণীৰ পিছত, দেৰিলৈকে কাম কৰি থকা মণ্ডপৰ শিল্পীসকলক জুমি চাবলৈ মই আৰু মোৰ বন্ধুসকলে ইচ্ছাকৃতভাৱে অলপ দীঘলীয়া বাটে�ৰে ঘৰলৈ উভতিছিলোঁ। খেৰ আৰু মাটিৰে নির্মিত সাঁচবোৰ দেৱী দুর্গাৰ ভব্য প্রতিমালৈ ৰূপান্তৰিত হোৱা দৃশ্যই আমাক এনে এক ৰোমাঞ্চ দিছিল, যিটো স্মার্টফোনৰ পর্দাত কেতিয়াও পোৱা নাযায়।

সপ্তমী অহাৰ লগে লগে গুৱাহাটী মহানগৰী জিলিকি থকা পোহৰ আৰু অপাৰ আনন্দৰ সাগৰলৈ ৰূপান্তৰিত হয়। মোৰ স্কুলৰ বন্ধু— নক্ষত্র, আয়োজিত আৰু মই কেইবাদিনো আগৰ পৰাই সেনাৰ অভিযানৰ দৰে নিখুঁত পৰিকল্পনাৰে নগৰৰ মণ্ডপ পৰিভ্রমণৰ পথ ঠিক কৰি ৰাখিছিলোঁ !

আমি আমাৰ যাত্রা গীতানগৰৰ পৰা আৰম্ভ কৰিছিলোঁ, য'ত মণ্ডপটো এটা বিশাল, উজ্জ্বল প্রাচীন মন্দিৰৰ আর্হিত সাজি উলিওৱা হৈছিল। মূল ৰাস্তালৈকে মানুহৰ শাৰী দীঘল হৈ পৰিছিল, য'ত আটাইতকৈ ধুনীয়া নতুন কাপোৰ পিন্ধা পৰিয়ালসমূহ, প্লাষ্টিকৰ বাঁহী বজোৱা ল'ৰা-ছোৱালী আৰু ফটো তোলাত ব্যস্ত কিশোৰ-কিশোৰীসকলে ভিৰ কৰিছিল। তাৰ পিছত নুনমাটি আৰু নাৰেংগীৰ দিশে আগবাঢ়ি যাওঁতে আমি সৃষ্টিশীলতাৰ নতুন ৰূপ দেখিলোঁ— এটা মণ্ডপত বাঁহৰ পৰিৱেশ-অনুকূল স্থাপত্য প্রদর্শন কৰা হৈছিল, আনহাতে আন এটাত হাজাৰ হাজাৰ মাটিৰ পাত্র ব্যৱহাৰ কৰি এখন বিখ্যাত ঐতিহাসিক স্থান পুনৰ নির্মাণ কৰা হৈছিল।

ৰাতি যিমানেই গভীৰ হৈ আহিছিল, আমি মধ্য গুৱাহাটীৰ পূজাৰ মূল কেন্দ্রবিন্দু চান্দমাৰী আৰু শিলপুখুৰীৰ পিনে আগবাঢ়িছিলোঁ। ৰাস্তাৰ কাষৰ খাদ্যৰ দোকানবোৰ মানুহেৰে পৰিপূর্ণ হৈ পৰিছিল ! গৰম এগ ৰোল, সোৱাদপূর্ণ ফুচকা, গৰম চাওমিন আৰু মিঠা জিলাপীৰ সুৱাস বতাহত ভাহি আছিল। ৰাস্তাত যিমানেই ভিৰ নাথাকক কিয়, আমি আনন্দময় উপপথবোৰেৰে হাঁহি-ধেমালিৰে পাৰ হৈ গৈছিলোঁ; ভৰি দুখন বিষাইছিল যদিও আমাৰ মনবোৰ একেবাৰে ভৰি পৰিছিল।

নগৰৰ আমাৰ অন্তিমটো গন্তব্যস্থান আছিল পাণ্ডু ৰেষ্ট কেম্প, যিখন ঠাই গভীৰ সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাগত পৰিৱেশৰ বাবে বিখ্যাত। তাত থকা বিশাল দেৱী প্রতিমাগৰাকীৰ মাজত এনে এক শান্ত গাম্ভীর্য আছিল যে সকলোৱে বৈ শ্রদ্ধাৰে মূৰ দোঁৱাইছিল। গুৱাহাটীৰ জকমকীয়া নিয়নেৰে আলোকিত পোহৰ, চিঞৰ-বাখৰ আৰু উচ্চ হাঁহিৰ মাজতো পাণ্ডুৰ সন্ধিয়াৰ আৰতিৰ পৰিত্র ধ্বনিয়ে আমাক এই সকলো আনন্দৰ পিছত থকা আধ্যাত্মিক সত্তাটোৰ কথা সোঁৱৰাই দিছিল।

ডাঙৰ চহৰখনে চমকপ্রদ পোহৰৰ প্রদর্শনী আগবঢ়োৱাৰ বিপৰীতে দুর্গা পূজাৰ আচল মায়া লুকাই থাকে বেলেগ বেলেগ ঠাইত স্বকীয় ধৰণে পালন কৰা লোকপৰম্পৰাৰ মাজত। মহাষ্টমীৰ দিনা আমাৰ পৰিয়ালে মঙলদৈত থকা মোৰ মামাৰ ঘৰলৈ ৰাতিপুৱাই যাত্রা কৰিলো। গুৱাহাটীৰ যান-জঁট আৰু ব্যস্ততাৰ পৰা

আঁতৰি ৰাষ্ট্ৰীয় ঘাইপথেৰে চলোৱা গাড়ীৰ যাত্ৰাটোৱে সেউজীয়া পথাৰ আৰু শান্তিময় এক বেলেগ জগতত প্ৰৱেশ কৰাৰ দৰে অনুভৱ কৰাইছিল।

মঙলদৈয়ে এক পৰম্পৰাগত আৰু অন্তৰংগ আকৰ্ষণ প্ৰদৰ্শন কৰিছিল। ইয়াত পূজা কেৱল আড়ম্বৰপূৰ্ণ মণ্ডপ চোৱাই নাছিল; ই আছিল পৰিয়াল আৰু পুৰণি ওচৰ-চুবুৰীয়াৰ এক বৃহৎ মিলন উৎসৱ। খাৰুপেটীয়া আৰু ইয়াৰ ওচৰ-পাঁজৰৰ গাঁওসমূহৰ দৰে অঞ্চলত উৎসৱৰ দিনবোৰ মাটি আৰু স্থানীয় সংস্কৃতিৰ সৈতে গভীৰভাৱে জড়িত হৈ আছিল। মণ্ডপবোৰ সৰল আছিল, প্ৰায়ে ৰঙীন কাপোৰ আৰু প্ৰাকৃতিক ফুলেৰে তৈয়াৰ কৰা হৈছিল, কিন্তু ভক্তি আৰু আনন্দ আছিল অপাৰ।

খাৰুপেটীয়াৰ ওচৰৰ গ্ৰাম্য অঞ্চলবোৰত সকলোৱে সকলোকে নামেৰে চিনি পাইছিল। জ্যেষ্ঠসকলে ঢাৰিত বৃত্তাকাৰে বহি খেতি-বাতি আৰু সমাজৰ খবৰ আলোচনা কৰিছিল, আনহাতে সৰু ল'ৰা-ছোৱালীবোৰে হাতত কটন কেণ্ডী লৈ মুকলি ধাননি পথাৰত মুক্তভাৱে দৌৰি ফুৰিছিল। স্থানীয় উদ্যমী যুবকসকলে সৰু কাঠৰ মঞ্চত পৰম্পৰাগত ভাওনা আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰিছিল। তৰাভৰা আকাশৰ তলত ৰাতিৰ চেঁচা ঘাঁহৰ ওপৰত বহি স্থানীয় শিল্পীসকলৰ স্বতঃস্ফূৰ্ত অভিনয় চোৱাটো যিকোনো আধুনিক চিনেমাতকৈ বহু বেছি বিশেষ যেন লাগিছিল। কলপাতত পৰিৱেশন কৰা গৰম খিচিৰি, পাচলিৰ আঞ্জা আৰু মিঠা পায়সেৰে প্ৰস্তুত কৰা সম্প্ৰদায়ৰ ভোগৰ সোৱাদময় সুৱাসে সকলোকে এক ডাঙৰ পৰিয়ালৰ দৰে একত্ৰিত কৰিছিল।

মহানৱমীৰ দিনা গুৱাহাটীলৈ উভতি অহাৰ পথত আমি পাহাৰ আৰু সুদৃঢ় গ্ৰাম্য বসতিৰ মাজত অৱস্থিত বেজেৰা নামৰ এক সুন্দৰ অঞ্চলত ৰ'লোঁ। বেজেৰাই গ্ৰাম্য শান্তি আৰু উৎসৱৰ উছাহৰ এক সুন্দৰ সংমিশ্ৰণ আগবঢ়াইছিল।

বেজেৰা হৈছে মোৰ দেউতাৰ গৃহভূমি। বেজেৰা আৰু ইয়াৰ ওচৰ-পাঁজৰৰ পূজা উদ্‌যাপনবোৰ এক উষ্ম আদৰণিৰ দৰে অনুভৱ কৰিছিলো। ইয়াত সমগ্ৰ গাঁওখনে প্ৰস্তুতিত অংশগ্ৰহণ কৰিছিল। স্থানীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ৰঙীন কাগজৰ ফুল-পাতেৰে মণ্ডপৰ প্ৰৱেশদ্বাৰ সজাবলৈ সহায় কৰিছিল, আনহাতে আইতাসকলে দৰ্শনাৰ্থীসকলৰ বাবে সতেজ পিঠা আৰু লাড়ু প্ৰস্তুত কৰিবলৈ ৰাতিপুৱাই একত্ৰিত হৈছিল। চৌপাশৰ পৰিৱেশটোৱে এক মায়াৱী পটভূমিৰ সৃষ্টি কৰিছিল। আলোকিত মণ্ডপৰ পিছফালে থিয় হৈ থকা সেউজীয়া পাহাৰবোৰে দেৱীক আৰু অধিক ঐশ্বৰিক কৰি তুলিছিল। ❍

বেজেৰাৰ পৰা মোৰ আটাইতকৈ প্ৰিয় স্মৃতি আছিল স্থানীয় ল'ৰাসকলৰ সৈতে ধুনুচী নাচত অংশগ্ৰহণ কৰা, যিটো জ্বলি থকা নাৰিকলৰ বাকলি আৰু ধূপ-ধূনাৰে ভৰোৱা মাটিৰ চৰু হাতত লৈ কৰা এক পৰম্পৰাগত নৃত্য।

যেতিয়া বিজয়া দশমী আহি পৰিল আৰু প্ৰতিমা বিসৰ্জনৰ সময় হ'ল, আমাৰ মনবোৰত এক শান্ত বিষাদে আৱৰি ধৰিলে। বৈ থকা নদীৰ পানীত দেৱীৰ প্ৰতিমাবোৰ লাহে লাহে বিলীন হৈ যোৱা দৃশ্যই আন এটা বছৰৰ উদ্‌যাপনৰ সামৰণি মাৰিলে। কিন্তু প্ৰসাদৰ পেকেট হাতত লৈ বেজেৰাৰ শান্ত ৰাস্তাৰে ঘৰলৈ উভতি আহোঁতে আমি মনৰ ভিতৰত গভীৰ আনন্দ আৰু আত্মীয়তা অনুভৱ কৰিলোঁ।

গুৱাহাটীৰ জকমকীয়া পথৰ পোহৰৰ পৰা আৰম্ভ কৰি মঙলদৈৰ উষ্ণ গ্ৰাম্য পৰম্পৰা আৰু বেজেৰাৰ হৃদয়স্পৰ্শী সম্প্ৰদায়ৰ ভাতৃত্ববোধলৈকে, দুৰ্গা পূজাই আমাক এনে কিছুমান স্মৃতি দি গ'ল যিয়ে অহা বছৰ পুনৰ ঢাকৰ শব্দ নোহোৱালৈকে আমাৰ স্কুলৰ সকলো পৰীক্ষাৰ মাজতো আমাৰ মুখত হাঁহি বিৰিঙাই ৰাখিব।

২০২৫ চনত কোচবিহাৰৰ দুৰ্গাপূজাৰ অভিজ্ঞতা মোৰ জীৱনৰ এক অত্যন্ত চিৰস্মৰণীয় আৰু সমৃদ্ধপূৰ্ণ অধ্যায় হৈ ৰ'ব। বিভিন্ন পূজা মণ্ডপ পৰিদৰ্শনৰ সময়ত, মই দুটা গীত গাবলৈ সুযোগ পাইছিলোঁ— এটা বাংলা আৰু আনটো অসমীয়া ভাষাত, যিয়ে কোচবিহাৰ আৰু অসমৰ ৰাইজৰ মাজত এক সুন্দৰ সাংস্কৃতিক সেতু গঢ়ি তুলিছিল। ২০টাতকৈও অধিক পূজা মণ্ডপ ভ্ৰমণ কৰি মই বাংলা সম্প্ৰদায়ৰ আন্তৰিকতা, সাংস্কৃতিক উৎসাহ, শৈল্পিক সৃষ্টিশীলতা আৰু ভক্তিভাব অতি ওচৰৰ পৰা অনুভৱ কৰাৰ সুযোগ পালোঁ। এই অভিজ্ঞতাই মোক গভীৰভাৱে অনুপ্ৰাণিত কৰাৰ লগতে মূল্যৱান জ্ঞান প্ৰদান কৰিলে।

বিশেষকৈ, পশ্চিমবংগৰ কোচবিহাৰত অসমৰ হিয়াৰ আমঠু সংগীত তাৰকা জুবিন গাৰ্গৰ প্ৰতি থকা অসীম মৰম আৰু জনপ্ৰিয়তা দেখাটো অত্যন্ত হৃদয়স্পৰ্শী আছিল, যিটো তেওঁৰ ছবি, গীত আৰু তেওঁৰ সংগীতৰ সৈতে মানুহৰ আৱেগিক সম্পৰ্কৰ মাজেৰে প্ৰতিফলিত হৈছিল। মোৰ বাবে এই অভিজ্ঞতা কেৱল দুৰ্গা পূজাৰ উদ্‌যাপনেই নাছিল, বৰঞ্চ ই আছিল সাংস্কৃতিক সম্প্ৰীতি, উমৈহতীয়া আৱেগ আৰু আঞ্চলিক সীমা অতিক্ৰম কৰিব পৰা সংগীতৰ চিৰন্তন শক্তিৰ এক গভীৰ প্ৰকাশ; যিয়েই এজন অসমীয়া হিচাপে মোক অপাৰ গৌৰৱেৰে ওপচাই তুলিলে।

লেখক পৰিচিতি ঃ কিশোৰ লেখক, দশম শ্ৰেণী, ফেকাল্টি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, গুৱাহাটী

মহিষাসুৰ আৰু সমাজৰ মানুহৰূপী অসুৰ

মুনীন মিশ্ৰ

দুৰ্গা পূজাত দেৱী দুৰ্গাৰ প্ৰতিমাৰ সৈতে থকা ৰাক্ষসজনৰ নাম হৈছে মহিষাসুৰ। সংস্কৃতত 'মহিষ' মানে হ'ল ম'হ। এই অসুৰজনে নিজৰ ইচ্ছানুসাৰে ম'হৰ ৰূপ ল'ব পাৰিছিল বাবে তেওঁক মহিষাসুৰ বুলি জনা যায়। কিছুমান প্ৰতিমাত মহিষাসুৰে ম'হৰ পিঠিত উঠি থাকে, আনহাতে কিছুমানত আকৌ আধা মানুহ আৰু আধা ম'হৰ ৰূপত দেখুওৱা হয়।

শাস্ত্ৰ অনুসৰি ৰম্ভাসুৰৰ পুত্ৰ মহিষাসুৰ আছিল এজন অত্যন্ত শক্তিশালী ৰাক্ষস বা দানৱ। যিয়ে ব্ৰহ্মাৰ পৰা বৰ পাইছিল যে কোনো পুৰুষ বা দেৱতাই তেওঁক দিন বা ৰাতি কেতিয়াও বধ কৰিব নোৱাৰিব। ইয়াৰ সুযোগ লৈ তেওঁ অত্যাচাৰ চলাই বৰ পৰাক্ৰমী হৈ স্বৰ্গলোক অধিকাৰ কৰি ইন্দ্ৰকে ধৰি দেৱ-দেৱীসকলক খেদি পঠিয়াইছিল।

তেতিয়া দেৱ-দেৱীসকলে ব্ৰহ্মাৰ সৈতে শিৱ আৰু বিষ্ণুক সাক্ষাৎ কৰি মহিষাসুৰৰ অত্যাচাৰৰ কথা বিৱৰি কোৱাত ব্ৰহ্মা আৰু বিষ্ণু খঙত টিঙিৰিতুলা হৈ পৰিল আৰু তেওঁলোকৰ খঙৰ পৰা সৃষ্টি হোৱা মহাতেজ মুখেৰে নিৰ্গত হ'বলৈ ধৰিলে। লগে লগে অন্যান্য দেৱতাসকলৰ মুখৰ পৰাও মহাতেজ নিৰ্গত হ'বলৈ ধৰিলে। ক্ৰমে দেৱতাসকলৰ তেজৰাশি পুঞ্জীভূত হৈ এক জ্বলন্ত পৰ্বতৰ সৃষ্টি হ'ল। সেই পুঞ্জীভূত তেজৰ পৰা দেৱতাৰ সন্মিলিত শক্তিৰে দুৰ্গতিনাশিনী, মহাশক্তিসম্পন্না এগৰাকী লাৱণ্যময়ী দেৱী মাতৃৰ সৃষ্টি হ'ল। দেৱতাসকলে দেৱীক পূজা-অৰ্চনা কৰি বস্ত্ৰ, আ-অলংকাৰ, বাহন আৰু অস্ত্ৰ-শস্ত্ৰ প্ৰদান কৰিলে। মহিষাসুৰ দুৰ্গা দেৱীৰ লগত যুদ্ধত মত্ত হ'ল। কেইবাদিনো ধৰি চলা ভয়ংকৰ যুদ্ধৰ অন্তত দেৱী দুৰ্গাই দশম দিনা মহিষাসুৰক সসৈন্যে পৰাস্ত কৰি বধ কৰে। সেয়েহে দুৰ্গা দেৱীক 'মহিষমৰ্দিনী' বুলিও কোৱা হয় আৰু এই বিশেষ দিনটো বিজয়া দশমী হিচাপে উদ্‌যাপন কৰা হয়।

ৰাক্ষসৰূপী মানুহ ঃ

ঈশ্বৰে মানুহক সৃষ্টি কৰিছে শ্ৰেষ্ঠ জীৱ হিচাপে, য'ত জ্ঞান, বিবেক, বুদ্ধি, দয়া-মমতাৰ দৰে গুণসমূহ অন্তৰ্ভুক্ত হৈ থাকে। কিন্তু ভাল মানুহৰ লগতে এনে কিছুমান মানুহো দেখা পোৱা যায়, যিসকল দেখাত মানুহ যেন হ'লেও তেওঁলোকৰ কৰ্ম আৰু মানসিকতা কোনো ক্ৰুৰ অসুৰ বা ৰাক্ষসতকৈ কম নহয়। এনে লোকসকলকে 'ৰাক্ষসৰূপী মানুহ' বুলি ক'ব পৰা যায়। তেওঁলোকৰ ধ্বংসমুখী কাৰ্যই সমাজত শান্তি-শৃঙ্খলা ব্যাহত কৰে আৰু মানৱতাক ধূলিসাৎ কৰি পেলায়।

এনেকুৱা ৰাক্ষসৰূপী মানুহৰ কোনো সুকীয়া বাহ্যিক ৰূপ নাথাকে। তেওঁলোক সাধাৰণ লোকৰ দৰেই সাধাৰণ পোছাকত সমাজতে ঘূৰি ফুৰে। কিন্তু তেওঁলোকৰ অন্তৰত লুকাই থাকে হিংসা, লোভ, স্বাৰ্থপৰতা আৰু আসুৰিক প্ৰবৃত্তি। আনৰ অপকাৰ



কৰা, আনক কষ্ট দি আনন্দ লাভ কৰা আৰু নিজ স্বাৰ্থৰ বাবে যিকোনো জঘন্য কাম কৰিবলৈ তেওঁলোকে কুণ্ঠাবোধ নকৰে। সমাজত বাস কৰা এইবোৰ ৰাক্ষসৰূপী মানুহৰ মুখাৱয়ব বা আকৃতি মানুহৰ দৰে হ'লেও, তেওঁলোকৰ কৰ্ম-কাণ্ড, মানসিকতা আৰু আচাৰ-আচৰণ দানৱ বা অসুৰৰ দৰে দেখা যায়। বাহ্যিক দৃষ্টিত তেওঁলোকক কেতিয়াবা অতি ভদ্ৰ, নম্ৰ বা সমাজপ্ৰিয় যেন লাগিব পাৰে, কিন্তু ভিতৰৰ সত্তটোৱে তেওঁলোকক বেয়া কাম কৰিবলৈ অনৱৰত প্ৰলুব্ধ কৰি ৰাখে।

আজিৰ সমাজখনত বৃদ্ধি পোৱা ধৰ্ষণ, হত্যা, দুৰ্নীতি, ডকাইতি, প্ৰকৃতি ধ্বংস আৰু নিষ্পাপ শিশু বা বৃদ্ধৰ ওপৰত সংঘটিত হোৱা অত্যাচাৰবোৰ এই ৰাক্ষসৰূপী মানুহবোৰৰেই কৰ্ম। আমাৰ সমাজত সচৰাচৰ দেখা পোৱা তেনে কিছুমান মানুহৰূপী ৰাক্ষস হৈছে—

ধৰ্ষণকাৰী আৰু শিশু নিৰ্যাতনকাৰী ঃ যিসকলে মহিলা বা নিষ্পাপ শিশুক ব্যৱহাৰ কৰি নিজৰ পাশৱিক প্ৰবৃত্তি চৰিতাৰ্থ কৰে। এওঁলোক সমাজৰ আটাইতকৈ ভয়ংকৰ ৰাক্ষস।

অপৰাধী আৰু হত্যাকাৰী ঃ যিসকলে সামান্য ধন বা ব্যক্তিগত শত্ৰুতাৰ বাবে কাৰোবাৰ জীৱন কাঢ়ি ল'বলৈকো কুণ্ঠাবোধ নকৰে।

ভ্ৰষ্টাচাৰী আৰু দুৰ্নীতিপৰায়ণ লোক ঃ যিসকলে নিজৰ স্বাৰ্থৰ বাবে দৰিদ্ৰ আৰু অসহায় লোকৰ অধিকাৰ কাঢ়ি লয়। এওঁলোকৰ বাবেই যোগ্য লোকসকল নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হয়।

প্ৰৱঞ্চক আৰু বিশ্বাসঘাতক ঃ যিসকলে সমাজত বিশ্বাসৰ সুযোগ লৈ আনৰ সৰলতাৰ অপব্যৱহাৰ কৰে আৰু মানুহক আৰ্থিক বা মানসিকভাৱে সৰ্বস্বান্ত কৰে।

সামাজিক কু-সংস্কাৰ আৰু হিংসা বিয়পোৱা লোক ঃ যিসকলে ধৰ্ম, জাতি বা বৰ্ণৰ নামত সমাজত বিষবাষ্প বিয়পায় আৰু অশান্তি-সংঘৰ্ষ আদিৰ সৃষ্টি কৰি মানুহৰ মাজত বিভেদ আনিবলৈ চেষ্টা কৰে।

দাৰ্শনিক আৰু আধ্যাত্মিক পৰম্পৰাত আসুৰিক প্ৰকৃতিৰ মানুহ বুলিলে এনে ব্যক্তিক বুজায় যি বাহিৰৰ পৰা একেবাৰে সাধাৰণ যেন লাগে, কিন্তু সমাজত ধ্বংসাত্মক, ক্ষতিকাৰক বা গভীৰভাৱে অনৈতিক আচৰণ প্ৰদৰ্শন কৰে।

সাংস্কৃতিক আৰু দাৰ্শনিক প্ৰসংগত ইয়াৰ বৈশিষ্ট্যসমূহ হ'ল ঃ

অহংকাৰ আৰু দৰ্প (Arrogance and Pride) ঃ আত্মগুৰুত্ব, অধিকাৰবোধৰ অতিৰিক্ত ভাব, আনক হেয় জ্ঞান কৰি নিজৰ মতকে প্ৰাধান্য দিয়া বা নিজৰ মতকে আনে মানি ল'বলৈ প্ৰভাৱ বিস্তাৰ কৰাৰ ধাৰণা।

নীতি-নিয়মৰ প্ৰতি বিতৃষ্ণা (Aversion to Ethics) ঃ নৈতিক মূল্যবোধ, সামাজিক দায়িত্ব আৰু সামূহিক কুশলতা অস্বীকাৰ কৰা।

কামনা আৰু লোভ (Lust and Greed) ঃ আনৰ ক্ষতি কৰি হ'লেও কেৱল ইন্দ্ৰিয় সুখ, সম্পদ সংগ্ৰহ আৰু তাৎক্ষণিক আনন্দ লাভৰ বাবে জীৱনটোক ব্যৱহাৰ কৰা।

অসততা আৰু বিদ্বেষ (Dishonesty and Malice) ঃ ছলনা, প্ৰৱঞ্চনা, ক্ৰুৰতাৰ প্ৰয়োগ আৰু মৌলিক সহানুভূতি বা অনুশোচনাৰ নিৰন্তৰ অভাৱ।

এনে কু-প্ৰবৃত্তিৰ মানুহক সমাজৰ পৰা আঁতৰাবলৈ হ'লে কেৱল কঠোৰ আইন-কানুনেই পৰ্যাপ্ত নহয়। ইয়াৰ বাবে প্ৰথম পদক্ষেপ হ'ল নৈতিক শিক্ষা। পৰিয়াল আৰু শিক্ষানুষ্ঠানসমূহত সৰুৰে পৰা সন্তানক মানৱীয় প্ৰমূল্যবোধৰ শিক্ষা দিয়াটো জৰুৰী। তদুপৰি সমাজৰ সচেতন নাগৰিকসকলে এনে অপৰাধমূলক মানসিকতাৰ বিৰুদ্ধে থিয় দিয়া উচিত আৰু অপৰাধীক যথাযোগ্য শাস্তি প্ৰদানৰ বাবে আইনক সহায় কৰা দৰকাৰ।

দুৰ্গা পূজাৰ মূল অসুৰ বা দানৱজন হ'ল মহিষাসুৰ। কিন্তু মহিষাসুৰৰ এই প্ৰতিমাটোৱে এজন অসুৰ বা ৰাক্ষসকে নুবুজায়, ই মানুহৰ মনৰ নিভৃত কোণত থকা অসূয়া-কপটতা, অহংকাৰ, পাশৱিক প্ৰবৃত্তি আৰু অশুভ শক্তিৰ প্ৰতীক। মানুহৰ প্ৰকৃত পৰিচয় তেওঁৰ চেহেৰাত নহয়, তেওঁৰ কৰ্ম-কাণ্ডতহে প্ৰকাশ পায়। মানুহে নিজৰ ভিতৰৰ পাশৱিক প্ৰবৃত্তিবোৰ যেতিয়ালৈকে দমন কৰি মৰম আৰু ভাতৃত্ববোধৰ বান্ধোনেৰে সমাজখনক সাবটি নলয়, তেতিয়ালৈকে সমাজত এই অসুৰৰূপী মানুহৰ অত্যাচাৰ সময়ে সময়ে চলিয়েই থাকিব।

জগতৰ পৰা সকলো ধৰণৰ অন্যায়-অত্যাচাৰ, দুৰ্নীতি, সমাজত টিঘিলঘিলাই থকা কু-শক্তিসমূহক পৃথিৱীৰ পৰা বিনাশ কৰি এখন শুভশক্তি সম্পন্ন সুন্দৰ সমাজ সৃষ্টি কৰিবলৈ দুৰ্গা দেৱীক আৰাধনা কৰা হয়। দুৰ্গাদেৱীক পূজা কৰাৰ মূল উদ্দেশ্য হ'ল— যাতে অশুভ আসুৰিক শক্তিসমূহ দমন কৰি প্ৰতিজন মানুহৰ অন্তৰত থকা শুভশক্তিক উজ্জীৱিত কৰাৰ বাবে সামৰ্থ্য আহৰণ কৰা। ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক

নলবাৰী জিলাৰ এখন ঐতিহ্যবাহী স্থান শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয়

ৰীতামনি গোস্বামী বৰ্মন

নলবাৰী চহৰ এক অৰ্বাচীন চহৰ। ১৮৬৪ চনৰ ইংৰাজ-ভূটান যুদ্ধৰ পাছৰ পৰাহে নলবাৰী চহৰ গঠন প্ৰক্ৰিয়া আৰম্ভ হয় আৰু ১৯৩৮ চনতহে নলবাৰীকো অসমৰ অন্যতম চহৰ ৰূপে স্বীকৃতি প্ৰদান কৰা হয়। কিন্তু নলবাৰী অঞ্চলৰ সমাজ সভ্যতা, সাহিত্য-সংস্কৃতি বৰ প্ৰাচীন। পুৰণি কামৰূপ জিলাক তিনি ভাগত ভাগ কৰি ১৯৮৫ চনৰ ১৪ আগষ্টত নলবাৰীক সুকীয়াকৈ জিলাৰ মৰ্যাদা প্ৰদান কৰা হয়। দেশৰ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথটো জিলাখনৰ মাজেৰে গৈ নলবাৰী জিলাক দুভাগ কৰিছে। ইয়াৰে উত্তৰে ভূটান পাহাৰ আৰু দক্ষিণ দিশে ব্ৰহ্মপুত্ৰ নদীয়ে জিলাখনৰ সৌন্দৰ্য দুগুণ বৃদ্ধি কৰিছে। নানা ভাষা-ভাষী, জাতি-জনজাতিৰে নলবাৰী জিলা এখন সমন্বয় আৰু একতাৰ মিলনভূমি। অতীজৰে পৰা লোক-সংস্কৃতি, ৰাজনীতি, সাহিত্য, সংস্কৃত চৰ্চা, নাট্যাভিনয় আদিত এক সুকীয়া স্থান দখল কৰি অহা নলবাৰী অঞ্চলত আছে বহুতো ঐতিহ্যবাহী মঠ-মন্দিৰ, দেৱালয় আদি। এই নিবন্ধত নলবাৰীৰ ঐতিহ্যপূৰ্ণ ইতিহাসৰ আলোচনা নকৰি ইয়াত মাথোঁ জিলাখনৰ প্ৰাচীন, প্ৰখ্যাত শ্ৰীশ্ৰীবিল্বেশ্বৰ দেৱালয়ৰ কথাহে আলোচনা কৰা হ'ব। নলবাৰী অঞ্চলত শৈৱ আৰু শাক্তধৰ্মৰ প্ৰভাৱ সুস্পষ্ট। তাৰে উদাহৰণ বিভিন্ন দেৱালয়, মনসাপীঠ, মন্দিৰ ইত্যাদি। তদুপৰি নলবাৰী জিলাৰ বিভিন্ন অঞ্চলত চলি অহা বিভিন্ন লোক-উৎসৱবোৰো আন আন অঞ্চলৰ পৰা পৃথক। সি যিয়েই নহওক ইয়াত আমাৰ প্ৰধান আলোচ্য বিষয় হ'ল শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয়।

নলবাৰী চহৰৰ পৰা ১৪ কিলোমিটাৰ দূৰত বেলশৰ গাঁৱত শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয় অৱস্থিত। আহোম ৰাজত্ব কালৰ বিভিন্ন কীৰ্তিচিহ্ন মাজত বিদ্বেশ্বৰ দেৱালয়ো অন্যতম। আনুমানিক ১৫২১ শকত এই দেৱালয় প্ৰতিষ্ঠা কৰে লৌহিত্য বংশৰ গৌড় ৰজা নাগশংকৰে। এই দেৱালয় স্থাপনৰ ক্ষেত্ৰত এটা অলৌকিক তথা আমোদজনক কাহিনী লোকবিশ্বাসৰ স'তে জড়িত হৈ আছে। স্থানীয় গাঁৱৰ বাসিন্দা ৰূপনাৰায়ণ ভট্টাচাৰ্য্য নামৰ ব্ৰাহ্মণ এজনৰ ঘৰত কপিলী গাইগৰু এজনী আছিল। গাইজনীয়ে ঘৰত গাখীৰ খিৰাব নিদি বেলগছ আৰু বিৰিণা বনেৰে আবৃত হাবি এডোখৰত থকা বিৰিণা বন এজোপাত গাখীৰ দিয়ে। বিৰিণাজোপাত গাইজনীৰ ওহাৰৰ পৰা নিজে নিজে গাখীৰ নিগৰি পৰি থাকে। কৌতূহলবশতঃ ব্ৰাহ্মণজনে কেইজনমান মানুহৰ সহায়ত বিৰিণাজোপাৰ তল খান্দি চোৱাত এটা শিলৰ শিৱলিংগ ওলাই পৰে। কিন্তু হাজাৰ চেষ্টা কৰিও শিলালিংগৰ বিগ্ৰহজনা কোনেও মাটিৰ তলৰ পৰা উঠাব নোৱাৰিলে। সেয়ে, স্থানীয় ৰাইজে চালি এখন দি তাতেই পূজা-অৰ্চনা কৰিবলৈ ল'লে। কথা গৈ ৰজা নাগশংকৰৰ কাণত পৰিল। ৰজাই হাতী লগাইও যেতিয়া শিৱলিংগ উঠাব নোৱাৰিলে, তেতিয়া সেই ঠাইতে এটা মন্দিৰ নিৰ্মাণ কৰি দিলে— পূজা-অৰ্চনা কৰিবৰ বাবে। এই বিল্বেশ্বৰ নামটো সন্দৰ্ভতো বহুতো জনশ্ৰুতি জড়িত হৈ আছে। একাংশৰ মতে বিৰিণাৰ তলত উদ্ধাৰ হোৱা বাবে বিল্বেশ্বৰ (বিন্না ঈশ্বৰ), কালক্ৰমত অপভ্ৰংশ হৈ হ'লগৈ বিল্বেশ্বৰ। আন একাংশৰ মতে আকৌ বেলগছৰে আবৃত ঠাইত মন্দিৰ স্থাপন হোৱা বাবে মন্দিৰটোৰ নাম বিল্বেশ্বৰ। পুৰণি কালত সেই অঞ্চলত বহুতো বিল আছিল। বিলৰ কাষত হোৱা বাবে মন্দিৰৰ নাম বিল্বেশ্বৰ হোৱা বুলি আন একাংশই মত পোষণ কৰে। কিন্তু বিল্বেশ্বৰ নামৰ অপভ্ৰংশ হৈ যে গাঁওখনৰ নাম বেলশৰ হ'ল তাত কাৰোৱে দ্বিমত নাই। মঠৰ ভূগৰ্ভৰ ভিতৰত থকা বিগ্ৰহজনা আজিও তেনে অৱস্থাতে দেখিবলৈ পোৱা যায়। মাটিৰ পৰা প্ৰায় দহফুট তলত আছে বিগ্ৰহজনা। নাগাক্ষ বা নাগশংকৰ ৰজাই সজোৱা জামুগুৰিহাটৰ নাগশংকৰ মন্দিৰৰ নিৰ্মাণশৈলীৰ লগত এই বিল্বেশ্বৰ মন্দিৰৰ নিৰ্মাণ শৈলীৰ যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয়।

তাহানিৰ দিনৰে পৰা শাসকপক্ষৰ পৃষ্ঠপোষকতাত এই দেৱালয়খনৰ সংৰক্ষণ তথা ৰক্ষণাবেক্ষণৰ কাৰ্য চলি আহিছে।

ষোড়শ শতিকাত কোঁচ ৰজা নৰনাৰায়ণে কোচবিহাৰত ৰাজধানী পাতি কামৰূপ কমতাৰ ৰজা হয়। তেওঁৰ নির্দেশত তেওঁৰেই ভাতৃ চিলাৰায় দেৱানে মন্দিৰৰ সংস্কাৰ সাধন কৰি মন্দিৰৰ কাষতে এটা পুখুৰী খান্দি দিয়ে। যিটো পুখুৰী আজিও দেৱান পুখুৰী নামেৰে জনাজাত।

আহোম ৰাজত্ব কালত ৰজা শিৱসিংহৰ পৃষ্ঠপোষকতাত এই মন্দিৰৰ যথেষ্ট শ্রীবৃদ্ধি ঘটে। সঁচা অর্থত ক'বলৈ গ'লে এই দেৱালয়ৰ শ্রীবৃদ্ধি আৰু জনপ্রিয়তাৰ বাবে আহোম ৰজাসকলৰ অৱদান যথেষ্ট বেছি। প্রবাদ আছে— ল'ৰাৰজাৰ ভয়ত নলবাৰী ছান্দকুচি গাঁৱত আত্মগোপন কৰি থকা গদাধৰ সিংহই নিতৌ ৰাতিপুৱা বিল্বেশ্বৰ বিগ্রহজনাক সেৱা জনাইছিল।

মাটিৰ তলত থকা বাবে বহুৰৰ বেছিভাগ সময় মন্দিৰৰ মূল বিগ্রহজনা পানীৰ তলতে থাকে। খৰালি পানী শুকাই গ'লেহে তিনিমাহমান ভক্তিপ্রাণ ৰাইজে শিৱলিংগৰ দর্শন কৰিব পাৰে। শিৱৰাত্রিত ইয়াত মহা ধুমধামেৰে পূজা-অর্চনা চলে। সেইদিনাই ভক্তিপ্রাণ ৰাইজে ফুল-বেলপাত, নৈবেদ্যৰে মূল মন্দিৰৰ বিগ্রহজনাক আৰাধনা কৰিব পাৰে। শুনা মতে, সেই অঞ্চলৰ মুছলমান লোকসকল এই মন্দিৰৰ পাইক আছিল আৰু মন্দিৰৰ এথাল ভোগ তেওঁলোকৰ বাবে বৰাদ্দ আছিল। এনে কাৰ্যই এই মন্দিৰক এক সুকীয়া বৈশিষ্ট্য প্রদান কৰিছে।

সম্প্রতি মন্দিৰ চৌহদত ৫ বিঘামান মাটি আৰু মন্দিৰ চৌহদৰ কাষতে আছে প্রকাণ্ড দেৱান পুখুৰী। চৌহদটো চাৰিওফালে কেইবাটাও চৰকাৰী কার্যালয়, স্বেচ্ছাসেৱী অনুষ্ঠানৰ কার্যালয় পূজাৰ থলী আৰু গড়কাপ্টানি পথে আগুৰি আছে। চাৰিওফালে পকী দেৱালেৰে আবৃত মন্দিৰ চৌহদলৈ প্রৱেশৰ বাবে তিনিখন লোহাৰ গেট আছে। ইয়াৰে পশ্চিম গেটেৰে পূজাথলীলৈ আৰু বাকী দুখন গেটৰ আনখনেৰে দেৱান পুখুৰীলৈ অহা-যোৱা কৰা হয়। মন্দিৰ চৌহদত থকা প্রকাণ্ড বট, আঁহত, বকুল গছ কেইজোপায়ো পুৰণি দিনৰ স্মৃতি বহন কৰি আছে। তাৰোপৰি পূব দিশত থকা তালগছৰ শাৰীটোৱেও যেন সোণত সুৱগাহে চৰাই আছে। মন্দিৰ চৌহদৰ ভিতৰত ভাৰতীয় সেনাবাহিনীৰ 5 Jammu and Kashmir Light Infantry ৰ দ্বাৰা নির্মাণ কৰা এখন পার্ক আছে। পার্কখনৰ নাম নাগাক্ষ পার্ক। পার্কখনত বিভিন্ন বহুৰঙী ফুল-পাতৰ গছ, বহাৰ বাবে বেঞ্চ, শিশুৰ বাবে খেলৰ সামগ্রী তথা আঁহত গছ এজোপাৰ তলত থকা ধ্বনিঘৰ আদিয়ে পর্যটকক আকর্ষণ কৰি আহিছে। ইয়াৰ উপৰি মন্দিৰৰ পূব দিশৰ পুখুৰীৰ সোঁমাজত নির্মাণ কৰা ষাঁড়গৰু সহিতে শিৱলিংগত পূজা-অর্চনা কৰিবলৈ ভক্তিপ্রাণ ৰাইজৰ বাবে 'শিৱসেতু' নামেৰে এখন শিলৰ সাঁকো নির্মাণ কৰা হৈছে।

বিল্বেশ্বৰ দেৱালয়ৰ শিৱলিংগই অতীজৰে পৰাই কঢ়িয়াই আছে এক অনাবিল আধ্যাত্মিক চেতনা। যি ধর্মীয় চেতনাই এটা সুবৃহৎ জনবসতিৰ এলেকাক একতাৰ ডোলেৰে বান্ধ খুৱাই ৰাখিছে। দেৱালয়খনৰ মণিকুট, ভঁৰালঘৰ, ৰান্ধনিঘৰ, ভোগঘৰ, মণ্ডপঘৰ, ডবাঘৰৰ উপৰিও আছে দেবীমূর্তি স্থাপন কৰা দেৱীঘৰটো। দেৱালয়ৰ দবাঘৰৰ এই দবাটো হেনো স্বাধীনতা আন্দোলনত সংকেত দিয়া কার্যত ব্যৱহাৰ হৈছিল বুলি বহুতে মতপোষণ কৰে। আনহাতে, মন্দিৰৰ পশ্চিমফালে আছে দৌল উৎসৱৰ বাবে প্রয়োজন হোৱা দৌলঘৰটো।

শ্রীশ্রী বিল্বেশ্বৰ দেৱালয় প্রধানতঃ এটা শৈৱ আৰাধনা পীঠস্থান। তথাপিও ইয়াত শক্তি আৰু বিষ্ণুকো আৰাধনা কৰা হয়। প্রাচীন কালৰে পৰা দেৱালয়খনত বছৰৰ বাৰটা মাহতে বিভিন্ন ধর্মীয় উৎসৱ, পূজা-পার্বণ চলি আহিছে। এই উৎসৱ-পার্বণ পূজা আদিৰ জৰিয়তে শৈৱ-শাক্ত তথা বৈষ্ণৱ ধর্মাৱলম্বী লোকসকল ঐক্য-সম্প্রীতিৰ এনাজৰীৰ ডোলেৰে বান্ধ খাই পৰিছে। বছৰৰ প্রতিটো দিনতে বিল্বেশ্বৰ দেৱালয়ত পূজা-অর্চনা চলি থাকে।

শৰৎ কালত দেৱী মহিষমনির্দনী দুর্গা দেৱীৰ পূজা মহা ধুমধামেৰে পালন কৰা হয়। প্রতিপদৰ পৰা দশমীলৈ নৱদুর্গাৰ পূজা কৰা হয়। এই দুর্গা পূজাৰ এটা উল্লেখনীয় বিশেষত্ব এয়ে যে ইয়াত দুর্গা দেৱীৰ কোনো মৃন্ময় মূর্তিত পূজা-অর্চনা কৰা নহয়। এডাল ৰামকলৰ পুলিত ৰঙা পাৰিৰ বগা আনাকাটা শাৰীৰে মেৰিয়াই দেৱী ৰূপত পূজা কৰা হয়। কালিকা পুৰাণৰ মতে ইয়াত বলি-বিধানেৰে পূজা সম্পন্ন কৰা হয়। হাঁহ, পাৰ, ছাগলী, কোমোৰা, কুঁহিয়াৰ, নাৰিকল আদিৰে দেৱীৰ পূজা-অর্চনা কৰে। নৱমীৰ দিনাখন ইয়াত ম'হ বলি দিয়াৰ প্রথা অতীজৰে পৰা চলি আহিছে। সেইদিনা পূজাত বলি আৰু পূজা চাবলৈ পূজাথলীত ইমানেই মানুহৰ সমাগম হয় যে স্থানীয় কথিত ভাষাত নৱমী পূজাক 'আইলা পূজা' (আইলা- চেদেলি-ভেদেলি হোৱা) বুলিও কয়। দশমীত দেৱান পুখুৰীত দেৱী বিসর্জন দিয়া হয়। এই বিসর্জন চাবলৈ পূজাথলী লোকাৰণ্য হৈ পৰে। দশমীৰ পাছতে পূর্ণিমা তিথিত লক্ষ্মী পূজা পতা হয়। সেইদিনা মন্দিৰত হাঁহ এটা বলি দিয়ে। কাতি মাহত কালী পূজা পতা হয়। এই পূজাটো বলি বিধান চলে। একাদশীৰ পৰা ৰাস পূর্ণিমালৈ কালী পূজা চলি থাকে। পূর্ণিমাৰ দিনা পূর্ণাহুতি দিয়া হয়। সেইদৰে দেৱালয়ত দৌলোৎসৱ আৰু শিৱৰাত্রিত মহা ধুমধামেৰে উদ্‌যাপন কৰা হয়। দৌলোৎসৱ বা ফাকুৱাত পূর্ণিমাৰ আগদিনা 'মেষ দাহ' প্রথা মতে কলচোচনিৰে (কলগছৰ শুকান পাত) সজা মঠ এটাৰ ভিতৰত পঠা ছাগলী এটা সুমুৱাই মঠটোত জুই জ্বলাই দিয়া হয়। পাছত স্থানীয় যুৱকে সেই ছাগলীটো ধৰি

তাৰ মাংস ভক্ষণ কৰা প্ৰথা প্ৰচলিত আছে। দৌল পূৰ্ণিমাৰ পিছদিনা অৰ্থাৎ কৃষ্ণা প্ৰতিপদৰ দিনাখন মন্দিৰ এটা ভ্ৰাম্যমাণ গোসাঁই মুতি স্থানীয় অঞ্চলত ফুৰাব নিয়ে। এনেদৰে ফুৰোৱাক 'সৰি ফুৰা' বুলি কোৱা হয়। স্থানীয় ৰাইজেও ভক্তি সহকাৰে ধূপ-দ্বীপেৰে চোৱাৰেৰে নিজৰ ঘৰলৈ বৰি (আদৰি) নিয়ে। এনেদৰে গৃহস্থৰ ঘৰলৈ মূৰ্তি আদৰি আনিলে গৃহস্থৰ মংগল হয় বুলি লোকবিশ্বাস আছে আৰু লগত অহা ৰাইজক চাহ-জলপানেৰেও আপ্যায়ণ কৰে।

ইয়াৰ পাছতে মহাশিৱৰাত্ৰিত শিৱপূজা মহা উৎসাহেৰে পালন কৰা হয়। সেইদিনা পু�ৰাৰে পৰাই ভক্তৰ লানি নিছিগা সোঁত বয়। প্ৰসাদ ভোগ, পূজা-অৰ্চনা, মেলা আদিৰে এই শিৱপূজা শিৱ মহোৎসৱলৈ পৰিণত হয়। সেইদিনাই পানীৰ তলত থকা মূল বিগ্ৰহজনাৰ দৰ্শন পোৱা যায়। উল্লেখযোগ্য যে মূৰ্তি উদ্ধাৰ হোৱাৰ সময়ত মূৰ্তিৰ গাত লগা কোৰৰ দাগ এতিয়াও বিগ্ৰহজনাৰ গাত দেখা পোৱা যায়।

এটা অঞ্চলত থকা একোখন ঐতিহ্যবাহী পীঠস্থান বা অনুষ্ঠানৰ প্ৰভাৱত সেই অঞ্চলৰ জনজীৱন, সাহিত্য-সংস্কৃতি, বিভিন্ন লোকবিশ্বাস আৰু ধৰ্মীয় চেতনাৰ এক অবিচ্ছেদ্য বান্ধোন দেখা যায়। বিল্বেশ্বৰ দেৱালয়ক কেন্দ্ৰ কৰিও গঢ়ি উঠিছে বিভিন্ন লোকবিশ্বাস তথা সামাজিক কিছু প্ৰথা, উৎসৱ-পাৰ্বণ। বিল্বেশ্বৰ দেৱালয়ত পালন কৰা এটা লোক উৎসৱ হ'ল 'ভঠেলি'। ভঠেলি নামনি অসমৰ এটা লোক-উৎসৱ। ভঠেলি উৎসৱত দীঘল বাঁহ গছ এডালত ৰঙীণ কাপোৰ মেৰিয়াই ধুনীয়াকৈ তাত চোৱৰ বান্ধি ভঠেলিৰ পাৰ সজোৱা হয়। সাত বিহুত ভঠেলিৰ পাৰ দেৱালয় চৌহদৰ ভিতৰত পোতা হয়। কিন্তু কুৰিদিনীয়া ভঠেলিৰ পাৰ দেৱালয়ৰ বাহিৰত পোতে। এই উৎসৱত অনুষ্ঠিত হোৱা মেলা ভঠেলি মুখ্য আকৰ্ষণ। অসম বিখ্যাত এই কুৰিদিনীয়া ভঠেলি চাবলৈ বিভিন্ন ঠাইৰ মানুহ পাৰ ভাঙি সেই ঠাইত সমবেত হয়।

জেঠ মাহৰ প্ৰতি সোমবাৰে আয়তীসকলৰ দ্বাৰা বিল্বেশ্বৰ দেৱালয়ত জেঠুৰা নাম ধৰা হয়। ইয়াক সোমবৰীয়া নাম বুলিও কয়। জেঠ মাহৰ শেষৰ চাৰিদিন আৰু আহাৰ মাহৰ প্ৰথম তিনিদিন 'সাথ লগা' বুলি লোকবিশ্বাস চলি আহিছে। এই সাথ ভঙাৰ দিনা বিল্বেশ্বৰ দেৱালয়ত সধৰা তিৰোতাই নাম-প্ৰসংগ কৰে। এই নামক 'বৰাতৰ নাম' বুলি কোৱা হয়। জেঠ মাহৰ শেষৰ দিনাখন (জেঠ-আহাৰ মাহৰ দোমাহী) বিল্বেশ্বৰ দেৱালয়ত এখন ডাঙৰ পীৰাত সেন্দূৰৰ ফোঁট দি তাত মাটি লৈ পঞ্চশস্য সিঁচাটো নিয়ম। সেই শস্য সিঁচা পীৰাখন বৰাতৰ দিনা পুখুৰীৰ পানীত উটুৰাই দিয়ে। পীৰাখনক উপাস্য দেৱতাৰ প্ৰতীক বুলি ধৰি লৈ যিবিলাক শস্য অধিক পৰিমাণে গজে, পৰৱৰ্তী সময়ত সেই শস্য উৰ্ভেনদী পৰিমাণে উৎপাদন হ'ব বুলি জনমানসত বিশ্বাস চলি আহিছে। আকৌ সেইদিনাই পুখুৰীত বিভিন্ন ফল-মূল উটুৰাই দিয়া হয়। সাবিত্ৰী ব্ৰত উপাখ্যান মতে, সন্তানহীনা তিৰোতাই সেই ফল খালে সন্তান সম্ভৱা হয় বুলি লোকবিশ্বাস চলি আহিছে। অম্বুবাচীৰ চাৰিদিনত মন্দিৰত পূজা-অৰ্চনা বা ভোগ আদি বন্ধা নহয়। আঘোণত নতুন ধান কটাৰ পাছত সেই শস্যৰ ভোগ মন্দিৰত আগবঢ়াইহে মানুহে নতুন ধানৰ চাউলেৰে ন-খোৱা পাতে। মাঘ মাহক বিল্বেশ্বৰ দেৱালয়ৰ বাবে উত্তম মাহ হিচাপে গণ্য কৰা হয়। এই মাহত দৰ্শনাৰ্থীৰ ভিৰেৰে লোকাৰণ্য হৈ থাকে। স্থানীয় লোকেও সময়ছোৱাত এটা ব্যৱসায়ৰ সুযোগ পায়। ধূপ-চাকি, ফল-ফুলেৰে দৰ্শনাৰ্থীৰ এটা সুন্দৰ সুবিধা প্ৰদান কৰাৰ লগতে তেওঁলোকেও দুপইচা উপাৰ্জনৰ সুযোগ লাভ কৰে। তদুপৰি সেই অঞ্চলৰ হোৱা বিবাহ কাৰ্যৰ এটা অন্যতম কাৰ্য পানী তোলা প্ৰথা দেৱান পুখুৰীতে সম্পন্ন কৰা নিয়ম অতীজৰে পৰা চলি অহাৰ লগতে বছৰৰ বিভিন্ন সময়ত আয়তীসকলে নাম-প্ৰসংগ কৰি আহিছে। ইয়াৰ উপৰিও দেৱালয়ৰ দবাঘৰত নিতৌ শাস্ত্ৰ আলোচনা, মন্দিৰত নিতৌ ভোগ প্ৰসাদ পূজা-অৰ্চনা আৰু নাম-প্ৰসংগ চলি থাকে।

বিল্বেশ্বৰ দেৱালয় যদিও এখন শৈৱ আ�ৰাধনাৰ পীঠস্থান ইয়াত শক্তি আৰু বিষ্ণুৰ আ�ৰাধনাই ধৰ্মীয় চেতনাক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। ধৰ্ম এক আধ্যাত্মিক চেতনা। এই ধৰ্মীয় চেতনাই মানুহক সুস্থিৰ দৃঢ় আৰু সৱল সামাজিক বাতাবৱণৰ সৃষ্টি কৰাত সহায় কৰে। শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয় যদিও এটা ধৰ্মানুষ্ঠান তৎসত্ত্বেও এই ধৰ্মানুষ্ঠান বেলশৰ অঞ্চলৰ বাবে এটা সামাজিক অনুষ্ঠানলৈ পৰ্যবসিত হৈছে। আহোম যুগৰ এটা অন্যতম কীৰ্তিচিহ্ন ৰূপে বিবেচিত এই দেৱালয়ৰ প্ৰচাৰ-প্ৰসাৰ আৰু কিছু উন্নত মানৰ সা-সুবিধাৰে অসমৰ এখন উল্লেখনীয় পৰ্যটন থলীলৈ আগবঢ়াই নিব পাৰি। ইয়াৰ বাবে বিভাগীয় কৰ্তৃপক্ষ তথা চৰকাৰৰ সদিচ্ছা তথা ইতিবাচক ভূমিকাই এটা ফলপ্ৰসু দিশ উন্মোচিত কৰিব পাৰে বুলি ভাবিবৰ থল আছে।

ওঁম নমঃ শিৱায়

জয়তু শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয়।

লেখক পৰিচিতি ঃ বিশিষ্টা লেখিকা



শক্তিৰূপিণী দেৱী দুৰ্গাক আৰতিৰে উপাসনা

মামণি ডেকা

শৰতৰ বৰ্ণিল ৰূপৰ সমাহাৰেৰে আদৰি আনিলে শক্তিৰূপিণী দেৱী দুৰ্গাৰ পূজা। শৰৎ মানে মহামায়া দুৰ্গতিনাশিনীৰ আৰাধনা। নগৰে, চহৰে, গাঁৱে-ভূঞে সকলোতে দেৱীৰ মংগলময় বন্দনাৰ আয়োজন। অতি প্ৰাচীন কালৰ পৰাই হিন্দুসকলৰ মাজত দেৱীৰ পূজা-অৰ্চনা চলি আহিছে। সৃষ্টিৰ আদিতে শ্ৰীকৃষ্ণই দেৱী পূজা কৰে, পিছত ব্ৰহ্মাদি দেৱতাসকলেও দেৱীৰ পূজা কৰে আৰু এই দুৰ্গা দেৱীৰ পূজা প্ৰসাৰিত হৈ মানৰ সমাজতে সাম্প্ৰতিক সময়লৈকে চলি আছে। ত্ৰেতা যুগতো ৰামচন্দ্ৰৰ অকালবোধন পূজাই সমাজত থিতাপি ল'লে। অৱশ্যে ঠায়ে ঠায়ে বসন্তকালত হোৱা বাসন্তী পূজাও আজিলৈকে চলি আছে। যুগ যুগ ধৰি শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাৰ আগমনত সকলোৰে মাজত আনন্দৰ সোঁত বয়। কাৰণ দুৰ্গতিনাশিনী দুৰ্গাই সকলোকে দুৰ্গতিৰ পৰা পৰিত্ৰাণ কৰে। তেৱেঁই অসুৰ বিনাশিনী দুৰ্গা শক্তি জ্যোতিৰ্ময়ী নাৰী মূৰ্তিৰ প্ৰতীক। সকলোৰে আশা আৰু প্ৰত্যাশাৰ ঈপ্সিত দেৱী।

শক্তি পূজা কেৱল ঐতিহ্য সুখ-সম্পদ লাভৰ বাবে নহয়, এই শক্তি সাধনা মুক্তি লাভৰো সোপান। ভাৰতবৰ্ষত আৰ্য

ঋষিসকলে প্ৰথমে নাৰী মূৰ্তিক দেৱীৰূপে অথবা মাতৃৰূপে উপাসনা কৰিবলৈ লয় আৰু তেতিয়াৰ পৰাই শক্তি পূজাৰ পৰিসৰ বাঢ়িবলৈ ধৰে। পৰৱৰ্তী সময়ত ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰ লগতে বিভিন্ন প্ৰান্তত হিন্দুসকলৰ উদ্যোগত শাৰদীয় দুৰ্গোৎসৱ উদ্‌যাপন কৰি অহা হৈছে। লাহে লাহে দুৰ্গোৎসৱৰ পৰিসৰ বহল হৈ আহিব লাগিছে। কিয়নো শাৰদীয় দুৰ্গা পূজাৰ কাৰ্যক্ৰমণিকাৰ লগত নানাবিধ সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন চলে। সেয়ে বৰ্তমান সময়ত শাৰদীয় দুৰ্গা পূজাই প্ৰসাৰতা লাভ কৰিব লাগিছে।

শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ পূজা-অৰ্চনাত ষষ্ঠাদি কল্পাৰম্ভ, দেৱীৰ বোধন আৰু আমন্ত্ৰণ, অধিবাস, নৱপত্ৰিকা প্ৰৱেশ আৰু স্থাপন আদিৰে পূজাৰম্ভ হয়। শ্ৰীশ্ৰী চণ্ডীপাঠ, গোসাঁনীৰ নাম, হোম, কুমাৰী পূজা, প্ৰদক্ষিণ, শান্তি প্ৰদান, নিৰ্মালি প্ৰদান, বিসৰ্জন আদি নানা কাৰ্যসূচীৰ মাজত সপ্তমীৰ সন্ধ্যাৰ পৰা আৰতি প্ৰদানেৰে এক তাৎপৰ্যপূৰ্ণ আন্তৰিক নিৱেদনৰ ধৰ্মীয় কাৰ্যক্ৰম। আনন্দ, উল্লাসৰ অনুভৱতে মাতৃ বন্দনাৰ এক বিমুগ্ধকৰ সাংস্কৃতিক পৰম্পৰা।

দেৱীৰ পূজাত সপ্তমীৰ দিনা সন্ধ্যাৰ পৰা অষ্টমী-নৱমীলৈকে প্ৰতিদিনে সন্ধ্যা আৰতি দিয়া হয়। দুৰ্গা দেৱীৰ পূজাত আৰতি দি দেৱীক উপাসনা কৰাটো অতীতৰ পৰাই চলি আহিছে। ধৰ্মীয় আৰু সাংস্কৃতিক দিশৰ ভিত্তিত আৰতিৰ সৃষ্টি অতিকৈ সুন্দৰ। দেখা যায়, অতি প্ৰাচীন কালৰ পৰাই চলি অহা প্ৰায়বোৰ নৃত্যই দেৱ-দেৱী উপাসনা সম্পৰ্কীয় অথবা ধৰ্মীয় উৎস থকা। এই পৰিদৃশ্যমান জগতত সকলোৰে গতিবোৰ এক অলৌকিক শক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ থাকে। গছ-গছনি, নদ-নদী, ডাৱৰ-বিজুলী, বতাহ-বৰষুণ, নিজৰা, ধুমুহা, চন্দ্ৰ-সূৰ্য আদিৰ গতিও এক অলৌকিক শক্তিৰ দ্বাৰা পৰিচালিত। এই শক্তিৰ প্ৰধান গুণ গতিৰ অনুকৰণত দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈকে দেৱীৰ পূজা-অৰ্চনাত গতিৰ মাধ্যমেৰেই আৰতিৰ দ্বাৰা নৃত্য পৰিৱেশন কৰা হয়। অসমৰ দেওধনী নৃত্যয়ো প্ৰমাণ কৰে দেৱীৰ পূজা-অৰ্চনাৰ লগত নৃত্যৰ নিৰিড় সম্পৰ্কৰ কথা। বৰ্তমানেও দেৱ-দেৱীৰ পূজাত ধূপ-ধূনা, উপচাৰ, চাকি-বত্তি, ফল-দূৱৰি, নৈৱেদ্য, পুৰোহিতৰ মন্ত্ৰ আৰু ভক্তবৃন্দৰ আৰতিয়ে হ'ল পূজা।

দেৱীৰ পূজাৰ লগত জড়িত শাস্ত্ৰসন্মত আৰতি সুকুমাৰ কলাৰ এক নান্দনিক সুৱাস। আৰতিৰ জৰিয়তে পুৰোহিত-পূজাৰী আৰু ভক্তবৃন্দই এক আধ্যাত্মিক নৃত্য ভংগিমাৰে দেৱ-দেৱীৰ অলৌকিক শক্তিৰ প্ৰতি, আন্তৰিক শ্ৰদ্ধা নিৱেদন কৰে। অসমৰ নটা নৃত্যও শৈৱ আৰু শক্তি মন্দিৰত পৰিৱেশন হোৱাৰ কথা পোৱা যায়। আৰতি প্ৰদানত ভাগলোৱা পূজাৰী, পুৰোহিত, ভক্তবৃন্দৰ আন্তৰিক ভক্তিৰে কৰা নৃত্যত দেহৰ অংগবোৰ সঞ্চালন হোৱাৰ লগতে গোটেই পৰিৱেশটোত এক আধ্যাত্মিক শক্তিয়ে যেন সকলোকে চুই যায়।

আৰতিৰ লগত সংগত কৰা মাংগলিক বাদ্যধ্বনি, গোসাঁনীৰ নামৰ সুৰৰ মূৰ্চ্ছনাই দেৱীৰ লগত একীভূত হ'বলৈ যেন সকলোকে সহায় কৰে। আৰতিৰ নৃত্যত চোঁৱৰৰ বুলনিত, ধূপ-ধূনাৰ গোন্ধত যেন দেৱী প্ৰতিমা জীৱন্ত হৈ উঠে। ভক্তৰ দুচকুৰে ভক্তিৰ অশ্ৰু বয়। ভক্তবৃন্দৰ হাত-চাপৰি, আইসকলে দিয়া উৰুলিৰ ধ্বনিত ৰজনজনাই উঠে পূজাৰস্থলী। আৰতিৰ ধ্বনিয়ে সম্মোহন সৃষ্টিৰে সকলোৰে মনলৈ অন্য এক প্ৰশান্তি আনে। ভক্ত-জনগণে আৰতিত আপ্লুত হোৱাৰ লগতে এক অদৃশ্য আধ্যাত্মিকতাই মুখৰিত কৰি তোলে গোটেই পৰিৱেশ। এই অদৃশ্য শক্তিয়ে যেন সমাজৰ পৰা সাময়িকভাৱে হ'লেও অপায়-অমংগল, জৰা-ব্যাধি, মাৰি-মৰক আদি দূৰ কৰি জনসমাজত শান্তি প্ৰদান কৰে। এই আৰতিৰ আধ্যাত্মিকতাই মানুহক সুন্দৰৰ বাটেৰে গতি কৰাৰ প্ৰেৰণা দিয়ে।

দুৰ্গা দেৱীৰ চৰণত প্ৰদান কৰা আৰতি নৃত্যৰ কাৰ্যক্ৰমত পূজাৰীৰে হওক বা ভক্তবৃন্দৰে হওক কিবা অলপ দোষ ত্ৰুটি হ'লেও মাতৃস্বৰূপা আই দুৰ্গা দেৱীয়ে সেই দোষ মাৰ্জনা কৰি সকলোকে কুশলে ৰাখে। আৰতিৰ জৰিয়তে দেৱীৰ ওচৰত প্ৰদৰ্শন আৰু আত্ম নিৱেদন কৰা কাৰ্যই সকলোৰে প্ৰাণ আহ্লাদিত কৰি তোলে। আৰতিৰ মহা সংকল্পই, মাতৃ বন্দনাৰ অকুণ্ঠ প্ৰয়াসে মানুহৰ অন্তৰ্নিহিত পৱিত্ৰ শক্তিক জাগ্ৰত কৰে। মানুহৰ নিৰ্মল হৃদয়ৰ আকূতিৰে মধুময় শৰতত দুৰ্গা দেৱীৰ চৰণত কৰা পূজা-অৰ্চনা, আৰতিৰ উপাসনাই সকলোকে দেৱীৰ আশিসেৰে ধন্য কৰে।

শক্তিৰূপিণী, জগত তাৰিণী দেৱীয়ে অশুভ শক্তিক দমন কৰি, সমাজখন সৰ্বপ্ৰকাৰে মংগলময় কৰি তোলক। আৰতি উপাসনাৰ সুৱাসত মানুহে বিচাৰি পাওক সুন্দৰৰ আলোকময় পথ। এয়াই মাতৃস্বৰূপা দুৰ্গা দেৱীৰ চৰণত... আমাৰ অযুত কামনা, শৰতৰ শাৰদীয়... প্ৰাৰ্থনা...। ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা, সাহিত্যিক পেঞ্চনাৰ



মহিষমর্দিনী দেৱী দুর্গা

বীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী

পৃথিৱীত যেতিয়া অন্যায়, অত্যাচাৰ, ব্যভিচাৰে আগুৰি ধৰে তেতিয়া যুগে যুগে আবিৰ্ভাৱ হয় দেৱ-দেৱীৰ শক্তিৰ প্ৰদৰ্শন। সৃষ্টিৰ পাতনিৰে পৰা মানুহে প্ৰকৃতিকে শক্তিৰ আধাৰ বুলি জ্ঞান কৰি আহিছে। পৰমা প্ৰকৃতিৰে ৰূপ দুর্গা শক্তিৰ আধাৰ। যুগ যুগান্তৰৰ পৰা মানুহে দুর্গাক আৰাধনা কৰি আহিছে। "মা দেৱী সৰ্ব্বভূতেষু শক্তিৰূপেন সংস্থিতা" —অর্থাৎ জড় কিম্বা জীৱ সকলো ভূত প্ৰাণীৰ মাজতেই শক্তিৰূপে যি অন্তর্নিহিত হৈ থাকে তেৱেঁই দুর্গা। সত্য যুগৰ পৰাই পৃথিৱীক ৰক্ষা কৰিবলৈ ভগৱানে বিভিন্নৰূপে দেৱতা নাইবা দেৱী ৰূপ ধাৰণ কৰি অন্যায়, অত্যাচাৰ আৰু ব্যভিচাৰৰ পৰা সকলো প্ৰাণীক ৰক্ষা কৰে।

"মহিষীগর্ভ সম্ভূতো মহাবল পৰাক্ৰম
দেৱাণ সৰ্ব্বান পৰাজিত্য মহিষোঽভূজ্জগৎ প্ৰভুঃ
সৰ্ব্বোষাংলোক পালানা মত্রিকাৰণ মহাসুৱঃ
বল্লান্নিজিত্য বুভূজে ত্রৈলোকৈশ্বৰ ঞ্জয্য মদ্ভুতম্"

(দেৱীভাগৱত)

মহিষীগর্ভ সম্ভূত মহাবল প্ৰভাৱশালী মহিষাসুৰে দেৱগণক পৰাজয় কৰি সমস্ত জগতৰ প্ৰভু হৈছিল। এই মহিষাসুৰক নিধন কৰাৰ উদ্দেশ্য মা দুর্গাৰ আবিৰ্ভাৱ হৈছিল। মহিষাসুৰৰ অত্যাচাৰত দেৱগণে ৰক্ষা নাপাই স্বর্গচ্যুত হৈ ব্ৰহ্মাক লগত লৈ শংকৰ, বিষ্ণু অৱস্থিত সেই মহাপুণ্য স্থানলৈ গমন কৰিলে। তেওঁবিলাকৰ আগত মহিষাসুৰে কৰা সকলো অত্যাচাৰৰ বৃত্তান্ত বিৱৰি ক'লে। হে ভগৱান দুৰাত্মা এটা অসুৰে বলপূর্বক সমস্ত দেৱগণৰ স্থান অধিকাৰ কৰি ভোগ কৰি আছে। হে প্ৰভু ! সেই দুষ্ট দত্যৰ নাম মহিষাসুৰ। ভগৱান বিষ্ণুৱে দেৱতাবিলাকৰ কাতৰ বাক্য শুনি অতিশয় ক্ষোভিত হ'ল। শংকৰ পদ্মযোনি আৰু অন্যান্য দেৱতাসকলেও কোপ প্ৰকাশ কৰিলে। মহিষাসুৰ বৰ দুর্দান্ত অসুৰ আছিল। তেওঁ ভগৱান ব্ৰহ্মাৰ বৰ একান্ত ভক্ত আছিল। এসময়ত মহিষাসুৰে ঘোৰ তপস্যাত ব্ৰতী হৈ অজেয় বৰ লাভ কৰিবলৈ সমর্থ হৈছিল। সেইমতে ব্ৰহ্মাৰ পৰা বৰ বিচাৰিছিল যে দেৱতা, দানৱ, মানৱ যেন কোনো পুৰুষেই মহিষাসুৰক কেতিয়াও বধ কৰিব নোৱাৰে। কিন্তু নাৰী বৰ দুর্বলা কাৰণে কোনো নাৰীয়ে তেওঁক বধ কৰিব নোৱাৰিব বুলি ভাবি বৰ লোৱা নাছিল। এই বৰ ব্ৰহ্মাৰ পৰা লৈ মহিষাসুৰ বৰ অহংকাৰী, অত্যাচাৰী আৰু দুর্দান্ত হৈ কাকো নমনা হৈছিল। ঋষি, মুনি, বিজ্ঞ ব্যক্তি আৰু সকলো জ্ঞানী-গুণী ব্যক্তিৰ ওপৰতো অত্যাচাৰ কৰি এক বিশাল শক্তিৰ অধিকাৰী হৈছিল।

স্বর্গৰ দেৱতাসকলৰ লগত ১০০ বছৰ ৰণ কৰি স্বর্গৰ পৰা সকলোকে খেদি দিছিল। দেৱতাসকলে হেৰোৱা ৰাজ্য পুনৰ ঘূৰাই পাবলৈ ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ ওচৰত কান্দি কান্দি আপত্তি দর্শালে। মহিষাসুৰৰ দেৱতাসকলৰ ওপৰত কৰা অত্যাচাৰৰ কথা জানিব পাৰি শিৱ অতি ক্ৰোধান্বিত হ'ল— যাৰ ফলত শিৱৰ মুখেৰে খণ্ডতে তেজ বৈ আহিবলৈ ধৰিলে। বিষ্ণু, ব্ৰহ্মাৰ পৰাও প্ৰভূত পৰিমাণে তেজ ওলাবলৈ ধৰিলে। সকলো দেৱতাৰে তেজ এঠাইত পুঞ্জীভূত

হ'ল। সেই তেজৰ মাজৰ পৰাই এক উজ্জ্বল দেৱীমূৰ্তিৰ আবিৰ্ভূত হ'ল। বিভিন্ন দেৱতাৰ তেজৰ পৰা নাৰী দেহৰ বিভিন্ন অংগ-প্ৰত্যংগৰ সৃষ্টি হ'ল। শিৱৰ তেজৰ পৰা মুখমণ্ডল; যমৰ পৰা ছাল-চুলি; বিষ্ণুৰ পৰা হাত; চন্দ্ৰৰ পৰা স্তনযুগল; ইন্দ্ৰৰ পৰা বুকু; বৰুণৰ পৰা উৰু; ব্ৰহ্মাৰ পৰা ভৰি; কুবেৰৰ পৰা নাক; বায়ুৰ পৰা কাণ এনেদৰে সমস্ত দেৱতাৰ তেজেৰে দেৱী দুৰ্গাৰ জন্ম হয়। ই এক আশ্চৰ্যকৰ মহাসন্মিলিত অতি বিচিত্ৰ শক্তি আৰু এই নাৰীয়েই মহিষমৰ্দিনী। দুৰ্গতি নাশিনী— 'দেৱী দুৰ্গা' এয়াই আদ্যশক্তি দুৰ্গাৰ জন্ম ৰহস্য। দেৱতাসকলে তেওঁলোকৰ অস্ত্ৰ, বেশভূষা, বাহন আদি দি দেৱীক যুদ্ধৰ বাবে সাজু কৰিলে। শেষত হিমালয় পৰ্বতে দেৱীৰ বাহন হিচাপে পশুৰাজ সিংহক দি যুদ্ধৰ বাবে প্ৰস্তুত কৰিলে। এইদৰে সম্পূৰ্ণ সু-সজ্জিত হৈ দেৱীয়ে প্ৰচণ্ড চিঞৰ মাৰি তৰ্জন-গৰ্জন কৰিলে আৰু মহিষাসুৰক প্ৰত্যাহ্বান জনালে মহিষপীড়িত দেৱগণে সেই জগৎ জননী দেৱীক নানাবিধ স্তোত্ৰৰ দ্বাৰা স্তৱ কৰিলে। দেৱতাসকলৰ স্তৱ শুনি দেৱী মহিষাসুৰ বধৰ নিমিত্তে মহা আনন্দ কৰি আগবাঢ়িল।

গৰ্জ গৰ্জন ক্ষণং মুঞ্জ যাবৎ পিবামাহম্।

মায়া ত্বয়িং হতেহত্ৰৈব গৰ্জিধ্যন্তাশু দেৱতাঃ।। (শ্ৰীশ্ৰীচণ্ডী)

মহিষাসুৰে প্ৰথমে সাধাৰণ নাৰী বুলি কোনো গুৰুত্ব দিয়া নাছিল। আগবাঢ়ি যোৱাৰ কথা ভবাই নাছিল। এক নগন্য অৱলা নাৰীৰ লগত যুদ্ধ কৰা অতি সাধাৰণ কথা। মহিষাসুৰে আগবাঢ়ি যেতিয়া মুখামুখি হ'ল তেতিয়াহে বুজিব পাৰিলে যে এইগৰাকী সাধাৰণ নাৰী নহয়। তেওঁ ভবাতকৈ অসীম শক্তিশালী নাৰী। এইদৰে দেৱতাসকলৰ পৰা পোৱা অস্ত্ৰ-সস্ত্ৰ আৰু সু-সজ্জিত বস্ত্ৰেৰে এক নতুন শক্তি আহৰণ কৰি দেৱীয়ে মহিষাসুৰৰ ওপৰত উঠি আক্ৰমণ কৰিলে। মহিষাসুৰে এই প্ৰচণ্ড আক্ৰমণত চমকিত হৈ নানা ধৰণৰ অস্ত্ৰ-সস্ত্ৰ নিক্ষেপৰ দ্বাৰা দেৱীৰ লগত যুদ্ধ কৰিবলৈ আগবাঢ়িল। বহুতো সৈন্য-সামন্ত দেৱীৰ অভিমুখে ধাৱমান হ'ল আৰু নানা ৰূপ ধাৰণ কৰিবলৈ ধৰিলে। ভগৱতীয়ে তেওঁৰ বিভিন্ন মায়া মূৰ্তি বিনাশ কৰি গ'ল। দৈত্যই শেষত মহিষ ৰূপ ধাৰণ কৰিলে। সেই মহিষক পাশ অস্ত্ৰৰ দ্বাৰাই আবদ্ধ কৰি খড়্গৰ দ্বাৰাই শি�ৰশ্ছেদ কৰি বধ কৰিলে। পৰাক্ৰমী মহিষাসুৰক দেৱীয়ে বিনাশ কৰা বাবে মা-দুৰ্গা মহিষমৰ্দিনী নামে খ্যাত হৈ পৰিল। দেৱীয়ে জয়লাভ কৰাত দেৱতাসকলে আনন্দ কৰি দেৱীক স্তুতি বন্দনাৰে স্তৱ কৰিব ধৰিলে। দেৱী দুৰ্গাই ক'লে— মই দেৱতাসকলৰ মংগলৰ বাবে দৈত্য মহিষাসুৰক বধ কৰিছোঁ। প্ৰয়োজন হ'লে পুনৰ দেৱতাসকলৰ বাবে আৱিৰ্ভূত হ'ম— এইখিনি কৈ দেৱী অন্তৰ্ধান হৈ পৰিল। শেষত মহিষাসুৰ অৱশিষ্ট সৈন্যসহ ভয়তে পাতালত আশ্ৰয় ল'লেগৈ।

দেৱী দুৰ্গাৰ সকলোফালে পৰিবেষ্টিত হৈ থকা দেৱ-দেৱীসকল হ'ল— দেৱীৰ সোঁফালে শ্ৰীশ্ৰীগণেশ দেৱতা আৰু লক্ষ্মী দেৱী। দেৱীৰ বাওঁহাতে শ্ৰীশ্ৰীসৰস্বতী দেৱী আৰু কাৰ্তিক, ওপৰত শিৱ। যদিওবা দুৰ্গা পূজা দেৱী দুৰ্গাৰ গুণ-গৰিমা পূজা অৰ্চনাৰে পালন কৰা হয় তথাপি দুৰ্গাৰ লগত ধনৰ অধিষ্ঠাত্ৰী লক্ষ্মী দেৱী; জ্ঞান-কমলৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী দেৱী; শুভ আৰু মাংগলিক কাৰ্যৰ অধিষ্ঠাত্ৰী দেৱতা শ্ৰীশ্ৰীগণেশ আৰু যুদ্ধৰ অধিষ্ঠাত্ৰী দেৱতা কাৰ্তিকৰো পূজা কৰা হয়। দুৰ্গা পূজা মূলতঃ আহিন মাহৰ শুক্ল পক্ষৰ প্ৰথমা তিথিত আৰম্ভ হৈ আহিন মাহৰ শুক্ল পক্ষৰ দশমী তিথিত শেষ হয়। দহদিনীয়া উৎসৱ হ'লেও শেষৰ পাঁচ দিন অতিশয় গুৰুত্বপূৰ্ণ। ভক্তৰ সমাগম পিচৰ পাঁচ দিনত অত্যধিক হোৱা দেখা যায়। সঁচাকৈয়ে পূজাৰ কেইদিন যেন সকলোৰে মনৰ পৰা শংকাভাব আঁতৰি যায়। চৌদিশে আনন্দ মাথোঁ আনন্দ। কণ কণ ল'ৰা-ছোৱালীৰ পৰা বৃদ্ধ-বনিতালৈ সকলোৱে ন-বস্ত্ৰৰে নিজক সজাব বিচাৰে। সকলোৱে দেৱীৰ চৰণত গন্ধ-পুষ্পেৰে নৈৱেদ্য আগবঢ়াই দেৱীৰ আশীৰ্বাদ বিচাৰি। মঙ্গলময় ধ্বনি সকলোৰে মনত ধ্বনিত হয় বাবেই দুৰ্গা পূজাৰ মাদকতা অনন্য। পূজাৰ থলী হৈ পৰে মিলনথলী। পূজাৰ বাবে দূৰ-দূৰণিৰ পৰিয়ালৰ লোকসকল আহি এক গোট হয়। বৰ্তমান দুৰ্গা পূজাৰ অনুভৱ বৰ অনন্য আৰু উৎসৱমুখৰ।

দুৰ্গাদেৱীৰ পূজা-অৰ্চনাই সমাজখনক বেয়াৰ দিশৰ পৰা ভাল আৰু শুদ্ধ দিশৰ পিনে আনক। নতুন প্ৰজন্মই ইয়াক শুদ্ধ ৰূপত আঁকোৱালি লওক। শেষত দেৱীৰ চৰণত প্ৰাৰ্থনা কৰিছোঁ ভক্তসকলৰ অভীষ্ট সিদ্ধি সাধন কৰি সকলো অপায়-অমংগল দূৰ কৰি হিংসাবৰ্জিত এখন নতুন পৃথিৱী আহি পৰক— এয়ে আমাৰ প্ৰাৰ্থনা মা দুৰ্গাৰ চৰণত। দেৱীৰ আশিষ বিচাৰি লেখা সামৰিলোঁ। ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক


সৃষ্টি

..



কালপ্ৰৱাহ

ৰুমী তালুকদাৰ

গদাধৰ বৰাৰ ঘৰ সুন্দৰপুৰ গাঁৱত।

এই গাঁওখন মফচলীয় চহৰখনৰ পৰা পশ্চিমে দুই কিলোমিটাৰমান আঁতৰত অৱস্থিত এখন অতি ধুনীয়া গাঁও। মূল পকী পথৰ পৰা ফালৰি কাটি আধা কিলোমিটাৰমান সোমাই যাব লাগে। সুন্দৰপুৰ নামটো গাঁওখনৰ স'তে খাপ খোৱাকৈ কোনে কেতিয়া দিছিল জনা নাযায়। সোমাই যোৱা আলিটোৰ একাষে পূবলৈ বিস্তীৰ্ণ খেতিপথাৰ আৰু আনটো পাৰে মানুহৰ ঘৰ-বাৰীবোৰ পৰিপাটিকৈ সজা। অৱশ্যে বৰাহঁতৰ পৰা কিছু আঁতৰত কেঁকুৰি এটা ঘূৰিলে পথাৰবোৰ কিছুমানৰ ঘৰৰ পশ্চিমফালেও পৰে। মফচলীয় চহৰখনৰ ওচৰৰে গাঁও বাৰে মানুহৰ জীৱন যাত্ৰাত চহৰীয়া আদৱ-কায়দা কিছু পৰিমাণে বিদ্যমান। কেৱল সুন্দৰপুৰ বুলিয়ে নহয়, আশে-পাশে থকা গাঁওসমূহতো একেই প্ৰভাৱ পৰিছে।

গদাধৰ বৰাই চাকৰি কৰা স্কুলখন ঘৰৰ পৰা পাঁচ কিলোমিটাৰমান দূৰৰ অন্য এখন গাঁৱত। তেওঁ গাঁৱৰ মাজেৰে পথ চমুৱাই অহা-যোৱা কৰে কাৰণে দূৰত্ব কিছু কমে। স্কুটী এখন লোৱাৰ পৰা সময় কিছু ৰাহি হৈছে তেওঁৰ। অৱসৰলৈ আৰু মাথোঁ দুবছৰহে বাকী আছে।

শনিবাৰৰ দিন। স্কুল সাধাৰণতে আধা বেলাতে ছুটী হয়। মেল-মিটিং নাথাকিলে বৰা সোনকালেই ঘৰ সোমোৱাটো নিয়মৰ নিচিনা। কিবা অসুবিধা থাকিলে ঘৈণীয়েক পদ্মাৱতীক ফোনেৰে জনাই দিয়ে তেওঁ। আজি যেন এই নিয়মৰ ব্যতিক্ৰম ঘটিল। আহি পাব পাব বুলিয়ে মানুহজনীয়ে তেওঁলৈ ফোন কৰা নাছিল। কিন্তু আৰু ৰৈ থকাৰ কথা নাভাবি পদ্মাৱতীয়ে তেওঁলৈ ফোন লগালে। বাজি বাজি শেষ হৈ যোৱা ফোনটো নধৰাত পদ্মাৱতীৰ মনত কিছু অমংগলীয়া চিন্তাই ক্ৰিয়া কৰিবলৈ ল'লে ক্ৰমান্বয়ে। পেটেও কলমলাবলৈ লৈছে বাৰুকৈয়ে। উদ্বিগ্ন হৈ কি কৰে কি নকৰে চিন্তা কৰি থাকোঁতেই হঠাতে তেওঁৰ কাণত পৰিল চিনাকি স্কুটীখন ৰখোৱাৰ শব্দটো। বাচন ধুই থৈ অহা তিতা হাত দুখন চাদৰৰ আঁচলত মচি মচি মানুহজনী ওলাই আহিল আগফালৈ। দুশ্চিন্তা আঁতৰিল পদ্মাৰ।

চাবিটো পকাই স্কুটীখনৰ ষ্টার্ট বন্ধ কৰি গদাধৰে পলিথিনৰ মোনা দুখন পদ্মালৈ আগবঢ়াই দিলে। ভাগৰত লেবেজান হোৱা মানুহজনৰ মুখলৈ চাই ঘৈণীয়েকে ভালকৈয়ে বুজি পালে যে বজাৰ কৰিবলৈকে গৈহে ইমান পলমকৈ উভতিছে তেওঁ। স্কুটীখনৰ পৰা নোমোৱা নোদোকা হৈ পৰা মোনাটো দেখি পদ্মাই অনুমান কৰিছে যে সংসাৰৰ বজাৰসোপা তাতে সুমুৱাই আনিছে মানুহটোৱে। ঘৰলৈ যেন ঢেৰ আলহী অহাৰহে কথা আছে; কথাষাৰ ভাবি মানুহজনীয়ে মনতে হাঁহিলে।

পলিথিন দুটা ল'বলৈ গৈ ওঁঠত হাঁহি এটা বিৰিঙাই গদাধৰলৈ চাই পদ্মাই ক'লে—

ঃ এইটোত এয়া জীয়া মাছ হ'বলা? খলখলাই আছে একেবাৰে। জীয়েকক খুৱাবলৈকে এইবোৰ বিচাৰি বেলাটো পাৰ কৰিলে?

গদাধৰে গধুৰ মোনাটো কঢ়িয়াই বাৰাণ্ডা উঠিলহি।

ঃ অ' এইকেইটা ডাঙৰ ডাঙৰ কাৰৈ মাছ। কাকতী চুবুৰিটোৰ ওচৰতে আলিবাটৰ কাষতে পালোঁ। কুকিয়ে খাই ভাল পাই নহয়? চহৰতনো এইবোৰ ক'ত খাবলৈ পায়? চেহেৰাটো যিহে দেখিলোঁ সিবাৰ। থকাকেইদিন অলপ যতন কৰি খুৱাবা তাইক।

পদ্মাই মোনাটো মজিয়াত সেইভাগে এৰি মাছকেইটা জীয়ন দি থ'বলৈকে বুলি পিছফাল পালেগৈ। টিনৰ বাল্টি এটাত পানী দি মাছকেইটা বাকি দিলে। খলখলাই বাহিৰলৈ ওলাই যাব খোজা মাছকেইটা ভালকৈ ঢাকোন মাৰি ঘৰৰ এচুকত থৈ দিলে পদ্মাই। গদাধৰ গা ধুবলৈ সোমাইছিল। সেইকণ পৰতে মানুহজনীয়ে মজিয়াত থোৱা মোনাটোৰ বস্তুবোৰ ভাগে ভাগে সামৰি পেলালে। ছোৱালীজনীৰ নামতে মানুহটোৱে ইমানসোপা বস্তু গোটাইছে। কুকি ৰাতিপুৱাৰ বাছতে উঠিছে হেনো। আবেলিলৈকে আহি পাব লাগে তাই। গদাধৰে তাইক আনিবলৈ যোৱাৰ কথা।

ভাতকেইটা খাই গদাধৰ বিছনালৈ গ'ল যদিও চকু মুদ নাখালে একেবাৰেই। কুকিক আনিবলৈ যোৱাৰ চিন্তাটো আছে বাবে টোপনি যাব নুখুজিলে তেওঁ। পদ্মাৱতীয়ে পাকঘৰ সামৰি ধুই শুকাবলৈ মেলি থোৱা কাপোৰবোৰো বাহিৰৰ পৰা লৈ আহিলগৈ। জাপি-কুচি সেইবোৰ থ'বলৈ লওঁতেই কণপোনা আহি ঘৰ সোমাল। কাপোৰ-কানি সলাই হাত-ভৰি ধুই অহালৈ কিছু সময় লাগিব তাক। তাৰ বাবে ভাত বাঢ়িয়েই থৈছে পদ্মাই। সি ভাতৰ পাতত বহালৈ পদ্মাৰ কামো শেষ হ'ব।

কুকিক আনিবলৈ কণপোনাকে ক'ব খুজিও ৰৈ গ'ল মানুহজনী। সেইখন ঠাইৰ পৰা সি আহি পাইছেহে; আকৌ তাক যোৱাৰ কথা ক'বলৈ বেয়া লাগিল পদ্মাৰ। কণপোনাৰ কলেজখন মূল চহৰখনৰ পৰা অলপ আঁতৰত। তালৈকে সি কাৰোবাৰ স্কুটীত বা টেম্পোৰে অহা-যোৱা কৰে।

ভাত খাই থাকোঁতে পদ্মাই তাক কিবা লাগিব নেকি সুধিবলৈ আহি ক'লে—

ঃ তই এপাক মাধৱহঁতৰ ঘৰলৈ গৈ আহিবিচোন। তাক গাখীৰ আধা লিটাৰকৈ দিয়াৰ কথা দেউতাৰে ক'বলৈ দিছে।

কণৰ ভাত খোৱা হৈছিল। মুখ ধুবলৈ উঠি ক'লে—

ঃ কিহৰ কাৰণে?

মানুহজনীয়ে উৎসাহেৰে ক'লে—

ঃ বায়েৰ আহিব যে। তাইক খুৱাবলৈকে। তইতো নাখাৱই।

চকীখন লাহেকৈ ঠেলি উত্তৰটো দিলে সি—

ঃ মই নোৱাৰোঁ দেই। যি কৰ তহঁতেই কৰি থাক। মোক এইবোৰত নলগাবি।

পদ্মাৱতী যেন আহত হ'ল।

ল'ৰাটোৰ কথা-বতৰাবোৰ কোনোবা সময়ত যেন বুজিবই নোৱাৰি। দুয়ো তাক গুৱাহাটীত পঢ়াৰ কথা কৈছিল। কিন্তু কণেই নিবিচাৰিলে যাবলৈ। লগ-বন্ধুও তেনেকৈ বেছি নাই তাৰ। বৰকৈ ওলাই-সোমায়ো নাথাকে। যোৱাৰ ভিতৰত সিহঁত তিনিজনমানে প্ৰায়েই আন এটা চুবুৰিৰ ল'ৰা অসীমৰ ওচৰলৈ যায়। অসীম সিহঁততকৈ ভালেখিনি ডাঙৰ। কিনো কথা পাতেগৈ তাৰ লগত? চিন্তাবোৰে প্ৰায়ে আমনি কৰে পদ্মাক। যদি তাৰ পদাংকই অনুকৰণ কৰি কণপোনায়ো উচ্চ শিক্ষালৈ মন নেমেলে? মাক-দেউতাকৰ তাক লৈয়ে কত যে আশা। কণপোনা কুকিতকৈ পঢ়া-শুনাত বহুগুণে ভাল। কিন্তু তাৰ ভাব-চিন্তাবোৰ বুজিব নোৱাৰি। লগৰ বৰুণ আৰু প্ৰবালৰ কাম-কাজবোৰো বেলেগ ধৰণৰ বুলি পদ্মাই শুনিছে। একো ওজৰ-আপত্তি নথকা কণে দেউতাকৰ পৰা মাজে-সময়ে পইচাকেইটামান খুজি নি পাচলিৰ গুটি, ফুলৰ পুলি, সাৰ আদি কিনি আনে। ক'ৰবাৰ পৰা গোবৰো আনি গোটাই থয়। পাচলিৰ খেতি কৰাৰ তাৰ হেঁপাহ দেখি গদাধৰেও তাক উৎসাহ দিয়ে। কণৰ বাবেই দেউতাকে যোগেনৰ দ্বাৰাই ঘৰৰ একাষৰ খালী মাটিডোখৰ সময়ে সময়ে ঠিক-ঠাক কৰাই দিয়ে। বেৰ-কুৰ দিয়া কাম যোগেনৰ। দুটামান পইচাৰ বিনিময়ত কামখিনি সি বৰ ভালকৈ কৰি দিয়ে। জহৰ দিনতে হওক বা জাৰৰ দিনতে হওক পাচলিৰ গুটি সিঁচা, পুলি ৰোপণ কৰা, গজালি ওলোৱাৰ পিছত পুৱা-গধূলি আপডাল কৰা কামত বাপেক-পুতেক দুয়ো সমানে লাগি থাকে। আজৰি সময়খিনি দুয়োৰে বাবে আপুৰুগীয়া যেন হয়। এনে যতনৰ বাবেই দুয়োটা ঋতুতে তিনি-চাৰিবিধমান পাচলি প্ৰতি সাঁজতে নহ'লেও প্ৰায়েই খাই থাকিব পাৰিছে। জলকীয়া, বেঙেনা, শাক আদি নিকিনিলেও চলে তেওঁলোকৰ। অকল পাচলিয়েই নহয়, ঘৰৰ সন্মুখৰ খালী ঠাইখিনিত বতৰৰ বিভিন্ন ফুলেও জকমকাই ফুলি থাকে। আটোমটোকাৰিকৈ সজা ঘৰখনৰ একাষে পাচলিৰ বাৰী আনফালে ফুলনি বাৰীখনেৰে কেলেণ্ডাৰত থকা ছবি এখনৰ দৰেই দেখি হেনো। এয়া চিনাকি মানুহবোৰৰ মন্তব্য। পদ্মাৱতীহঁতে প্ৰায়ে শুনে এনেধৰণৰ কথা। বাকী চখ বুলিবলৈ ল'ৰাটোৰ আন একোৱেই নাই। তাৰ গহীন-গম্ভীৰ স্বভাৱটোৰ কথা কৈ বহুতে শলাগে। কিন্তু পদ্মাৱতীৰহে চিন্তা নুগুচে ল'ৰাটোক লৈ।

আবেলি পৰত পদ্মাৱতীয়ে আগবঢ়াই দিয়া চাহকাপ খাই গদাধৰ বৰা লৰালৰিকৈ ওলাই গ'ল কুকিক আনিবলৈকে বুলি। উপস্থিত হৈ দেখিলে যে গুৱাহাটীৰ পৰা অহা বাছ তেতিয়াও আস্থান আহি সোমোৱা নাই। কুকিলৈ কিছুপৰৰ আগতে ফোন কৰিছিল গদাধৰে। ব্যস্ত পালে। আচলতে এইকণ দূৰত্বত তাইক নিবলৈ নাহিলেও তাই অকলেই আহিব পাৰে। কিন্তু টেম্পো বা টমটমবোৰত মানুহ সম্পূৰ্ণ নোহোৱালৈকে চালকে লৰচৰেই নকৰে। যাত্ৰীলৈ ৰৈ থাকিব লাগে। আৰু সেইবোৰত উঠিবলৈ হ'লে কেইমিটাৰমান আগুৱাই আহিব লাগে আস্থানৰ পৰা। অকল মানুহটো হোৱা হ'লে কথা নাই; কিন্তু কুকিৰ লগত ট্ৰলী বেগটোৰ বাহিৰেও দুই-এখন অন্য বেগো থাকে বাবে তাইৰ অসুবিধা হোৱাই স্বাভাৱিক। বাছখনে নিৰ্দিষ্ট সময়তকৈ আজি কিছু পলম কৰিছে। দোকানৰ বা�ৰাণ্ডাত বহি থাকি আমনি লাগিছে গদাধৰৰ। কুকিয়ে বাছৰ পৰাই এঘণ্টামান আগেয়ে এবাৰ ফোন কৰিছিল। তাৰ পাছত তাই আৰু সংযোগ কৰা নাই। আপদ-বিপদ কিবা হ'লে তাই ফোন কৰিব নিশ্চয়।

লাহে লাহে আবেলিৰ বেলিয়েও শেষ ৰহণ বিলাই ডুবিবলৈ

যো-জা চলাইছে যেন। দোকান-পোহাৰবোৰ বিজুলীৰ পোহৰেৰে জলমলাই উঠিব অচিৰেই। চহৰখনো গাভৰু হৈ পৰিব তেতিয়াই। মফচলীয় সৰু চহৰখনো আগৰ দৰে হৈ থকা নাই; ইতিমধ্যেই বহুতো দোকান-পোহাৰ, অফিচ, কোম্পানী আদি নতুন নতুনকৈ গঢ়ি উঠি ঠাইখনৰ ৰূপেই সলনি কৰি পেলাইছে ক্ৰমান্বয়ে।

হঠাৎ ছার্টৰ ওপৰ পকেটত থোৱা ফোনটোৱে শব্দ কৰি উঠিল। গদাধৰে সেইটো উলিয়াই দেখিলে কুকিৰ ফোন। তেওঁ ধৰাত গম পালে যে ইতিমধ্যেই বাছখন আহি আস্থানত ৰৈ দিছে। গদাধৰ চাগে' কিছু সময়ৰ বাবে অন্যমনস্ক হৈ পৰিছিল। সেয়েহে চাই থকাৰ পাছতো বাছখন দেখা নাছিল তেওঁ। লৰালৰিকৈ আগুৱাই গ'ল তাইৰ ওচৰলৈ। কুকিক দেখি মানুহজন মুহূর্ততে স্তম্ভিত হৈ গ'ল। নিজৰ ঔৰসজাত ছোৱালীজনীয়েই নে এইজনী? ডাঙৰ ক'লা চশমাযোৰ চকুৰ পৰা আঁতৰাইছে বাবে মুখখন ধৰিব পাৰিছে কোনোমতে। উগ্ৰ প্ৰসাধনৰ কোবত আৰু গাত ক'লা ৰঙৰ সাজযোৰৰ প্ৰভাৱত ঈশ্বৰপ্ৰদত্ত উজ্জ্বল গাৰ ৰংটো যেন ক'ৰবাত হেৰাই থাকিল তাইৰ। ছিৰিছটা যেন শৰীৰটো দেখি কিবা ক'ব খুজিও একোকে নক'লে গদাধৰে। ট্ৰলী বেগটো স্কুটীত ভালকৈ থিয় কৰাই লৈ যাত্ৰাৰ বাবে সাজু হ'ল তেওঁ। কুকি আহি পিছফালৰ ছিটত বহাৰ লগে লগে স্কুটীয়ে গতি ল'লে মূল পকী পথেৰে।

কুকিৰ মাত কাণত পৰিল গদাধৰৰ—

ঃ দেউতা, স্কুটীখন আৰু কিমান চলোৱা? গাড়ী এখনকে লোৱা সোনকালে। এইখন কণকে চলাবলৈ দিবা।

গদাধৰে জীয়েকক উত্তৰটো দিলে—

ঃ মই এল পি স্কুলৰ শিক্ষক। স্কুললৈ যাওঁতে গাড়ীখন লৈ যামনে? গাড়ী এখন কিনি সজাই থ'লেহে হ'ব। কণে এইখন চলাবলৈ নিবিচাৰে অ'। অৱসৰলৈও আৰু বেছিদিন নাই মোৰ। কণপোনাৰ পঢ়া শেষ হ'লে আৰু তোক বিয়া দিব পাৰিলে এইবোৰ কথা পিছত চিন্তা কৰিম দে।

কুকি যেন জঁপিয়াইহে উঠিল—

ঃ ইস্ দেউতা, মোৰ বিয়াৰ কথা এতিয়াই চিন্তা নকৰিবা দেই। মই প্ৰাইভেট জব এটা কৰি আছোঁ নহয়। কিছু পইচা গোটাই লওঁ দিয়াচোন।

গদাধৰ বৰা একেবাৰে নীৰৱ হৈ গ'ল। প্ৰশ্নবোৰে তেওঁৰ মনৰ মাজত খুদুৱনি লগাই আছে যদিও সেইবোৰ সময়ত উলিয়াব বুলি ভাবি থাকিল। বি এৰ ৰিজাল্ট নোলাওঁতেই তাই কি চাকৰিত সোমাল? ফাইনেল পৰীক্ষা দি বাকীবোৰ ঘৰ চাপিলহি। তাইৰহে গুৱাহাটীখন এৰি অহাৰ মন নাই। কুকিক গুৱাহাটীলৈ পঢ়িবলৈ পঠোৱাৰ অলপো মন নাছিল মানুহজনৰ। ছোৱালীজনীয়ে আঁকোৰগোঁজকৈ লগাত আৰু ঘৈণীয়েকৰ হেঁচাতহে গদাধৰ বৰা মাস্তি হৈছিল অৱশেষত।

সন্ধিয়াৰ পাতল চাদৰ এখনে শেষ পোহৰকণো ঢাকি পেলোৱাৰ উপক্ৰম কৰিছিল। কানি-মুনি সন্ধিয়াৰ পৰত কুকিক লৈ ঘৰ সোমাইছিল বৰা। গোসাঁই ঘৰত সোমাই পদ্মাই চাকিগছ জ্বলাই সেৱা কৰি উঠিছিলহে মাত্ৰ। তাৰ পৰা লৰৰি আহিল দুয়োৰে ওচৰলৈ। গালে-মুখে হাত ফুৰাই কুকিক আদৰ কৰি ঘৰৰ ভিতৰলৈ লৈ আনিলে তেওঁ। থাউকতে দুই-এযাৰ কথা সুধি কুকিক গা ধুবলৈ কৈ তেওঁ পাকঘৰত সোমাল চাহ কৰিবৰ বাবে।

চাহৰ টেবুলত বহা কুকিলৈ ভাপত দিয়া পিঠা দুটাৰে চাহকাপ আগবঢ়াই দিলে পদ্মাই। দেউতাকো বহিল তাইৰ ওচৰতে। পিঠা এটাৰ পৰা চিকুটি চিকুটি খাব-নাখাবকৈ অকণমান মুখলৈ নিয়া কুকিলৈ দুয়ো চাই ৰৈছে নীৰৱে। নাই, তাইৰ সুধিবলৈ বা ক'বলৈ যেন একোৱেই নাই। গাঁৱৰ খবৰ, একমাত্ৰ বায়েকৰ খবৰ, অকণমানি ভাগিনীয়েকজনীৰ খবৰ, লগৰ বান্ধৱীবোৰৰ খবৰ, একোৱেই জানিব নিবিচাৰিলে তাই। পদ্মাইহে দুই-এযাৰ কথা কৈ গ'ল নিজৰ ফালৰ পৰা। নাই, তাইৰ ফালৰ পৰা উৎকণ্ঠা বা সঁহাৰি একেবাৰে নাপালে মানুহজনীয়ে। যেন শিলৰ মূৰ্তি এটাৰ আগতহে কথা কৈ আছে তেওঁ। অতদূৰ বাছত অহা কুকিজনীৰ ভাগৰ লগাই স্বাভাৱিক বুলি দুয়ো অনুমান কৰি ল'লে। চাহ খোৱা শেষ কৰি উঠি গ'ল তাই।

গদাধৰ চ'কৰ ফালে ওলাই গ'ল প্ৰায়ে যোৱাৰ দৰে। চ'কটোত আজিকালি ভালেমান মানুহ গোট খায়। ইবিধ-সিবিধ কিনাৰ লগতে ইজন-সিজনৰ লগত কথা পতাও হয় সন্ধিয়াৰ সময়খিনিত। দোকান-পোহাৰো বহুতখিনি গঢ়ি উঠিল কম দিনৰ ভিতৰতে। চাকৰিলৈ বাট চাই নাথাকি ডেকা ল'ৰাবোৰৰ বহুতে এইবোৰতে মন দিছে আজিকালি। খেতি-পথাৰ প্ৰায়বোৰৰে নাই। থকাখিনিৰ বহুতে আধিয়াৰক দি ঘৰখন যেনে-তেনে চলাই আছে। কাম বহুত কমিল গএগ ৰাইজৰ। চৰকাৰী আঁচনিবোৰেই ইন্ধন যোগাইছে মানুহবোৰ সোৱোপা হোৱাৰ ক্ষেত্ৰত। ল'ৰা-ছোৱালীবোৰক সামৰ্থ্য থকা মাক-বাপেকবোৰে বাহিৰত থৈ পঢ়ুৱাইছে। পঢ়াৰ প্ৰতি মন নথকা এচাম ফুকলীয়া ডেকা ল'ৰা মদ-ভাঙৰ প্ৰতি আসক্ত হৈ অযথা সময় নষ্ট কৰা চকুত পৰে সকলোৰে। বাইক বা স্কুটী একোখন গোটাই লৈ ইফালৰ পৰা সিফাললৈ তহলি ফুৰাৰ বাহিৰে একো কৰা দেখা নাই কোনো এজনকে। ছোৱালীবোৰ সেই ক্ষেত্ৰত কিছু ব্যতিক্ৰম যেন।

নিশাৰ সাঁজলৈ যা-যোগাৰ কৰাত ব্যস্ত পদ্মাৱতী। কাম অলপ আগবঢ়াই তেওঁ কুকিৰ ওচৰলৈ গ'ল। উদ্দেশ্য, তাই কি খাব বিচাৰে তাকে জনাব লগতে দুযাৰ কথা পতাৰ ইচ্ছাৰে। জীয়েকৰ কোঠাত সোমাই দেখিলে তাই বিছনাত চিত হৈ পৰি দি ম'বাইলটো চোৱাত ব্যস্ত। পদ্মাই কুকিক কথাখিনি সুধি কাৰৈমাছকেইটা বাছি দিয়াৰ কথা ক'লে।

মোবাইলৰ পৰা মূৰ নোতোলাকৈয়ে তাই মাকক উত্তৰটো দিলে লাহেকৈ—

ঃ অ' মা, মই মাছ বাছিব নোৱাৰিম দেই। অভ্যাস নোহোৱা হৈ গ'ল আজিকালি। হাতত কাঁইটৰ খোচ খাব নোৱাৰোঁ মই।

কুকিৰ উত্তৰত মানুহজনী ৰৈ গ'ল এখন্তেকৰ বাবে। তেওঁ তলকিবলৈ চেষ্টা কৰিলে ছোৱালীজনীৰ কথাখিনি। এইকেইটা বছৰতে তাইৰ ইমান পৰিৱৰ্তন? এইজনী ছোৱালীয়ে গুৱাহাটীলৈ যোৱাৰ আগেয়ে খালে-ডোঙে নামি মেটেকা টানি মাছ ধৰিছিল। বাধা দিও তাইক ৰখাব পৰা নাছিল পদ্মাৱতীয়ে। গদাধৰ নথকা সময়খিনিত কুকিয়ে এইবোৰ কৰি ফুৰিছিল। তাই ইমান সোনকালে কথাবোৰ পাহৰি গ'লনে? শিঙি-মাগুৰ, কাৰৈ মাছৰ কাঁইটৰ খোঁচলৈ ভয় কৰা ছোৱালীনে কুকিজনী?

কিমান পৰ পদ্মাৱতী কুকিৰ ওচৰত থৰ হৈ ৰৈছিল, তাইৰ খেয়ালেই নাছিল। ম'বাইলত নিবদ্ধ চকুহাল আঁতৰাব পৰা নাছিল এখন্তেকলৈও। পদ্মাই হুমুনিয়াহ এটা কাঢ়ি তাৰ পৰা গুচি আহিবলৈ লওঁতে কুকিৰ যেন ধ্যান ভংগ হ'ল। তাই মাকক জনালে যে চাৰিদিনৰ পাছতে তাই গুৱাহাটীলৈ যাবগৈ। কাৰণ কৰি থকা চাকৰিটোত মন গ'লেই ছুটী ল'ব নোৱাৰি হেনো।

পদ্মাই একো এটা শব্দ উচ্চাৰণ নকৰাকৈ আঁতৰি আহিল কুকিৰ ওচৰৰ পৰা।

যিকেইদিন কুকি ঘৰত থাকিল, সম্পূৰ্ণ নিজৰ মাজতে ব্যস্ত থাকিল তাই। গা-ধোৱা কাপোৰকেইটা মেলিবলৈকে যি তাই বাহিৰলৈ ওলাল; তাৰ বাহিৰে ঘৰৰ আগফাল-পিছফাল নেদেখিলেই ভালকৈ। যন্ত্রৱৎ চাহ-ভাত খালে কাৰো স'তে বিশেষ একো কথা নপতাকৈয়ে। কোঠাটোৰ বিছনাত বাগৰি থাকি প্রায়েই কাৰোবাৰ স'তে চুটি চুটিকৈ কথা পতা পদ্মাই গম পায় যদিও এই বিষয়ে একো নোসোধে তাইক। কুকিজনীক এইবাৰ ওচৰতে পোৱা আৰু নোপোৱাৰ মাজত পার্থক্য একো বিচাৰি নাপালে মাকজনীয়ে। গুৱাহাটীত থকা সময়ত দিনৰ ভাগত কুকিৰ ফোন কাচিৎহে পায়। গধূলিৰ পাছত ফোন নধৰেই ছোৱালীজনীয়ে। নিশালৈ ফোনৰ ছুইচ অফেই পাই থাকে পদ্মাৱতীহঁতে।

আলহী ছোৱালীৰ দৰে দিনকেইটা যেনে-তেনে কটাই কুকি গ'লগৈ। তাইক বাছত উঠাই দি আহি গদাধৰে কাপোৰ সলাবলৈ লৈছিল। পদ্মাই ক'ব-নক'বকৈ মনত লাগি থকা কথাখিনি মুকলিকৈয়ে ক'লে মানুহজনৰ আগত। কুকিৰ এইবাৰ শৰীৰটোহে ইয়াত আছিল, মনটো যে নাছিল ধৰিব পাৰিছিল তেওঁ।

গদাধৰ দিনৰ ভাগত স্কুলতে থাকে কাৰণে কুকিলৈ বৰ বেছি মন কৰা নাছিল তেওঁ। পদ্মাৰ কথাখিনিয়ে তেওঁকো চিন্তান্বিত কৰি তুলিলে যেন। কিবা এযাৰ ক'বলৈ ঘৈণীয়েকৰ বেজেৰুৱা মুখখনলৈ চালে গদাধৰে—

ঃ ম'বাইলটো মন কৰিছানে তুমি? সেইটোৰ দাম এক লাখৰো বেছি হ'ব। ইমান টকা ক'ত পালে তাই? মইতো ইমান পইচা কেতিয়াও পঠিওৱা নাই আৰু পঠিয়াব নোৱাৰোও দিয়াচোন। ইমান ডাঙৰ চাকৰি কৰিছেনে তাই? সম্পূৰ্ণ এটা বেলেগ ৰূপ দেখিছোঁ ছোৱালীজনীৰ।

মই গুৱাহাটীলৈ যাব খুজিলে তাইচোন বাধা দি থাকে। নানান অজুহাত দেখুৱায়।

গদাধৰে কিবা এটা চিন্তা কৰিছে যে তাকে পদ্মাক ক'লত মানুহজনী আশ্বস্ত হ'ল যেন। ক'ৰবাত নিজেও যে তাইক পঠিওৱাৰ ক্ষেত্রত ভুল সিদ্ধান্ত লৈছিল, তাকে ভাবি অনুশোচনাও আহিছিল পদ্মাৰ। কুকিজনী কুঁহিৰ নিচিনা ধীৰ-গম্ভীৰ নাছিল যদিও এইবাৰ তাইক অদ্ভুত ধৰণে আৰিষ্কাৰ কৰিলে তেওঁ। নিস্তেজ মুখখনত নাই কোনো চঞ্চলতা, নাই কোনো উদ্যম। আচৰিত ধৰণে অন্য এজনী কুকিলৈ ৰূপান্তৰ হৈছে ছোৱালীজনী। কামৰ ব্যস্ততাই তাইক এনেকুৱা কৰিছে নেকি? সেই চিন্তাও পদ্মাই কৰিছে। গাঁৱত থাকোঁতে চিনাকি-অচিনাকি বহু ল'ৰাৰ লগতে তাইৰ সম্পর্ক আছিল। শেহতীয়াকৈ অসীম বোলাটোৰ লগত বহুত বেছি হলি-গলি কৰাটো বহুতৰে চকুত পৰা হৈছিল। পদ্মাই বুজাই-বঢ়ায়ো বলে পৰা নাছিল তাইক। অসীম ল'ৰাটো দেখাই-দর্পণে ধুনীয়া। কিন্তু কাম-কাজ বুলিবলৈ একোকে কৰা নাছিল সি। বি এ পাছ কৰাৰ পাছত এনেয়ে থকা নিবনুৱা এটালৈ কুকিক বিয়া দিয়াৰ কথা ভাবিব নোৱাৰি। তাতে ঘৰখনৰ অৱস্থাও পদ্মাৱতীহঁতৰ নিচিনা স্বচ্ছল নহয়। কোনোমতে পেটে-ভাতে খাই থকাৰ দৰে। এই এটা কাৰণতে কুকিৰ বাবে সি অনুপযুক্ত। ডাঙৰজনী ছোৱালী কুঁহিয়ে বি এ পাছ কৰাৰ পাছতে পঢ়িবলৈকে বিচাৰিছিল। পঢ়াত ভালো আছিল তাই। কিন্তু উপযুক্ত ল'ৰাৰ ঘৰৰ পৰা প্রস্তাৱ অহাত গদাধৰ আৰু পদ্মাৱতীয়ে ইচ্ছা কৰিলে তাইক বিয়া দিবলৈ। মাক-

দেউতাকৰ বুজনিত তায়ো মান্তি হ'ল অৱশেষত। এতিয়া সুখতে আছে ছোৱালীজনী।

কিন্তু পদ্মাৱতীৰ চিন্তা কুকিজনীক লৈহে। কেতিয়া কি অথন্তৰ ঘটায় তাৰ একো বিশ্বাস নাই বুলি ভাবিয়েই তাইক গাঁৱৰ পৰা যিকোনো প্ৰকাৰে আঁতৰাই ৰখাৰ কথা ভাবিছিল। তাই গুৱাহাটীলৈ যোৱাৰ পাছত স্বস্তিৰ নিশ্বাস এৰিছিল পদ্মাই। অন্ততঃ সম্ভাব্য কিছুমান চিন্তাৰ পৰা মুক্ত হ'ব পাৰিছিল তেওঁ।

কুকি গুৱাহাটীলৈ যোৱাৰ আগৰে পৰাই অসীমে ঘৰতে কিবাকিবি কৰিবলৈ লৈছিল। এনেয়ে সময় কটোৱা নাছিল যে সেই কথা পদ্মাই জনা নাছিল। জানিলেও হয়তো একো গুৰুত্ব নিদিলেহেঁতেন। এতিয়া প্ৰায়ে আনৰ মুখত শুনি থাকে যে কেইবাবিঘাও মাটি লীজত লৈ তাৰ কৃষি পামখন যথেষ্ট বহলাই পেলাইছে। মীন পালনৰ উদ্যোগো হাতত লৈছে এইবাৰ। অসীমৰ বাৰীৰ উৎকৃষ্ট পাচলি, বিভিন্ন জাতৰ কল-নাৰিকল, তামোল-পাণ আদিয়ে বিভিন্ন ঠাইৰ বজাৰ দখল কৰিছে হেনো। অসীমৰ আৰ্থিক অৱস্থা এতিয়া যথেষ্ট স্বচ্ছল হোৱাৰ লগতে ঘৰ-বাৰীৰ ৰূপেই সলনি কৰি পেলোৱাৰ কথা গদাধৰ আৰু কণপোনাৰ মুখতো শুনে পদ্মাই। অসীমৰ লগতে আৰু দুজন ডেকা ল'ৰাই সহযোগ কৰিছে হেনো। আটাইকেইজন বি এ পাছ কৰা ল'ৰা। কণ, বৰুণ, প্ৰবাল আৰু শেখৰ অসীমৰ ওচৰলৈ প্ৰায়েই গৈ থকাৰ কাৰণ তাৰ কামবোৰ চাই থকা। প্ৰকৃত কাৰণ জনাৰ পাছতো পদ্মাৰ ভয় আঁতৰা নাই এতিয়াও।

কুকি যোৱাৰ পিছদিনাই গদাধৰ বৰা পলাশনি পালেগৈ। তেওঁলোকৰ গাঁও এৰিয়েই পলাশনি গাঁওখন। কাৰোবাৰ মুখত শুনিছিল যে কুকিৰ স'তে একেলগে পঢ়িবলৈ যোৱা শিখাই পৰীক্ষা দি ঘৰতে আছেহি। অহাও দিন হ'ল হেনো। কুকিক সুধিলে শিখাৰ কথা নাজানে বুলিয়েই কয় পদ্মাহঁতক।

বৰাই দীঘল পদুলিটোৱেদি সোমাই গ'ল নিৰ্দিষ্ট ঘৰখনলৈ। আটাইকেইজন ঘৰতে আছিল। সকলোৰে লগত কথা-বতৰা পাতিলে পূৰ্বৰে পৰা ভাল সম্পৰ্ক থকাৰ সুবাদতে। আলহ-উদহকৈ বহুওৱা শিখাৰ মাক-দেউতাকে কুকি আৰু কণৰ খবৰ ল'লে। মেধাৱী আৰু শান্ত শিখাজনীৰ লক্ষ্য কেৱল নিজৰ পঢ়াখিনি শেষ হোৱালৈ। চহৰীয়া বতাহে তাইক যে এক তিলো স্পৰ্শ কৰিব পৰা নাই সেইটো অনুমান কৰিব পাৰি। স্বাভাৱিক সৌন্দৰ্যৰে সমুজ্জ্বল ছোৱালীজনীয়ে কুকিৰ খবৰ বিশেষ একো নাজানে হেনো। পঢ়াৰ বিষয়বোৰ দুয়োৰে একে নোহোৱাত কলেজত দেখা-সাক্ষাতো বৰকৈ নহয় বুলিয়েই শিখাই ক'লে। তাতে আকৌ কুকিয়ে হোষ্টেল এৰাও দুবছৰমান হ'ল; কোনোবা বান্ধৱীৰ লগত থকা কৰিছে তাই। কুকিৰ বিষয়ে বহুতো কথা জানিব পাৰিব বুলি ভাবি যোৱা গদাধৰৰ আচল উদ্দেশ্য পূৰণ নহ'ল। সকলোকে মাত লগাই তেওঁ চিন্তাক্লিষ্ট মনেৰে উভতি আহিল পলাশনি গাঁৱৰ পৰা।

সন্ধিয়া লাগি ভগাৰ পাছত ঘৰ সোমোৱা গদাধৰে পদ্মাৰ আগত উলিয়ালে কথাখিনি। একে সমবয়সীয়া ছোৱালী শিখাজনী কুকিতকৈ কিমান বেলেগ, কিমান বুজন তাকো ক'লে তেওঁ। স্কুলীয়া দিনৰ বন্ধুত্বও নৰজিল মহানগৰখনৰ ভিৰৰ মাজত। পদ্মাই যেন গদাধৰৰ কথাবোৰ এই ক্ষেত্ৰত মানি ল'ব পৰা নাই মুঠেও। শিখা আৰু কুকিৰ মাজত তুলনা কৰাটো ভাল নাপালে মানুহজনীয়ে। শিখাহঁতৰ ঘৰুৱা অৱস্থা গদাধৰহঁতৰ তুলনাত কিছু দুৰ্বল। ছোৱালীজনীৰ হোষ্টেলৰ খৰচ কোনোমতেহে মিলাই দিয়ে দেউতাকে। কুকি আগৰে পৰাই চৌখিন গতিকে শিখাৰ স'তে তাইৰ কথাবোৰ নিমিলে।

পদ্মাৰ মতে কুকিৰ হোষ্টেলৰ খাদ্যবোৰেৰে পেট নভৰে। গৰুৰ দানা সিজোৱাদি হেনো সিজাই দিয়ে ভাত-তৰকাৰীবোৰ। তাতে আকৌ জেইলত থকাদি থাকিব লাগে। কলেজখনৰ বাহিৰে আন একো দেখিবলৈকে নাপায়। পদ্মাৰ কথা হ'ল, সকলোৱে তেনেকৈ থাকিবলৈ ভাল নাপাবও পাৰে। শিখাহঁতৰ নিচিনা ছোৱালীবোৰৰ উপায় নাই যেতিয়া যেনেকে-তেনেকে থাকিবলৈ বাধ্য সিহঁত।

গদাধৰে নীৰৰে ঘৈণীয়েকৰ কথাখিনি শুনি গৈছিল। কিবা ক'লেহেঁতেন যদিও ৰৈ গ'ল। সেইখিনি সময়তে কণপোনাই ভৰি-হাত ধুই নিজৰ কোঠালৈ যাবলৈ লৈছিল। মাকে কোৱা শেষৰ কথাখিনি তাৰ কাণত পৰাত সি ৰৈ দিলে—

ঃ তহঁতৰ মৰমৰ জীয়েৰজনীক পাৰিলে জোৰ কৰি ওভোতাই আনগৈ। হোষ্টেলত কেনেকৈ থাকিব তাই? পঢ়িবলৈ পঠিয়াইছিলি নহয়, ভালকৈয়ে পঢ়া-শুনা কৰি আছে তাতে। গম পাবি লাহে লাহে।

এয়া যেন পুঞ্জীভূত ক্ষোভৰ উদ্‌গীৰণ ঘটালে সি। পদ্মাই তাৰ কথাখিনি শুনাৰ পাছতে ৰৈ থাকিব নোৱাৰি একপ্ৰকাৰ চিঞৰি উঠিল—

ঃ এইবোৰ কি কৈছ তই? ইমান ডাঙৰ ডাঙৰ কথা ক'ব পৰা হ'লি, তাকো নিজৰ বায়েৰজনীৰ বিষয়ে? কেলেহুৱা অসীম নে চসিমটোৱে তোৰ মূৰত এইবোৰ ভৰাই দিছে? কুকিয়ে তাক গুৰুত্ব নিদিয়া হ'লতো?

কণপোনা দমি নগ'ল—

ঃ সুস্, কাক কেলেহুৱা বুলি কৈছ? অসীমদাই কি কৰি আছে তই জাননে? তোৰ জীয়েৰজনীক অসীমদাই কিয়, কোনেও বিয়া নকৰায়। চাই থাক।

মাকে তাক আকৌ কিবা ক'বলৈ মুখ মেলিব খোজোঁতে গদাধৰে দুয়োক শান্ত হ'বলৈ ক'লে।

গদাধৰে শান্ত স্বৰেৰে কণক সুধিলে—

ঃ কণপোনা, কুকিৰ বিষয়ে কি শুনিছ তই? তইতো গুৱাহাটীলৈ কেতিয়াও যোৱা নাই?

কণে দেউতাকক শান্তভাৱেই ক'লে—

ঃ দেউতা, মই এইবোৰ কথা খুলি ক'ব নোৱাৰোঁ কেতিয়াও। গুৱাহাটীত আমাৰ গাঁৱৰ ওচৰ-পাঁজৰৰ বহুতো ল'ৰা আছে। সিহঁতে ভালকৈয়ে গম পাইছে তাইৰ বিষয়ে।

গদাধৰে অনুমান কৰিলে যে ল'ৰাটোক অব্যক্ত বেদনাবোৰে খুলি খুলি খাইছে। কুকি থকাকেইদিন সি ঘৰত কাৰো স'তে ভালকৈ মাতবোল কৰা নাছিল। ইয়াৰ গুৰিতে এই ধৰণৰ কথাই আছিল চাগে' তাৰ মনত। নিমিষতে বহুতো চিন্তাই জুমুৰি দি ধৰিলে গদাধৰক। পদ্মাৰ মনত কি খেলাইছে উমান নাপালে গদাধৰে। কিন্তু গদাধৰৰ ভিতৰখনত প্ৰচণ্ড বা-মাৰলী এজাকে তাণ্ডৱ চলাবলৈ লৈছে। এক মুহূর্তৰ ভিতৰতে খৰতকীয়া সিদ্ধান্ত এটা লৈ পেলালে গদাধৰে। তাৰ পাছত চিন্তাবোৰৰ পৰা কিছু পৰিমাণে নিজক মুক্ত কৰি টিভিটোৰ সন্মুখত বহিলগৈ তেওঁ।

সন্ধিয়াৰ বাতৰি পৰিৱেশন কৰি থকা ঘোষিকাই সুন্দৰপুৰ গাঁওখনৰ নাম লোৱা দেখি সচকিত হৈ উঠিল গদাধৰ বৰা। হঠাতে টিভিৰ পৰ্দাত দেখা গ'ল অসীমক। তাৰ বাৰীৰ ফচল, বিভিন্ন বস্তু উৎপাদনৰ দৃশ্যবোৰ এফালৰ পৰা দেখুৱাই গ'ল। কেনেকৈ এই চিন্তা মগজুত সোমাল ইত্যাদি কথাৰ উত্তৰত অসীমে দাঙি ধৰিলে বিশদ বর্ণনা। উৎপাদিত সামগ্ৰীবোৰেৰে প্ৰায়বোৰ বজাৰ কেনেকৈ দখল কৰিছে; উপার্জন যথেষ্ট হোৱাৰ লগতে প্ৰত্যাহ্বানৰো সন্মুখীন হৈছে সিহঁত; ইত্যাদি কথা সাৱলীলভাৱে অসীমে কৈ গ'ল। অচিৰেই মীন পালনতো লাগি পৰিব বুলি মনতে আশা পুহি ৰাখিছে সি। তাৰ সহযোগী দুজনৰো সাক্ষাৎকাৰ লৈছে সাংবাদিকজনে। এই কামলৈ তেওঁলোকৰ ধাউতি জন্মাৰ কাৰণ, লগতে কেনেকৈ নিজে লাভৱান হৈছে, ইত্যাদি কথাৰে বাতৰিটো দীঘলীয়াকৈ পৰিৱেশন কৰাত গদাধৰে পদ্মাক মাতি দেখুৱালে। কেতিয়াবাই মুখৰ মাত হেৰুওৱা মানুহজনীয়ে কেৱল চাই ৰ'ল ছবিবোৰলৈ। বাতৰিটোৰ পিছৰখিনিলৈ চাই থাকিব নুখুজি গদাধৰ আগুৱাই আহিল টিভিটো বন্ধ কৰাৰ উদ্দেশ্যেৰে। হঠাতে আন এটা অপ্ৰত্যাশিত বাতৰি। বৰাই কৌতূহল নিবৃত্তি কৰিবলৈকে দৃষ্টি নিবদ্ধ কৰিলে সেইফালে। দুজনী অৰ্দ্ধ উলংগ সাজত থকা ছোৱালীয়ে মাতাল অৱস্থাত দুজন পুৰুষৰ লগত কাজিয়াত লিপ্ত হৈছে ৰাজপথতে। ঘটনাটো গুৱাহাটী মহানগৰীৰ এখন বাৰৰ ওচৰত, সাংবাদিকৰ কেমেৰাত বন্দী হোৱা দৃশ্য এটা। সময় মাজনিশা। সাংবাদিকে কৈ গৈছে যে শৰীৰৰ দৰ-দাম সম্পর্কে গ্ৰাহকৰ লগত হোৱা কাজিয়া এইখন। দুয়োজনী কলেজীয়া ছাত্রীৰে বয়স ১৯-২০ বছৰৰ ভিতৰত হ'ব।

গদাধৰে উভতিব খোজা পদ্মাক মাতিলে বাতৰিটো চাবলৈ—

ঃ চোৱাচোন, কি বিশ্বাস কৰিবা আজিকালিৰ ল'ৰা-ছোৱালীবোৰক। মাক-দেউতাকে কিমান আশা বুকুত বান্ধি ইহঁতক পঠিয়াই দিয়ে। কিন্তু আশাত চেঁচাপানী ঢলাই নহয়, মাক-দেউতাকৰ নাক-কাণ কটাবলৈ এইবোৰ কৰে ইহঁতে।

পদ্মাই মূৰ তুলি চালে হয়, কিন্তু বুকুখন যেন অজান আশংকাত কঁপি থাকিল বহু পৰলৈ।

সাংবাদিকে তাৰে এজনীক সোধাৰ লগে লগে তাই সদম্ভে ঘোষণা কৰিলে ঘৰৰ ঠিকনা। নামটো ক'বলৈ গৈ দোৰোল খোৱা জিভাত ফুটি নুঠিল স্পষ্টকৈ।

পদ্মাৰ পাছতে অজান আশংকাত চিঞৰি উঠিল শিক্ষক গদাধৰ বৰা।

কেমেৰা পার্ছনক জুম কৰি দেখুৱাবলৈ কোৱাত স্পষ্টকৈ নহ'লেও অৱয়ৱ চাই ধৰিব পৰা হ'ল নিজৰ ঠিকনা কোৱা ছোৱালীজনীক। এইজনী ছোৱালী...? উৎকণ্ঠাৰে চাই থকা দুহাল চকু বিস্ফাৰিত হৈ গ'ল একে নিমিষতে। ভৰিৰ তলৰ মাটি হঠাতে এৰা খাই যোৱাৰ পাছত খোপনি ৰাখিব পৰা নাই যেন এজনেও। ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা, সভাপতি, অভিজ্ঞা অধ্যয়ন চক্ৰ, গুৱাহাটী

মুকলি চিন্তা

ৰীণা ভৰালী বৰা

ৰামধন আছিল বিমান বৰুৱাৰ ঘৰত কাম কৰা ল'ৰা। প্ৰায় আঠ-ন বছৰেই হ'ল ৰামধন এই ঘৰখনলৈ অহা। প্ৰথম অৱস্থাত কিছু কাম-বন শিকাই দিব লগা হৈছিল যদিও পিছলৈ ৰামধনক কোনো কাম বা কথা বুজাব লগা হোৱা নাছিল। পুৱাৰ পৰা গধূলিলৈকে ৰামধনৰ কামৰ শেষ নাই। ঘৰ চাফা কৰা, পুৱা বিছনাতে ছাৰ-বাইদেউক ফিকা চাহ দিয়া, ৰাহুলক স্কুললৈ উলিওৱা, টিফিন বনোৱা, স্কুলৰ গাড়ীত উঠাই দিয়া, গাখীৰ অনা, পানীৰ টেপৰ ছুইচ দিয়া, বাচন ধোৱা, দুপৰীয়াৰ আহাৰ তৈয়াৰ কৰা, কাপোৰ ধোৱা তথা আলহীকো আপ্যায়ন কৰাকে আদি কৰি সকলো কাম লৈ ৰামধন ব্যস্ত থাকে।

এদিন দুপৰীয়া ৰামধনৰ দেউতাক আহি ওলাল। কথাৰ মাজতে তেওঁ বিমান বৰুৱাক ক'লে— 'ৰামধনক মই কেইদিনমানৰ বাবে ঘৰলৈ নিম বুলি আহিছোঁ, কাৰণ তাৰ মাকৰ বহুত অসুখ। মাকে তাক চাব বিচাৰিছে।' বিমান বৰুৱা আৰু তেওঁৰ পত্নী ৰাস্নাই হঠাতে বৰ চিন্তাত পৰে তাক পঠোৱাৰ কথা ক'লে। তথাপি ৰামধনক লৈ দেউতাক ঘৰমুৱা হ'ল।

ৰামধনক দেউতাকৰ লগত পঠাই ৰাস্না ভিতৰ সোমাই আহিল। ৰাস্নাৰ অন্তৰখন এক অজান দুখত সেমেকি উঠিল। ঘৰখনত সোমাই এক উৰুঙা উৰুঙা ভাব অনুভৱ কৰিলে। ৰাস্নাই যেন কান্দি পেলাব। ঘৰৰ এজন সদস্যৰ দৰেই ৰামধনে কেনেকৈ সকলোকে তাৰ কাম আৰু ব্যৱহাৰেৰে আপোন কৰি পেলাইছিল। তাৰ গুণৰ বাবেই তাক ৰাস্নাই কোনো থাপৰ বা গালি এটাও দিব লগা হোৱা নাছিল।

'হেৰা, ৰামধন গ'লনে? মোৰ অফিচ যাবৰ হ'ল নহয়, ভাত দিয়া।' —বিমান বৰুৱাই কথা কৈ কৈ গা ধোৱা ঘৰত সোমাল।

ৰাস্নাই পাকঘৰৰ ফাললৈ যাবলৈ ধৰোঁতে হঠাতে চকু পৰিল যে ৰামধনে তাৰ ছাৰৰ বাবে ডাইনিং টেবুলত সুন্দৰকৈ দুপৰীয়াৰ ভাতসাঁজ সজাই থৈ গৈছে, কাষত এগিলাছ পানী আৰু তাৰ ছাৰে ভাল পোৱা মাহ বটাখিনিও সি আজি দিবলৈ পাহৰা নাই। ৰাস্নাই সঁচাকৈ দেখি আচৰিত হ'ল।

স্বামী বিমান বৰুৱাই গা ধুই আহি গোসাঁই সেৱা কৰি ভাতৰ পাতত বহি ক'লে— 'হেৰা, ৰামধন ঘৰখনৰ পৰা ওলাই গ'লত বৰ বেয়া লাগিছে নহয়নে? তাক যাবলৈ দিবলৈ বেয়া লাগিছিল। উপায় নাই, তাৰোতো মাক-দেউতাক, বাই-ভনী আছে। তথাপি আমিবোৰ বৰ স্বাৰ্থপৰ নহয়নে? নিজৰটোহে চিন্তা কৰোঁ। এৰা বৰ বেয়া লাগি আছে।' —বিমান বৰুৱাই দুখ মনেৰে ভাত খাবলৈ ধৰিলে।

ৰাস্নাই ক'লে— 'জানেনে সি তোমাৰ ভাতো বাঢ়ি থৈ গৈছে, সি যে কিমান পৰিপাটি!'

'পিছে ৰাস্না, তাক পাবলগীয়া টকাখিনি সম্পূৰ্ণ দিলানে? মোক দেউতাকে ঘৰখনৰ দুৰৱস্থাৰ কথা কৈছে। ভাবিলে দুখেই লাগে।'

'এৰা মই পাঁচশ টকা ৰাখি থ'লোঁ জানেনে?'

'কিয় ৰাখিলা বাৰু?'

'মই আচলতে ভাবিলোঁ যে সম্পূৰ্ণকৈ টকাখিনি দি দিলে সি হয়তো নাহিবই পাৰে। কাপোৰ দুযোৰমানহে দি পঠালোঁ সোনকালে আহিব বুলিয়েই।'

'ভাল নকৰিলা ৰাস্না। সিহঁতৰ টকাৰ বৰ অভাৱ। পাৰিলে দুই-এপইচা বেছি দি সহায় কৰিবহে লাগে। দেখা নাই সি আমাক কিমান নিজৰ বুলি ভাবে। ৰাহুলক নিজৰ ভাইৰ দৰে মৰম কৰে। তুমি-মই তাক কি আপদাল কৰোঁ। তাক দেখা নাই স্কুলৰ পৰা অহাৰ পিছত মোজা-চোলা ধোৱা, জোতা চাফা কৰা, বেগ ঠিক কৰি থোৱা, পিছত খুৱাই-বোৱাই গল্প কৈ শোৱাই থোৱা, আবেলি উঠাৰ পিছত তাৰ লগত খেলা ইত্যাদি কাম সিয়েই কৰে। চোৱাচোন ৰাহুলৰ বাবেনো আমি কিমান সময় দিওঁ!'

বিমান বৰুৱাৰ এটা এটা কথাই ৰাস্নাৰ অন্তৰ চুই গ'ল। তথাপি

ভৱিষ্যতে এনে কাম কেতিয়াও নকৰোঁ বুলি ৰাস্না প্ৰতিজ্ঞাবদ্ধ হ'ল।

ৰাহুল বিমান বৰুৱা আৰু ৰাস্নাৰ একমাত্ৰ সন্তান। ৰামধনে দিনটো তাৰ ছাঁটোৰ দৰে লাগি থাকে। মাক ৰাস্নাই ৰামধনক মাজে-সময়ে কামত সহায় নকৰা নহয়, তথাপি নকৰিলেও সি খাতিৰ নকৰে। ৰাস্নাই প্ৰায়ে আজৰি সময়ত ওচৰ-পাঁজৰৰ দুই-এঘৰলৈ গৈ কথা-বতৰা পাতি সময়বিলাক পাৰ কৰে। মাজে-সময়ে দুই-এগৰাকী ৰাস্নাৰ ঘৰলৈও আহে। ৰামধনে কোন সময়ত কাক কেনেদৰে আপ্যায়ন কৰিব লাগে নোকোৱাকৈয়ে জানে।

বিমান বৰুৱা অফিচলৈ ওলাই যোৱাৰ পিছতে কাষৰে ভাৰতী,



বিনু, প্ৰীতি আৰু স্বপ্না ৰাস্নাৰ ঘৰলৈ আহি ৰামধন যোৱা বুলি গম পাই দুখ কৰিলে আৰু ৰামধনৰ প্ৰশংসাত পঞ্চমুখ হ'ল। এৰা, কাম কৰা ল'ৰা হ'লে ৰামধনৰ দৰে হ'ব লাগে। —'এনে ল'ৰাক নাখায়ো খুৱাব পাৰি। ৰাস্না তুমি ভাগ্যৰ বলতহে এনে ল'ৰা পাইছা বুজিছা।' ৰাস্নাই কথাবোৰ শুনি ভালেই পালে, কাৰণ যিমানেই নহওক কুকুৰ চিকুণ গিৰিহঁতৰ যখ।

মাজতে বিনুৱে মাত লগালে— 'এৰা কাম কৰা ছোৱালীতকৈ ল'ৰাহে ভাল বুজিছেনে? ছোৱালী হ'লে সকলো সময়তে চাই থাকিব লাগে। আমাৰ পাকঘৰটোলৈয়ে সময় নাই তাতে সিহঁতৰ পিছে পিছে চাই ফুৰা সম্ভৱনে বাৰু। যদিহে ডেকা ল'ৰা থাকে তেতিয়াতো কথাই নাই !'- সকলোৱে ঢেক্‌ঢেককৈ হাঁহিব ধৰিলে।

এটা চুকত বহি থকা স্বপ্নাই ক'লে— 'নক'ব আৰু জানেনে সেই যে তিনি নং ফ্লেটত মুকুন্দ কাকতি বুলি এজন মানুহ থাকে তেওঁতো কাম কৰা ছোৱালীজনীৰ লগতে থকা বুলি ক'লে ভুল কৰা নহ'ব।'

'কিনো কয় অ' এইজনীয়ে। কিয় ঘৈণীয়েকজনীনো ক'ত গ'ল।' —বিনুৱে স্বপ্নাৰ ওচৰলৈ আহি অনুসন্ধিৎসু মনেৰে মুখলৈ চালে।

'আছে আছে, পিছে কোনোবা ডাঙৰ অফিচাৰৰ লগত হেনো প্ৰায়ে অসমৰ বাহিৰত অফিচৰ কামত যাব লগা হয় বোলে।'

'ঠিকেই হৈছে। যেনে কুকুৰ তেনে টাঙোন। তেওঁ নিজেই এই সুবিধাকণ দিছে, কাকতিৰনো কি দোষ !'

'হ'লেও মতা মানুহবোৰৰ কিয় বাৰু ইমান উৎপাত। কাম কৰা ছোৱালীজনীকনো কিয় নিজৰ ছোৱালী বুলি ভাবিব নোৱাৰে।'

'এৰা আজি কিছুদিনৰ পৰা তাইৰ ড্ৰেছ-পোছাক আৰু কথা-বাৰ্তাই বেলেগ। যেন তাই ঘৰৰ মালিকনীহে। বুজিছে মোৰ ছোৱালীজনীয়ে কিছুদিনৰ পৰা মাজে মাজে তাইৰ লগত কথা পাতে। তাইকো মানা কৰিবহে লাগিব। নহ'লে বৰ চিন্তা বুজিছে ক'ৰ যে বেয়া কথাবোৰ শিকিব। তাই গুচি যাব লগা হ'লে মৰিলোঁ আৰু। এইকণ সময় যে ওলাই আহিছোঁ তাই থকাৰ বাবেহে, নহ'লে গেবেৰা খাটি মৰিব লাগিব।'

বটাটোৰ পৰা তামোল এখন মুখত ভৰাই বৰ চিন্তাক্লিষ্টভাৱে প্ৰীতিয়ে লাহেকৈ ক'লে— 'বেলেগৰ বদনাম গালে কি হ'ব, বুজিছে আমাৰ ঘৰতে তেনে ঘটনা ঘটি গৈছে। ক'বলৈকে লাজ লাগে।'

'কিয় প্ৰীতি, ক'লেনো কি হ'ব, আমি কিবা ৰতি ফুৰিমনে। কোৱাচোন কোৱা।' —স্বপ্নাই প্ৰীতিক ক'লে।

'এৰা কাম কৰা ল'ৰাই হওক বা ছোৱালীয়েই হওক পদে পদে বিপদ বুজিছা ? হ'লেও বিপদ নহ'লেও বিপদ।' —প্ৰীতিয়ে কণ্ঠ-নকণ্ঠকৈ ক'বলৈ ধৰিলে—

'আমাৰ সৰু বোপা অৰ্থাৎ মোৰ দেৱৰ মৃণাল প্ৰায়ে ক্লাছ কৰি সোনকালে কলেজৰ পৰা আহে। দুপৰীয়া সময়খিনিত মই মমী-দাদুক লৈ বিছনাত পৰোঁ। পুৱাৰ পৰা কাম কৰি কৰি ভাগৰো লাগে। আমাৰ যে ৰমলা (কাম কৰা ছোৱালী) তায়ো জিৰণি ল'বলৈ কোঠাত সোমায়। আমাৰ এওঁতো পুৱাই অফিচ যায়। পিছে এদিন বৰ সাংঘাতিক এটা ঘটনা ঘটিল।'

‘কি হ’ল নক’ৰনো কেলৈ?’ —বিনুৰে ক’লে।

‘এৰা কথাযাৰ কিন্তু আপোনালোকক ক’লোঁ, কাকো নক’ব। যিমানেই নহওক ঘৰৰ বদনাম বাহিৰত কৰিব নাপায়, তথাপি ওলাল যেতিয়া কওঁ শুনক। আমি শুই থাকোঁতে হঠাতে দাদুৰে বিছনাতে প্ৰস্ৰাৱ কৰাত মই কাপোৰখিনি সলাই দি বাহিৰৰ ফাললৈ ওলাই আহি দেখিলোঁ যে সৰু বোপাই ৰমলাৰ কোঠাৰ পৰা অসংযত অৱস্থাত ওলাই খৰখেদাকৈ নিজৰ ৰুমৰ ফালে গুচি গ’ল। মই কি কৰিম, কি নকৰিম ভাবি নাপাই একেবাৰে ৰমলাৰ কোঠাত সোমাই তাইৰ গাত ধৰি সুধিলোঁ, সৰু বোপা কিয় আহিছিল?’

‘পিছে তাই কি বুলি ক’লে?’ —স্বপ্নাই সুধিলে।

‘ক’তা কোনোতো অহা নাই মোৰ কোঠালৈ।’ —ৰমলাই ভয়ে ভয়ে ক’লে।

‘তেন্তে তই এনেদৰে আধানাঙঠী হৈ কিয় আছ?’

‘কাপোৰ সলাইছিলোঁ বাইদেউ, এনেয়ে বদনাম নিদিব, ছাৰ আহিলে আপোনাৰ কথা কৈ দিম মই।’

‘কোন ছাৰক ক’বলৈ আহিছ বুলি মই তাইৰ দুইখন গালতে এনেকৈ চৰিয়ালোঁ যে তাই টলকিবই নোৱাৰিলে। হঠাতে এখন কাপোৰ গাত মেৰিয়াই ৰমলাই দাদা, চাওকচোন মোক বাইদেৱে কেনেকৈ মাৰিছে আৰু বদনাম কৰিছে বুলি সৰু বোপাৰ কোঠালৈ গৈ কান্দিব ধৰিলে। বুজিছে সেইদিনাই তাইৰ বাবে আমাৰ ঘৰখনত থকা শেষ দিন। এখেত অহাৰ পিছতেই তাইক ঘৰলৈ পঠালোঁ। এৰা নহ’লে যে মোৰ সংসাৰখন বৰবাদ হৈ গ’লহেঁতেন।’

বাতৰিকাকতখন হাতত লৈ এনেয়ে ইলুটি-সিলুটিকৈ থকা ভাৰতীয়ে এটা মন্তব্য কৰিলে— ‘বুজিছে প্ৰীতি বাইদেউ, প্ৰকৃততে আমিবোৰ বৰ ধোদ হৈ গৈছোঁ বুজিছে। আগৰ দিনতনো ক’ৰ কাম কৰা মানুহবোৰ আছিল। স্বামী আৰু ঘৰখনৰ সকলোৰে কামবোৰ কৰি জানো গৃহিণীগৰাকী ব্যস্ত নাছিল? ল’ৰা-ছোৱালী ৰাখিছিল ককাক-আইতাকে। গৃহস্থই ঘৰ চলাইছিল। এমখা ল’ৰা-ছোৱালী, এচৰু ভাত তাৰ মাজত আলহীতো থাকেই। মাহী-পেহী, অঙহী-বঙহী কত কি? আজিকালি আমি সেইবোৰ আপদ বুলিহে ভাবোঁ। শাহু-শহুৰৰ জাঁজ ল’ব নিবিচাৰোঁ। ভাতকেইটা পাৰিলে এওঁ বনাই খুৱালেহে ভাল পাওঁ। ঘৰ সৰা-মচা কৰিবলৈ আমাৰ কঁকালটোৱেই বেঁকা নহয়। হয়নে নহয়, কওকচোন? গতিকে কামৰ সোৱাদ ল’বলৈ গৈ জানো আমি এই বিপদবোৰ মাতি অনা নাই?’

‘এৰা ভাৰতী, তোমাৰ কথাত যুক্তি নথকা নহয়। পিছে কেতিয়াবা পুৱাৰ পৰা ৰাতি এপৰলৈ কামবোৰ কৰি কৰি বৰ আমনি লাগে। আমাৰ এওঁ পানী এগিলাচো নিজে লৈ নাখায়। গা ধুবৰ সময়ত গামোচাখন, চেণ্ডেলযোৰ, ঠাণ্ডা দিনত গৰম পানী আৰু ভাতৰ পাতত বহি ইবিধ-সিবিধ কাঁহীত ঢালি দিয়া, স্কুটাৰখন পাৰিলে চাফা কৰি দিয়া, তামোল দুখন কাটি দিয়া ইত্যাদি ইত্যাদি। পিছে চাকৰি নকৰিলোঁ বুলি মতা মানুহবিলাকে আমাক এনেকৈ কষ্ট দিব লাগেনে? পিছে সকলো মতা মানুহ একে নহয় দেই। সেই যে মিনুৰ গিৰীয়েকক দেখা নাই তেওঁ পুৱাৰ ভাগত ঘৰৰ সকলো কাম শেষ কৰি ঘৰ-দুৱাৰ তলা লগাই অফিচলৈ যায়। মিনুতো পুৱাই অফিচলৈ যায়। এৰা সেয়েহে কৈছোঁ, মতা মানুহবিলাকে যদি অলপ কাম-বনত সহায় কৰে সঁচাকৈ কাম কৰা মানুহৰেই দৰ্কাৰ নাই।’

হঠাতে বিমান বৰুৱা অফিচৰ পৰা আহি পালে। ৰাস্নাই বিমানক দেখি আচৰিত হৈ ক’বলৈ ধৰিলে— ‘অ’ আজি দেখোন এওঁ ইমান সোনকালে আহি পালেহি। পিছে আপোনালোক বহকচোন মই এওঁৰ বাবে কিবা এটা বনাওঁ। সঁচাকৈ আপোনালোক অহাৰ বাবেহে মনটো ভাল লাগিল, নহ’লে ৰামধন যোৱাৰ বাবে বৰ দুখ লাগি আছিল।’

প্ৰীতিয়ে টপৰাই মাত লগালে— ‘ৰাস্না, আমিও যাওঁ দিয়া, বহুত দেৰি আজি বহিলোঁ, তুমি এতিয়া গৃহস্থক আপ্যায়িত কৰা।’

‘অ’ আপোনালোক কিয় উঠিলে? বহক, বহক। মই আকৌ ভাবিলোঁ এওঁ অকলে আছে আৰু কামৰো কষ্ট হৈছে, সেইবাবেহে সোনকালে গুচি আহিলোঁ।’

‘ভাল, ভাল এনে মানুহহে ভাল। অন্ততঃ মানুহজনীৰ সুখ-দুখ বুজে।’ —এনেদৰে কৈ সকলোৱে হাঁহি হাঁহি ঘৰমুৱা হয়। বিমানেও এটা অর্থব্যঞ্জক হাঁহি মাৰি ভিতৰ সোমাই ৰাস্নাক ক’লে— ‘চাওঁ মানুহজনী কেনে আছে।’ ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা

চাকনৈয়া

দণ্ডি ৰাম কাকতী

সুন্দৰ পৰিৱেশ। সময় তেতিয়া আবেলি। সকলোৱে ব্যস্ত নিজৰ নিজৰ কামত। গাত তত নাইকিয়া। চৰকাৰী আৱাসগৃহতে প্ৰকাণ্ড ৰভা সাজিছে। ডেকোৰেচনৰ কাম কৰি আছে। ছাৰক সন্তুষ্ট কৰাৰ বাবে সৰু-বৰ ঠিকাদাৰসকলে কোনোবাজনে মাংস, কোনোবাই মাছ, কোনোবাই আকৌ মিঠাই, বিভিন্নজনে বিভিন্ন লাগতিয়াল সামগ্ৰীৰ যোগান ধৰিছে। ইফালে সন্ধিয়ালৈ বৈঠকৰো আয়োজন। নামী শিল্পী কেইবাজনকো আমন্ত্ৰণ জনাইছে।

ছাৰ, মিউজিকৰ বাবে কোনটো মিউজিক দলক আমন্ত্ৰণ জনাইছে —কৌশিকে প্ৰশ্ন কৰিছে। ৰঞ্জনে কিবা অন্য ভাবত বিভোৰ হৈ আছে। হঠাৎ প্ৰশ্নৰ উত্তৰ দিয়াত অলপ সময় ল'লে। অ', প্ৰতিদিন টাইম টিভি চেনেলৰ পাৰমানেণ্ট মিউজিক গ্ৰুপটোকে কোৱা হৈছে —ৰঞ্জনে উত্তৰ দিলে মৃদুভাৱে। ৰঞ্জনৰ মনত ক'লা ডাৱৰে আৱৰি ৰাখিছে। জীৱনৰ তৃতীয় সত্যৰ দিন কাইলৈ। লগৰ কিমান যে অফিচাৰ আহিছে। চাহ খোৱাই চাহ খাইছে, গপ মৰাই গপকে মাৰি আছে। কোনোবাই আকৌ কামৰ ডিৱেক্চন দিছে। ৰঞ্জন গভীৰ চিন্তাত মগ্ন। কাৰণ আজিলৈ দেউতাক, ভনীয়েক আৰু মামাক উপস্থিত হোৱাহি নাই। ইমান দিনে অফিচৰ কামৰ হেঁচা, অফিচিয়েল মিটিং, বন্ধু-বান্ধৱৰ লগত ব্যস্ত থকাৰ বাবে দেউতাকহঁতৰ কথা চিন্তা কৰিবলৈ আহৰিয়ে নাছিল। আজিহে উপলব্ধি কৰিছে তেওঁৰ শৈশৱৰ বিষয়ো। শিৱসাগৰ জিলাৰ এখন ভিতৰুৱা গাঁও ৰতনপুৰ। ইয়াতে জন্ম লাভ কৰি প্ৰাইমেৰী স্কুলৰ পৰা হাইস্কুল পৰ্যন্ত শিক্ষা গ্ৰহণ কৰে। দেউতাক মদনে দিন হাজিৰা কৰি পৰিয়ালটোৰ ভৰণ-পোষণৰ দায়িত্ব গ্ৰহণ কৰি আহিছে। মাক শেৱালীজনীয়েও আনৰ ঘৰত কাম-বন কৰি ধন উপাৰ্জন কৰে।

ল'ৰা-ছোৱালীহালক মাক-দেউতাকে বহুত কষ্ট স্বীকাৰ কৰি পঢ়ুৱাবলগীয়া হৈছিল। সাধাৰণ খেৰৰ ঘৰ। জুপুৰি ঘৰটোত সাধাৰণ এজাক বৰষুণ আহিলেই ভিতৰত পানী সোমায়। কাগজ-কিতাপবোৰ, বিচনা আৰু টেবুলৰ তলত পানী নপৰাকৈ ৰাখিবলগীয়া হয় দুয়ো ভায়েক আৰু ভনীয়েকে। এযোৰ কাপোৰতকৈ দুযোৰ কাপোৰ পিন্ধিবলৈ সমৰ্থ্য নাই সিহঁতহালৰ। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰঞ্জনে এক ভাবিব নোৱাৰাকৈ ফলাফল দেখুৱালে। অসমৰ ভিতৰতে চতুৰ্থ স্থান দখল কৰি সাধাৰণ আৰু একেবাৰে ভিতৰুৱা গাঁওখনলৈ সুনাম কঢ়িয়াই আনিলে। গাঁওখনত এক আনন্দৰ জোৱাৰ আহিল। টিভি চেনেল আৰু বাতৰি কাকতৰ সাংবাদিক আহি ফটো লোৱা, মন্তব্য গ্ৰহণ কৰা ইটোৰ পিছত সিটো। ইফালে স্কুলৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে স্কুলখনতে ঢোল-খোল, ফটকা ফুটোৱা, গামোচা পিন্ধোৱা আদি কামত ব্যস্ত থাকিল। স্কুলখনলৈ এটি অপ্ৰত্যাশিতভাৱে সুদিন আহিল। এই ৰিজাল্টে অসমৰ মানুহৰ মাজত চৰ্চালৈ আহিল। প্ৰচাৰ মাধ্যমে ৰঞ্জনক চিনাকি কৰাই দিলে। পিছৰ পৰ্যায়টো চৰকাৰৰ পৰা সা-সুবিধা গ্ৰহণ কৰি শিক্ষা লাভ কৰা ৰঞ্জনে আজি অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ এগৰাকী কাৰ্যবাহী অভিযন্তা। চাকৰি পোৱাৰ আগতে দুদিনীয়া অসুখত ভুগি মাকজনীয়ে মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছিল। জীৱন নদীৰ প্ৰৱাল সোঁতত উটি-ভাহি ৰঞ্জনে সকলো কথা পাহৰি গৈছিল। সুদক্ষ অভিযন্তা হিচাপে বিভাগত তেওঁৰ এটা সুনাম আছে। দেউতাকহঁতৰ বিষয়ে চিন্তা কৰাৰ বাবে আহৰিয়ে বা ক'ত। সি আজি অজস্ৰ সম্পত্তিৰ মালিক। তথাপি বিভাগীয় আবাসগৃহত আছে। লক্ষ্মী-সৰস্বতী একেলগে বাস কৰিছে ৰঞ্জনৰ ঘৰত। মুখ্য অভিযন্তা, গড়কাপ্তানী বিভাগৰ (পথ) কাৰ্যালয়ত কৰ্মৰত ৰঞ্জনৰ দক্ষতাৰ বাবে বিভাগীয় কমিচনাৰ, মন্ত্ৰী আটাইৰে প্ৰিয়পাত্ৰ। কাণ দুখনৰ বাবে হাতীয়ে তাৰ পিছফালে দেখা নোপোৱাৰ দৰে আনন্দ সাগৰত ডুব মাৰি শৈশৱ কালৰ কৰুণ কাহিনীবোৰ পাহৰণিৰ অটল গৰ্ভত নিক্ষেপ কৰিছিল। আনৰ ঘৰত বাচন ধুই ভৰণ-পোষণৰ দায়িত্ব বহন কৰা মাতৃৰ বছৰেকীয়া শ্ৰাদ্ধ-পিণ্ড কৰাৰ বাবেও আহৰি নাই-ৰঞ্জনৰ।

ভনীয়েকসহ দুয়োজনে কিমান দিন যে লঘোণে-ভোকে স্কুল-কলেজ কৰিবলগীয়া হৈছিল এই সকলো কথা মনৰ পৰ্দাত ভাহি আহিছিল আজি। কাইলৈৰ পিছত তেওঁৰ জীৱন সংগী হিচাপে

আহিব একে বিভাগত কর্মৰত সংগীতা। বহুদিনৰ পৰা দুয়োজনৰ মাজত ভাল ভাব গঢ়ি উঠিছিল। আজিহে চিন্তা কৰিছিল— যাৰ ত্যাগৰ বিনিময়ত এইখন আসন পাইছিল, তাৰ ভিতৰত তেওঁৰ মাতৃও। সুখৰ মুখ নেদেখাকৈ অকালতে চিৰবিদায় লোৱা মাতৃৰ কথা ভাবি থাকোঁতে অজানিতে চকুলো বাগৰি আহিল।

ৰাতি বিছনাত শুই পৰিল। চকু দুটা মুদিলেও টোপনি নাই। ৰাতিৰ নিস্তব্ধতা যিমানে বাঢ়ি আহিল সিমানে চিন্তাৰ বিচৰণ বৃদ্ধি হ'ল। দেউতাক আৰু ভনীয়েক কি কাৰণত আজিলৈ অহা নাই, কাইলৈ বা আকৌ আহে নে নাই। মানুহে সুধিলে কি বুলি উত্তৰ দিব। দেউতাক আৰু ভনীয়েকৰ বাহিৰে তেওঁৰ আজি আপোন বুলিবলৈ কোনোৱে নাই বুলিবই পাৰি। কিমান যে মানুহ আহিছে, গৈছে হিচাব নাই, কিন্তু নাই মাত্ৰ আপোন মানুহ দুজনহে। ভাবী শাহু-শহুৰ আৰু বাগদত্তাৰ প্ৰেমত বান্ধ খাই আপোন পাহৰা হৈছিল। নিজৰ ঘৰ-মাটি থকা সত্ত্বেও সংগীতাৰ দেউতাকে বিয়াৰ পিছতে জু-ৰোডত থকা সুউচ্চ অট্টালিকাটো মাটিসহ সিহঁতক দিব। ইতিমধ্যে দলিল-পত্ৰৰ কাম প্ৰায় কৰি ৰাখিছে। গোটেই ৰাতি উজাগৰে থাকিল সি। আজিহে উপলব্ধি কৰিছে জীৱনৰ চিৰন্তন সত্য কি।

ৰাতিপুৱাৰ পৰা প্ৰত্যেকে নিজৰ নিজৰ কামত ব্যস্ত। ৰভাতলী উদুলি-মুদুলি। খোৱা-বোৱা কৰা ঠাই, শ্ৰাদ্ধস্থলী, ভঁৰাল ঘৰৰ সামগ্ৰী সকলোবিলাক নিজেই এবাৰ নিৰীক্ষণ কৰিলে ৰঞ্জনে। হঠাৎ সাধাৰণ পোছাক পৰিহিত, বয়সৰ আঁচোৰ পৰা ৰঞ্জনৰ দেউতাক আৰু ভনীয়েকক দেখি আনন্দাশ্ৰু নিগৰি আহিল। অনুশোচনাত দগ্ধ আজি। আলহীৰ দৰে আহি ৰভাতলীতে বহি ল'লে। তেওঁলোকক ভিতৰলৈ মাতি নি হাত-ভৰি ধুবলৈ দিলে— ৰঞ্জনে। আগতে ক্ৰয় কৰি ৰখা নতুন কাপোৰ, ধুতি-পাঞ্জাবী, পাটৰ মেখেলা-চাদৰ দুয়োজনকে দিলে। দেউতাকক আঁঠু লৈ সেৱা জনালে। দেউতাকেই শ্ৰাদ্ধ কৰিব লাগিব —এই বিষয়ে অৱগত কৰিলে। নগৰত বিয়া হ'লেও গাঁৱৰ পৰাই বেণ্ডপার্টিও মাতিছে। বিধে বিধে খোৱা বস্তু, বিভিন্ন মাছ, মাংস, কণী, দহি বৰা, পালেং পুৰি, পকৰা, কোপ্তা, হালোৱা আৰু কত যে কিমান আইটেম লেখেই নাই।

নিজৰে সন্তান, মনত বহুত দুখ আছে যদিও মনৰ ভিতৰতে সকলোবোৰ ৰাখি লৈ পুনৰ গা-পা ধুই শ্ৰাদ্ধত বহিল। আয়তীসকলে পানী তোলা, বিয়া গীত গোৱা আদি গাঁৱৰ ৰীতি অনুসৰি চলি থাকিল। এক উৎসৱমুখৰ পৰিৱেশ। কোনো বস্তুৰে অভাৱ নাই। কাৰণ বিয়াত মন্ত্ৰী, মুখ্য অভিযন্তা, গড়কাপ্তানী বিভাগৰ (পথ) আৰু কত যে কিমান আমন্ত্ৰিত অতিথি আহিব। দেউতাকে বিয়াৰ পৰিৱেশ দেখি তেওঁৰ পৰিবাৰৰ কথা, ৰঞ্জনৰ শৈশৱকালৰ কথা মনত পৰিল। হঠাৎ তেওঁ শ্ৰাদ্ধথলীতে ক'ব নোৱাৰাকৈ ঢলি পৰিল। দেউতা, দেউতা, কি হৈছে আপোনাৰ। নামাতে কিয়— ৰঞ্জনে দেউতাকৰ গাত ধৰি মাতিলে। ক্ষন্তেকতে হুৱাদুৱা লাগিল। শ্ৰাদ্ধৰ কাম এৰি থৈ দেউতাকক জি.এন.আৰ.চিলৈ নিয়াৰ বাবে ১০৮ নম্বৰত ফোন কৰিলে। মানুহ ভৰি পৰিল। জৰুৰীকালীনভাৱে চিকিৎসা আৰম্ভ হ'ল। ডাক্তৰে বহুত সময় চালে। ইচিজি, এক্সৰে, আলট্ৰাচাউণ্ড, ব্লাড আদি পৰীক্ষা কৰিবলৈ দি ততাতৈয়াকৈ এটি ছীটৰ ব্যৱস্থা কৰিবলৈ লিখি দিলে। এখেত আপোনাৰ কি হয়— ডাক্তৰে ৰঞ্জনক প্ৰশ্ন কৰিলে। ভেণ্টিলেচনৰ প্ৰয়োজন। ইফালে আই.চি.ইউ. খালী নাই। তথাপি জৰুৰীকালীনভাৱে ৰখা আই.চি.ইউলৈ তেখেতক পঠিয়াই দিয়া হ'ল। বেমাৰীৰ লগত অহা মানুহৰ কথা-বতৰাৰ বাবে চিকিৎসকে ধৈর্য ধৰাৰ বাবে অনুৰোধ জনায়। ইজনে সিজনৰ লগত কথোপকথন কৰি ৰঞ্জনৰ দুয়োগৰাকী বন্ধুৱে ৰঞ্জনক বিয়াস্থলীলৈ লৈ যোৱাৰ সিদ্ধান্ত ল'লে। সেইমতে কাম হ'ল। ৰভাস্থলী ক্ষন্তেকতে নিমাওমাও হৈ পৰিল। বিয়াখনটো যেনেতেনে হ'বই লাগিব। ছোৱালীপক্ষৰ লগত ফোনযোগে আলোচনা কৰি চিন্তা কৰা ধৰণে বিয়াৰ কাম দিনতে সমাপ্ত কৰাৰ বাবে প্ৰস্তুতি চলিল। ৰঞ্জনৰ মামাক আৰু ভনীয়েকে বিষয়টো গভীৰভাৱে চিন্তা কৰিলে। বিনামেঘে বজ্ৰপাত হোৱাৰ দৰে ৰঞ্জন জঠৰ হৈ পৰিল। হোমক সাক্ষী কৰি সংগীতাক জীৱনসংগী কৰিবলৈ ব্ৰাহ্মণেও বিষয়টো গুৰুত্ব বুজি মন্ত্ৰ উচ্চাৰণেৰে বিয়া আৰম্ভ কৰিলে। সকলোৰে মনত এটাই চিন্তা— বেমাৰীৰ কি হ'ল।

কিবা এটি অঘটন ঘটিলে বিয়াখন কি হ'ব। এফালে বিয়া, আনফালে মৃত্যুৰ সৈতে যুঁজি থকা দেউতাকৰ অৱস্থা। বিয়াত বহি ৰঞ্জনে হোমত আহুতি দি আছে যদিও ভাব সাগৰত ডুব মাৰি কেৱল ভাবিছে— তেওঁৰ জীৱন নৈৰ চাকনৈয়াৰ দৰে গতি কৰি আছে। শৈশৱ কালৰ পৰা আৰম্ভ কৰি কেৱল ৰোমন্থন। ইফালে দেউতাকৰ বা কি হৈছে। ডাক্তৰে তেওঁক কোৱা কথাষাৰেও ক্ৰিয়া কৰি আছে, 'patient's condition is critical...' চাকনৈয়াৰ মাজত পৰি কক্‌বকাই আছে ৰঞ্জনে। ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, সভাপতি, শতদল সাহিত্য সভা, গীতানগৰ, গুৱাহাটী

যা দেৱী সর্বভূতেষু...

অনামিকা মজুমদাৰ

মাকৈৰ খেতিডৰাৰ কাষে কাষে ফুলৰাই দৌৰিছে, আগে আগে তাইৰ গিৰীয়েক সুৰেশে সিহঁতৰ পাঁচ বছৰীয়া ছোৱালী গুড়িয়াক কান্ধত লৈ দৌৰিছে। কিছুদূৰ গৈ সি পিছলৈ চাই ৰৈ গ'ল, ফুলৰা আহি তাৰ কাষ পালে। সি তাইক অবাইচ গালি দুটামান দি ঢকা মাৰি পুনৰ বেগাই খোজ ল'লে। তাই মাটিত বাগৰি পৰিল। খপ্‌জপ্‌কৈ উঠি তাই বাঁওহাতৰ কিলাকুটিটো পিহি পিহি তাৰ পিছে পিছে প্ৰায় দৌৰাৰ দৰেই গৈ থাকিল। এটা সময়ত সিহঁত কাটিহাৰ ষ্টেচন পালে। কোনোমতে সিহঁতে ব্ৰহ্মপুত্ৰ মেইলখনত উঠি ল'লে। আৰু অলপমান দেৰি হোৱা হ'লে সিহঁতে ৰেলখন নাপালেহেঁতেন। টয়লেটৰ কাষৰ খালী ঠাইডোখৰতে দুয়ো বহি ল'লে। গুড়িয়াক তাই দুভৰিৰ মাজত সুমুৱাই বাহিৰলৈ চাই গৈ থাকিল। ৰেলখনে প্ৰথমে কিছু মন্থৰ গতি লৈ তাৰ পাছত স্পীড বঢ়াই দিলে। ফুলৰাৰ মূৰ ঢাকি লোৱা শাড়ীখনৰ আঁচলটো বতাহত বাৰে বাৰে মূৰৰ পৰা খহি পৰে। তাই এইবাৰ শাড়ীখন মূৰত তুলি লৈ এটা ফাল কাণত খুঁচি আনটো ফাল দাঁতেৰে কামুৰি ল'লে। প্লাষ্টিকৰ ওলোমা কাণফুলিযোৰ বতাহৰ কোবত দুলি থাকিল ইফাল-সিফালকৈ।

সন্মুখত সুৰেশে আঁঠু দুটা কোঁচাই বহি হাত দুখন আঁঠুৰ ওপৰত থৈ কিবা চিন্তাত বিভোৰ। তাই পিন্ধা কমলা ৰঙৰ শাড়ীখন সি নিজে আনি দিয়া। কইনা হৈ যেতিয়া তাই তাৰ জীৱনলৈ আহিছিল সি বৰ মৰম কৰিছিল তাইক। বিয়াৰ সাত মাহ পাৰ হওঁতে তাই যেতিয়া অন্তঃসত্ত্বা হৈছিল, শাহুৰেকে তাইক আগতকৈ বেলেগ দৃষ্টিৰে চোৱা হৈছিল। মৰমসনা মাত, ভাল খোৱা আহাৰ তাইলৈ থৈছিল। এদিন চোলাৰ ভিতৰত খবৰ কাগজেৰে মেৰিয়াই সি তাইলৈ এইখন শাড়ী লৈ আনিছিল ৰাতি। তাৰ মৰমত তাই গদ্‌ গদ্‌ হৈ উঠিছিল। শাড়ীখন খুলি সি তাইৰ মূৰৰ পৰা কইনাৰ দৰে ঢাকি লৈ তাইক কৈছিল—

ঃ 'এ ফুলৰা, তু হামাৰ জান হ্যে ৰে, য়ে চাৰী তুঝে পছন্দ আয়া না? অগলে মহীনে তুঝে ঝুমকা দিলাউঙ্গা মে তো... বচ ! তু এক বেটা পেইডা কৰ দে, অৰ কুছ নেহী চাহিয়ে হমকো।'

সজোৰে তাইক সি দুবাহুত সাবটি লয়। তাইৰ বুকুত এক ভয় ভয় ভাব সোমাই আহে। তাই নাজানে কি সেই ভয়...

বেটা চাহিয়ে সুৰেশ কো... বেটা। অগৰ বেটি পেইডা হুয়ী তোহ... তোহ.... ?

ৰেৰত আঠা লগোৱা সন্তোষী মাৰ ফটোখনত তাই সেৱা কৰে। দিন-মাহ বাগৰিল। তাইক লৈ সুৰেশ কাষৰ হাস্পতালখনলৈ গ'ল। তাই ভর্তি হোৱাৰ পিছদিনাই ফুলৰাৰ ছোৱালী এজনী জন্ম হ'ল।

সুৰেশ বহুপৰ তাইৰ ওচৰলৈ অহা নাছিল। ৰাতি দহমান বজাত সি আহিছিল। সি মদ খাই আহিছিল। অকটা গোন্ধটো তাই সহ্য কৰিব পৰা নাছিল। সি তাইৰ কাষত থিয় হৈ তাইক আঙুলি জোকাৰি ৰঙা চকু দেখুৱাই কৈছিল—

'কা নেহী দিয়াৰে তুঝে, ৰকট পে খানা-পিনা, কপড়ে গেহনে, কা নেহী দিয়া বোল? অউৰ তুনে ক্যা কিয়া? বোল... বোল ক্যা দিয়া বদলে মে...? চালি ৰে***' অবাইচ গালি পাৰিলে সি। নার্ছ এজনী দৌৰি আহি তাক বাহিৰলৈ যাবলৈ দিলে। সি ভৰিৰ কাষৰ টুলখন গোৰ মাৰি ঢলং-পলংকৈ তাৰ পৰা আঁতৰি গৈছিল। তাই তাৰ এনে খং দেখি ভয় খাইছিল। চকুৰে ধাৰাসাৰ পানী বাগৰিছিল। কি কৰিব তাই? কি কৰিব এতিয়া?

বৰষুণৰ পানীৰ ছিটিকনিয়ে তাইৰ ভাবৰ যতি পেলালে। বতাহ লাগি গুড়িয়া লেৰেজান হৈ শুইছিল মাকৰ কোলাত।

কি ষ্টেচন পালে তাইৰ হঠাতে মনত খেলালে। ট্ৰেইনৰ গতি মন্থৰ হৈ আহিল। তাই ডিঙি মেলি বাহিৰলৈ চালে। নিউ জলপাইগুৰি ষ্টেচন। কিষাণগঞ্জ কেতিয়া পাৰ হ'ল তাই গমেই নাপালে তাৰমানে। সুৰেশ থিয় হ'ল। ইফাল-সিফালকৈ ডিঙি মেলি ডবাৰ ভিতৰলৈ চালে সি। তাৰ চোলাটোৰ পাতলিটো খুলি দুই-এডাল সূতা ওলমি আছে। ট্ৰেইনখন পুনৰ চলিব ল'লে। তেতিয়াও গুড়িয়া টোপনিত লালকাল।

সোধো-নোসোধোকৈ তাই আকৌ এবাৰ সুধিলে সুৰেশক—

ঃ 'ইতনে বাৰ পুছে হ্যে, কি কা বাত হ্যে, আচানক চে কাহে কামাখ্যা ধাম যা ৰহে হ্যে বাতাইয়ে তো। ৰাত কো কৌন ফোন কিয়ে থে আপকো? এইচে ঝটপট কোই তীর্থ দর্চন কৰতে হ্যে ক্যা ৰহ ভী অম্বুবাচী মে।'

সি তাইলৈ ঘোপাকৈ চাই ক'লে—

ঃ 'অব ঘুমানে লে যা ৰহে হে, তবভী চান্তি নহী তুঝে, চুপচাপ বেইথী ৰেহ...।' দুটা আঙুলি ওঁঠত দি তাৰ মাজেৰে সি কমলা ৰঙৰ এসোপামান পিক বাহিৰলৈ মাৰি পঠালে। এমাহমানৰ পৰা তাই মন কৰিছে সি তাৰ বুটাম টিপা ফোনটো লৈ ঘৰৰ পৰা ওলাই গৈ ৰাস্তাত কথা পাতে, ফোন আহিলে। কোনে ফোন কৰে তাক? সুধিবলৈ তাইৰ সাহস নহয়। সিহতৰ বিয়া হোৱা আঠ বছৰ পাৰ হ'ল। এজনীৰ পাছত এজনীকৈ তিনিজনী কন্যা সন্তান জন্ম হ'ল।

সুৰেশ দুৰ্ঘোৰ মদাহী হ'ল। ঘৰ সোমালেই অবাইচ গালি-গালাজ পাৰি ফুলৰাক ভৰিৰে কেইটামান গোৰ শোধালেহে তাৰ টোপনি অহা হ'ল। শাহুৰেকে তাইক তাৰ এনে দশা হোৱাৰ বাবে জগৰীয়া কৰে। সদায়ে পুতেকক কয় তাইক ঘৰৰ পৰা উলিয়াই দিবলৈ। সুৰেশৰ অত্যাচাৰত তাইৰ হাতৰ ৰঙা-সেউজীয়া খাৰুবোৰ ভাঙি মাটিত চূৰ্ণ-বিচূৰ্ণ হৈ পৰি ৰয়। ছোৱালীকেইজনীয়ে ৰাতিপুৱা সেইবোৰ বুটলি আঠা লগাই কইনা-দৰা খেলে।

কিছুদিনৰ পৰা সুৰেশ সলনি হৈছে। গহীন হৈ থাকে, কিবা চিন্তাত মগ্ন হৈ থাকে সি। গুড়িয়াক শুই থাকিলে তাইৰ গাটো, ভৰি দুখন সি পিহি পিহি জানো কি ভাবে সি। ৰাতি ঘৰ সোমালে তাইৰ কাৰণে এটা কমলা আনে কেতিয়াবা, কেতিয়াবা কল এটা, কেতিয়াবা মৰ্টন...

ফুলৰাই তাৰ এই পৰিৱৰ্তন সন্তোষী মাৰ আশীৰ্বাদ বুলি ল'লে। যিয়েই নহওক শেষত সি ভাল যে হ'ল সেয়াই বহুত। তাই মনতে ভাবে, তাৰ গাতনো কি দোষ। দোষ তাইৰহে। তাইৰ কপালত বেটা নাই, যাৰ বাবে সুৰেশে দুখত তাইক মাৰপিট কৰে, বেচেৰা। নহ'লেনো সি আগতে কম মৰম কৰিছিল নে তাইক ! সন্তোষী মাৰ ফটোখনত তাই সেৱা কৰে। পুনৰ ৰেলৰ গতি মন্থৰ হৈ আহে। তাই ডিঙি মেলি চালে... নিউ আলিপুৰদুৱাৰ। তাই বহাৰ পৰা উঠে, দৌৰা-ঢপৰাকৈ যাত্ৰী সোমাল, দবাত তাই গুড়িয়াক লৈ টয়লেটৰ কাষলৈ গৈ থিয় হ'ল। যাত্ৰীবোৰ উঠা শেষ হ'ল। তাই পুনৰ আগৰ ঠাইত বহি ল'লে। সুৰেশে হঠাতে তাইৰ বাউসীত ধৰি টয়লেটৰ ফালে টানি নিয়াৰ দৰেই কৰিলে। তাইক ঠেলি এটা টয়লেটৰ ভিতৰত সোমো�ৱাই নিজেও আন এটাত সোমাই গ'ল। তাই একো বুজিব নোৱাৰি তাতেই সোমাই থাকিল প্ৰায় পঁচিশ মিনিটমান সময়। সি টয়লেটৰ দৰ্জাখন অকণ খুলি কিবা চালে গ'ল, গ'ল, নাই এইটো দাবাত টি টি; সি তাইক ওলাই আহিবলৈ ক'লে। 'ক্যা হুৱা'— তাই তাক সোধে। 'চালা কালাকোটৰালা... পেইচা মাংতা টিকিট কে ৱাস্তে।' দুয়ো পুনৰ আগৰ ঠাইত বহি ল'লে। এইবাৰ গুড়িয়াক সি তাৰ ভৰি দুখনৰ চেপাত সুমুৱাই ল'লে। ফুলৰাৰ মনটো কিছু ভাল লাগি গ'ল। হাজাৰ হওক, নিজৰেইতো সন্তান। কিয়নো মৰম নকৰিব, ইমান দিন খং কৰি আছিল ঠিকেই, কিন্তু গুড়িয়া দেখিবলৈ ইমান মৰম লগা সি মৰম নকৰাকৈ কেনেকৈনো থাকিব? তাতেই সি তাইৰ জন্মদাতা বাপেক। মৰমতো আছেই, সি নেদেখুৱাইহে। মনটো পাতল পাতল লাগিল তাইৰ কথাবোৰ ভাবি। সৰ সন্তোষী মাৰ কৃপা। সমগ্ৰ শৰীৰত সি লথিওৱা, গুৰিওৱা, থেতেলা খোৱা, নীলা, বেঙুনীয়া দাগবোৰ, বিষবোৰ যেন নোহোৱা হৈ গ'ল পলকতে।

তীব্ৰ বেগত ৰেলখন চলি থাকিল। কেইবাটাও ষ্টেচন পাৰ হৈ গ'ল— গোসাঁইগাঁও, কোকৰাঝাৰ, নিউ বঙাইগাঁও, বৰপেটা, ৰঙিয়া... ৰাতি হৈ আহিছিল। বাহিৰত লাইটবোৰ জ্বলি উঠিছিল।

এটা সময়ত সিহঁতে কামাখ্যা ষ্টেচন পালে। ৰেলৰ পৰা নামি সুৰেশে গুড়িয়াক কান্ধত তুলি লৈ দৌৰা-দৌৰিকৈ ষ্টেচনৰ পৰা ওলাল। পিছে পিছে ফুলৰা। কামাখ্যা মন্দিৰলৈ অজস্ৰ মানুহে খোজ কাঢ়ি গৈ আছে। সিহঁতে তাৰে মাজে মাজে গৈ থাকিল। ফুলৰাৰ ক্ষীণ দেহাটোত ক'ৰ পৰা যে ইমান শক্তি আহিছিল তাই নিজেই নাজানে, তাই কেৱল তাৰ চোলাটো চাই চাই পিছে পিছে দৌৰি থাকিল। দুই ঘণ্টামান বাট খোজ কঢ়াৰ পাছত সিহঁত কামাখ্যা মন্দিৰৰ কাষ পাইছিলগৈ। কিন্‌কিনীয়া বৰষুণৰ টোপ সিহঁতৰ গায়ে-মূৰে পৰিল। বন্ধ দোকান এখনৰ চালিৰ তলত সিহঁত কিছু সময় ৰ'ল। সি অকণ আগবাঢ়ি গৈ গুড়িয়ালৈ এপেকেট বিস্কুট আনি দিলে। ছোৱালীজনীয়ে ভোকতে বিস্কুট পেকেট খুলি খোৱাত লাগিল। ফুলৰাই থিয় হৈ থাকিব নোৱাৰি বহি ল'লে। সুৰেশে তাৰ ফোনটো উলিয়াই কাৰোবাক জনালে যে সিহঁত দোকান এখনত ৰৈ আছে। পোন্ধৰ মিনিটমান যোৱাৰ পাছত এজন ক'লা কাপোৰ পিন্ধা মানুহ সিহঁতৰ ওচৰ চাপি আহিল আৰু পিছে পিছে আহি থাকিবলৈ কৈ ওপৰলৈ উঠি যোৱা বাটে�ৰে আগবাঢ়িল। সিহঁত পিছে পিছে গৈ থাকিল। ভালেখিনি বাট যোৱাৰ পাছত এঠাইত এটা পকী খট্‌খটি মূল পথৰ পৰা তললৈ নামি গৈছে, বহু তললৈ। সিহঁত খট্‌খটিয়েদি নামি গ'ল। ফুলৰাই চাৰিওপিনে চাইছে, সেই ঠাইখিনিত কোনো মানুহ-দুনুহ অহা-যোৱা কৰা নাই। এন্ধাৰ ঠাই টুকুৰা প্ৰকাণ্ড গছ-গছনিৰে ভৰা, বিভিন্ন চৰাই-চিৰিকটিৰ কোলাহল শুনা গ'ল মাথোঁ। তাইৰ বুকুত ভয়-ভাব এটাই সক্ৰিয় হৈ উঠিল। তাই মনতে ভাবে, এইফালেতো কামাখ্যা মন্দিৰ নহয়, কামাখ্যালৈ যোৱা বাটটো তাই দোকানখনৰ আগৰ বাটটো বুলি অনুমান কৰিছিল, মানুহবোৰ সেইফালেইতো গৈ আছিল। কিন্তু এইফালে যে কোনো মানুহ অহা নাই। খট্‌খটিটোৰে তললৈ নামি গৈ হয়তো গুৱাহাটীৰ মূল পথ ওলাব পাৰি। ক'লা বস্ত্ৰধাৰীজন বেছি বয়সিয়াল নহয়। তাই অনুমান কৰিলে মানুহজন তান্ত্ৰিক নিশ্চয়। সি মন্দিৰৰ ভিতৰত সোমাল। সিহঁতো তাৰ পিছে পিছে মন্দিৰত সোমাল। আহল-বহল এটা পকা ঘৰ। একোৱে নাইচোন, তাই চাৰিওফালে চালে, শিলত কটা মূৰ্তি দুভাগ মাটিত থোৱা

আছে। সেন্দূৰেৰে মূর্তি দুভাগ ৰঙা হৈ থকা বাবে তাই ধৰিব নোৱাৰিলে। কি মূর্তি সেয়া। এনেয়ে তাই সেৱা কৰিলে। থিয়ৈ থিয়ৈ গুড়িয়াক সুৰেশে কান্ধৰ পৰা নমাই থ'লে। ডাঙৰ মাটিৰ চাকি দুগছ মাথোঁ জ্বলি আছে পোহৰৰ নামত। জয়াল ঠাইডোখৰত তাইৰ বুকুৰ ভয় ভাবটোৱে ধপধপাবলৈ ধৰিলে। ক'লা বস্ত্রধাৰীজনে সিহঁতক তাতেই ৰ'বলৈ কৈ এন্ধাৰ গুহা এটাত সোমাই গ'ল। অতপৰে ফুলৰাই জানাই নাছিল তাত যে এটা গুহা আছে। তাইৰ বুকুখন আৰু বেছি ধপধপাই উঠিল। খন্তেক পিছতেই হাতত তামৰ থাল এখন লৈ মানুহজন ওলাই আহিল। থালখনত গেন্ধাই ফুল, জবা ফুল, সেন্দূৰ আৰু ঢেৰ কিবাকিবি আছে। গুহাটোৰ পৰা এজন অর্দ্ধ উলংগ প্রকাণ্ড শৰীৰৰ তান্ত্রিক ওলাই আহিল। মূৰত প্রকাণ্ড জঁটা, সমগ্র গাত চিতাভস্মৰ লেপন, ডিঙিত ৰুদ্রাক্ষৰ জাপ জাপ মালা। ৰঙা চকুহালে গুড়িয়াক এনেকৈ চালে যে তাইক ফুলৰাই বুকুৰ মাজত সোমাই লৈ শাড়ীৰ আঁচলেৰে ঢাকি দি সুৰেশলৈ চাই তাই ক'লে— 'এ জী চলিয়ে য়হা চে, কাহা লে আয়ে হামে, হমকো ডৰ লগ ৰাহা হে।' সুৰেশে তান্ত্রিকজনলৈ চাই কেৱল দুহাতযোৰ কৰি থিয় হৈ থাকিল। তাই আকৌ সুৰেশক ক'লে— 'চলিয়ে য়াহা চে, কিউ আয়ে য়হা, চলিয়ে না...।'

সি তাইক খঙতে ক'লে— 'বোলা থা না হমকো বেটা চাহিয়ে, বহু বেটা চাহিয়ে, কুছ ভী কৰকে বেটা চাহিয়ে, চাহে কিছি কি ভী বলি কিউ না চড়ানা পড়ে।'

ফুলৰাৰ মূৰত সৰগ ভাগি পৰিল। তাই গুড়িয়াক আৰু জোৰকৈ সাবটি ধৰিলে।

'কিছকি বলি চড়াওগে? হা, বোল কিছকি বলি? গুড়িয়া কি? গুড়িয়া কি...?

ক'লা বস্ত্রধাৰী তান্ত্রিকজনে তাইৰ মূৰত এমুঠি সেন্দূৰ জোৰকৈ মাৰি দিলে। তাই অচেতন হৈ ঢলি পৰিল। বহু পৰ তাই পৰি থাকিল পকাত। এটা সময়ত তাইৰ সংজ্ঞা ঘূৰি আহিল। তাই হাতেৰে ইফাল-সিফালকৈ গুড়িয়াক খেপিয়ালে। গুড়িয়া তাইৰ কাষত নাই। তাই খপ্‌জপকৈ উঠি বহিল। কোনো নাই তাইৰ কাষত। সৰু সৰু বান্দৰৰ পোৱালিবোৰ তাইৰ আশে-পাশে ঘূৰি আছে। অৱশ হৈ পৰা ভৰি দুখনেৰে তাই চুঁচৰি-বাগৰি গুহাটোৰ মুখলৈ গৈ জুমি চালে। তাইৰ ষষ্ঠ ইন্দ্রিয়ই তাইক আগন্তুক ভয়াৱহতাৰ বা দিলে। এন্ধাৰ গুহাটোৰ ভিতৰত বৃত্তাকাৰে কেইবাগছিও চাকি জ্বলি আছে, চাকিৰ মাজত সেই দৈত্যকায় অঘোৰী তান্ত্রিকজন। তাৰ সোঁফালে গুড়িয়া, তাইৰ ডিঙিত গেন্ধাই ফুলৰ মালা, তাই বিবস্ত্রা। ফুলৰাৰ বুকু কঁপি উঠিল।

তান্ত্রিকজনৰ সন্মুখত এখন বেদী। বাঘিনীৰ দৰে তাই শব্দলেখহীন হৈ গুহাৰ ভিতৰত প্রৱেশ কৰিলে। চকু মুদি মন্ত্রোচ্চাৰণ কৰি থকা তান্ত্রিকজনৰ মাত স্পষ্টকৈ তাই শুনিলে এইবাৰ। বেদীৰ কাষত এখন সেন্দূৰসনা দাখৰ। চাকিৰ পোহৰত গুড়িয়াক দেখি তাই উচাপ খাই উঠিল। তাইৰ সমগ্র শৰীৰত সেন্দূৰৰ লেপন। তাই চকু মুদি বহি আছে শান্ত হৈ। ফুলৰাৰ বুজিবলৈ অকণো বাকী নাথাকিল, সুৰেশে গুড়িয়াক বলি দিবলৈ আনিছে। ক'ৰবাত তাই শুনিছিল, অকুমাৰী কন্যা সন্তান বলি দিয়াৰ পাছত পুত্র সন্তান প্রাপ্তি হোৱাৰ ভ্রান্ত কাহিনী। তাইৰ মূৰটো গৰম হৈ আহিল। তড়িৎ বেগে তাই দাখৰখন তুলি লৈ সমগ্র শক্তি প্রয়োগ কৰি দৈত্যকায় তান্ত্রিকজনৰ ডিঙিত মাৰি দিলে। নিমিষতে তাৰ মূৰটো বেদীত উফৰি পৰিল। শৰীৰটো বহা মুদ্রাতেই থাকিল, কেৱল ডিঙিৰ পৰা ৫ ফুটমান উচ্চতালৈ তেজৰ ফো�ৱাৰা তিনি-চাৰিটা উঠিল। তাইৰ সমগ্র শৰীৰ ভৰিৰ পৰা মূৰলৈ সেই তেজেৰে সিক্ত হৈ উঠিল। কেঁচা তেজৰ সেই উষ্ম গোন্ধে তাইক ভয়ংকৰ এক ৰূপ দিলে।

তাই গুড়িয়াক কোলাত লৈ গুহাৰ পৰা ওলাল। এখন হাতত দাখৰখন।

তাই বিকট চিঞৰ মাৰিলে দুবাৰ। তাইৰ শাড়ীখন তেজেৰে ৰঙা হৈ পৰিছিল। তাইৰ চিঞৰ শুনি ক'ৰবাৰ পৰা সুৰেশ উধাতু খাই আহি ওলাল। প্রচণ্ড জোৰত তাই তাক হাতেৰে ওফৰাই দিলে। তাৰ শীর্ণকায় দেহাটো ওফৰি গৈ শিল এছটাত উবুৰি খাই পৰিল। দুই-তিনি মিনিটমান পিছত হোলোকা-হোলেকে তাৰ মুখেৰে তেজ ওলাবলৈ লাগিল। শিলছটা ভিজি উঠিল।

তাইৰ বুকুত গুড়িয়া আৰু আনখন হাতত দাখৰখন। কম বয়সীয়া সেই তান্ত্রিকজনে তাইৰ সেই ৰূপ দেখি দণ্ডৰত প্রণাম কৰি মাটিত পৰি থাকিল। ভয়বিহ্বল হৈ উচ্চ স্বৰত ক'বলৈ ধৰিলে—

'যা দেৱী সর্ব্বভুতেষু শক্তি ৰূপেন সংস্থিতা...
যা দেৱী সর্ব্বভূতেষু মাতৃ ৰূপেন সংস্থিতা...'

তাই তাৰ গাৰ ওপৰেৰে পাৰ হৈ গ'ল।

খোলা চুলিটাৰিৰে ঢলং-পলংকৈ খোজ দি তাই তললৈ নামি যোৱা পকীৰ খট্‌খটিৰে এখোজ-দুখোজকৈ নামি গৈ থাকিল। অন্ধকাৰে আৱৰি ধৰা নীলাচল পাহাৰখন তেতিয়া বিশাল ক'লা ছাঁ এটাৰ দৰেই দেখা গৈছিল। সেই ঘনঘোৰ অন্ধকাৰে আজি তাইক ভয় খুৱাব পৰা নাই। তাইৰ আত্মাৰ প্রৱল শক্তিৰে তাই ফোঁপাইছে। আজি তাই মহিষমর্দিনী। সর্বশৰীৰ তাইৰ কঁপিছে— খং, ক্ষোভত। মহিষাসুৰক বধিব পৰাকৈ তাই আজি শক্তি স্বৰূপিণী।

তাইৰ হাতৰ দাখৰখন পকী খট্‌খটিবোৰত খুন্দা খাই খাই গৈ থাকিল। নিদ্রাৰত নীলাচল পাহাৰৰ বুকুত দূৰৈৰ পৰাই শুনা গৈছিল সেই শব্দ— ঠং...ঠং...ঠং...ঠং...। ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা



মায়া

অপর্ণা চহৰীয়া ডেকা

নৈৰ পানী যুঁৱলিলৈ লাহে লাহে নামি গ'ল হেমা। চেঁচা বতাহ এজাকে চুই গৈছে গা। ৰূপৰ কাঁহী এখনৰ দৰে জোনটো জিলিকি উঠিছে চম্পাৱতী নৈত। চৌদিশৰ জোনাকময় পৰিবেশৰ মাজত নৈখনকো মায়াময় লাগিছে। জানে, নৈয়ে মায়াও জানে। সংসাৰৰ মায়াতকৈও নৈৰ মায়াৰ চোক বেছি। সেইবাবেইতো এমা-ডিমা ছোৱালী দুজনীক এৰি থৈ নৈত জাঁপ দিছিল বায়েকে।

সোণাৰ চান্দ...

চান্দ ৰে...

চান্দ হাৰাইলাম নদীতে...

দৰক লাগি নদীৰ বুকুতে থিয় হৈ ৰ'ল তাই। জোনটো যেন কঁপি কঁপি উপঙিহে আছে পানীৰ মাজত, ঠিক যেনেকৈ বায়েকৰ শৱটো উপঙি আছিল ! ঘটনাৰ দুদিন পিচত উদ্ধাৰ হোৱা ডাঙৰ জীয়েকৰ ফুলি উঠা শৱটোৰ কাষতে বাগৰি ইনাই-বিনাই কান্দিছিল হেমাৰ মাকে। কন্দা নাছিল হেমাই। এটোপাল চকুপানীও পেলোৱা নাছিল। বায়েকৰ ছোৱালী দুজনীক বুকুত সাবটি লৈ একেথিৰে বহি আছিল তাই। সেইদিনাও চুলাইৰ ঘাটিৰ পৰা কোনোবাই ধৰি-বান্ধি লৈ আহিছিল ভিনিহিয়েকক। নিচাৰ কোবত অশ্রাব্য ভাষাৰে তেতিয়াও মৃত পত্নীক গালি পাৰি আছিল মানুহজনে। এপাকত জ্বলা জুই একুৰা হৈ থিয় দিছিল হেমা,

—চুপ ! একদম চুপ ! আৰ একটা কথা নাকৈছ। জীয়াই থাকোঁতে এখন্তেক শান্তি নিদিলি। এতিয়া মৰাৰ পিচততো ৰেহাই দে তাইক।

তাইৰ ৰূপ দেখি চুপ হৈছিল ভিনিহিয়েক। চুপে-চাপেই পাৰ হৈ গ'ল সকামৰ সকলো বিধি। চুপ-চাপকৈ ৰোৱা মানুহবোৰৰ মুখবোৰে পিছে তাৰ পিছৰে পৰা শুনা-নুশুনাকৈ ফুচফুচাবলৈ আৰম্ভ কৰে।

—খুলশালীয়েকজনীকে চপাই ল'ব পাৰেচোন বীৰেশ্বৰে !

—মুয়ো তাকে কং বাই। আন এজনী আনিলে আলৈ-আথানিহে হ'ব ছোৱালী দুজনীৰ।

—থ থ ! বাজে কথা নাকৈছ। কোন ছোৱালী আহিব সেই কেলহুৱাটোলৈ ? সেই চুলাই বেচা তিৰোতাজনীৰ স'তেই বোলে তাৰ হলিগলি। এনেয়েনো ঘৈণীয়েক আপোনঘাটি হ'লনে ! পৰে,

ভাগিন দুজনীক বুকুতে সাবটি লৈ থকা হেমাৰ কাণতো কিছু পলমকৈ হ'লেও কথাবোৰ পৰে। শুনি তাইৰ বুকুৰ জুইকুৰা দুগুণে জ্বলে।

দিনে-নিশাই মদৰ নিচাত ডুবি থকা ভিনিহিয়েকৰ অবাইচ মাত-কথা শুনিও অকণমানি দুজনীৰ বাবে সকামৰ পিছতো যাওঁ বুলিও ঘৰলৈ যাব পৰা নাই তাই। ছোৱালী দুজনীক লৈ হেমা বিমোৰত পৰে। ঘৰত বেমাৰী মাক, ককায়েক-বৌৰেক আৰু তেওঁলোকৰে তিনিটিকৈ ল'ৰা-ছোৱালী। লোকৰ মাটিত আধিকৈ খেতি কৰা ককায়েকৰ মূৰত নতুনকৈ আৰু দুটি বোজা জাপি দিব লাগিলে বৌৰেকৰ মুখ ফুলিব। আৰু কাইলৈয়ে যদি ককায়েকে চৰু বেলেগ কৰে তেন্তে তাইৰ বুঢ়ী মাকজনীয়ে কেনেকৈ খুৱাব অকণমানি দুজনীক?

তাইনো আৰু কেইদিন থাকিব ঘৰত? চুবুৰীয়া গাঁৱৰ জন্মেশ্বৰৰ লগত তাইৰ বিয়া প্ৰায় খাটাং হৈছে। বায়েকে ঘটনাটো নঘটোৱা হ'লে হয়তো ইমানদিনে তাৰ ঘৰৰ মানুহ আহি দিন-বাৰেই কৰিলেহেঁতেন। এতিয়া বিয়াখনো হয়তো পিছুৱাব লাগিব!

হেমাৰ বিয়াৰ কথাতকৈ পিছে ভিনিহিয়েকৰ বিয়াৰ চিন্তাইহে মানুহবোৰক খাবলৈ ধৰিলে। আকাৰে-ইংগিতে ভিনিহিয়েকৰ বৌৰেকেও হেমাক বুজালে যে তাই একেবাৰে থাকি যোৱাটোৰেই সকলোৰে বাবে মংগল। নিজৰ পৰকীয়া প্ৰেমৰ বাবেই সংসাৰখন ছাৰখাৰ হোৱা মানুহজনেও আন এটা নাৰী শৰীৰ পোৱাৰ লালসাত আতুৰ হৈ এৰাতি তাইৰ বুকুত হাত দিলে। প্ৰচণ্ড জোৰে চৰ এটা শোধাইছিল হেমাই। চৰ খাই উন্মাদৰ দৰে হৈ পৰা মানুহজনে তাইৰ গাত প্ৰহাৰ কৰিছিল। টানি-আঁজুৰি গাৰ কাপোৰ ফালিবলৈ চেষ্টা কৰিছিল। এপাকত নিজকে এৰুৱাই মানুহজনৰ বুকুতে গাৰ জোৰেৰে গোৰ এটা শোধাইছিল তাই। কৰ্ফাল খাই ঠাইতে বাগৰি পৰিছিল ভিনিহিয়েক।

পিছদিনা নিচেই পুৱাতে পিন্ধা কাপোৰ সাজেৰেই ভাগিন দুজনীক লৈ প্ৰায় পাঁচ মাইল বাট খোজকাঢ়ি ঘৰলৈ আহিল হেমা। চোতাল সাৰি থকা বৌৰেকে আচৰিত দৃষ্টিৰে চালে। সৌৰাৰ ঠানি এডালেৰে দাঁত ঘঁহি থকা ককায়েকেও লৰালৰিকৈ মুখখন আওখালি কায চাপিল। ঘৰৰ ভিতৰত নোসোমাই পিৰালিতে লেপেটা কাঢ়ি বহিল তাই। বিছনাৰ পৰা মাকো উঠি আহিল। পিলিং-পালাংকৈ ভতিজাকেইটাও কাষতে ৰ'ল। থমথমকৈ বহি ৰোৱা হেমাক কোনেও একো সুধিবলৈ সাহস নকৰিলেও অনুমান কৰিছিল যে কিবা এটা ঘটিছে। এনেও বৰ একা-চেকা ছোৱালী তাই।

বৌৰেকে সৰুকেইটাক জলপান খাবলৈ ভিতৰলৈ নিওঁতেহে ককায়েকে কথাৰ গুৰি বিচাৰিলে। ক'লে, সকলো ক'লে হেমাই। প্ৰচণ্ড খঙত ক'বলৈ আৰম্ভ কৰা কথাখিনি শেহলৈ বিননিৰ দৰে হ'লগৈ। কৈ-মেলি জুপুকা মাৰি আঁঠুতে মূৰ গুঁজি বহি ৰ'ল।

—হ'লেও তই আহিব নালাগিছিল। ছোৱালী দুজনীৰ কথা ভাবি থাকিব লাগিছিল। এনেও বিয়াখনত সন্মত নহৈ আমাৰ উপায় নাই। যা ফিৰিয়া যা তুই। চাহ-জলপান খাই সোনকালে উভতি যাগৈ।

কি কৈছে এয়া ককায়েকে? তাইকেই কৈছেনে? ককায়েকেও বিচাৰে সেই পাষণ্ডটোৰ লগত তাইৰ বিয়াখন হোৱাটো? আৰু জন্মেশ্বৰৰ কথা? তাক ককায়েকে পাহৰিলে নেকি?

আৰু মাক! তাইৰ মৰমৰ মাক! বৰ জীয়েকৰ মূৰ খোৱা সেই মানুহটোক কালিলৈকে শাও-শপনি দি থকা তাইৰ মাকে কি বিচাৰে?

—মা!

মাকলৈ ঘৃণা চাই হেমাৰ ভাব হ'ল যুদ্ধৰ আগতেই শত্ৰুপক্ষৰ আগৰ শিৰ নত কৰা মানুহৰ ওচৰত সাহস বিচাৰি কোনো লাভ নাই।

ভমককৈ জ্বলি উঠে হেমাৰ গা। হুৰুসকৈ বতাহ এজাকৰ দৰে জুইকুৰাই পথাৰৰ মাজেৰে বাট চমুৰাই উৰি যায়। গৈ গৈ ৰৈ যায় জন্মেশ্বৰৰ চোতালত।

কালৈকো ভ্ৰূক্ষেপ নাই তাইৰ। সকলো কৈ পেলায় তাক। কৈ কৈ আশাৰে চায় তাৰ চকুলৈ। তাইৰ কথাবোৰ মানি ল'বনে সি?

কিয় নল'ব!

অকণমানি দুজনীৰ দায়িত্ব ল'বলৈ কিয় সৈমান নহ'ব বাৰু সি! নিজকেই প্ৰবোধ দিয়ে তাই।

—ককাইদেৰে ঠিকেই কৈছে। ঘৃণা যাগৈ তালৈকে। কথাবোৰ আমাৰ ঘৰতো জানিছে। মা-বাবাক কি বুলি বুজাম? তুই যা হেমা। নতুনকৈ জুই একুৰা জ্বলি উঠে হেমাৰ গাত। আত্মগ্লানিৰ জুই! আপোনজনৰ পৰা পোৱা প্ৰৱঞ্চনাই জ্বলোৱা জুই! সেই জুইৰ উত্তাপ সহ্য কৰিব নোৱাৰি চকু তললৈ নমায় জন্মেশ্বৰে।

—থুই! তুই মানুষেৰ জাত নাহৈছ। তই মোক কি বুলি

ভাবিছ ! চৰিত্রহীনা ? মোৰ চৰিত্রৰ কথা ভাবিবলৈ তই কোন ? কায় তুই ? প্রচণ্ড ঘৃণাৰে থুৰাই দি জন্মেশ্বৰৰ ঘৰৰ পৰা ওলাই আহিছিল হেমা। তেতিয়ালৈ জুইকুৰা তাইৰ গোটেই শৰীৰত বিয়পিছে।

ঘৰলৈ উভতি আহি পদূলিমুখতে ৰৈ গ'ল তাই। চোতালত ভিনিহিয়েক আৰু এজন মানুহ। কাষতে তাই, মাক, ককায়েক-বৌৰেক। জুইকুৰাত যেন কোনোবাই ঘিউহে ঢালি দিলে। চিধাই বৰঘৰৰ পৰা মেচিদাখন উলিয়াই আনি খেদি গ'ল ভিনিহিয়েকক।

—মাইকী লাগে তোক ? এজনীক পুহিব নোৱাৰিলি এতিয়া আন এজনী লাগে। আহ, তোক আজি মই দুছেও কৰিহে এৰিম। চাল্লা কুকুৰ, নিলাজ ! মোৰ গাত হাত দিয় তই ! ঘটনাৰ আকস্মিকতাত ভিনিহিয়েক আৰু লগৰজন উঠি লৰ মাৰিলে। পিছে পিছে খেদি গ'ল হেমাই। হৈ-হায়কৈ ককায়েকেও তাইৰ পিছে পিছে দৌৰিলে। আজি কিবা ঘটনা ঘটাইহে এৰিব পাগলীজনীয়ে !

দৌৰি দৌৰি গাঁৱৰ সীমা পাৰ হৈ পথাৰৰ মাজৰ এঠাইত ৰৈ গ'ল হেমা। ভাগৰ লাগিছে। বহুত ভাগৰ লাগিছে তাইৰ। পথাৰৰ আলিতে বহি পৰে তাই। মানসিকভাৱে-শাৰীৰিকভাৱে বিধ্বস্ত হেমাই উচুপি উচুপি এটা সময়ত হাও হাওকৈ কান্দি উঠে। মুকলি আকাশৰ তলত বিশাল পথাৰ এখনৰ মাজত এজনী নাৰীয়ে কি হেৰুৱাই চিঞৰি চিঞৰি কান্দিব ! পথাৰৰ মাজতে বাগৰি থাকে তাই গোটেই দিনটো। নিঃসন্দেহে গাঁৱত ইতিমধ্যেই চর্চাৰ বিষয় হৈ পৰিছে তাই। সন্ধিয়া লগাৰ সময়তে ঘৰলৈ বাট পোনালে হেমাই। ঘৰ পোৱাৰ আগৰ কেঁকুৰিটোতে নদীলৈ যোৱা সৰু বাটটো ফালৰি কাটিছে। ঘৰলৈ নগৈ তাই সেই বাটেদি আগুৱালে।

নৈৰ পানী যুঁৱলিলৈ লাহে লাহে নামি গ'ল হেমা। চেঁচা বতাহ এজাকে চুই গৈছে গা। ৰূপৰ কাঁহী এখনৰ দৰে জোনটো জিলিকি উঠিছে চম্পাৱতী নৈত। চৌদিশৰ জোনাকময় পৰিৱেশৰ মাজত নৈখনকো মায়াময় লাগিছে।

পানীৰ মাজত নিজকে অলসভাৱে এৰি দিলে তাই। মন-মগজুৱে একো ভাবি পোৱা নাই কি কৰিব আগলৈ ?

বায়েকৰ দৰে উপায়হীন হৈ পৰিছে নেকি তায়ো ? এই এনেকুৱা মানসিক স্থিতিতেই মানুহে জীৱনৰ মোহ ত্যাগ কৰে নেকি ? পাহৰি যায় নিজ সন্তানক ?

নাই, তাইতো বায়েক নহয়। বায়েকৰ দৰে হ'লে তাই হয় ভিনিহিয়েকৰ পত্নী হ'ব লাগিব নহয় আপোনঘাতী হ'ব লাগিব।

তাইতো হেমা ! ভিনিহিয়েকক চৰ শোধোৱা, মেচি দা জোকাৰি খেদি পঠোৱা হেমা তাই ! জন্মেশ্বৰৰ চোতালত তাকে থুৰাই থৈ অহা হেমা তাই !

নদীৰ শীতল পানীৰ মাজতো জুই একুৰা যেন ভমককৈ জ্বলি উঠিল। গাটো সিৰসিৰাই গ'ল তাইৰ।

নাই ! এই জুইকুৰা কঢ়িয়াব নোৱাৰি। আজি এতিয়াই ইয়াতে জুইকুৰা নুমুৱাব লাগিব। বহুত কাম আছে তাইৰ। বহুত দায়িত্ব আছে।

সোণাৰ চান্দ...

চান্দ ৰে...

চান্দ হাৰাইলাম নদীতে...

পানীত বুৰ মাৰিবৰ সময়তে তাই শুনিলে ক'ৰবাত কোনোবাই গান গাইছে। হয়তো কোনোবা মাছমৰীয়া !

চম্পাৱতী ! তাইৰ আজন্ম চিনাকি মৰমৰ নদীখন। একো হেৰুওৱা নাই হেমাই। একো কাঢ়ি নিয়া নাই নদীয়ে। নদীখনে তাইক তাইৰ নিজৰ হাততে নতুনকৈ গতালে।

—তাঁত গ'ৰাম, ৰোৱা ৰুম, ধান কাটিম, গাহৰি পুহিম, পথাৰত মাছ মাৰিম, সব কৰিম। সিহঁতক স্কুললৈ পঠিয়াম, পঢ়ুৱাম। বহুত পঢ়িব লাগিব সিহঁতে। আৰু কি লাগে মোক ?

ৰূপালী জোনাকৰ মাজত নদীত আপোনমনে গা ধুই থকা হেমাক এজনী জলকুঁৱৰী যেনেই লাগে।

জানে, নদীয়ে সঁচাই মায়া জানে।

আপোনজনৰ প্রতাৰণাই বিধ্বস্ত কৰা এজনী নাৰীক পুনৰায় জীৱনৰ প্রেমত পেলোৱাটো মায়া নহয়নো কি ! ❍

লেখক পৰিচিতি ঃ বিশিষ্ট গল্পকাৰ

অনুশোচনাৰ শেষ বেলি

বিভা ডেকা তালুকদাৰ

নিশা কৰ্মসূত্রে চহৰত থাকে। তাই ব্যক্তিগত প্রতিষ্ঠান এখনৰ ভাল পদৱীত নিয়োজিত। অফিচৰ পৰা কিছু দূৰত নিশাই ভাড়া কৰি থাকে। এদিন অফিচৰ পৰা ঘৰলৈ উভতি আহোঁতে ফুটপাথত বহি এজনী তাইৰ সমবয়সীয়া ছোৱালী কান্দি থকা দেখিলে। নিশাই ছোৱালীজনীৰ ওচৰলৈ গৈ মাত লগালে আৰু কিয় তেনেকৈ কান্দি আছে সুধিলে। তেতিয়া ছোৱালীজনীয়ে কান্দি কান্দি ক'লে—তাইৰ নাম অদিতি কলিতা। তাই এটি চাকৰি বিচাৰি হাবাথুৰি খাই ফুৰিছে। তাতে তাইৰ মাকো শয্যাগত। তেতিয়া নিশাই অদিতিক ক'লে যে তাই কাম কৰা অফিচত এটা পদখালী হৈ আছে। তোমাৰ শিক্ষাগত অৰ্হতা চাই তুমি নিশ্চয় কামটোৰ বাবে উপযুক্ত। কিন্তু আমাৰ অফিচৰ প্রধান ছাৰজনে যদি তোমাক যোগ্য বুলি ভাবে তুমি নিশ্চয় কামটো পাবা। অদিতিক নিশাই তাইৰ ঘৰৰ ঠিকনাটো খোজাত অদিতিয়ে দি দিলে। পিছদিনা নিশাই অফিচলৈ গৈ প্রধান ছাৰক কথাবোৰ কোৱাত ছাৰজনে আহিবলৈ ক'লে। নিশাই অফিচৰ পৰা আহোঁতে অদিতিৰ ঘৰলৈ বুলি খোজ ল'লে।

ঘড়ীৰ কাঁটাডাল লাহে লাহে আগবাঢ়িছিল। বাহিৰত সন্ধিয়াৰ আকাশখনত ৰঙৰ সলনি ঘটিছিল আৰু অদিতিয়ে খিৰিকীৰ কাষত বহি তাইৰ জীৱনৰ কথাবোৰ ভাবি আছিল। তেতিয়াই হঠাৎ দুৱাৰত হোৱা মৃদু টোকৰ পৰিল। সেই টোকৰটোৱে যেন অদিতিৰ জীৱনৰ নতুন কাহিনীৰ দুৱাৰ খুলি দিছিল—একে বিভাগ, একে কক্ষ আৰু ওচৰা-উচৰি টেবুলৰ কাষত বহি কাম কৰা অদিতি আৰু নিশা কেৱল সহকৰ্মীয়ে নাছিল, তেওঁলোক আছিল ইজনে সিজনৰ সহায়কাৰী আৰু ভাল বান্ধৱী।

অদিতিয়ে নতুনকৈ চাকৰিত যোগ দিছিল। অচিনাকি পৰিৱেশ, নতুন মানুহ, নতুন দায়িত্ব দেখি তাই ভয় খাইছিল। সেই সময়ত নিশাই তাইলৈ সহায়ৰ হাত আগবঢ়াই দিছিল। অদিতি স্বভাৱত শান্ত আৰু নিৰ্জু আছিল। তাই কথা কমকৈ কৈছিল। অদিতিয়ে নিশাক কৈছিল—"মই কামটো কৰিব পাৰিম জানো?" তেতিয়া নিশাই কৈছিল— "ভয় নকৰিবা, ভুল হ'লে মই আছোঁ নহয়। লাহে লাহে সকলো শিকি যাবা।" সেইদিনাৰ পৰা দুয়োজনীৰ মাজত এটা গভীৰ সম্পর্ক গঢ় লৈ উঠিল। একেলগে চাহ খোৱা, বজাৰ কৰা, সকলো কামতে দুয়োকে একেলগে দেখি অফিচাৰ মানুহে ক'বলৈ আৰম্ভ কৰিলে—বাঃ বুন্দিয়া-ভুজিয়া বা কাপ-প্লেট একেলগে দেখোন।

সময় বাগৰি গ'ল। নিশা আৰু অদিতিৰ সম্পর্কও দিনকদিনে গাঢ় হৈ গ'ল। দুয়ো নিজ নিজ কৰ্মত বহুত সফলতাও অৰ্জন কৰিলে। কিন্তু য'ত সফলতা থাকে, তাত ঈৰ্ষাও জন্ম লয়। অফিচৰ কেইজনমান সহকৰ্মীয়ে নিশা আৰু অদিতিৰ বন্ধুত্বৰ কথা কৈ গৌৰৱবোধ কৰা দেখাইছিল কিন্তু প্রকৃততে সিহঁতে সিহঁতৰ বন্ধুত্বক ভাল চকুৰে চোৱা নাছিল। তেওঁলোকৰ ভিতৰত আছিল মেঘা, সঞ্চিতা আৰু ৰূপা। তেওঁলোকৰ কথা-বতৰাত সদায় আনৰ সমালোচনাই বেছিকৈ স্থান পাইছিল।

এদিন দুপৰীয়া কেণ্টিনত অদিতিয়ে অকলে দুপৰীয়াৰ আহাৰ খাই থকাৰ সময়ত মেঘা অদিতিৰ ওচৰলৈ গৈ ক'লে—

"অদিতি, তুমি জানানে, নিশাই তোমাৰ প্রমোচনৰ কথা শুনি সুখী হোৱা নাই।"

অদিতিয়ে মেঘালৈ আচৰিত হৈ চালে আৰু ক'লে—"অসম্ভৱ! তাই তেনেকুৱা বিধৰ ছোৱালী নহয়।" মেঘাই মিচিকীয়াই হাঁহি মাৰি ক'লে—"বিশ্বাস নকৰিলে নকৰিবা। কিন্তু সকলো মানুহ বাহিৰত দেখাৰ দৰে ভিতৰত একে নহয়।"

সেইদিনা অদিতিয়ে কথাটো উলাই কৰিলে। কিন্তু সন্দেহৰ বীজ এটা মনৰ মাজত লাগিল। তাৰ পিছত প্রতিদিনে কোনোবাই নহয় কোনোবাই নিশাৰ বিষয়ে অদিতিক কিবা নহয় কিবা ক'বলৈ ধৰিলে। কিছুমানে আহি ক'লে যে—"নিশাই তোমাৰ ভুলবোৰ ওপৰৰ বিষয়াক কৈছে।" নিশা নহ'লে যে অদিতিয়ে অকলে একো কাম কৰিব নোৱাৰাৰ কথাও নিশাই মেঘাইঁতক কোৱা বুলি ক'লে। মেঘাই অদিতিক ইয়াকো ক'লে যে নিশাই তোমাক সকলো কামতে ব্যৱহাৰ কৰিছে।" সেই কথাটো তুমি বুজি পোৱা নাই। একেটা মিছা কথা বাৰে বাৰে শুনিলে কেতিয়াবা মিছাও সত্য যেন লাগিবলৈ

ধৰে, ঠিক তেনেদৰে অদিতিৰো মেঘাইঁতৰ কথাবোৰ সঁচা যেন লাগিবলৈ ধৰিলে। লাহে লাহে অদিতিৰ নিশাৰ প্ৰতি ব্যৱহাৰ সলনি হ'বলৈ ধৰিলে। নিশাৰ লগত কথা কোৱা, ফোন কৰা সকলো বাদ দিলে।

নিশাই কথাটো মন কৰিলে আৰু এদিন নিশাই অদিতিক সুধিলে—

"অদিতি তোমাৰ কিবা হৈছে নেকি? তুমি আগৰ দৰে মোৰ লগত কথা-বতৰা নাপাতা, মোৰ পৰা আঁতৰি থাকা।"

অদিতিয়ে ক'লে, "সকলো মানুহে মুখত যিটো দেখুৱায়, অন্তৰত সেইটো নাথাকে।"

অদিতিৰ পৰা এই কথা শুনি নিশাৰ বুকুত কাঁইটে বিন্ধা বিন্ধিলে। তাই অদিতিক বহু চেষ্টা কৰিলে ভুল বুজাবুজি আঁতৰ কৰাবলৈ। কিন্তু যি মনত সন্দেহ ভৰি পৰিছে, সেই মনলৈ সত্যৰ শব্দই সহজে ঠাই নাপায়। লাহে লাহে নিশা আৰু অদিতিৰ বন্ধুত্ব শেষ হৈ গ'ল। নিশাও সেই চহৰ এৰি আন চহৰলৈ গ'ল।

এনেকৈ কেইটামান বছৰ পাৰ হৈ গ'ল। এদিন প্ৰতিষ্ঠানটোৰ এটা ডাঙৰ অনুষ্ঠানত অদিতিয়ে এটা আচৰিত সত্য কথা জানিব পাৰিলে যে মেঘা, ৰূপাহঁতে নিশা আৰু অদিতিৰ মাজত থকা বন্ধুত্ব নোহোৱা কৰিবলৈ চেষ্টা কৰিছিল আৰু সফলো হৈছিল। এই কথাটো সিহঁতে নিজ মুখে স্বীকাৰ কৰিলে।

এদিন সঞ্চিতাই ক'লে, অদিতি সেই সময়ত তোমালোক দুজনীৰ মিল দেখি আমাৰ ঈৰ্ষা লাগিছিল। সেয়ে আমি তোমাক নিশাৰ কথা লগাইছিলোঁ। যিটো নিশাই কৰা নাছিল।

মেঘাই ক'লে, "আমি ভবা নাছিলোঁ তোমালোকৰ বন্ধুত্ব এনেদৰে নোহোৱা হৈ যাব।"

সেইদিনাও আন দিনৰ দৰেই আৰম্ভ হৈছিল—কিন্তু দিনটোৰ শেষত মই জনা নাছিলোঁ যে এটা সৰু ঘটনাই মোৰ জীৱনৰ বহু কথাই সলনি কৰি দিব।

সঞ্চিতা আৰু মেঘাৰ মুখৰ পৰা সত্যতা জানিব পাৰি অদিতিৰ মুখ ক'লা পৰি গ'ল। সেই মুহূর্তত তাইৰ মনত বিজুলীৰ দৰে ভাহি আহিল অসংখ্য স্মৃতি— অসুস্থ হ'লে নিশাই কৰা যত্ন, প্ৰাৰ্থনা, মাক ঢুকাওঁতে নিশাই আহি সকলো চম্ভালি লোৱা, টকা-পইচাৰ অসুবিধা হ'লে নিশাই টকা দি সহায় কৰা, কঠিন সময়ত দিয়া সাহস, সফলতাৰ দিনত কৰা অভিনন্দন ইত্যাদি।

অদিতিয়ে বুজি পালে যে নিশাক তাই বিশ্বাসঘাতক বুলি ভাবিছিল, কিন্তু তায়ে আছিল জীৱনৰ আটাইতকৈ নিষ্ঠাৱান বান্ধৱী। সেই সন্ধিয়াই অদিতিয়ে নিশাক বিচাৰি গ'ল তাই থকা ঘৰলৈ। কিন্তু নিশাই অফিচ এৰাৰ পিছতে সেই চহৰ ত্যাগ কৰি অইন চহৰলৈ গুচি গৈছিল আৰু নতুন জীৱন আৰম্ভ কৰিছিল। অদিতিয়ে নিশাৰ বহুতো বিচাৰ-খোঁচাৰ কৰিলে কিন্তু একো খবৰ নাপাই অদিতিৰ অৱস্থা বেয়া হৈ গ'ল। ৰূপাই অদিতিৰ এনেকুৱা অৱস্থা দেখি নিশাক বিচৰাত লাগি গ'ল আৰু এসপ্তাহৰ পাছত নিশাৰ ঠিকনা উলিয়াই অদিতিক দিলে।

নিশাৰ ঠিকনা পায়ে অদিতি নিশা থকা চহৰলৈ গ'ল আৰু নিশাৰ ঘৰৰ দুৱাৰত থিয় হ'ল। অদিতিয়ে কলিং বেল টিপিলে। কলিং বেলৰ শব্দত নিশাই দুৱাৰ খুলি অদিতিক দেখি স্তব্ধ হৈ গ'ল। কিছু সময় দুয়ো নী�ৰৱতাৰ পিছত অদিতিৰ চকুৰে অশ্রু বৈ আহিল।

অদিতিয়ে ক'লে, "মোক ক্ষমা কৰি দিয়া নিশা। মই আনৰ কথা বিশ্বাস কৰি তোমাৰ কথা এবাৰো বিচাৰ নকৰাকৈ দোষী সাব্যস্ত কৰিছিলোঁ।"

নিশাই অলপ সময় আকাশলৈ চালে। তাৰ পিছত ক'লে—

"জানানে অদিতি, মই কেতিয়াও তোমাৰ ওপৰত খং কৰা নাছিলোঁ, কিন্তু মনত বহু কষ্ট পাইছিলোঁ মাথোঁ।"

অদিতিয়ে ক'লে মই মোৰ জীৱনৰ আটাইতকৈ প্ৰিয় বন্ধুক নিজহাতে হেৰুৱাই পেলালোঁ।"

নিশাই মৃদু হাঁহি মাৰিলে।

নিশাই ক'লে, জীৱনৰ পৰা কিছুমান বস্তু এবাৰ গুচি গ'লে পুনৰ ঘূৰি নাহে। ঠিক তেনেদৰে বন্ধুত্বৰ যাত্ৰাও তেনেকুৱাই।"

অদিতিয়ে মুখেৰে একো ক'ব নোৱাৰিলে।

দিনটোৰ শেষ ৰ'দজাক লাহে লাহে ম্লান হৈ আহিছিল। আকাশৰ বুকুত অস্তগামী সূৰুযে যেন ৰঙা বিষাদৰ আঁচল এখন মেলি দিছিল। নীৰৱতাৰ মাজত অতীতৰ প্ৰতিটো ভুলে তেওঁৰ মনৰ দুৱাৰত টোকৰ মাৰিছিল। দুয়োজনী একে ঠাইতে থিয় হৈ আছিল, কিন্তু আগৰ দৰে একেলগে নাছিল। কাৰণ কিছুমান সম্পৰ্ক মৃত্যু নহয়— সেইবোৰ নিঃশব্দে অস্ত যায়, ঠিক সন্ধিয়াৰ পিছত হেৰাই যোৱা বেলিটিৰ পোহৰৰ দৰে।

"বন্ধুত্ব ভাঙে শত্রুৰ আঘাতত নহয়,

ভাঙে যেতিয়া বন্ধুজনৰ সত্যতকৈ আনৰ কথা বেছি মিঠা আৰু সঁচা লাগে।"

য'ত সূৰুয ডুবি যোৱা নাছিল,

মাথোঁ এটা সম্পূৰ্ণ অতীতেই চিৰদিনৰ বাবে অস্ত গৈছিল। ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা

বাৰিষাৰ বৰষুণত এহাল অতিথি

বিনীতা নাথ

ভাদমহীয়া নেৰানেপেৰা বৰষুণ দি থকা দিনত এখন গাঁৱত অকলশৰে বসবাস কৰা এগৰাকী বৃদ্ধাই সন্ধিয়া সময়ত ঘৰৰ ভিতৰত বহি বহি ভাবি আছিল যে তেওঁ এনেকুৱা বাৰিষা বতৰত, তাতে আকৌ আকাশত মেঘে গিৰ্জানি মাৰি আছে, কেনেকৈ অকলশৰে থাকিব; কেনেকৈ ৰাতিটো অকলে শুব;... ইত্যাদি নানান দুঃচিন্তাই আৱৰি ধৰিলে। ভাবিলে, এনেকুৱা দিনত দুই-এটা কথা পাতিব পৰা কোনোবা আপোন মানুহ যদি থাকিলহেঁতেন?... এইদৰে ভাবি থাকোঁতে এহাল দম্পতীয়ে বৰষুণত ছাতি এটি লৈ বৃদ্ধাগৰাকীৰ ঘৰৰ জপনা খুলি আহি বাৰাণ্ডাত থিয় দি মাত লগালে।

বোলো, ঘৰত কোনোবা আছে নে? কোনোবা অচিনাকি মানুহৰ মাত শুনি ঘৰৰ ভিতৰৰ পৰা বৃদ্ধগৰাকী মানে সবিতাই ওলাই আহি দেখে যে বাৰাণ্ডাত এহাল দম্পতীয়ে ছাতি এটা মূৰৰ ওপৰত লৈ ৰৈ আছে। বাহিৰত চাৰিওফালে বিজুলী ঢেৰেকনিৰে সৈতে মুষলধাৰ বৰষুণৰ কোলাহল।

এনেকুৱা বতৰত সন্ধিয়া সময়ত বাৰাণ্ডাত থিয় হৈ থকা দম্পতীক দেখা পাই মনে মনে আচৰিত হৈ সুধিলে....

পুত্ৰসম মানুহজনক উদ্দেশ্যি ক'লে— মইতো তোমালোকক চিনি পোৱা নাই ! কোন তোমালোক? কিবা বিপদত পৰিছা নেকি?

মানুহজনে মাতৃসম বৃদ্ধাগৰাকীক খুৰী সম্বোধন ধৰি ক'লে— হয় খুৰী, আমি দুয়োজনে হঠাৎ বৰ বিপদত পৰিলোঁ। আমি মানে মই আৰু মোৰ স্ত্রী সুজাতাই চহৰৰ পৰা আহিছিলোঁ এইখন গাঁৱলৈ। কিন্তু গাঁওখন পোৱাৰ লগে লগে ইমান ধুমুহা আৰু বৰষুণ দিব ধৰিলে যে আমি আহি আপোনাৰ ঘৰলৈ নজনাকে সোমাই দিলোঁ। বিজুলী, ঢেৰেকনিৰ বাবে আমি আৰু আগুৱাই যাব নোৱাৰিলোঁ। আপুনি একো অসুবিধা পোৱা নাইতো?

নাই, নাই। এনেকুৱা বতৰত তোমালোক আহি মোৰ ঘৰত আজি সন্ধিয়াৰ অতিথি হৈছা, মই কিয় বেয়া পাম? বৰঞ্চ, মই যে ভগৱানক বহুত ধন্যবাদ জনাইছো যে এনেকুৱা দিনত, এনেকুৱা সময়ত তোমালোক দুয়োজনকে মোৰ ঘৰলৈ অতিথি হিচাবে পঠিয়াইছে। চোৱাচোন, কথাত ব্যস্ত হৈ থাকোঁতে মই তোমালোকক ভিতৰলৈ মাতি নিব পাহৰিয়ে গৈছোঁ। আহা, আহা, ভিতৰলৈ আহা।

ৰোহিত আৰু সুজাতাই খুৰীয়েকৰ কথামতে ঘৰৰ ভিতৰত সোমাই গৈ খুৰীয়েক সবিতাই কোৱা মতে বহিল। বহা কোঠালীত একেলগে বহিব দি তেওঁ ক'লে— তোমালোক দুয়োজন মোৰ ল'ৰা-বোৱাৰীৰ দৰে। গতিকে মই তোমালোকক নামেৰেই মাতিম। বেয়া নোপোৱাতো?

নাই, নাই খুৰী কিয় বেয়া পাম? মই ৰোহিত আৰু এওঁ মোৰ স্ত্রী সুজাতা। আপুনি আমাক নাম কাঢ়িয়েই মাতিব। আমাৰো এটা চৰ্ত আছে। যিহেতু আপুনি আমাক নিজৰ ল'ৰা-বোৱাৰীৰ দৰে ভাবিছে, সেয়েহে আমিও আপোনাক খুৰীদেউৰ পৰিৱৰ্তে 'মা' সম্বোধনেৰে মাতিম। আপোনাৰ একো আপত্তি নাইতো? 'মা' শব্দতো ৰোহিতৰ মুখত শুনি বৃদ্ধা সবিতাৰ দুচকু লোতেকেৰে ভৰি দুগালেদি বৈ আহিল।

এইদৰে হৃদয় চুই যোৱা কথা-বতৰা পাতি সুজাতাই বনোৱা চাহ-জলপানেৰে আটাইকেইজনে বৰ মজাৰে সন্ধিয়াটো পাৰ কৰিলে। ইতিমধ্যে বৰষুণৰ মাত্রাও লাহে লাহে কমিব ধৰাত সবিতাই ক'লে— ৰোহিত, সুজাতা, আজি তোমালোক মোৰ এই ঘৰটোতে থাকিবা। ক'লৈকো যাব নেলাগে, বতৰো ঠিক নহয়। তোমালোকে যদি একো অসুবিধা নোপোৱা ৰাতিটো থাকিলেই নহয় দুই-তিনিদিন মোৰ ইয়াতে থাকি যোৱা। কিয় জানো মোৰ এনে লাগিছে তোমালোকক যেন ঈশ্বৰে ল'ৰা-বোৱাৰীৰ দৰে পঠিয়াই দিছে মোৰ ইয়ালৈ। কিয়নো মই আজি বতৰতো বেয়া হোৱা বাবে ভাবি ভাবি অকলশৰে বহি থাকি ভগৱানক কৈছিলোঁ— মোৰ যে এনেকুৱা বতৰত অকলশৰে থাকিব বৰ ভয় লাগে। কোনোবা যদি আহিলহেঁতেন? ল'ৰাটোও চাকৰি বিচাৰি বাহিৰলৈ গৈ আজি ৪/৫ বছৰে ঘূৰি নাহিল। গাঁৱৰ মানুহে ক'লে— সি হেনো আৰু নাহে। তাৰ মৃত্যু হোৱা বুলিয়ে সকলোৱে ক'লে আৰু ময়ো সেই সত্যকে মানি লৈ আজি ইমানদিনে এই ঘৰটোত অকলে অকলে দিন-ৰাতি হুমুনিয়াহৰে সৈতে পাৰ কৰি আছোঁ। সেয়ে

তোমালোক দুয়োজনকে আজি এনেকৈ পাই মই যে মোৰ ল'ৰা-বোৱাৰীক পাইছোঁ এনে লাগিছে।

বৃদ্ধা সবিতাৰ কথা শুনাৰ পিছত ৰোহিতে ক'লে— মা, আমি আপোনাকেই বিচাৰি আহিছোঁ এই গাঁৱত। আমাৰ দুয়োজনৰে আপোনাৰ লগত বহুত কথা পাতিব লগা আছে। ৰ'ব আগতে মই অলপ বাহিৰৰ পৰা আহোঁ।

ৰোহিতে ঘৰৰ বাহিৰলৈ ওলাই আহি মোবাইল ফোনেৰে তেওঁৰ গাড়ীৰ চালকজনক মাতি পঠালে। গাড়ীৰ চালকজন আহি তেওঁৰ আগত উপস্থিত হোৱাত তেওঁ ক'লে— আমি আজি ইয়াতে থাকিম। তুমি ওচৰৰে কোনোবা এখন হোটেলত থাকা। এইয়া টকা লোৱা বুলি কৈ কিছু টকা গাড়ীচালকজনৰ হাতত গুঁজি দিলে। যেতিয়া দৰ্কাৰ হয় মই মাতি দিম তুমি আহিবা। এতিয়া যোৱা। তাৰ পিছত অলপ আঁতৰত ৰখাই থোৱা ৰোহিতৰ গাড়ীখন গাড়ীচালকে লৈ গ'ল।

ঘৰৰ ভিতৰ সোমাই আহিলত সবিতাই পুতেক-বোৱাৰীয়েকক তেওঁলোকক থাকিব দিয়া কোঠালীটো দেখুৱাই দিলে। সবিতাই তেওঁলোকক কাপোৰ-কানি সলাই ৰান্ধনি ঘৰলৈ আহিব দিলে। ইতিমধ্যেই ঘৰত যি আছিল সেইয়াৰে ৰাতিৰ আহাৰ প্ৰস্তুত কৰাৰ বাবে সবিতাই ৰান্ধনিশালত সোমাই থাকোঁতে বোৱাৰী সুজাতাই ক'লে— মা, আপুনি যাওক, ৰোহিতৰ লগত কথা পাতক, মই খোৱা প্ৰস্তুত কৰি মাতিম। মই থাকোঁতে আপুনি খানা বনাব নালাগে। মই থকা সময়খিনিত আপোনাৰ শুশ্ৰূষা কৰিবলৈ সুযোগ দিয়কচোন?

ঠিক আছে বাৰু। তুমি পাকঘৰ চম্ভালা, মই আৰু ৰোহিতে অলপ মনৰ কথাকে পাতো। ৰোহিতৰ লগত সবিতাই গাঁৱৰ কথা, গাঁৱৰ খেতি-বাতিৰ কথা, তেওঁৰ জীৱনৰ সুখ-দুখৰ কথা আদি পাতি থাকোঁতে সুজাতাই দুয়োজনকে পাকঘৰলৈ মাতি আনি তিনিওজনে বৰ তৃপ্তিৰে ৰাতিৰ ভাত সাঁজ খালে।

ভাত খাই থাকোঁতে ৰোহিতে মাজে মাজে সুজাতাক ইংগিততে কিবা-কিবি বুজালে। সেয়েহে ভাত খাই উঠি সুজাতাই বৃদ্ধা মাকক সুধিলে— মা, অহাকালি ৰাতিপুৱা আপুনি ৰোহিতক গাঁওখন ঘূৰাই ফুৰাই আনিব আৰু মই ঘৰৰ সকলো কাম কৰি দুপৰীয়াৰ আহাৰো প্ৰস্তুত কৰিম। মাত্ৰ গাঁও ফুৰিব যোৱাৰ আগতে ৰোহিতে পাকঘৰৰ কিছুমান বস্তু আৰু তৰকাৰী-পাচলি আনি দি থৈ যাব। তাৰ পিছত আপুনি আৰু একো ভাবিব নেলাগে। মই সকলো ঘৰৰ কাম কৰি থ'ম।

ৰোহিতেও ক'লে— অ' মা, আমাক লগ পালে যেতিয়া এতিয়াৰ পৰা আপোনাৰ সকলো দায়িত্ব আমাৰ। ঘৰৰ লাগতিয়াল বয়-বস্তুখিনি লৈ পিছদিনা ৰাতিপুৱাৰ জলপান খাই ৰোহিতে মাকক লৈ গাঁওখন ঘূৰি-পকি সেউজীয়া ধাননি পথাৰ, শাক-পাচলিৰ খেতি-বাতিবোৰ দেখি বৰ আপ্লুত হৈ পৰিল। ঠায়ে ঠায়ে দুয়োজনে ৰৈ ৰৈ কথাবোৰৰ বিশ্লেষণো কৰিলে। মাক সবিতাই ৰোহিতক সুন্দৰভাৱে ক'ত ক'ত কি আছে সকলোবোৰ ঘূৰি ঘূৰি দেখুৱালে। সকলোখিনি চোৱাৰ শেষত দুয়োজনে আহি ঘৰ পাই ভৰি-হাত ধুই বহা কোঠাত বহি জিৰণি লৈ থাকোঁতে সুজাতাই দুয়োজনকে এগিলাচকৈ নেমুৰ চৰবত বনাই আনি দি ক'লে— মা, এয়া লওক। দুয়োজনে চৰবত দুগিলাচ খাই ভাত খাবলৈ আহক। মই সকলোৰে বাবে পাকঘৰত ভাত বাঢ়োগৈ।

সেইমতেই তিনিওজনে ভাত খাই উঠাৰ পিছত মাতৃ সবিতাৰ বিছ্নাত বহি কথা পাতি থাকোঁতে সবিতাই ক'লে— জানা ৰোহিত। এটা তোমালোকৰ নিচিনা ল'ৰা আছিল। তাৰ নাম ৰবীন আছিল। সি জন্মৰ ২ বছৰৰ পিছতেই অচিন ৰোগত দেউতাকৰ মৃত্যু হোৱাত বহুত কষ্ট কৰি মই তাক ডাঙৰ-দীঘল কৰিছিলোঁ। ঘৰৰ সৌ চুকত থকা চিলাই মেচিনটোত মই মানুহৰ কাপোৰ-কানি চিলাই দি, এমব্ৰডাৰি কৰি যিকেইটা টকা পাইছিলোঁ, সেয়া দি ৰবীনক পঢ়ুৱাইছিলোঁ। মোৰ কষ্টবোৰ তাৰ সহ্য হোৱা নাছিল। সেয়েহে সি দ্বাদশ শ্ৰেণী পাছ কৰাৰ পিছতেই চহৰলৈ মোৰ বাধা নেমানি গুচি গৈছিল। তাৰ ইচ্ছা আছিল যিখিনি শিক্ষা আছে; সেইয়াৰে সি কোনোবা কোম্পানী এটাত সোমাই তাৰ পঢ়া খৰচ উলিয়াব আৰু মোলৈও চলিবলৈ টকা পঠাই দিব। এদিন সি ডাঙৰ মানুহ হ'ব আৰু মোক চহৰলৈ লৈ গৈ একেলগে ৰাখিব। কিন্তু ৰোহিত, তাৰ সপোন সপোন হৈয়ে ৰ'ল। সবিতাৰ মাতটো থোকা-থুকি হ'বলৈ ধৰিলে। কান্দি কান্দি ক'লে— ঘৰৰ পৰা গুচি চহৰলৈ যোৱা দিনৰ পৰা আজিলৈকে মই এই অভাগিনী মাকে ল'ৰাৰ মুখখন দেখা নেপালোঁ। সি ইহ সংসাৰত আছে নে নাই তাৰো উম-ঘাম নেপালোঁ। কথাবোৰ কৈ হুকহুকাই কান্দি উঠিল। সুজাতাই সবিতাৰ দুচকুৰে বৈ অহা চকু পানীখিনি মচি দি হাত দুখনত ধৰি সান্ত্বনাৰ সুৰত ক'লে— মা, এতিয়া আপুনি আৰু দুখ কৰি থাকিব নেলাগে। কিয়নো এতিয়াৰ পৰা মই আৰু ৰোহিত আপোনাৰ পো-বোৱাৰী। আমাক আপুনি নিজৰ বুলি ভাবিব পাৰে। আমিতো বহুত বিচাৰি বিচাৰি এই গাঁওখনলৈ আপোনাক বিচাৰিয়ে আহিছোঁ।

সুজাতাৰ কথাবোৰ সবিতাই ঠিক বুজিব নোৱাৰি সুধিলে— বোপা ৰোহিত, সুজাতাই এইবোৰ কি কৈছে। মই ঠিক বুজি পোৱা নাই। কথাবোৰ অলপ মই বুজিব পৰাকে কোৱাচোন?

ৰোহিতে মাক সবিতাৰ হাত দুখন নিজৰ হাতৰ মুঠিত ধৰি লৈ ক'লে— মা, সুজাতাই কথাবোৰ ঠিকেই কৈছে। আমি

দুয়োজনে আচলতে এই গাঁওখনলৈ অহাৰ উদ্দেশ্যটোৱেই হ'ল আপুনি। আচলতে মা, এতিয়া মই যি উদ্দেশ্যেৰে ইয়ালৈ আহিছোঁ, আপোনাক সকলোবোৰ বিৱৰি ক'ম। মা, আপোনাৰ একমাত্ৰ পুত্ৰ ৰবীনে চহৰলৈ গৈ মোৰ কোম্পানীতে কাম কৰিছিল। শান্ত, শিষ্ট ভাল ব্যৱহাৰ, ৰবীনক ভাল পদবীত ভাল দৰমহাত নিযুক্তি দিছিলোঁ। সি তাৰ কাম ভালদৰেই কৰি গৈছিল আৰু ৰাতিৰ কলেজত সি ডিগ্ৰী পঢ়িবৰ বাবে নাম ভৰ্তিও কৰিছিল।

কিন্তু বিধিৰ লিখা কোনেনো খণ্ডাবৰ নিচিনা কথা এটা হঠাৎ হৈ গ'ল। এদিন মই অফিচৰ পৰা ওলাই আহোঁতে ৰবীনো পিছে পিছে আহি আছিল। ৰবীন মোৰ পিছে পিছে অহা কথাটো মই গমেই পোৱা নাছিলোঁ। মোৰ গাড়ীৰ চালকজনে মোক নিবলৈ আহোঁতে হঠাৎ ৰাস্তাত এখন বেলগ গাড়ী তীব্ৰ বেগত আগুৱাই মোৰ ফালে অহাত মোৰ পিছত থকা ৰবীনে মোক ঠেলা মাৰি দি নিজেই দুৰ্ঘটনাত পতিত হয়। মই দৌৰি গৈ তাক মোৰ হাতেৰে উঠাব ধৰোঁতে সি কঁপা কঁপা মাতেৰে কৈছিল— মোৰ মা গাঁৱত থাকে, অকলে। মই তেওঁৰ কাৰণে একো কৰিব নোৱাৰিলোঁ, আপুনি তেওঁক চাব, পাৰিলে মোৰ অবিহনে মোৰ মৰমবোৰ দি দায়িত্ববোৰো আপুনি ল'ব... এই বুলি আই কার্ডখন মোৰ হাতত গুঁজি দি তেওঁ স্বৰ্গগামী হয়।

মই দৌৱা-দৌৰিকৈ হাস্পটাললৈ লৈ গৈছিলোঁ যদিও ডাক্তৰে তেওঁক মৃত বুলি ঘোষণা কৰিছিল। ৰবীন মোৰ কোম্পানীৰ এজন সৎ, বিশ্বাসী আৰু পৰোপকাৰী ল'ৰা আছিল। তাৰ সততাত মই মুগ্ধ হৈছিলোঁ। সি মোৰ বাবে জীৱন উছৰ্গা কৰি দিয়াত মই বৰ অশান্তিত ভুগি আছিলোঁ। সেই আচৰিত দুৰ্ঘটনাটোৰ কথা মই মোৰ পত্নীৰ আগত কোৱাত তেৱোঁ মনত বৰ কষ্ট পালে। আমি দুয়োজনে আলোচনা কৰি সিদ্ধান্ত ল'লো যে আই কার্ডত থকা পৰিচয়টো লৈ এই গাঁওখন আৰু আপোনাক বিচাৰি আমি উলিয়াই আপোনাক আমাৰ চহৰৰ ঘৰখনলৈ একেবাৰে সমস্ত দায়িত্ব লৈ আমাৰ লগত লৈ যাম। সৌভাগ্যবশতঃ সিদিনা ধুমুহা-বৰষুণৰ সময়ত ভগৱানে আপোনাক আমাৰ লগত মিলাই দিলে। হয়তো এয়া ভগৱানৰে লীলা। ৰবীনক দিয়া প্ৰতিশ্ৰুতি মই আজি পালন কৰিবলৈ পাই ভগৱানৰ ওচৰত চিৰকৃতজ্ঞ। আপোনাৰ দৰে ইমান সহজ-সৰল মৰমিয়াল মা এগৰাকী পাই আমি দুয়োৰে জীৱন সাৰ্থক হ'ল। কাৰণ মোৰো মা-দেউতা কোনো নাই। গতিকে আমাৰ দুয়োজনকে আপুনি মাকৰ মমতাৰে আগুৰি ধৰি ৰাখিব, আমাৰ জীৱন ধন্য হ'ব।

অ' মা, ৰবীনৰ ঠাইত ৰোহিতক নিজৰ পুত্ৰ আৰু মোক নিজৰ বোৱাৰীৰূপে স্বীকৃত দি আমাক আমাৰ মনৰ অশান্তিৰ পৰা মুক্ত কৰি দিয়ক। কিয়নো ৰোহিতক ৰবীনে বচাবলৈ গৈ আমাক গোটেই জীৱনৰ বাবে ঋণী কৰি থৈ গ'ল। গতিকে তেওঁৰ যি মনৰ শেষ ইচ্ছা ৰোহিতক কৈ থৈ গ'ল, ৰোহিতে সেই ইচ্ছা পূৰণ কৰিবলৈ ৰবীনক হেৰোৱা দিনৰে পৰাই ব্যগ্ৰ হৈ আছিল। ভগৱানৰ নির্দেশমতেই চাগে এইবোৰ হৈছে। গতিকে আমি আপোনাক আমাৰ লগত লৈ যাম। যাবনে আমাৰ লগত?

সবিতাই দুয়োজনৰ মুখলৈ চাই থোকা-থুকি মাতেৰে হাত দুখন আগবঢ়াই দি দুয়োজনকে সাবটি ধৰি ক'লে— তোমালোকৰ মোৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তি দেখি মই ভগৱানক ধন্যবাদ জনাইছোঁ যে তোমালোকৰ দৰে মই পুত্ৰ-বোৱাৰী ভাগ্যত পাইছো। কিন্তু মই এই ঘৰ-দুৱাৰ এৰি কেনেকৈ যাম বাৰু?

ৰোহিতে ক'লে— মা, আপুনি চিন্তা নকৰিব, আমি তিনিওজনে মাজে মাজে আহি ঘৰটো চাই যাম। দৰ্কাৰ হ'লে দুই-এদিন থাকিও যাম। যেতিয়া যি দৰ্কাৰ হয় আমি এই ঘৰটোৰ বাবে কৰিম মা। মাত্ৰ এতিয়া আমাৰ লগত যাবলৈ মাস্তি হওক। এইবুলি ৰোহিত আৰু সুজাতাই মাকৰ ভৰি চুই সেৱা কৰিলে। সবিতাৰ দুচকু আনন্দাশ্ৰুৰে ভৰি পৰিল আৰু দুয়োজনকে হিয়া উজাৰি আশীৰ্বাদ দিলে আৰু ক'লে— এই বৃদ্ধাৰ ঘৰত "বাৰিষাৰ বৰষুণত এহাল অতিথিৰূপে" আহি মোক যি মৰমৰ উপহাৰ দিলা তাক জানো উপেক্ষা কৰিব পাৰোঁ? এই শ্ৰদ্ধা আৰু মৰমক উপেক্ষা কৰিলে ৰবীনৰ আত্মাই যে শান্তি নেপাব আৰু ভগৱানেও মোক বেয়া পাব।

মই যাম তোমালোকৰ লগত। দুদিন থাকি সকলোবোৰ ঠিক-ঠাক কৰি থৈ আমি তিনিওজনে আমাৰ চহৰৰ ঘৰখনলৈ যাম।

মাকৰ পৰা প্ৰতিশ্ৰুতি পাই ৰোহিতে তেওঁৰ গাড়ীৰ চালকক ফোন কৰি ক'লে যে দুদিনৰ পিছত তেওঁলোকে মাকক লৈ চহৰৰ ঘৰলৈ যাব। যোৱাৰ দিনা কোন সময়ত আহিব লাগে মই তোমাক জনাম।

এনেকুৱা এটা গভীৰ সিদ্ধান্তৰ পিছত ৰোহিত আৰু সুজাতাই স্বস্তিৰ নিশ্বাস কাঢ়িলে। মনৰ ভিতৰত ইমান দিনে কঢ়িয়াই লৈ ফুৰা বেদনাবোৰ যেন মুহূৰ্ততে উৰি গৈ আকাশ চুলে এজাক শীতল বতাহ হৈ আৰু সেই বতাহৰ বা যেন ৰবীনৰ আত্মাত বিলীন হ'ল। চাৰিওফালে মুকলিমূৰীয়া মন এটা লৈ সময় আহিলত ৰোহিতে গাড়ীচালকক গাড়ীখন লৈ আহিবলৈ ক'লে আৰু গাঁৱৰ গাঁওবুঢ়াক সাক্ষী কৰি সকলো বিৱৰি কৈ মাক সবিতাক লগত লৈ ৰোহিত আৰু সুজাতাই যাত্ৰা কৰিলে চহৰলৈ, এক নতুন দিগন্তলৈ...। ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা

যান্ত্রিকতা

জ্যোতি কলিতা ডেকা

'মনা অ' মনা উঠ, সাত বাজিল, মই খুৰীয়েকহঁতৰ ঘৰলৈ যাওঁ, কাপোৰ বাটি কাঢ়িবলৈ।'

কথাখিনি কৈ মনাক জগাই মাক ওলাই গ'ল।

ঘেৰ ঘেৰ ঘেৰ ঘেৰ— ৰাতিপুৱাৰ পৰা ৰাতুলৰ মৰণা মৰা মেচিনটো মনালিহঁতৰ ঘৰৰ সন্মুখত ৰাস্তাটোৰ সিপাৰে থকা ৰবীনহঁতৰ ঘৰৰ নঙলা মুখত ৰাখি ৰাতুলে পাঁচঘৰমান লোকৰ মৰণা একে ঠাইতে মাৰিছে।

মনালীয়ে লক্ষ্য কৰি আছে দেউতাকক। ৮ মান বজাৰ পৰা প্ৰায় ডেৰঘণ্টা একে ঠাইতে ৰৈ ধান মৰা চাই আছে। চোতালখন সাৰি সাৰি তাই নঙলামুখত ৰৈ থকা দেউতাকৰ ওচৰ পালেহি।

'দেউতা কিয় থিয় দি আছা? ভৰি বিষাব ভিতৰলৈ আহা। মই জলপানৰ যোগাৰ কৰোঁ।' দেউতাকক মাতি তাই বাঢ়নীডাল ঘৰৰ পাছফালে থৈ গা ধুবলৈ গ'ল।

আনদিনা তাই জলপানৰ যোগাৰ নকৰে, মাকেই কৰে। আজি মাক খুৰীয়েকহঁতৰ ঘৰলৈ ৰাতিপুৱাই তাই আৰু ভায়েক দ্বীপন শুই থাকোতেই সাত মান বজাতেই চোতাল-ঘৰ সৰা-মোচা কৰি গা-পা ধুই খুৰীয়েকক কাপোৰ বাটি কঢ়াত সহায় কৰি দিবলৈ গৈছে।

দেৰিকৈ শুই থাকিলেও দেউতাকে সিহঁতক একো নহয়। কাৰণ মনালী আৰু ভায়েক দ্বীপন ভাল ল'ৰা-ছোৱালী। সিহঁতে মাক-বাপেকৰ কথা আখৰে আখৰে পালন কৰে।

মনালী যোৱা বছৰ বি এ পাছ কৰি ঘৰতে আছে। তাই ইণ্টাৰভিউ দিছে, কিন্তু চাকৰি পোৱা নাই। বি এ পঢ়ি থাকোঁতেই তাই আবেলি আবেলি গাঁৱৰ ৰশ্মি খুৰিৰ পার্লাৰত ট্ৰেনিং লৈছিল। এতিয়া তাতেই এঘাৰ বজাৰ পৰা সাত বজালৈ কাম কৰে। দেউতাকৰ ইনকাম কম হোৱাৰ পৰা ভায়েক দ্বীপনেও আবেলি ৪ বজাৰ পৰা গাঁৱৰে দোকান এখনত জোখা মেলা, পেকেটিং কৰা আদি কাম কৰে। সি ৬.৩০ বজালৈ কাম কৰি ঘৰলৈ যায়। তাৰ পিছত পঢ়া শুনা কৰে। পঢ়াত ভাল সি, উচ্চতৰ মাধ্যমিক পৰীক্ষাত দুটা বিষয়ত লেটাৰ লৈ প্ৰথম বিভাগত পাছ কৰিছে। এতিয়া ডিগ্ৰী প্ৰথম বাৰ্ষিকৰ ছাত্ৰ সি।

মনালীয়ে গা-পা ধুই আহি দেখে যে দেউতাকে একে ঠাইতে কিবা ভাবি ভাবি মৰণা মৰা চাই আছে। দৌৰা দৌৰিকৈ গৈ তাই জলপানৰ যোগাৰ কৰিলেগৈ। কাৰণ জলপান খাব মাতিলেহে দেউতাক পদুলিৰ পৰা আহিব, নহ'লে মাতি আনিব নোৱাৰে।

'দেউতা অ' দেউতা আহ জলপান খোৱাহি।' অ গৈছোঁ ৰহ' মনালীৰ মাতত দেউতাকে উত্তৰ দিলে। লাহে লাহে তেওঁ আহি পাকঘৰত জলপান খাব বহিলহি।

'দেউতা, ৰাতিপুৱাৰ পৰা বাটত থিয় হৈ একেটা কামকে কি চাই আছা। আমনি লগা নাইনে?' জলপানৰ বাটিটো আগবঢ়াই দি ক'লে জীয়েক মনালীয়ে।

'ৰহ অ' চাইছো, যান্ত্রিকতাৰ যুগত মেচিনে কিমান ফটাফট ধানৰ মৰণা মৰা কাম কৰি আছে। আগতেতো গাঁওখনৰ প্ৰায় মানুহৰ ঘৰত ময়েই মৰণা মাৰি দিছিলোঁ গৰু হালেৰে। বিনিময়ত ইনকামো হৈছিল। মহাজনৰ ঘৰতে পোন্ধৰ দিনমান একেৰাহে মৰণা মাৰিব লগা হৈছিল। কেতিয়াবা কেতিয়াবা একে ৰাতিতে দুটাকৈ মৰণা মাৰিছিলোঁ তহঁতে গমেই পোৱা দেখোন।'

'অ দেউতা তেতিয়া তুমি ঘৰ পাওঁতেই প্ৰায় ৰাতি বাৰটাই বাজিছিল।'

'আমি তুমি অহালৈ বাট চাই ভাইটি আৰু মই সেই সময়লৈকে পঢ়ি আছিলোঁ। মায়ে কিন্তু টোপনিত ঘৰঘৰাই থাকিছিল। ভাইটি বা ময়েই দুৱাৰ খুলি দিছিলোঁ।'

'অ' অ', কথাষাৰ শুনাত মনালীৰ দেউতাৰ মুখৰ পৰা হুমুনিয়াহ এটা ওলাই আহিল। তাৰ পিছত জলপানখিনি খাই তেওঁ ৰান্ধনি ঘৰৰ পৰা ওলাই গ'ল।

আজি ৰবিবাৰ। মনালী পার্লাৰলৈ যাব নালাগে। দ্বীপনৰো কলেজ নাই। সেইবাবেই মনালীক দুপৰীয়াৰ ভাত সাঁজ বনাব দি মাক খুৰেয়েকৰহঁতৰ কাপোৰ বাটি কাঢ়িবলৈ গৈছে।

মনালীৰ দেউতাক ৰবীনে পুনৰ পদুলিলৈ চালে। ৰাস্তাটোৰ সিপাৰে ভালেখিনি মানুহ গোট খাইছে। কাৰণ প্ৰায় ৬ ঘৰমান মানুহৰে ধানৰ মৰণা মাৰিব আনিছে, ইতিমধ্যে তিনিঘৰ মানৰ হৈছেই।

মনালীৰ দেউতাক ৰবীনৰ মনত বহুত দুখ। কিয়নো দুবছৰ আগতে ধীৰেন মহাজনৰ পুতেক ৰাতুলে এখন হাল বোৱা ট্ৰেক্টৰ কিনিলে। তাৰ পিছত গাঁৱৰ প্ৰায়ভাগ মানুহেই ট্ৰেক্টৰেৰেই হাল বোৱা কৰিলে। মাটি মৈয়াবৰ সময়ত ৰবীনৰ গৰুহাল বিচাৰে।

মাটি চহাই ৰবীনে বেছি পইচা নাপায়। হালবোৱা দিনত ভালেই ইনকাম হৈছিল। ৰবীনৰ গৰুহাল তজবজীয়া, সেইবাবে সকলোৱে তেওঁক বিচাৰিছিল। কিন্তু, কি হ'ব, গাঁৱলৈ ট্ৰেক্টৰ অহাৰ পৰা কোনেও গৰুৰ হাল নিবিচৰা হ'ল, এতিয়া আকৌ দুবছৰ পিছত মহাজনৰ পুতেক ৰাতুলে পুনৰ কিনিলে মৰণামৰা মেচিনটো। মৰণা মৰা মেচিন অহাৰ পৰা ৰবীনে নিজৰ ধানখিনিৰ বাহিৰে দুই-এঘৰৰেহে মৰণা মাৰিবলৈ পোৱা হ'ল। যেতিয়াৰ পৰা মৰণা মৰা আৰু হালবোৱা কাম কমি গ'ল তেতিয়াৰ পৰা মনালীৰ দেউতাকে বাঁহ-বেতৰ কাম বেছিকৈ কৰা হ'ল। আনকি ৰাতি দহ-এঘাৰ বজালৈকে সেই কাম কৰি থাকে বজাৰত তেওঁ বনোৱা মূঢ়া, ঢাৰি, চালনি আদি গ্ৰাহকে বেছিকৈ পছন্দ কৰে আৰু সেইবাবে বিক্ৰীও হয়।

ভাত ৰন্ধাৰ মাজে মাজে মনালীয়ে দেউতাকৰ ফালে লক্ষ্য কৰি থাকিল। তাই দেখিলে যে দেউতাকে আজি কামত মন দিব পৰা নাই। দুটা মূঢ়াৰ মোৰণি মাৰিবলৈ বাকী আছিল। সেইখিনিকে দেউতাকে সম্পূৰ্ণ কৰিব পৰা নাই। কালি শুকুৰবাৰ। সপ্তাহৰ এই দিনটোত বজাৰ হয়। দেউতাকে চাৰিটা মূঢ়া বেচিব যোৱাৰ কথা। দুটা সম্পূৰ্ণ হৈছে, বাকী দুটা সম্পূৰ্ণ হোৱা নাই।

'দেউতা মূঢ়াৰ কামখিনি সম্পূৰ্ণ নকৰা কিয়? কাইলৈ বজাৰত নিব লাগিব নহয়।' দেউতাকে এবাৰ ধান মৰা চাবলৈ যায়, পুনৰ আহি কামত হাত দিয়ে। এনেদৰে তিনি চাৰিবাৰ অহা-যোৱা কৰি থকা দেখি মনালীয়ে দেউতাকক ক'লে।

'অ' কৰোঁদে। তই সোনকালে ভাতকেইটা বনা, মাৰাও আহিবৰ হৈছে।'

'মাই হেনো খুৰীহঁতৰ ঘৰতে ভাত খাব দেউতা। একেবাৰে কাপোৰ বাটি কঢ়া হোৱাৰ পিছতহে আহিব।'

অ' হয় নেকি বুলি মনালীৰ দেউতাক ৰবীনে মূঢ়া বনোৱাত লাগিল।

ডেৰ বাজিল। মনালীৰ ইতিমধ্যে ভাত হৈছে। বন্ধ বাৰ হোৱা বাবে দ্বীপনো আজি ঘৰতে আছে।

'দেউতা, ভাইটি ভাত বাঢ়িছোঁ আহ।'

মনালীয়ে দুয়োকে ভাত খাবলৈ মাতিলে। একান্তমনে দেউতাকে ভাত খালে। ৰক্ষা দে ভাত খাবৰ সময়ত ঘৰঘৰনিটো কমিল। ইতিমধ্যে ধান মৰা শেষ কৰি মহাজনৰ পুতেক ৰাতুল আৰু লগুৱা ৰতিয়ে মেছিনটো পদুলিৰ পৰা আঁতৰাই নিলে।

'দেউতা ভাত খালা, এতিয়া অলপ জিৰণি লোৱাগৈ যোৱা।' দেউতাকক কৈ মনালী তাইৰ ভাগৰ ভাতৰ কাঁহীখন আনি খাবলৈ বহিল।

হ'ব দে' বুলি কৈ দেউতাকে বাৰাণ্ডাতে পুনৰ বহিলগৈ। দ্বীপেনো ভাত খোৱা হ'লত উঠি গ'ল। মনালীৰ ভাত খোৱা হ'লত বাচন-বৰ্তন ধুই ৰান্ধনি ঘৰটো চাফা কৰিলে। তাই ভাত ৰান্ধিলে মাকলৈ কাম নথয়, নিজেই সকলো ধুই-পখালি সুন্দৰকৈ থৈ দিয়ে।

ৰান্ধনি ঘৰৰ পৰা ওলাই আহি মনালীয়ে দেখিলে যে দেউতাক তামোল খাই খাই বাৰাণ্ডাতে বহি আছে।

'দেউতা অলপ শোৱাগৈ যোৱা, দেহাটোৰে আৰাম পাব।'

'ৰহ অ' শুবলৈ মন যোৱা নাই। অকৰ্মী হ'লোঁ বুইছা।'

'কিয় দেউতা, তুমিচোন বাঁহ বেতৰ কামবোৰ পূৰাদমে কৰিয়ে আছা, কি অকৰ্মী হ'লা?'

'নহয় অ' বাপু গৰুহালো এনেয়ে আছে।'

'বাদ দিয়াহে দেউতা, তুমি আৰু লগতে গৰুহালেও ৰেষ্টত থকাত আমি মা আৰু মই ভাল পাইছোঁ।' ক'লে পুতেক দ্বীপনে।

'হয় অ দেউতা, চোৱাচোন মৰণা মাৰি ভাগৰে জোগৰে তুমি ৰাতি বাৰ বা চাৰে বাৰ বজাত আহিবা, তাৰ পিছত শোৱা। ৰাতি নৌপুৱাওঁৰেই আকৌ যোৱা। আমাৰ দুখ লাগি থাকে নহয় দেউতা', মনালীয়ে ক'লে।

'দেউতা, তুমি কিয় ইমানকৈ ভাবিছা। চোৱা দেউতা, এতিয়া বায়ে পার্লাৰত কাম কৰি নিজৰ খৰচ নিজে উলিয়ায়। মই নৱখুৰাৰ দোকানত পার্ট টাইম কাম কৰি মোৰ খৰচ উলিয়াওঁ। তুমিও বাঁহ-বেতৰ বস্তু বিক্ৰী কৰি উপার্জন কৰা। আনফালে মায়েও বেলেগৰ কাপোৰ বৈ বা কাপোৰৰ কাম কৰি কিছু পইচা পায়। আমি কোনো এনেয়ে নাথাকোঁ।' হাঃ হাঃ হাঃ কথাখিনি কৈ দ্বীপেন জোৰেৰে হাঁহিলে। পুতেক-জীয়েকৰ কথা শুনি দেউতাকৰ চকুৰে চকুলো নিগৰি আহিল।

মনালীয়ে দেউতাকৰ চকুটো মচি দি হাতখনত ধৰি ক'লে, 'উঠা দেউতা বিচনালৈ ব'লা।' দ্বীপনেও এফালে দেউতাকক ধৰিলে। সিহঁত দুয়ো দেউতাকক ঘৰৰ ভিতৰলৈ লৈ গ'ল।

ইতিমধ্যে মাক প্ৰমীলা আহি চোতাল পাইছিলহি। পুতেক-জীয়েকৰ কথাখিনি তাই শুনিব পাইছিল। তাই চোতালতে কিছু সময় ৰ'ল। মাকে দেখিলে পুতেক আৰু জীয়েকে দেউতাকক আলফুলকৈ ধৰি ভিতৰলৈ লৈ গৈছে। তাইৰ মনলৈ আহিল, এই যান্ত্ৰিকতাই যেন বহুতো শ্ৰমজীৱী মানুহক কৰ্মহীন আৰু কিছুমানক কৰ্ম বিমুখ কৰি তুলিছে, যিসকল মানুহৰ কথা চৰকাৰ তথা কোনেও নেভাবে বা কাৰোৰে চকুত নপৰে! কথাখিনি ভাবি ভাবি মনালী আৰু দ্বীপনৰ মাক প্ৰমীলা ঘৰৰ ভিতৰলৈ সোমাই গ'ল। তাইৰ বুকুখনৰ কোনোৱাখিনিত বিষোৱা যেন অনুভৱ কৰিলে। লগে লগে দুখেৰে ভৰা এটা হুমুনিয়াহ তাইৰ মুখেৰে ওলাই আহিল। ❍

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা, সম্পাদক, নৰাৰুণ শতদল শাখা সাহিত্য সভা, হাতীগাঁও, গুৱাহাটী

জীয়েকৰ সুখেইতো মাকৰো সুখ

দিলীপ কুমাৰ শর্মা

(এক)

নিগনি চিকাৰী বিড়ালীৰ নিঃশব্দ খোজেৰে কোঠাটোলৈ সোমাই আহিল ৰূপালীম। কোঠাটোৰ পূব দিশৰ খিৰিকীখনৰ কাষত নিশ্চুপ হৈ বহি আছে ৰূপালীমৰ ককাক ৰঘুনন্দন। কোঠাটোৰ নিচেই কাষৰে পৰা বহু দূৰলৈ বিস্তৃত বাৰিষাৰ পানীভৰা পথাৰখনত তেওঁৰ দৃষ্টি নিবদ্ধ। কিবা যেন গভীৰ চিন্তাত তেওঁ নিবিড়ভাৱে তন্ময়। খিৰিকীখনেদি মাজে মাজে সোমাই অহা আবেলিৰ ৰিৱ্ ৰিৱ্ বতাহত বাৰিষাৰ জান-নেজান পথৰুৱা গোন্ধ।

ৰূপালীমে সংগোপনে পাছফালৰ পৰা ককাকৰ দুচকুত দুহাতেৰে ঢাকি ধৰিলে। ককাকৰ তন্ময়তা ভাগিল, হঠাৎ তেওঁ উচপ্ খাই উঠিল। লগে লগে ৰূপালীমৰ খিল্ খিল্ হাঁহিৰ খলকনিবোৰ কোঠাটোৰ ইফালৰ পৰা সিফাললৈ বাগৰি গ'ল। ককাকৰ দুচকুৰ পৰা হাত আঁতৰাই ৰূপালীম এইবাৰ ককাকৰ কাষতে থকা মূঢ়া এটাত বহিল।

ৰূপালীম ঃ যোৱাকালি কোৱা চম্পাৱতীৰ সাধুটোৰ বাকীছোৱা কবানে এতিয়া?

ককা ঃ কম কম, ক'বতো লাগিবই। নক'লে জানো সুদাই এৰিবা? পিছে হেৰি নহয়, সাধুটো মই ক'ৰ পৰা এৰিছিলো, পাহৰিলোঁৱেই নহয়।

ৰূপালীম ঃ সেই যে ধনী মানুহজনৰ দুজনী ঘৈণীয়েক আছিল। তাৰে এজনী লাগী, আনজনী এলাগী। এলাগীৰ জীয়েক চম্পাৱতী। চম্পাৱতীয়ে পথাৰত ধান ৰখিবলৈ গৈ টঙিত উঠিল। চম্পাৱতীয়ে পথাৰত জাক্ জাক্ বতা চৰাই দেখি টঙিৰ ওপৰৰ পৰা চিঞৰি চিঞৰি বতা চৰাইবোৰক ক'লে—

"হুৰ হুৰ বতা চৰাই
মোৰ ধান নাখাবি
তোক দিম মাহে কৰাই।"
ঠিক সেইখিনিৰ পৰা।

ককা ঃ (হাঁহি) মাহে কৰাই নহয় অ' আকৰী, গোটে কৰাই। পাহৰিলা হ'বলা?

ৰূপালীম ঃ অঁ, পাহৰিলোঁ। পিছে ককা, মই এটা শব্দহে পাহৰিছোঁ, সেই যে মোৰ বান্ধৱী বর্ণালী, তাই আকৌ সিদিনাখন মালতী মেমে আগদিনাখন ক্লাছত কোৱা আটাইবোৰ ৰাতিফুলা ফুলৰ নামেই পাহৰি গ'ল নহয়। খুব পাহৰে তাই।

ককা ঃ এ হয় নেকি? বাৰু, বাৰু, শুনা এতিয়া। চম্পাৱতীয়ে সেইদৰে কওঁতেই কাষৰ হাবিখনৰ মাজৰ পৰা কোনোবাই তপৰাই মাত লগালে—

"ধানো খাম চাউলো খাম
চম্পাৱতীক বিয়া কৰি ঘৰলৈ যাম।"

ৰূপালীম ঃ এ, তাৰ পাছত?

ককা ঃ হাবিৰ মাজৰ পৰা কোনোবাই তেনেদৰে উত্তৰ দিয়া শুনি চম্পাৱতীয়ে বিচুর্তি খালে। পাছত চম্পাৱতীয়ে মৰ সাহ কৰি দিনৰ দিনটো টঙিৰ ওপৰতে বহি থাকি গধূলি ততাতৈয়াকৈ ঘৰলৈ আহিল। ঘৰত মাকক সকলো কথা বিৱৰি কোৱাত মাকৰ চকু কপালত উঠিল। পিছদিনাখন চম্পাৱতীৰ সৈতে মাকো পথাৰলৈ গ'ল আৰু চম্পাৱতীক আগদিনাখন বতা চৰাইক কোৱা কথাখিনি ক'বলৈ ক'লে। চম্পাৱতীয়েও আগদিনাখন কোৱা কথাখিনিকে ক'লে, হাবিৰ মাজৰ পৰাও আগদিনাখনৰ দৰেই কোনোবাই একে উত্তৰেই দিলে।

ৰূপালীম ঃ বৰ আচৰিত কথা দেখোন অ' ককা?

ককা ঃ অঁ, আচৰিত কথা। পিছে ইয়াতকৈও আচৰিত কথা আছে ৰবা, শুনি যোৱা।

অলপ পৰ ৰৈ ককাকে পুনৰ কৈ গ'ল।

ককা ঃ পথাৰত ঘটা ঘটনাটোৰ সবিশেষ বর্ণনা শুনি চম্পাৱতীহঁতৰ ওচৰ-চুবুৰীয়া মানুহবোৰৰ মাজত হুৱা-দুৱা এখন লাগি পৰিল। বোলে কি আচৰিত কথা ! চম্পাৱতীয়ে বতা চৰাইক কোৱা কথাৰো উত্তৰ দিয়ে কোনোবাই, তাতে হাবিৰ মাজৰ পৰাঙ্গ

একেবাৰে নাদ্ভূত-নাশ্ৰুত কথা। পিছদিনাখন পথাৰখনলৈ গোটাচেৰেকে ওচৰ-চুবুৰীয়া মানুহ আহিল, চম্পাৱতীৰ মাক আহিল, বাপেকো আহিল। এইবাৰো চম্পাৱতীয়ে বতা চৰাইক কথাখিনি কোৱাত উত্তৰো আহিল পূৰ্বৰ দৰেই। তাকে শুনি চম্পাৱতীহঁতৰ লগত যোৱা সদৌটি মানুহ বিস্ময়ত হতবাক হ'ল, ভয়ো খালে কোনো কোনোৱে। পাছত বুকু ডাঠ কৰি কেইজনমান মানুহ হাবিত সোমাল, তেওঁলোকে গোটেই হাবিখন চলাথ কৰিলে, পিছে কাকো ক'তো লগ নাপালে, নেদেখিলেও। এইবাৰ চম্পাৱতীৰ বাপেকে হাবিৰ ফালে চাই ক'লে—'যদি সঁচাকৈয়ে তোমাক চম্পাৱতীক লাগে, তেনেহে'লে তুমি যেই কি নোহোৱা, ওলাই আহা। সত্যে সত্যে মই তিনি সইত খাই কৈছোঁ, চম্পাৱতীক মই তোমালৈ বিয়া দিম।' এইকথা শুনি হাবিখনৰ মাজৰ পৰা এডাল প্ৰকাণ্ড অজগৰ সাপ ওলাই আহিল।

অজগৰ সাপৰ কথা শুনি ৰূপালীমে ভয়ত ত্ৰাহি মধুসুদন সোঁৱৰি একেজাপে গৈ ককাকক সাবট মাৰি ধৰিলে। ককাকে সেয়া 'সাধুকথাৰহে অজগৰ সাপ' বুলি অভয় দিলত ৰূপালীম পুনৰ আহি আগৰ ঠাইত বহিল। ককাকে পুনৰ কৈ গ'ল।

ককা ঃ পাছত চম্পাৱতী, চম্পাৱতীৰ মাক-বাপেক, ওচৰ-চুবুৰীয়া মানুহবোৰ-এই আটাইবোৰে ধৰিমেলি অজগৰ সাপটোকলৈ ঘৰলৈ উভতিল। ঘৰ পাই চম্পাৱতী আৰু মাকে গলা-গলি কৰি হুৱাও�ৱাৰে কান্দিবলৈ ধৰিলে। কান্দি-কাটি চম্পাৱতীৰ মাকে চম্পাৱতীক অজগৰ সাপটোৰ সৈতে বিয়া নিদিবলৈ গিৰিয়েকক কাকুতি-মিনতি কৰিলে, পিছে কোনো কামত নাহিল। চম্পাৱতীৰ বাপেকে লাগীৰ উচটনিত পৰি কেঁচা পাণ, কেঁচা তামোল কাটি চম্পাৱতীক অজগৰ সাপটোৰ সৈতে বিয়া পাতি দিলে। পাছত ৰাতি যেতিয়া হ'ল, এটা সুকীয়া ঘৰত চম্পাৱতীক অজগৰ সাপটোৰে সৈতে থাকিবলৈ দিলে। তাকে দেখি লাগীৰ মনত আনন্দৰ সীমা নোহোৱা হ'ল— বোলে এইবাৰ কেনে মজা, অজগৰ সাপটোৱে চম্পাৱতীক গিলি থ'ব এতিয়া। পিছে, পিছদিনাখন ৰাতিপুৱা দেখা গ'ল—চম্পাৱতীৰ দেহত কত বিধৰ যে সোণৰ অলঙ্কাৰ ! তিৰ্‌বিৰ্‌কৈ উজ্বলি আছে হাতৰ, কাণৰ, ডিঙিৰ সোণৰ অলঙ্কাৰবোৰ।

(দুই)

কদমতল নামৰ এলেকাটোৰ বিস্তৃতি এতিয়া বৰ বহল, তাৰ বিস্তৃতি একেবাৰে সৌ সূৰুয উঠা পাহাৰখনৰ নামনিলৈকে বিলীয়মান।

কদমতলৰ সেই যে আওপুৰণি পাকৰি গছজোপা, সেই গছজোপা পাৰ হৈ দুখোজমান গ'লেই সোঁফালে সেইটো তেনেই ঠেক উপপথ। এমূৰবন্ধ উপপথটোক বন্ধ মূৰটোৰফালে সীমামূৰলিৰ দুয়োকাষে দুঘৰ মানুহ, মানুহ দুঘৰৰ মুখামুখী পদুলি, এলেকাটোৰ তেওঁলোক পুৰণি বাসিন্দা। উপপথটোৰ পূৱত শইকীয়ানীহঁতৰ ঘৰ, পশ্চিমত বৰুৱানীহঁতৰ।

শইকীয়ানীৰ পেটটো একেবাৰে পঁচা, ভিতৰখনত যেন এটা গেলা কোমোৱা, দুর্গন্ধময়। বৰুৱানীৰ পিছে মনটো ভাল, স্নিগ্ধ আকাশ এখনেৰে সৈতে শৰতৰ ফৰকাল বতৰাটো হেন, একেবাৰে মুকলি।

শইকীয়ানীৰ ছোৱালী নীলনয়নী আৰু বৰুৱানীৰ ছোৱালী মৃগাক্ষী। দুয়ো কান্ধ সমনীয়া বান্ধৱী, শৈশৱত দুয়োৱে একেলগে একেটা শ্ৰেণীতে অ, আ, ক, খ পঢ়িছে, চুবুৰীটোৰ পশ্চিম দিশে থকা অভিনৱ চলিহাহঁতৰ ঘৰৰ দাঁতিৰ বাকৰি মাটিডোখৰত উমলি-জামলি শৈশৱৰ দিনবোৰ পাৰ কৰিছে।

নীলনয়নী আৰু মৃগাক্ষীৰ যেতিয়া ফুল চানেকীয়া যৌৱনৰ সপোন ৰচা বয়স, তেতিয়া দুয়ো একেখন বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী, নীলনয়নীৰ বিষয় প্ৰাণীবিদ্যা, মৃগাক্ষীৰ পদাৰ্থ বিজ্ঞান। বিশ্ববিদ্যালয়লৈ যাওঁতে দুয়ো একেখন বাছতে যায়, একেখন বাছতে উঠি ঘৰলৈ ওভতে। বিশ্ববিদ্যালয়তো নিজ বিষয়ৰ শ্ৰেণীকোঠাত নিজ নিজ পাঠ গ্ৰহণৰ ব্যতিৰেকে বাকীখিনি সময়ত এজনীৰ সতে আনজনী গাৰ ছাঁটোৰ দৰে লাগি থাকে, একেলগে গ্ৰন্থাগাৰলৈ গৈ পঢ়া-শুনা কৰে, একেলগে হোটেললৈ গৈ চাহ-মিঠাই খায়।

এটা সময়ত দুয়োৱে বিশ্ববিদ্যালয়ৰ শেহান্ত পৰীক্ষা দিলে, দুয়ো স্নাতকোত্তৰ ডিগ্ৰীধাৰী হ'ল। মৃগাক্ষী প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হ'ল, নীলনয়নী দ্বিতীয় শ্ৰেণীত।

সদ্যঘোষিত ফলাফল পাই নীলনয়নীৰ মাকৰ অন্তৰখনে যেন আৰ্তনাদ কৰি উঠিল। বোলে—বৰুৱানীৰ জীয়েক প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হ'ল, অথচ নিজৰ জীয়েকজনী উত্তীৰ্ণ হ'ল দ্বিতীয় শ্ৰেণীত, হায় মোৰ কপাল ! শইকীয়ানীৰ অন্তৰত বৰুৱানীহঁতৰ প্ৰতি ঈৰ্ষাৰ জুই একুৰা জ্বলি উঠিল।

(তিনি)

এক শুভ সময়ৰ শুভ মুহূৰ্তত আমেৰিকা নিবাসী, সুসংস্কৃত মনৰ অধিকাৰী, সৌম্যমূৰ্তি, আমেৰিকাৰ এটা আগশাৰীৰ উদ্যোগৰ উচ্চ পদস্থ অভিযন্তা অভিজ্ঞান বৰঠাকুৰৰ সৈতে মুগাক্ষীৰ বিয়াৰ দিন ঠিক কৰা হ'ল আৰু এদিন মৃগাক্ষীয়ে ৰূপকোঁৱৰ হেন

অভিজ্ঞানৰ সৈতে সুখ আৰু সমৃদ্ধিৰ দেশ আমেৰিকালৈ বুলি ঢাপলি মেলিলে।

নোৱাৰি নোৱাৰি, বৰুৱানীহঁতৰ ইমান সুখ শান্তি সহ্য কৰিব নোৱাৰি। বৰুৱানীৰ ছোৱালীয়ে প্ৰথম শ্ৰেণীত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে, কন্দৰ্প কুমাৰহেন চেহেৰাৰ অভিযন্তা জোঁৱাই এজন পালে, তাতে আকৌ সপোন পুৰীহেন আমেৰিকাৰ দৰে দেশ এখনত থাকে। —উঃ, কিযে এক নিদাৰুণ যন্ত্ৰণাঙ্গ—শইকীয়ানীৰ দেহ-মন এক সহ্যাতীত যন্ত্ৰণাৰ আঘাতত থকা-সৰকা হ'ল। নাই, এনেদৰে নহ'ব, শইকীয়ানীয়ে মন ডাঠ কৰিলে। এইবাৰ শইকীয়ানীয়েও সংগোপনে নিজৰ জীয়েকৰ বাবে বিদেশত থাকি উচ্চপদত চাকৰি কৰা দেখনীয়াৰ ল'ৰা এজনৰ বাবে বিচাৰ-খোচাৰ কৰাত লাগি গ'ল।

এদিন শইকীয়ানীৰ দূৰ সম্পৰ্কীয় খুৰাক এজনে খবৰ এটা দিলেহি—বোলে ভাল ল'ৰা এজনৰ সন্ধান পোৱা গৈছে। ল'ৰা আমেৰিকাত থাকে, ডাঙৰ কোম্পানি এটাত ডাঙৰ চাকৰি কৰে, একেবাৰে কন্দৰ্প কুমাৰ হেন নহ'লেও ল'ৰাজন দেখনীয়াৰ বুলিয়েই ক'ব পাৰি।— বচ, বতাহত হালি-জালি থকা ভলুকা বাঁহ এজোপাৰ মাজেদি পূ�ৰাৰ ৰ'দৰ ৰেঙণি এটা ক্ষন্তেকৰ বাবে বিৰিঙি ওলোৱাদি সুখৰ বতৰাটো পাই শইকীয়ানীৰ ওঁঠৰ ফাঁকেদি পাতল ৰঙচা হাঁহি এটা হঠাৎ বিৰিঙি ওলাল।

এদিন আমেৰিকাৰ ডাঙৰ কোম্পানিত ডাঙৰ চাকৰি কৰা সেই ল'ৰাজনৰ সৈতেই নীলনয়নীৰ বিয়া হৈ গ'ল।

(চাৰি)

ককা ঃ ৰূপালীম, তোমাৰ দেখোন মাত-বোল নাই? সাধু শুনি আছানে, টোপনি গ'লা?

ৰূপালীম ঃ সাধু শুনি আছোঁ।

ককা ঃ বাৰু।.... এলাগীৰ জীয়েকৰ দেহত অতবোৰ সোণৰ অলংকাৰ দেখি লাগীৰ মনত ঈৰ্ষা উপজিল। লাগীয়ে ভাবিলে—নিজৰ জীয়েক জনীকো এনে এটা অজগৰ সাপৰ সৈতেই বিয়া দিয়া যাওঁক। নিজৰ জীয়েক জনীকো সোণৰ আ-অলংকাৰেৰে ওপচাই পেলাওক সেই অজগৰ সাপটোৰে। ভবা মতে কাম—লাগীয়ে গিৰিয়েকক নেৰা-নেপেৰাকৈ খাটনি ধৰিলে বোলে নীলনয়নীকো এটা অজগৰ সাপৰ সৈতে বিয়া দিব লাগে। পাছত উপায়ন্তৰ নেদেখি গিৰিয়েকে কেইবাজনো মানুহ লগত লৈ ঘন হাবিত সোমাই তাৰ পৰা প্ৰকাণ্ড অজগৰ সাপ এটা ধৰি লৈ আহিল। সেই অজগৰ সাপটোৰ সৈতে লাগীৰ জীয়েককো কেঁচা পাণ, কেঁচা তামোল কাটি বিয়া পাতি দিলে, পাছত এলাগীৰ জীয়েকৰ দৰে লাগীৰ জীয়েককো অজগৰ সাপটোৰে সৈতে ৰাতিটো থাকিবলৈ দিলে।

(পাঁচ)

আমেৰিকালৈ যোৱাৰ ছমাহমান পাছত নীলনয়নীৰ পৰা মাকলৈ চিঠি এখন আহিল। চিঠিত লিখিছে নীলনয়নীয়ে— 'মই ইয়াত বৰ কষ্ট পাইছোঁ, সীমান্তৰ (নীলনয়নীৰ গিৰিয়েকৰ নাম সীমান্ত) একেবাৰে আহৰি নাই, কেৱল কাম আৰু কাম। কামৰ তাগিদাতেই দুদিন-তিনিদিনলৈ ঘৰলৈ আহিব নোৱাৰে সীমান্ত। কোম্পানিৰ কামতেই ঘূৰি ফুৰে কৰবাত।' শইকীয়ানীয়ে জীয়েকৰ চিঠিৰ উত্তৰ দিলে এইবুলি—'জোঁৱায়ে কোম্পানিত ডাঙৰ চাকৰি কৰে যেতিয়া দায়িত্বতো বেছি হ'বই। জোঁৱায়ে কাৰ বাবেনো এনেদৰে দিনক ৰাতি কৰি ৰাতিক দিন কৰি কষ্ট কৰি ফুৰিছে—তোমালোক দুয়োৰে সুখৰ বাবেই নহয় জানো? জোঁৱায়ে কৰা এনে কষ্টৰ সুফল এদিন তোমালোকে নিশ্চয় পাবা, ধৈর্য্য ধৰা।' ইয়াৰ তিনিমাহমান পাছতেই নীলনয়নীৰ পৰা আৰু এখন চিঠি আহিল। এইবাৰ চিঠিত লিখিছে নীলনয়নীয়ে—'মোৰ সন্দেহ হৈছে—সীমান্তৰ স্বভাৱ-চৰিত্ৰও বোধহয় ভাল নহয়। মাজে মাজে সীমান্তৰ মুখত মদৰো গোন্ধ পাওঁ।' নীলনয়নীৰ মাকে এইবাৰ উত্তৰ দিলে এইবুলি—"সীমান্ত ভাল ল'ৰা, মই জানো নহয়। মই মানুহ দেখিলেই চিনি পাওঁ। তাতে তোমালোকৰ বিয়াৰ আগতে কত দিন লগ পাইছো সীমান্তক। সীমান্ত বেয়া ল'ৰা হ'বই নোৱাৰে। এহ, মদ খোৱাটোনো কি ডাঙৰ কথা, আমেৰিকাৰ দৰে দেশত মদ খোৱাটোও এটা আভিজাত্যই, নহয় জানো?' তাৰ পাছত নীলনয়নীৰ পৰা আৰু এখনো চিঠি নাহিল। এনেকি নীলনয়নীৰ কোনো খা-খবৰেই নোপোৱা হ'ল শইকীয়ানীয়ে। শইকীয়ানীয়ে ভাবিলে—এতিয়া নিশ্চয় মহাসুখত আকণ্ঠ ডুবি আছে জীয়েক-জোঁৱায়েকৰ, কৰ্মব্যস্ততাও হয়তো বহুতো বাঢ়িছে। পৰিপাটিকৈ সুখৰ সংসাৰ এখন চম্ভালি থকাতো কম কথানে। সেইবাবেই নিশ্চয় মাকলৈ চিঠি এখন লিখিবলৈকো সময় অকণ উলিয়াব নোৱাৰা হৈছে নীলনয়নীয়ে। হওঁক দেওঁ, খা-খবৰনো লাগিছে কিয়, জীয়েকৰ সুখেইতো মাকৰো সুখ।

(ছয়)

ককা ঃ ৰাতিটোৰ ভিতৰতে সোণৰ অলঙ্কাৰেৰে জীয়েকৰ দেহ ভৰি পৰিব একেবাৰে এলাগীৰ জীয়েক চম্পাৱতীৰ দৰে। গতিকে লাগীৰ মনত অপাৰ আনন্দ। আনন্দত উত্ৰাৱল হৈ জীয়েক-জোঁৱায়েকক থাকিবলৈ দিয়া ঘৰটোৰ কাষতে চকুৰ টিপ এটা

নমৰাকৈ বহি থাকিল লাগী। ইফালে ঘৰটোৰ ভিতৰত অজগৰ সাপটোৱে লাগীৰ জীয়েকক ভৰিৰ ফালৰ পৰা গিলিবলৈ আৰম্ভ কৰিলে।

ৰূপালীম ঃ (আচৰিত হৈ ভয়ার্ত কণ্ঠেৰে) অজগৰ সাপটোৱে লাগীৰ জীয়েকক গিলিবলৈ ধৰিলে? —ৰূপালীমে দুহাতেৰে ককাকৰ হাত এখনত সজোৱেৰে খামোচ মাৰি ধৰিলে।

ককা ঃ এ, ভয় কৰিব নালাগে নহয়, সেয়া সাধুকথাৰহে অজগৰ সাপ, আগেয়ে কৈছোৱেই দেখোন।... বাৰু, শুনা, অজগৰ সাপটোৱে যেতিয়া লাগীৰ জীয়েকৰ ভৰি দুখন গিলিলে, তেতিয়া লাগীৰ জীয়েকে ঘৰৰ ভিতৰৰ পৰা মাকক ক'লে—

"আই মোৰ ভৰি কুটেকুটায়।"

বাহিৰৰ পৰা মাকে উত্তৰ দিলে—

"আই মোৰ জোঁৱায়ে নেপুৰ পিন্ধায়।"

অজগৰ সাপটোৱে যেতিয়া লাগীৰ জীয়েকক কঁকাললৈকে গিলিলে, লাগীৰ জীয়েকে মাকক সোঁৱৰালে—

"আই মোৰ কঁকাল কুটেকুটায়"

মাকে উত্তৰ দিলে—

"আই মোৰ জোঁৱায়ে মেখেলা পিন্ধায়।"

এনেদৰে ক্ৰমান্বয়ে অজগৰ সাপটোৱে লাগীৰ জীয়েকক মূৰৰ ফাললৈ গিলি গৈ থাকিল। লাগীৰ জীয়েকে পূৰ্বৰ দৰেই মাকক সোঁৱৰাই গ'ল, মাকেও উত্তৰ দি গ'ল।

"আই মোৰ বুকু কুটেকুটায়।"

"আই মোৰ জোঁৱায়ে বিহা পিন্ধায়।"

"আই মোৰ ডিঙি কুটে কুটায়।"

"আই মোৰ জোঁৱায়ে মণি পিন্ধায়।"

অজগৰ সাপটোৱে যেতিয়া লাগীৰ জীয়েকৰ মূৰলৈকে গিলিলে, লাগীৰ জীয়েকৰ আৰু মাত-কথা নোহোৱা হ'ল। জীয়েক নিমাতে থকা দেখি এইবাৰ লাগীয়ে ভাবিলে—বিধে বিধে সোণৰ অলংকাৰ পায়েই জীয়েক নিশ্চয় মহাসুখত টোপনি গ'ল। হওঁক দেওঁ— মাতযাৱনো লাগিছে কিয়, জীয়েকৰ সুখেইতো মাকৰো সুখ। ❍

(এই লেখকৰ 'চম্পাৱতীৰ সাধু' শীৰ্ষক গল্পৰ স্ব-সম্পাদিত ৰূপ- লেখক)



লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, অসম লোকনির্মাণ বিভাগৰ ভূতপূৰ্ব অভিযন্তা


কবিতা



ড° পূর্ণ ভট্টাচার্য

মোৰ বুকুত এপাহি শৰৎ

মোৰ হৃদয়ৰ শেৱালি পাহিত
কি সৰিছে চোৱাহিচোন

চকুত এমুঠি হাঁহি লৈ
নামি আহিছে শৰৎ
ৰূপান্তৰিত ভাস্কর্য হৈ।

আহা, পিন্ধাই দিওঁ
শৰৎ শৰীৰত
পোহৰৰ যৌৱন।

মোৰ বাবে শৰৎ
প্রকৃতিৰ অনন্ত বিস্ময়
সাহসী প্রতিজ্ঞা।

জীৱনক জুখি চাব পৰা
অভিজ্ঞতাৰ অভিজ্ঞান।

মই তোমাক লৈ
সকলো কৰিব পাৰোঁ শৰৎ

লিখিবও পাৰোঁ
নিয়ৰে তিওৱা নির্মল কবিতাও।

দুখ নোহোৱা সুখবোৰ
বোৱাই দিয়া নটৰাজ





আমাকো ধাৰণ কৰিব দিয়া
তোমাৰ বিল্বপত্রৰ মালাধাৰি
আমিও তুমি হওঁ

চোৱাহিচোন চোৱাহি
আমাৰ বুকুত এপাহি শৰৎ
শৰততকৈও দুর্মদ হৈ

ডালে-পাতে হালিছে। ❍



ডাঃ মনোৰঞ্জন শর্মা পাঠক

আহিনৰ লখিমী কোলাৰ ছাঁত

মোৰ কোলাৰ কেঁচুৱাৰ মিচিক-মাচাক হাঁহি এটি হৈ
তই আকৌ আহিলি
মুখত তোৰ ফুট-নুফুটে মাত
তোৰ অহাৰ বাটত শ্যামকানু বাঁহী
যোৱাৰ বাটত শাওণীয়া বুকুৰ ঘামৰ ফুলাম হাঁহি
মোৰ বুকুৰ পোনাটিৰ দৰে
তোৰ কোলা শুৱাই উমলি ফুৰিছে
দেও লগা হৰিণৰ জাক
নিয়ৰৰ চৈখনৰ তলত সিহঁতৰ কিমান যে ধেমালি
সিহঁতে যেতিয়া তোৰ তেজৰ তলে তলে বৈ থকা
গাখীৰতী নৈখনত ডুব মাৰে
সেউজীয়াবোৰ সিহঁতক বিচাৰি সুহুৰিয়াই
শৰালি এজাক হৈ উৰি যাব খোজে...
সিহঁতৰ গাৰ গোন্ধে বতাহজাকক ওমলায়
বতাহৰ বোকোচাত দোলা দি ঐনিতম গায়
তোৰ কোলাৰ প্ৰেমত মতলীয়া মায়াৰী জোনাক
এখন্তেক জিৰায়হি তোৰ লখিমী কোলাৰ ছাঁত
তোৰ শুকুলা চাদৰখন ক্ৰমাৎ সেউজীয়া হয়
লাহে লাহে সেউজীয়াবোৰ
বাঁহীৰ সুৰ এটাৰ দৰে শিপা মেলে
তৰাং হৃদয়বোৰ জীপাল কৰি তোলে
তই যোৱাৰ বাটত
শাওণীয়া ঘামৰ টোপাল শেৱালি হৈ ফুলে...। ❍

বিৰাজ মোহন তালুকদাৰ

আহিনৰ অনুভৱ

আহিনৰ আকাশত জোনাক হাঁহি
শেৱালিৰ সুৱাসে সজায় বাট;
নীৰৱ বতাহে কাণে কাণে কয়—
"শৰৎ আহিছে, মেলি দিয়া হিয়াৰ দুৱাৰখন আজি।"
হিম চেঁচা নিয়ৰৰ মুকুতা দূৱৰিত জিলিকা
প্ৰকৃতিৰ মাদকতা ভৰা অলেখ উপচাৰ লৈ।
শুকুলা মেঘৰ নাও ভাহে নীলিমাত
কঁহুৱাৰ শুভ্ৰ টো উঠে নদীৰ পাৰত
বেলিটোৱে সিঁচে সোণালী হাঁহি
নদীৰ বুকুত জোনাক নামে
নিঃশব্দ প্ৰেমৰ দৰে।
গাঁৱৰ বাটেৰে
স্মৃতিবোৰ আহে খোজকাঢ়ি—
এৰি অহা দিনৰ মিঠা বিষাদৰ
স্মৃতিৰ পাতত লিখা হেৰুৱা দিনৰ কবিতা।
শুকুলা মেঘৰ সৈতে ধেমালি কৰা
পৰিভ্ৰমী চৰাইজাকেও
পাখি আৰু গাৰ বৰণ সলায়।
পথাৰত হালিজালি থকা সেউজীয়া শালিধান
বনফৰিংজাকৰ ধেমালি, মৌ-মাখিৰ গুণগুণনি
বালিচৰত দেও দি নচা জাক জাক বালিমাহীয়ে
সপোন ৰচে ছবি সোণোৱালী প্ৰভাতৰ।
আহিনৰ শুক্লাষষ্ঠীত
শক্তিৰ অধিষ্ঠাত্ৰী মা-দুৰ্গাৰ পূজা
ৰাৱণ বধি শান্তি আনিছিল দশভুজাই
ঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী দেৱী— লক্ষ্মীপূজা।
আহিন, তুমি আহা
শান্তিৰ এটি নিৰ্মল বতৰা হৈ;
ক্লান্ত হৃদয়ত সিঁচি দিয়া
এমুঠি জোনাক, এমুঠি সপোন লৈ। ❍

বিনীতা গগৈ

আহিনৰ সুৱাসে আনে দেৱীৰ বতৰা...

আহিন মানেই—
পুৱাৰ ঘাঁহত ওলমি ৰোৱা
এমুঠি কঁপা কঁপা ৰ'দ,
সুৱাসিত শেৱালিৰ তলত
নীৰৱে উচুপি সৰা
অযুত শুধ বগা স্মৃতি।

নদীখনেও যেন আজি
নিজৰ বুকুৰ পানীযুঁৱলি
অলপ নীৰৱে কঢ়িয়াই
কিজানি পাৱঘাটত
দেৱীৰ নূপুৰৰ ধ্বনি শুনে !

সুদূৰৰ পথাৰত হালি-জালি
কঁহুৱাই মূৰ দোঁৱাই
কিবা এটা ক'ব খোজে;
বতাহে যেন সেই ভাষা বুজি
গোপনে কঢ়িয়াই আনে
শাৰদীয় পূজাৰ বতৰা...

ব্যস্তময় চহৰৰ গলিটোত
বাঁহৰ কাঠামোত
এটি সপোনৰ জন্ম হয়—
মাটিৰ পৰা গঢ়ি উঠে
দহখন লিহিৰি হাত,
এযোৰ গভীৰ নীলা চকু,
আৰু এখন নিখুঁত মুখ,
য'ত মানুহে নিজৰ
ভয়বোৰ সোলোকাই থৈ আহে।

ঢাকৰ প্ৰথম চাপৰটোতেই
আহিনৰ বুকু কঁপি উঠে।
শংখৰ দীঘল নিনাদে
ঘৰৰ চৌহদ পাৰ হৈ
বহু দূৰৰ কোনো অচিন
মন এটাকো চুই যায়।

হে মা দুৰ্গা !
তুমি সঁচাকৈ থাকা বাৰু ক'ত ?
মণ্ডপৰ পোহৰত ?
শেৱালিৰ সুৱাসত ?
নে সেই বৃদ্ধাৰ চকুত,
যিয়ে বছৰৰ পিছত বছৰ
একে আশাৰেই তোমাৰ চৰণত
একেটি প্ৰাৰ্থনাই যুৰে...

হে মা দুৰ্গতি নাশিনী
তুমি যেতিয়া আহা
এটি ভঙা মনে আকৌ এবাৰ
বিশ্বাস কৰিবলৈ শিকে;
যেতিয়া কোনোবাই
অন্যায়ৰ সন্মুখত
মূৰ নোদোঁৱাই থিয় হয়,
তেতিয়া অচিন মানুহৰ বাবেও
এখন দুৱাৰ খুলি যায়...

সেইবাবেই
এইবাৰ তোমাৰ হাতত
কেৱল ত্ৰিশূলে নাথাকক—
থাকক এটি বীজ,
যাৰ পৰা ক্ৰমান্বয়ে
মানুহে মানুহক ভালপোৱাৰ
এখন নতুন পৃথিৱী গজি উঠিব।

আহিন আহি গুচি যাব
কঁহুৱা ফুল মৰহিব,
মণ্ডপৰ পোহৰ নুমাব,
ঢাকৰ শব্দও থমকি ৰ'ব।

তথাপি—
তুমি ৰৈ যাবা মা,
আমাৰ হৃদয়ৰ সেই ঠাইখিনিত
য'ত আন্ধাৰে ঢুকি পাবলৈ
এতিয়াও বহু যোজন বাকী !
হয়তো কোনোবা এটা পুৱাত
শেৱালিৰ সৱাসে
যেতিয়া আকৌ ক'ব—
"আহিন আহিল"

আমি আনন্দত আত্মহাৰা হ'ম
দেৱী পুনৰ আহিছে,
বাহিৰৰ পূজা মণ্ডপলৈ নহয়,
মানুহৰ হৃদয়ৰ নিভৃতৰ পৰা নিভৃতলৈ... ❍

যোগেন্দ্র নাথ চক্রবর্ত্তী

দেশ আৰু দেশ

দীঘলীয়া যাত্রাৰ অন্তত
জীৱনৰ বিভিন্ন ঋতুৰ
সোৱাদৰ কোমল অনুভূতিখিনি
মই, তোমাৰ কোঁচতে
বাকি দিলো আই
তুমি
আগন্তুক সোণালী প্রভাতৰ অপেক্ষাত
ৰৈ থাকিব

কিন্তু,
জীৱন ৰেলৰ দীঘল উকিত
মই সাৰ পাই দেখো
আই,
তুমি এতিয়া
দেশ কেৱল দেশৰ সন্ধানত দেশান্তৰিত
এতিয়া,
কাকনো দিম মই
জীৱনৰ নতুন খবৰ?
জহি-খহি পৰা দেশৰ ইতিহাসখন
কাৰ আঁচলেৰে বান্ধি ল'ম মই?

শত্রু-মিত্র, আপোন-পৰ
কাকো মই চিনি নেপাওঁ
তেনেহ'লে, কাৰ স'তে
জীৱনৰ সুখ দুখৰ আলাপ কৰিম?
ৰাজনীতিৰ দুবাহুত
ক্ষুদ্র জীৱনৰ পুতলা নাচ
আৰুনো কিমান চাম
ৰাজআলিত নির্বাসিত স্বাধীনতা
ৰজা আৰু প্রজাৰ
আপোচহীন মতাদর্শ
য'ত—
প্রতিটো মুহূর্ততে সলনি হ'ব খোজে
বায়ু, পানী আৰু মাটিৰ
স্বাভাৱিক গুণ।
প্রজ্ঞাৰ পোহৰত
আজি দেখিবলৈ পাইছো
ক্রমশঃ
গহ্বৰৰ গভীৰলৈ
ঢলি পৰিছে দেশৰ ভেটি
লুইতৰ পানীত জিলিকি উঠিছে
এটা বিবর্ণ জাতিসত্তাৰ
পঁয়ালগা মুখ।

এইমাত্র—
বিস্তীর্ণ উপত্যকাৰ সেমেকা মাটিত
সময় নদীৰ টোৱে
পেলাই থৈ গ'ল
বতাহত ওলমি অহা মৃত্যুৰ খবৰ।
ধর্ষিতা ভনীজনীৰ
জীৱনৰ কৰুণ কাহিনী
আই,
তোমাৰ বাবে যিমানে
অসহনীয় নহওক কিয়
এতিয়া, জীৱন আৰু মৃত্যুৰ মাজত
নকৈ গঢ়ি উঠিছে
এক নিৰিড় আত্মীয়তা
আৰু
ইয়ে চিত্রিত কৰিছে
দেশ আৰু দেশৰ পৰিসীমা
এখন নতুন দেশৰ
নতুন দিগ্‌বলয়। ❍

বর্ণালী বৰা বৈশ্য

সাধুৰ দৰে মেঘবোৰ নৈখন

কপহুৱা মেঘবোৰ আনন্দত দৌৰিছে
নৈখন দুই পাহাৰৰ মাজেৰে
জানে বৈ যাব
কৈ যাব পাৰে নৈ পাৰৰ সাধু

ঘন ঘন বৰষুণৰ টোপাল
মতলীয়া জিৰি জিৰি প্ৰকৃতি ৰাণী
জিলিকিছে সেউজীয়া বুকু

সপোন এটি খেলি খেলি যেন ভাগৰিছে
আকাশৰ বিশালতাত সিঁচিছে ৰং
ভালপোৱা বিশ্বাসৰ বুকুত

হৃদয়ৰ ৰংবোৰ আকাশৰ দৰে নহয়
ৰং হেৰাওৱা ৰংবোৰ বুকুত সামৰি ল'বলৈ
লাগে সময়
ঠিক বগা চপৰা-চপৰ মেঘৰ দৰে

মেঘবোৰ ঢাপলি মেলিলে দুই পাহাৰৰ মাজেৰে
সাধুকথাৰ সেই পৰীজনীয়ে
বৰকৈ আমনি কৰে

দীঘল সুহুৰি হৈ ক্ৰমান্বয়ে
হৃদয় ফালি আগুৱাই আহে
পাহাৰৰ বুকুত শুই থকা
নৈখনৰ দৰে

এটা দীঘল সাধু। ❍

মদন চন্দ্ৰ মেধি

শৰৎ এক অলংকৃত অভিধা

শৰৎ আহিলে
মনত জিলিকে
এখনি নান্দনিক আকাশ
সঁজাল ধৰা পথাৰ
সু-কোমল বতাহজাকৰ কথা
জীপাল হৈ পথাৰখনে
আনৰ বাবে ব্যস্ত
হৈ পৰে
জিলীৰ গানত
ভালপোৱাৰ এজাক বৰষুণ
বৰষুণে গায় মাথোঁ
কুঁৱলীক আমন্ত্ৰণৰ গান

ভাদৰ পৰিত্ৰ ৰ'দৰ
উত্তাপ পাহৰি
জীয়াই থকাৰ সপোন দেখে
নাঙলৰ এজাক মানুহে

শৰৎ অহাটো
এটা শিল্প
শৰতৰ আছে শিষ্টাচাৰ
শৰৎ এক অলংকৃত অভিধা ❍

হেমন্ত কুমাৰ গোস্বামী

মা দুর্গা তুমি- জোনাকৰ শেৱালী

এন্ধাৰৰ দুর্গ ভাঙি নামি আহে এডিঙি শৰৎ
ৰক্তবর্ণ সাজৰ আকাশলঙ্ঘী তুমি
ৰূপালী পখিলাই মুকুতা আঁকিছে
গাভৰু কন্থৰাৰ জোনাকী বনত।

গণেশজননী দুর্গা-ৰাধা-লক্ষ্মী
সৰস্বতী-সাবিত্রী পৰামা প্রকৃতি
অবিৰত মন্দাকিনী মৃত্যুঞ্জয়ী মানৰী
অসীম ৰ'দৰ সোণোৱালী সুৰভি তুমি।

অমৰ পৃথিৱীৰ আৱৰণ পিন্ধি
নামি আহে সন্ধিৰাতি অধিষ্ঠাত্রী ভৱানী
কাজলী মেঘৰ আৱৰণ ফালি।
হৃদয় বাঁহীৰ আকুল মাতত
হেজাৰ সূর্য্যৰ কিংখাপ পিন্ধি
ক'লা মেঘবোৰ দুহাতেৰে ঠেলি
দুখৰ নিৰৱতাত শুনিছোঁ মই শব্দৰ নতুন উত্তাপ
আজি দেখো মোৰ উৰুষা পঁজাত এখন নীলা আকাশ।

সৰকি আহে সৃষ্টিৰ ধৰাৰৈ ৰ'দৰ বৰষুণ
আকাশে আকাশ নাচে শীতৰ অনুভৱে
শৰতৰ কঁহুৱাই পৃথিৱী চুমে
দুৱিৰৰ ওঠঁত শেৱালী সৰে
উষাৰ প্রতিধ্বনিৰে নিবিড়ে-নিমাতে
মোৰ আইৰ নিৰাশাৰ ঘাটত।

ব্রহ্ম ও আদ্যশক্তি তুমি উদাত্ত ৰশ্মি
সৃষ্টিৰ ক্রান্তি উষালী ফাল্গুনী
তমসাৰ পচোৱাত অমূর্ত ৰ'দালি
তুমি অবিহনে জানোঁ তোমাৰ ছবি আহিনে আঁকে
হেজাৰ প্রার্থনাৰ অনন্তকালৰ প্রতিমাখনি
জীয়াই থাকে সেই নৱপত্রিকাৰ সেউজীয়া পাততেই।

ডবা-কাঁহ-ঘন্টাৰ প্রতিটো শব্দই
আউসী ৰাতিৰ বুকুতে আঁকে
আজন্ম মন্ত্রেৰে অমৃত প্রতিমা
উছন পৃথিৱীৰ এন্ধাৰত আৱদ্ধ সুলভ মৃত্যুৱে
কত শত আশা বিচাৰে ব্যর্থ হিয়াত
তোমাৰেই সোণোৱালী ছাঁ।

জগতৰ বন্দীশাল এন্ধাৰৰ পোতাশাল
পোহৰায় পৰিধি তাৰ তোমাৰ কবিতাই
শত শত শকতিৰে, শত শত স্তোত্রৰে
দশভূজা তুমি চকুৰ মণি
দেৱী শক্তি তুমি আদ্যশক্তি কালী
মহাগৌৰী তুমি অনন্য কবিতা।
মহা নৱৰাত্রীৰ কালিন্দী মহাসতী
আকালৰ চোতালত শইচৰ ভঁৰাল
জী উঠে পৃথিৱীয়ে তোমাৰ উশাহেৰে
প্রাণ পায় দশোদিশ এই শৰততে।

জোনাকী বাটে তুমি ভগৱতী নাৰী
মহাদেৱী দুর্গা তুমি জগত বন্দীনি
অভিনৱ স্কন্দমাতা দেৱী কাত্যায়নী
তামসী ছন্দৰ অসূয়া ৰূপ খণ্ড খণ্ড কৰি
জ্বলিছে তৰালী ৰাতিৰ সপোন কেতেকী।

মহিষাসুৰৰ অশুভ শক্তিৰ সেই কাইটিয়া ফুলপাহ
কিয় ফুলাবা তুমি জীৱনৰ বাটে বাটে

তোমাৰ ভৰিৰ পতাত শিৰণত কৰি আই
সাজিব বিচাৰে দুখৰ ছাঁবোৰে আইৰ চৰণত বহ্নিমান শিখা।

সপোন ভগা সান্ত্বনাৰ থূঁপ ক্রমশঃ বৰফ হৈ গলে
গোটমৰা শিলবোৰ কোনেও নেদেখাকৈ
তোমাৰেই ৰ'দৰ পাখিৰ উষ্ণ স্পর্শেৰে কতবাৰ জ্বলে
যেন উদ্ভাসিত হওঁক তোমাৰ আলোক
লুণ্ঠিত মর্তৰ চোতালে চোতালে।

'দ' ৰপে দৈত্য নাশা
'উ' কাৰে কৰে বিঘ্ন সংহাৰ
'ৰ' ই কাঢ়ে অমানৱীয় অসূয়া
'গ'ৰ ধুমুহাত কঁপে
বিধ্বস্ত পাপ ও দ্বন্দ্ব বিষাদ
'আ' কাৰে শত শত দেৱতাৰ আশীষ অস্ত্রৰে
মুক্ত কৰে নিমিষতে
হৃদয়ৰ ভয় আৰু পাপে গঢ়া হালধীয়া বাট।

এতিয়া বিজয়ৰ মেলা পাতি
আঁজলিৰে লৈছোঁ মই মহা অষ্টমীৰ ফুলপাহ
তথাপিও কিয় জানো মনত পৰিছে আই
মোৰ বুকুৰ চিতাৰ সেই জুইকুৰালৈ
আজিও বৈ আছে অতৃপ্ত ধুমুহাৰে





সাঁচি ৰখা সুৰবোৰ চকুপানীহৈ
অসুৰবিনাসী তুমি জগত বন্দীনি
পাম নে আকালৰ এটুপী পানী
পৃথিৱীৰ এই শুকান মৰুভূমিত?

হোমৰ অগ্নিৰে যাঁচো শত শত বন্তি
হাতে হাতে এন্ধাৰৰ তেজেধোৱা উশাহ
নাজাও মই এন্ধাৰৰ কাঁচিৰে
উষাৰ বেলিয়ে অঁকা সেই পোহৰৰ বাট
বধ্যভূমি নহয় ধৰা ইযে সপোনৰ ঘাট।

তেজৰ কবিতাৰে লিখিব কোনে
দেৱীৰ মহামন্ত্র মর্মন্তুদ বিষাদৰ পাতত
জলমগ্ন মোৰ বুকুৰ সপোন
যন্ত্রণাৰ কলিজাত শুনো মই কিয় আজি
দুখৰ সুহুৰিত কঁপা আহিনৰ হিয়া ভগা দুখৰ মাত।
'যা দেৱী সর্ব্বভূতেষু' অমোঘ শব্দৰে
বিচাৰোঁ মই স্বপ্ন ভংগ ছায়াময় ধৰাত
তোমাৰ দয়াৰ এযাৰি মাতেৰে বুকু ভৰা সঞ্জীৱণী স্বাদ। ❍

অচ্যুত তালুকদাৰ

চিকুণ আহিন

অৰুণৰ জ্বালামুখী ৰূপ
কমলা বৰণ ল'লৈ,
শাওণ ভাদৰ কুন্দতকটা নাকৰ
অগ্রভাগত জমা হোৱা ঘামৰ টোপালৰ
ৰেছম চিকুণ গাত
মৃদু কঁপনি তুলি
খৰিকাজাঁইৰ গোন্ধ লৈ
এছাটি কোমল বতাহৰ
আহিনৰ পদূলিত পদধূলি।
সদ্যস্নাতা গাভৰুৰ
লাহী শৰীৰৰ লাৱণ্যৰে
পিঠিলৈ বৈ পৰা চুলিকোছাৰে
বগলীৰ বৰণ লৈ
কঁহুৱাই দলিচা পাৰে আহিনলৈ।
আহিন আহিল লৈ শৰতৰ সুৱাস
অপৰাজিতাই ল'লে বেঙুনীয়া বৰণ,
কিচিম কিচিম নিয়ৰৰ টোপালে
ৰূপালী মুকুতা সিঁচে দূবৰিৰ বুকুত।
শেৱালিয়ে তৃতীয় প্রহৰত
মনৰ কথা পাতে
উম লৈ শুকুলা চাদৰৰ
ঘুমটি যায় দুবৰিৰ বুকুত।
ৰিব্ ৰিব্ বতাহত
কৃষকৰ সপোন সমুজ্জ্বল হয়
শ্যামলী পথাৰত।
ধৰণী হয় শীতল
সপোন ৰচে তৰু তৃণে
দশভুজাৰ পদজলৰ পৰশত।
ঘণ্টা বজে মন্দিৰত
আয়তীৰ উৰুলি
দেৱী বন্দনা বিপ্রবৰৰ
দশোদিশ আমোলমোলাই
ধূপ ধূনা চাকি তেলৰ সুগন্ধই।
বজাৰ জলমল ৰং বিৰঙৰ কাপোৰ
নানাৰঙী বেলুন
তৰহে তৰহে খেলাৰ সামগ্রী,
চাব পাৰি কিনিব নোৱাৰি
হাতত নাই ধন
সামগ্রীৰ চৰা দাম।
তথাপি দেৱী আহে বছৰে বছৰে
দিবলৈ আশিষ ভক্তগণক
দীঘল হৈ থাকে উদ্বৃত্ত পত্র
শকতি নহয় মিলাবলৈ। ❍



পৰেশ চন্দ্ৰ কলিতা

ৰৈ ৰৈ বিনালে

লুইতৰ বুকুৰেদি
বাগৰি গ'ল
এমুঠি লহৰ
মাজুলিৰ
এজনী ছোৱালীৰ
অসীম প্ৰেম,
থৰ হৈ ৰ'ল
একাজলী মৰম
লুইতৰ সোণোৱালী বালিত নিৰৱে।
নাহৰৰ পাতে পাতে বগালে
স্মৃতিৰ এটি মৃদু সুৰ
মায়াবিনী ৰাতিৰ কোলাত স্বৰ্দ্ধ।
এটা জাতিৰ উদাত্ত কণ্ঠ আৰু
স্বাভিমানৰ সত্বা
বকুল সৰা বতৰত
শেৱালিৰ সৌৰভ হেৰাই গ'ল
ধুসৰ কুঁৱলিৰ বোকোচাত
জাতিৰ স্বাভিমান
সাহস প্ৰেৰণা আৰু
মানৱতাৰ ভাষা।
যি গানত বাজে
প্ৰেম প্ৰতাৰণা
বিদ্ৰোহ
জাতিৰ দায়বদ্ধতা
সাম্যতা, সহনশীলতা
নগ্নতা আৰু
শত হুমুনিয়াহ।
সেই গানতে আছে
অসমীৰ মান
যি গানলৈ
ৰৈ থাকে
সমগ্ৰ জাতি,
সেই গানতে আছে
মানৱীয় প্ৰীতি আৰু
সাম্যতাৰ ৰীতি।
এটি সাম্যবাদী কণ্ঠ
হেৰাই গ'ল,
যিয়ে জাতিক
বুজাই দিয়ে
প্ৰস্তুতিৰ আখৰা;
সাম্যতা সজাগতা
আধ্যাত্মিকতা আৰু
লৌকিক সীমা বদ্ধতা।
দালালৰ দেশত
পণ্য সামগ্ৰী হৈ
উদাৰতাৰে
নিস্তব্ধ কণ্ঠে
সাগৰৰ তলীত
নিতোল দেহ।
নৈ খনৰ পৰা
সাগৰলৈ
চাই থকা
ফেচবুকৰ
সেই—
আঙুলি ভঙা ছোৱালীজনী
বি বৰুৱা কলেজৰ
অৰুন্ধুতিয়ে
ৰৈ ৰৈ বিনালে
ৰৈ ৰৈ বিনালে। ❍





জয়শংকৰ পাটৰ

ৰুদ্ধ কণ্ঠ

আমি পিছুৱাই গ'লোঁ
হয়তো অনাদিলৈ।
আচলতে কিমান পিছুৱাই গ'লোঁ
নিজেও ক'ব নোৱাৰোঁ।

উজাগৰী ৰজনী জলচৰ হৈ কটোৱাৰ পাছত
অনাহাৰী মগজু অচল হৈ পৰিছে।
কেউপিনে দুৰ্দশা
প্ৰাণটাকি লৰিম ক'লৈ
প্ৰাণকে বশ কৰিছে
মহাপ্ৰলয়ৰ তৰপে তৰপে অৱধাৰিত পলসে।
কল্পনাতীতভাৱে নিমিষতে সৰ্বস্বান্ত হোৱাৰ পাছত
নিজকে বুজাওঁ কিদৰে
আমি জীৱন ন কৈ আৰম্ভ কৰিম।

এইখিনিতে মৰমৰ ঘৰখন আছিল
ইয়াতে দেউতাই বৈ দিয়া জপনাখন আছিল
নহয়
এইখিনিত কুকুৰাৰ গঁৰাল আছিল
ইয়াত খুড়ীহঁতৰ শিপিনী সংঘ আছিল।
কোনখিনিত ভঁৰাল আছিল, গোহালি আছিল
ক'ত ডাঙৰ পুখুৰীটো আছিল
সত্যতা এতিয়া অদূৰত।

নিৰাশ্ৰয় জীৱন
জলপ্ৰলয়ত বিধ্বস্ত জীৱন।
কেউপিনে মাথোঁ আৰ্তনাদ, বিষাদ।

কষ্ট, যন্ত্ৰণা
তোমাৰো, আমাৰো।
বিপন্ন সময় থমকি ৰোৱা হ'লেও
পোহৰৰ দিশে গতি কৰিলোঁহেঁতেন !

কিন্তু আমি যে পিছুৱাই গ'লোঁ
কিমান দূৰ পিছুৱালোঁ নিজেও নাজানো
ক'ব নোৱাৰোঁ একো
ক'ত আমাৰ গতি
ক'ত আমাৰ মতি। ❍

ধ্বনিতা তালুকদাৰ

শৰতৰ সুবাস

শৰৎ আহে...
শেৱালিৰ মিঠা সুৱাস লৈ
নীলিম আকাশ সজাবলৈ
প্রত্যুষৰ নিয়ৰত তল সৰা শেৱালিয়ে
মনলৈ উৎসাহ আনে
সুগন্ধিৰ টোৱে মন উন্মনা কৰে

সঁজাল ধাননিডৰাৰ ওপৰেৰে
চুঁচৰি যায় সেইজীয়া বতাহজাক
পথাৰে হাঁহে ৰ'দৰ পোহৰত
আহিন মানেই নতুন সপোন

ধক্‌ধকীয়া বগলী পাখিৰ দৰে
কুঁৱলীৰ চেলেং পিন্ধি
হালি-জালি কঁহুৱাই শৰতক আদৰে
নৈপাৰৰ শুকান বলুকাৰ ঠেহ
ধীৰ বতাহে নিচুকায়
এয়াচোন শৰতৰে সাজ

শাৰদীক আদৰাৰ আখৰাত
দেৱীৰ চৰণত পুষ্পৰ অর্ঘ্য
শান্তি, শক্তি, ঐশ্বর্যৰ আৰতি
বাজি উঠে বিশ্ব শান্তিৰ বন্দনা

আহিনৰ বতাহে কয় কাণে কাণে
নিয়ৰৰ বুটাবোৰ বাঢ়িছে ধীৰে ধীৰে
সজল হৈ উঠিছে ঘাঁহৰ উশাহ
ভৰুণ হৈ পৰিছে
পথাৰৰ উদৰ
হালধীয়া হেমন্তক শৰতে জনায়
বাজিছে বুকুত প্রেমৰ মেজাংকৰি মালিতা। ❍

আনন্দ ৰহাং

অদম্য যাত্রা

খিৰিকীমুখৰ দোক্‌মোকালি
এক দীঘল উশাহ বুকুৰ গভীৰলৈ
হালধীয়া ৰঙৰ চিক্‌মিকনি
সুমধুৰ আৰু কোমল অনুভৱ।
নদীয়েহে জানে সাগৰৰ ঠিকনা
নদীৰ বুকুৰেদি বহুবাৰ পাৰ হৈছো
ইপাৰ সিপাৰ
পাৰঘাট এৰি পুনৰ আনটো পোৱাৰ,
বতাহত ওফন্দি উঠা পানীৰ ঢৌ
মৃদু উত্তেজনাই পুলকিত কৰা মন

বিচাৰি নাপাওঁ
পানী আৰু জীৱনৰ তুমুল সংগ্রাম,
কেনেকৈ পানীয়ে বিচ্ছিন্ন কৰে
মানুহক মানুহৰ পৰা
মানুহৰ জীয়াই থকাৰ তাড়না
দুর্যোগক জয় কৰি
প্রাপ্তিলৈ আগবাঢ়িব পৰাৰ
অদম্য আত্মপ্রেৰণা।

কোনে কাঢ়ি নিয়ে
তৃষ্ণাতুৰ পথিকৰ কণ্ঠ
উচুপি উঠে মোৰ যৌৱন
মোৰ সত্তা
নীৰৱতাৰ পাৰ ভাঙি
কঁপি উঠে আকাশ
ভাহি আহে এবুকু বিষাদ
বানে গৰকা জুপুৰি
কলিজাৰ আমঠু খান্দি
পেটৰ জীয়াভোক পেটতে সাবটি
মই হাঁহিব জানিছো

জিলিকা হাঁহিৰ মাজতো আছে জীৱন
কান্দোনৰ মাজতো আছে জীৱন
এয়াই বাস্তৱ। ❍

চন্দন বাচফোৰ

তুমি নথকাৰ বেদনা...

তুমি আছা সকলোতে
তুমি থাকিবা চিৰদিনলৈ
মাথোঁ নেদেখাৰ দৰে
তোমাৰ সুৰবোৰে
নিতৌ সোঁৱৰাই
প্ৰতিজন অসমীয়াক.....।
সন্ধিয়া কোনোবাই
বেলি ডুবা পৰত
সৰুকৈ বজাই
"মই নথকাৰ অনুভৱ..."।
খাৰঘূলিৰ নৈৰ পাৰত
সঘনাই বহে
সৰুৰ পৰা বৃদ্ধলৈ
সংগীতৰ চৰ্চা থকা
দীঘলীয়া সময় কটোৱা
আড্ডা...।
সময়ে দুহাতত ধৰি
আকৌ আহিল
অভিশপ্ত **১৯** ছেপ্টেম্বৰ
যি দিনটোৱে প্ৰতিজনৰ মনলৈ
এবাৰ হ'লেও
অনুভৱ কৰাই দিয়ে
তুমি নথকাৰ বেদনা...। ❍

বুলু মিশ্ৰ

শৰৎ এনেকৈয়ে আহে

গ্ৰীষ্মৰ উত্তাপত মিলি যায় ছাঁইৰ দৰে
পাহাৰৰ ঢালবোৰ ৰাঙলী সোণোৱালী হৈ পৰে;
শীতল আৰু চঞ্চল বতাহজাকৰ স'তে,
গছে গছে যেন গোপনে কথা পাতে।
গছৰ পাতত জিলিকে তামবৰণীয়া আভা,
উজ্জ্বল জোনটিয়ে উজলাই তোলে নিশাটোৰ শোভা,
অৰণ্যৰ বাটটিত মৃদুভাৱে উৰি আহে
শুকান পাতবোৰ সৰি বতাহত নাচে।
শৰৎ এনেকৈয়ে আহে
ঠিক এনেকৈয়ে। ❍

চন্দনা কাকতি

এটি অসমাপ্ত স্বপ্ন

সাগৰৰ অহংকাৰকণ চোৱা আজি,
লুইতে নুবুজিলে তোমাৰ অভিমান।
তোমাৰ অভিমানবোৰ আজি
বুটলিছে মাথোঁ একাজলী
লুণীয়া পানীয়ে।
অচিন ঠাইকণৰ উশাহকণো
যেন আজি গধুৰ হৈ গৈছে,
আকাশখনেও যেন
নীৰৱ নিতাল ৰূপ ধাৰণ কৰিছে। ❍

বন্দনা গোস্বামী

অনুৰাগ তোমাৰ বাবে

দুচকুৰ চিয়াঁহীৰে লিখা
নীলা খামৰ চিঠিখন,
আজিহে পালোঁ।
কম্পিত ওঁঠৰ ব্যাকৰণ,
বুজিব নোৱাৰিলোঁ।
লাহতী চুলিৰ কোমলতাত,
খোলাটোৰ উমান নাপালোঁ !

ডাকোৱালজন আহোঁতে
পলম হ'ল !
অকাল বানে,
দলংখন উটু�ৱাই নিছিল।
তথাপি কৈছো,
ৰজনীগন্ধা নসজাওঁ আহা !
প্রসাৰিত দুবাহুত এপাহি
গোলাপ হৈ থাকিবা,
লাগিলে সেইপাহ
আর্দ্রতা হেৰুৱা,
কাগজৰ ফুলেই হওক ! ❍

দীপালি তালুকদাৰ

নতুন চোলা

ৰঙচুৱা বৰণ লোৱা বগা চোলাটোৰ মোৰ
শেষৰ বুটামটো আজি ছিগি থাকিল।
বেজী আৰু সূতা লৈ পার্যমানে মই
চিলাই কৰিব চেষ্টা কৰিছো।
ঠায়ে ঠায়ে চোলাটো ফিচিকি গৈছে
সেইবাবে চিলাই কৰাত মই
ব্যর্থ হৈছো।
এসময়ত চোলাটোৱে মোৰ স'তে
কথা পাতিছিল।
চোলাটোৰ উজ্জ্বলতাক মানুহে প্রশংসা কৰিছিল।
গর্বত মোৰ বুকুখন ওফন্দি উঠিছিল।
চোলাটোৱে মোক মোৰ অস্তিত্বৰ কথা
সোঁৱৰাই দিছিল।
মই আৰু আগুৱাই যোৱাৰ
প্রেৰণা লাভ কৰিছিলো।
আজি চোলাটো হাতত লৈ মই
নষ্টালজিক হৈ পৰিছো।
চোলাটো পেলাই দিয়াৰ
মানসিকতা মোৰ নাই,
অথবা নতুন চোলা এটা কিনাৰ
সামর্থও মোৰ নাই।
সোঁৱৰণিৰ সেউজীয়া, বিজলুৱা শেলুৱেত
পৰি ৰ'ল মোৰ কজলা, তামবৰণীয়া চোলাটো,
তাৰ লগত পৰি থাকিল মোৰ
স্মৃতিৰ মুকুতা মালাধাৰি।
কানিমুনি সন্ধিয়াৰ গৰখীয়া বাটৰ
ধূলিয়ৰি যাত্রাত মই
এৰি থৈ আহিলো
সোণবৰণীয়া এটা পৰলীয়া
জীৱন গাথা...
নতুন চোলাটো আনিব লাগিব
নতুন চোলাটো আনিব লাগিব। ❍

ৰাখি ডেকা

শাৰদীয়াৰ ৰং


শৰৎ আহিল নীল আকাশত
শুকুলা মেঘৰ ভেলা
শেৱালী সৰে দূবৰি বনত
নিয়ৰত জিলমিলা।
কহুৱা ফুলে নৈৰ পাৰত
বতাহে হালি-জালি
আগমণিৰ সুৰ বাজে
ঢোলৰ চাপৰ মাৰি।
মা আহিছে মা আহিছে
সকলোৰে মনত ৰং
শংখ বাজে উৰুলি উঠে
চাৰিওফালে আনন্দৰ ঢং।
পূজাৰ মণ্ডপ জিলিকি উঠে
পোহৰ মালাৰে
দুখবোৰো নোহোৱা হয়
মাৰ আশীৰ্বাদেৰে। ❍



ৰেখা মহন্ত ডেকা

আহিনৰ হেৰোৱা ক্ষণটি

শেৱালি ফুলা আহিন,
নে কহুৱা ফুলা আহিন !
শাৰদ আহিন,
নে কুঁৱলী সৰা আহিন !
ধূলিয়ৰি ল'ৰালিৰ
বেলুন বেলুন গোন্ধোৱা আহিনো হ'ব পাৰে !
নিয়ৰ সনা আহিনো হ'ব পাৰে !
হ'ব পাৰে অস্তমিত বেলিৰ পোহৰে
হেঙুলীয়া কৰা সেই আহিন !
অনুৰাগেৰে দোলায়িত আহিনীয়া আবেলিটো যে
সাঁচি থৈছিলোঁ হৃদয়ৰ পেঁৰাত
য'ত প্রতিশ্রুতি বদ্ধ হৈছিল দুটি
দুটি মন, দুটি প্রাণ, এটি হোৱা।
য'ত স্থবিৰ হৈ পৰিছিল
নিমেষ বিহীন দুটি নয়নৰ লুণীয়া সোৱাদ।
ভবাটো নাছিলোঁ কাহানিও !
সূঁতি সলোৱা নৈৰ দৰে
আহিনেও সলাব পাৰে হৃদয়ৰ ঠিকনা,
ক'ত বা হেৰাল !
কেনিনো লুকাল !
আহিনৰ সেই ক্ষণটি !
য'ত ন যযৌ ন তস্থৌ মন এটি লৈ
বাট বুলিছিলো ঘূৰি নহাৰ পণেৰে
আহিনীয়া হেঁপাহেৰে... ❍



প্রণতি বৰুৱা

জয় মা গংগা

জয় মা গংগা ভোলানাথ শিৱবাবাই জণ্টায় গংগাক লৈ
আছিল দ্বাদশ বছৰ
তপস্যাৰ বলত ভাগীৰথে নমালে
মর্ত্যলোকত নৰগণক কৰিবলৈ উদ্ধাৰ,
উত্তৰাখণ্ডৰ দেৱপ্রয়াপত ভাগীৰথী অলকানন্দাৰ পৰা তোমাৰ
সৃষ্টিৰ ধাৰা আহিছে ধীৰগতিৰে নামি প্ৰৱহমান হৈ
গংগা নামেৰে হ'লা উৎপত্তি,
ত্রিধাৰা ত্রিবেণী সংগমত তোমাৰ মন্ত্রস্মৰণৰে
স্নান কৰি দিওঁ, অস্থি বিসর্জন।
হৰিদ্বাৰ ঋষিকেশত তোমাৰ অপৰূপ সৌন্দর্যত
মোহিত হৈ ভক্তসকলে কৰা আধ্যাত্মিক ধ্যানৰ
আৰতিত অংশ লৈ আলোকৰে প্রজ্বলিত কৰি তোলা
মনোমোহা দৃশ্য উপভোগ কৰি,
কৰো গংগা নদীত তর্পণ।
তোমাৰ নির্মল জল পান কৰি হওঁ শুচি
পিতৃ-মাতৃ পূর্বপুৰুষসকলক
সুঁৰৰি কৰো সূর্য প্রণাম
তোমাৰ পৱিত্র জলধাৰাত।
সকলোৰে মংগল কামনাৰে চৈধ্যকুল উদ্ধাৰি
মা গংগাৰ আশিস বিচাৰি
সেৱা লওঁ তোমাৰ চৰণত।
হে মা গংগা ভক্তিৰে কৰো প্রণাম
পাপৰ পৰা কৰা উদ্ধাৰ এই জনমত।
জয় মা গংগা জয় মা গংগা
গংগা, গংগা, গংগা। ❍

মিনু পাটগিৰী

প্রেম

কিবা এক নুবুজা সাঁথৰ
শিলে শিলে বৈ অহা স্বচ্ছ জলাধাৰ
আকাশৰ দৰে বিশাল, নদীৰ দৰে
প্রবাহিত স্ফটিকধাৰ, সেউজৰ দৰে
সজীৱ, সূর্যৰ দৰে তীক্ষ্ণ পোহৰ
মগজুৰ মাজেৰে অনির্বাণ গতি হৈ
বৈ যায় শব্দৰ সোঁত...
পৃথিৱীৰ সমস্ত পোহৰ আঁজুৰি আনি
মনৰ কৰণী ওপচাই দিয়ে...
এন্ধাৰ ভাঙি বোৱাই দিয়ে
আকুলতাৰ ধাৰ
হৃদয় কুৰুকি কুৰুকি শিলৰ দৰে
গভীৰ হয়।
ইয়েই আনে শব্দ বর্ণৰ নিৰৱ
ভাষাৰ গান...। ❍

তনুজা খাটনিয়াৰ

প্ৰেম এক স্বৰ্গীয় অনুভৱ



আইৰ উমাল বুকুৰ সুৱাসত
প্ৰেমৰ সুৱাস পাওঁ,

মোৰ প্ৰথম প্ৰেমে বিশ্বাসৰ
নিৰাকাৰ ৰূপ প্ৰকট কৰি ধৰা দি
পৃথিৱীৰ সুৱাস চিনাই,

"তেতিয়াই পৃথিৱী সুন্দৰ দেখো"

সেই সুবাসৰ সূতাডালত প্ৰেম জিলিকে
নিয়ৰ জিলিকা গোলাপৰ পাপৰিৰ দৰে;

"প্ৰেম এক স্বৰ্গীয় অনুভৱ"

ইয়াক আদিমতা, আধুনিকতাৰ অথবা দাবীৰ
শিকলিৰে বান্ধিব নোৱাৰি; স্বতঃস্ফূৰ্ত ই
নিৰৱ যদিও সৰৱ, নাই কোনো তাগিদা ইয়াৰ

হেজাৰ গান গায় প্ৰেমে
কেতিয়াবা বিশ্বাসৰ, কেতিয়াবা ত্যাগৰ
কেতিয়াবা বিৰহৰ, কেতিয়াবা পোৱাৰ নতুবা
কেতিয়াবা নোপোৱাৰ।

তথাপি মোৰ প্ৰেমে অনুপম হৈ ধৰা দি কয়—

প্ৰেম বিবৰ্ণ
প্ৰেম নিৰাকাৰ
প্ৰেম ত্যাগ
প্ৰেম বিশ্বাস
প্ৰেম আকৰ্ষণ
প্ৰেম সৱাস
প্ৰেম নিৰৱ
প্ৰেম আস্থা
প্ৰেম অনুভৱৰ সাগৰ

সেয়ে কওঁ—
"প্ৰেম এক স্বৰ্গীয় অনুভৱ" ❍

ৰাণুবালা দেৱী

মাটিৰ মাতৰ উচুপনি

আমাৰ ভাগ্য চক্রত আৱদ্ধ বাৰিষাৰ বান
সৰ্বতি কালৰ কান্দোন, বুকু থান বান
কৃষকৰ সপোনৰ সমাধি অকাল
তাতেই গঁজালি এটিৰ দৰে উঠি আহে
মাটিৰ মাতৰ উচুপনি...
বাৰিষাৰ বান, প্রাকৃতিক নে অপ্রাকৃতিক
পৰ্ব্বতৰ বুকুৰ বানহে যেনিবা
চুনামি এটাৰ দৰে থিতাতে আহিল
ঘৰৰ মূধছলৈ ডুবিল...
নিমিষতে পোত গ'ল মাটি, মানুহ পথাৰ
বিছনাৰ ৰোগী, বান্ধৰ গাই দামুৰি ঠাইতে মৰিল
পথে পথাৰে, ঘাটে বাকৰিয়ে
মানুহ আৰু জীৱ জন্তুৰ মৃতদেহ
সৎকাৰ কৰিবলৈও দুহাত ঠাইৰ অভাৱ
নিমাওমাও গাঁও, আশ্রয় শিবিৰৰ উচুপনি
অথাই সাগৰত উজাই আহে মৰণ কাতৰ চিঞৰ
গৰা খহাদি হয় সপোনৰ সমাধি।
চকুৰ পচাৰতে মাহ গ'ল
ক'ৰবাত অকণমান শুকনি, কৰবাত এবুকু
ঘূৰিবকে নোৱাৰি ঘৰলৈ বুলি
ঘৰ-বাৰী আৰু মৃতদেহৰ পচা গোন্ধে গধুৰ বতাহ
কৃষকে হাতৰ মুঠি টান কৰি লওঁতেই
উটি গ'ল সাঁচতীয়া টোমৰ কঠীয়া
চ'তৰ শুকান পথাৰখনৰ দৰেই চকুৰ চকুলো শুকাল
এদিন দুদিন কৈ ৰ'দে চকু মেলিছে
জেওৰা জপনা, চালে-বেৰে মেলি দিছে
পেৰাই জপাই সাঁচি ৰখা মৰমৰ কাপোৰ
আৰু চুকে কোনে বাচি ৰোৱা লাম লাকটু
সর্বশ্বান্তৰ সর্বনাশী হুমুনিয়াহ বৈ আহে খোজে খোজে
আপদীয়া সময়ৰ বুকুভেদি... ❍



হীৰেন কুমাৰ ভট্টাচার্য্য

নমস্তে মা ভৱানী

অশুভ আন্ধাৰে যেতিয়া
ঢাকি ধৰে ধৰাৰ বুকু,
অন্যায়ৰ জুইত যেতিয়া
জ্বলি উঠে নিৰীহৰ চকু
তেতিয়াই তুমি,
আহা দুর্গা মা
শক্তিৰূপেন সংস্থিতা জ্যোতিৰূপেন সংস্থিতা
ন্যায়ৰ অমোঘ প্রতীক হৈ
মানৱৰ অন্তৰলৈ।
দহখন হাতেৰে ধৰি আছা
দহ দিশৰ সাহস,
চকুত তোমাৰ জ্বলি থাকে
সত্যৰ অমল পোহৰ।
সিংহৰ পিঠিত আৰোহণ কৰি
দমন কৰা অহংকাৰ,
অসুৰৰ বুকুত লিখি দিয়া
ন্যায়ৰেই শেষ জয়ধ্বনি।

তুমি কেৱল নহয় যুদ্ধংদেহী দেৱী আই,
তুমি মমতাৰো সাগৰ,
তোমাৰ বুকুত আশ্রয় পায়
দুখীয়া নিৰীহ আৰু দুর্বলজন।

তোমাৰ চৰণত শিৰ নত কৰি
মানুহে শিকক
শক্তি মানে নহয় ধ্বংস কেৱল
শক্তি মানে সত্যৰ পথ।

য'ত নাৰী হয় অপমানিত
সত্য হয় নীৰৱ,
লোভে ঢাকি পেলায়
মানৱতাৰ পৱিত্র মুখ
তাতেই তোমাৰ আগমন হওক,
জাগক বিবেক,
জাগক প্রাণ,
অন্যায়ৰ বিৰুদ্ধে
বাজক তোমাৰ বিজয়-শংখ প্রতি ঘৰে ঘৰে
বাজক তোমাৰ বিজয়-শংখ।

হে মা দুর্গা,
আমাৰ অন্তৰত জ্বলাই দিয়া
নির্ভীক দীপশিখা
যাতে ভয়ত নত নহওঁ,
অন্যায় দেখি নীৰৱ নহওঁ,
সত্যৰ পথৰ পৰা
বিচলিত নহওঁ।

তোমাৰ ত্রিশূল হওক
অসত্যৰ বিৰুদ্ধে আমাৰ সাহস,
তোমাৰ পদুম হওক
আমাৰ হৃদয়ৰ পৱিত্রতা
আৰু তোমাৰ আশীর্বাদত
মানৱতাৰ জয় হওক,
ন্যায়ৰ জয় হওক,
সত্যৰ জয় হওক,
জয় হওক মা দুর্গাৰ
চিৰন্তন নাৰীশক্তি ৰূপ। ❍

মৌচুমী ভৰালী

আপুনি মই ক্ৰমশ...

আপুনি মই ক্ৰমশ...
নিসংগ হৈছো...
কৰ্তব্যৰ পথত দৌৰি দৌৰি
আপোনজনৰ পদূলি,
কাহানিবাই এৰি আহিছোঁ।
গঢ়ি তুলিছো এখন
ব্যস্ততাৰ দেৱাল।
য'ত আবদ্ধ হৈছে মাথোঁ হুমুনিয়াহ,
হয়, আমি সঁচাকৈয়ে নিসংগতাত ভুগিছোঁ।

আপুনি মই ক্ৰমশ...
ব্যক্তিকেন্দ্ৰিক হৈছোঁ...
হেৰুৱাই পেলাইছো পথাৰৰ সেউজীয়া,
কৰিব শিকিছোঁ মাথোঁ প্ৰৱঞ্চনা।
জোক হৈ শুহিছো কেৱল,
ইজনে সিজনৰ তেজ আৰু তেজ।
হয়, আমি সঁচাকৈয়ে ব্যক্তিকেন্দ্ৰিক হৈছোঁ।
আপুনি মই ক্ৰমশ...
বোবা হৈছো...
অন্যায়বোৰ সহ্য কৰিছো
সমাজৰ দুৰ্নীতিবোৰ দেখিও
প্ৰাণহীন বস্তুৰ দৰে,
প্ৰতিবাদ নকৰাকৈ মৌন হৈছোঁ,
হয়, আমি সঁচাকৈয়ে বোবা হৈছোঁ। ❍

নগেন চন্দ্ৰ শৰ্মা

উজনিৰ বন্যা

শিৱসাগৰত বাঢ়নী আহিল,
গাঁও-ঘৰ পানীত ডুবিল।
নাজিৰাত বাঢ়নী পানী,
দুখেৰে ভৰিল গাঁৱৰ কাহিনী।
চৰাইদেউৰ ধাননি ডুবিল,
কৃষকৰ মুখৰ মাত হৰিল।
যোৰহাটতো বাঢ়নী আহিল,
বহু মানুহ দুখত পৰিল।
গোলাঘাটত বাজিল কান্দোনৰ ৰোল,
প্ৰতিঘৰ মানুহৰ বহুত লোকচান হ'ল।
মাকৰ চকুত চকুপানী বয়,
দেউতাকৰ মনত দুশ্চিন্তা আৰু ভয়।
তথাপি আমি আশা ৰাখোঁ,
সাহসেৰে আগবাঢ়ি যাওঁ।
এজনে আনজনক সহায় কৰোঁ,
মানৱতাক এই ধৰাত জীয়াই ৰাখোঁ।
শিৱসাগৰে পুনৰ হাঁহক,
নাজিৰা আকৌ জাগক।
চৰাইদেউ সেউজ হওক,
যোৰহাট-গোলাঘাট সুখেৰে ভৰক।
আহক, আমি সকলোৱে
সহায়ৰ হাত আগবঢ়াওঁ।
ঐক্য আৰু মৰমেৰে
সকলো দুখ আঁতৰাওঁ। ❍



জয়শ্রী দাস

স্বপ্ন

প্রেম দিৱসৰ দিনাখন
মোৰ হৃদয়ে বিচাৰিছিল
এটি আধাফুলা ৰঙা গোলাপ কলি
তোমাৰ প্রেমেৰে সিক্ত,
গোলাপ কলিটি যদি দিলাহেঁতেন
তুমি নোহোৱা হোৱা
সহস্র আলোকবর্ষত
মোৰ জীৱনৰ উন্মাদনা হৈ ৰ'লহি
সেই ৰঙা গোলাপ কলিটি,
কিন্তু তুমি দিয়া হীৰাৰ দোলযোৰ
অনাদৃত হৈ পৰি আছে
চন্দুকৰ এটি নিভৃত কোণত

বৃষ্টিমুখৰ কোনো এক
স্বপ্নময় গধূলি, তোমাৰ স'তে
বর্ষাস্নাতা হোৱাৰ মধুৰ সপোন
ৰৈ গ'ল আধৰুৱা হৈ,
সুসজ্জিত এক...
স্তিমিত পোহৰৰ কোঠালীত
তুমি একাত্ম হৈ ৰ'লা
ৰঙীন পানীয়ৰ গিলাচত

পাহাৰী নদীৰ
কুলু কুলু ধ্বনিত
সেউজীয়া ওপচি পৰা পথত
হাতত হাত থৈ, নির্জন দুপৰীয়া
নিজকে বিলীন কৰি দিব
বিচাৰিছিলো তোমাৰ স'তে
কিন্তু তুমি মোক লৈ যাব বিচাৰিলা
এজাক মানুহৰ ভিৰত
হেৰাই যাবলৈ
সুউচ্চ অট্টালিকাৰে ঘেৰা
উশাহ বন্ধ হোৱা
নামী দামী এক মহানগৰীলৈ

জোনাক গলা এটি গ্রীষ্মৰ নিশা
তৰাখচিত আকাশৰ তলত
উদ্‌যাপন কৰিব বিচাৰিছিলো
এটি স্বপ্নীল নিশা, উজাগৰে
তীব্র হেঁপাহ আছিল
এটি সুমধুৰ সুৰৰ লহৰ তোলা,
ক্লান্ত, ব্যস্ত তুমি
উজাগৰী নিশা যে
এক অলীক সপোন

সকলোতো একমত, মোৰ হেনো
অৱাস্তৱ দাবী, খেয়ালী মনৰ
এয়া হেনো খেয়ালী সপোন
সেয়ে মই নিশ্চুপ এতিয়া
সপোনৰ অন্ত পেলাই,
জানো সকলোৰে দৰে
মই যে বিচাৰিব জনা নাই। ❍

প্ৰসন্ন তালুকদাৰ

শাৰদী ৰাণী হেনো তোমাৰ নাম



বাৰিষাৰে ধুই নিয়া প্ৰকৃতিৰ বুকুলৈ
নামি আহে শৰৎ
শাৰদী জোনাকৰ পোহৰত
আহিনৰ নিয়ৰে নদীৰ বুকুত মেলে এখনি শুভ্ৰ চাদৰ
নৈ পাৰৰ কঁহুৱাই উলাহতে হালে-জালে
পাতি লৈ শুকুলাৰ মেলা।

শৰতৰ জোনাকত শেৱালিয়ে খিল্‌খিলাই হাঁহে
পুৱালৈ তলসৰি দূৰৰিৰ নিয়ৰত নিতৌ গা পখালে
চিক্‌মিক্‌ চিক্‌মিক্‌ পুৱাৰ সূৰুযৰ কিৰণত
নিয়ৰৰ টোপালবোৰ মুকুতা হৈ জিলিকে
ৰিব্‌ৰিব্‌ মলয়াত শেৱালি সুৱাস চৌদিশে বিয়পে
পদূলিয়ে পদূলিয়ে দি যায় জাননী
শৰৎ আকৌ আহিলে বুলি।

কোন কাৰ আপোন
কোন কাৰ সপোন
কোন কাৰ দাপোণ
শাৰদী ৰাণীক আদৰবিলৈ প্ৰকৃতিৰ সাজোন-কাচোন
শৱালি, দেওহাঁহ উলাহত বিভোৰ।

মন প্ৰাণ জুৰোৱা
দুখ-ভাগৰ পাহৰোৱা
মৃত মনক নকৈ সঞ্জীৱনী ঢালি দিয়া ঋতুৰাণীক
আদৰিবলৈ কত কিমান যে আয়োজন
ঢাক-ঢোল, শংখ, পেঁপাৰ মাত
দুৰ্গা মাৰ পূজাৰ বেদীত ধূপ-ধূনা, পূজা-অৰ্চনা, মংগল ধ্বনি
আৰতিৰ উৰুলিৰে হয় চৌদিশ মুখৰিত
মা দুৰ্গাৰ আশিষ বিচাৰি
সকলোৱে কৰে দেৱীৰ চৰণত শিৰ নত। ❍

ধীৰাজ কুমাৰ ডেকা

শনিবাৰৰ সন্ধিয়াটো

মুখাবোৰ মুখত থাকিলেই ভাল আছিল জানা
মুখাবোৰে আৱৰি থাকে
এফালে মৰম ভালপোৱাৰ ৰামধেনু
আৰু ক'ৰবাত ধুমুহা গাজনিৰে আকাশ ভৰি উঠা দীপাৱলীৰ নিশা
মুখাবোৰ মুখত থাকিলেই ভাল আছিল জানা
শনিবাৰৰ সন্ধিয়াটোত

মুখাবোৰ মুখত থাকিলেই পুতলা নাচৰ নাচ দিব পাৰিলোহেঁতেন
পৰিচালকৰ আঙুলিৰ ঠাৰত
সকলো প্ৰকাশ কৰিলোহেঁতেন তোমাৰ সন্মুখত
কেতিয়াবা আবেগ, আন কোনোবাদিনা কথাৰ ফুলজাৰি
দুয়ো দুয়োকে জোকাৰি দি
মুখাবোৰ মুখত থাকিলেই ভাল আছিল জানা
শনিবাৰৰ সন্ধিয়াটোত

মুখাবোৰে আৱৰি লওঁতে তুমি কৈছিলা
ভালেই হ'ল লগ পাবলৈ আহিলেও চিনিয়ে নাপাব মোক
মুখাবোৰে আবৰি লওঁতে
তোমাক চাবলৈ মন গ'লে
হাজাৰ বাধায়ো বাধা দিব নোৱাৰে মোক
কলেজৰ ক্লাচৰুমত
পানবজাৰৰ কিতাপৰ দোকানত
বা য'ত ত'ত
শনিবাৰৰ সন্ধিয়াটোত

মুখাবোৰ মুখত থাকিলেই ভাল আছিল জানা
কাষত কাষে লাগি
সেৱাভাগ কৰোঁতে
দুয়ো দুয়োকে অনুভৱ কৰিলেও
আঁতৰি দিবলৈ বেছি পৰ নালাগিলহেঁতেন
মুখাবোৰ মুখত থাকিলেই ভাল আছিল জানা
শনিবাৰৰ সন্ধিয়াটোত ❍





নঙলামুখ

দুর্গা পূজা সমিতিৰ ভিতৰচ'ৰা





গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজা সমিতিৰ "সোণালী জয়ন্তী" ২০২৪ - ২০২৫ বৰ্ষৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

শ্ৰদ্ধাৰ সভাপতি মহোদয়, গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজা সমিতিৰ মাননীয় মুখ্য উপদেষ্টা, উপদেষ্টা, মাননীয় দাতা, পৃষ্ঠপোষকসকল, সন্মানীয় কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়া, উপ-সমিতিসমূহৰ সভাপতি আৰু সম্পাদকসকল, সন্মানীয় জ্যেষ্ঠ নাগৰিকসকল, মাতৃ সমাজ, যুৱ সমাজ, ভক্তবৃন্দ আৰু মোৰ অতি আপোন গীতানগৰবাসী ৰাইজ— সাদৰ সম্ভাষণ গ্ৰহণ কৰিব।

আজি মোৰ বাবে কেৱল এখন প্ৰতিবেদন দাঙি ধৰাৰ দিন নহয়। আজি হৈছে পঞ্চাশ বছৰৰ এক গৌৰৱময় যাত্ৰাক এবাৰ উভতি চোৱাৰ দিন; অসংখ্য চিনাকি-অচিনাকি মুখ, অগণন ত্যাগ, শ্ৰম, মৰম, সহযোগিতা আৰু স্মৃতিক শ্ৰদ্ধাৰে সোঁৱৰাৰ দিন। গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাৰ সোণালী জয়ন্তী বৰ্ষ- ২০২৫ উপলক্ষে সাধাৰণ সম্পাদক হিচাপে এই প্ৰতিবেদন দাঙি ধৰিবলৈ পাই মই নিজকে সঁচাকৈয়ে সৌভাগ্যৱান বুলি অনুভৱ কৰিছোঁ।

পঞ্চাশ বছৰ এটা সংখ্যাৰ হিচাপত হয়তো মাথোঁ এটা সময়সীমা। কিন্তু এখন পূজাৰ বাবে পঞ্চাশ বছৰ মানে পাঁচটা দশকৰ বিশ্বাস, পাঁচটা দশকৰ পৰম্পৰা, পাঁচটা দশকৰ ঐক্য, অসংখ্য স্মৃতি আৰু অগণন মানুহৰ জীৱনৰ সৈতে জড়িত এক গভীৰ আৱেগ। গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজা কেৱল এখন পূজা নহয়। ই আমাৰ পৰিচয়, আমাৰ ঐতিহ্য, আমাৰ মিলনৰ থলী, আমাৰ সামাজিক সম্প্ৰীতি আৰু আমাৰ সমূহীয়া আৱেগ।

পঞ্চাশ বছৰৰ গৌৰৱময় যাত্ৰা ঃ

পঞ্চাশ বছৰ আগতে হয়তো কেইজনমান উদ্যমী আৰু সমাজহিতৈষী মানুহে এটা সৰু সপোন দেখিছিল— গীতানগৰবাসীক একত্ৰিত কৰি "মা দুৰ্গা"ৰ আৰাধনা কৰাৰ সপোন। সেই সময়ত হয়তো আজিৰ দৰে বিশাল আয়োজন নাছিল, নাছিল বৃহৎ মণ্ডপ, নাছিল ইমান আলোকসজ্জা, নাছিল ইমান বিপুল জনসমাগম। আছিল মাথোঁ "মা দুৰ্গা" ৰ প্ৰতি অগাধ বিশ্বাস আৰু মানুহক একত্ৰিত কৰাৰ আন্তৰিক ইচ্ছা। সেই সৰু আৰম্ভণিটোৱেই আজি পঞ্চাশ বছৰত এক মহীৰুহত পৰিণত হৈছে। এই দীঘলীয়া যাত্ৰাত বহুজন আমাৰ মাজৰ পৰা আঁতৰি গ'ল। বহুজন আজি শাৰীৰিকভাৱে আমাৰ মাজত নাই। কিন্তু তেওঁলোকৰ শ্ৰম, ত্যাগ, সপোন আৰু আশীৰ্বাদ আজিও এই পূজাৰ প্ৰতিটো অধ্যায়ত জীয়াই আছে। সোণালী জয়ন্তীৰ এই পৱিত্ৰ ক্ষণত সেই সকলো পূৰ্বসূৰী, প্ৰয়াত কৰ্মকৰ্তা, অগ্ৰজসকল আৰু আমাৰ সকলোৰে মৰমৰ গায়ত্ৰী হাজৰিকালৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

সোণালী জয়ন্তীৰ এই আনন্দময় যাত্ৰাৰ মাজতে অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গদেৱৰ মহাপ্ৰয়াণে আমাক গভীৰভাৱে শোকাহত কৰি তুলিছিল। তেখেতৰ বিয়োগ অসমৰ সাংস্কৃতিক জগতৰ বাবে এক অপূৰণীয় ক্ষতি। তেখেতৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধা নিবেদন কৰি আমাৰ পূজা সমিতিয়ে পূৰ্বনিৰ্ধাৰিত বহু কাৰ্যসূচী বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উৎসৱৰ আনন্দৰ মাজতো এগৰাকী মহান শিল্পীৰ প্ৰতি শ্ৰদ্ধা আৰু অসমৰ ৰাইজৰ অনুভূতিৰ প্ৰতি সন্মান জনোৱাটো আমি আমাৰ নৈতিক দায়িত্ব বুলি বিবেচনা কৰোঁ। তেখেত সদায় আমাৰ মাজত জীয়াই থাকিব। গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজা সমিতিৰ তৰফৰ পৰা তেখেতলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ আৰু তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

সোণালী জয়ন্তী বৰ্ষৰ প্ৰস্তুতি ঃ

এই ঐতিহাসিক বৰ্ষটোক স্মৰণীয় কৰি তোলাৰ উদ্দেশ্যে আৰম্ভণিৰ পৰাই ব্যাপক প্ৰস্তুতি গ্ৰহণ কৰা হৈছিল। ৮ ডিচেম্বৰ, ২০২৪ তাৰিখে বিয়লি ৪.৫০ বজাত গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ উদ্দেশ্যে এখন বিশাল সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাত শ্ৰী দিলীপ চন্দ্ৰ কলিতাক সভাপতি, শ্ৰী ৰিতু মনি কলিতাক সাধাৰণ সম্পাদক আৰু শ্ৰী ৰাজীৱ কলিতাক কোষাধ্যক্ষ হিচাপে লৈ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ বাবে এখন শক্তিশালী কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। ইয়াৰ পিছত ২১ ডিচেম্বৰ, ২০২৪ তাৰিখে অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত সোণালী জয়ন্তী বৰ্ষৰ বিভিন্ন কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ২১ খন উপ-সমিতি গঠন কৰা হয়। প্ৰতিখন উপ-সমিতিৰ সভাপতি আৰু সম্পাদকসকলক নিজ নিজ সমিতিৰ সদস্য নিৰ্বাচন কৰি দায়িত্বসমূহ নিষ্ঠা আৰু সুচাৰুৰূপে সম্পন্ন কৰিবলৈ দায়িত্ব অৰ্পণ কৰা হয়। লগতে প্ৰয়োজনীয় বাজেট লিখিতভাৱে দাখিল কৰিবলৈ অনুৰোধ জনোৱা হয়।

পৰৱৰ্তী সময়ত ১ মাৰ্চ, ২০২৫ তাৰিখে অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত শ্ৰীশ্ৰী দুৰ্গা পূজা আৰু শ্ৰীশ্ৰী লক্ষ্মী পূজাকে ধৰি সোণালী জয়ন্তী বৰ্ষৰ বিভিন্ন কাৰ্যসূচী সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে এক কোটি টকাৰ বাজেট নিৰ্ধাৰণ কৰা হয়। সভাত বিস্তৃত আলোচনাৰ অন্তত উক্ত বাজেটখন সৰ্বসন্মতিক্ৰমে অনুমোদন জনোৱা হয়। এইদৰেই আৰম্ভ হৈছিল এটা বৃহৎ সপোনক বাস্তৱ ৰূপ দিয়াৰ প্ৰস্তুতি।

"মা দুৰ্গা"ৰ আৰাধনাৰ লগতে প্ৰকৃতিৰ প্ৰতিও আমাৰ দায়িত্ব আছে— এই উপলব্ধিৰে সোণালী জয়ন্তী বৰ্ষত পৰিৱেশ সংৰক্ষণৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰা হয়।

৫ জুন, ২০২৫ তাৰিখে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে পুৱা চাৰে আঠ বজাত ভূমি সংৰক্ষণ বিভাগৰ প্ৰাক্তন সঞ্চালক শ্ৰীযুত ইন্দ্ৰজিত দত্তদেৱৰ দ্বাৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। বৃহত্তৰ গীতানগৰ অঞ্চলৰ জ্যেষ্ঠ নাগৰিকসকলৰ সহযোগত বৃক্ষৰোপণ আৰু বৃক্ষ বিতৰণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই কাৰ্যসূচীয়ে এটা গুৰুত্বপূৰ্ণ বাৰ্তা বহন কৰিলে 'মা দুৰ্গা'ক পূজা কৰা মানে কেৱল মণ্ডপ সজোৱা নহয়; প্ৰকৃতি, পৰিৱেশ আৰু ভৱিষ্যৎ প্ৰজন্মৰ প্ৰতিও দায়িত্ব পালন কৰা।

সোণালী জয়ন্তী বৰ্ষৰ অন্যতম প্ৰধান আকৰ্ষণ আছিল পূজা মণ্ডপ। এইবাৰৰ মণ্ডপটো থাইলেণ্ডৰ বিখ্যাত "অৰুণ মন্দিৰ—WAT ARUN", অৰ্থাৎ "সূৰ্যোদয়ৰ মন্দিৰৰ স্থাপত্য শৈলীৰ আৰ্হিত নিৰ্মাণ কৰা হৈছিল। ঐতিহাসিক মন্দিৰটোৰ অনুপম স্থাপত্যৰ অনুপ্ৰেৰণাৰে গঢ়ি তোলা গীতানগৰৰ এই মণ্ডপে সোণালী জয়ন্তীৰ আয়োজনক এক বিশেষ মাত্ৰা প্ৰদান কৰে। সূক্ষ্ম কাৰুকাৰ্য, নান্দনিক সৌন্দৰ্য, মনোমোহা আলোকসজ্জা আৰু সুন্দৰ পৰিকল্পনাই মণ্ডপটোক এক অনন্য ৰূপ প্ৰদান কৰিছিল।

